"চিৰ চেনেহী মোৰ ভাষা জননী"

অসম সাহিত্য সভা

# শিমলুগুৰি

## স্মৃতিগ্ৰন্থ

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ

মধ্যকালীন অধিৱেশন


দেৱজিৎ দুৱৰা

সম্পাদক



আদৰণী সমিতিৰ একাংশ বিষয়-ববীয়া



সম্বৰ্ধনা উপ-সমিতিৰ একাংশ



চিকিৎসা সেৱা উপ-সমিতিৰ একাংশ



প্ৰচাৰ আৰু যোগাযোগ উপ-সমিতিৰ একাংশ



আপ্যায়ন উপ-সমিতিৰ একাংশ



পতাকা উত্তোলন আৰু বেদী নিৰ্মাণ
উপ-সমিতিৰ একাংশ



আদৰণী সমিতিৰ একাংশ বিষয়-ববীয়া

*'চিৰ চেনেহী মোৰ ভাষা জননী'*

# শিমলুগুৰি

**(লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনৰ স্মৃতি গ্ৰন্থ)**

**স্থান ঃ শিমলুগুৰি ৰঙ্গমঞ্চ**

**তাৰিখ ঃ ১০ আৰু ১১ জানুৱাৰী, ২০২৬**

প্ৰতি,

শ্ৰীযুত/ শ্ৰীযুতা .................................................................................. ৰ

হাতত আন্তৰিকতাৰে 'শিমলুগুৰি' অৰ্পণ কৰা হ'ল ।

— সম্পাদক

*সম্পাদক ঃ দেৱজিৎ দুৱৰা*

***'শিমলুগুৰি'*** লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৰেশন উপলক্ষে দেৱজিৎ দুৱৰাৰ দ্বাৰা সম্পাদিত আৰু আদৰণী সমিতিৰ দ্বাৰা প্ৰকাশিত স্মৃতিগ্ৰন্থ।

# সম্পাদনা সমিতি....

**উপদেষ্টা** ঃ শ্ৰীযুত সঞ্জীৱ উপাধ্যায়
শ্ৰীযুত জীৱন সন্দিকৈ
শ্ৰীযুত প্ৰবীণ হাজৰিকা

**সভাপতি** ঃ চিত্ৰনাথ গগৈ

**উপ-সভাপতি** ঃ লিলি শইকীয়া

**সম্পাদক** ঃ দেৱজিৎ দুৱৰা

**সদস্য/সদস্যা** ঃ পবিত্ৰ বৰুৱা, বিপুল গোহাঁই, ৰেখামণি হাতীবৰুৱা, মণিষা বৰা গগৈ।

প্ৰকাশক ঃ আদৰণী সমিতি, লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৰেশন

প্ৰকাশ কাল ঃ ১১-০১-২০২৬

বেটুপাত অলংকৰণঃ হৰেণ দাস

মুদ্ৰণ ঃ ৰামধেনু অফ্ছেট, নাৰায়ণপুৰ।

শুভেচ্ছামূলক বৰঙণি ঃ ১০০.০০ টকা

# উচৰ্গা



**প্ৰয়াত দেউৰাম গগৈ**
জন্ম ঃ ১৯-১০-১৯৪৭
মৃত্যুঃ ১০-১১-১৯৯৪



**প্ৰয়াত বোধেশ্বৰী গগৈ**
জন্ম ঃ ২১-০৪-১৯৩৯
মৃত্যুঃ ১৭-১২-২০১৯

এই স্মৃতিগ্ৰন্থখন আমাৰ প্ৰয়াত পিতৃ আৰু মাতৃলৈ উচৰ্গা কৰিলো। যিয়ে আমাক জীৱনৰ পোহৰ দিছিল। সমাজত এজন সঁচা মানুহ হিচাপে জীয়াই থাকিবলৈ শিকাইছিল। তেওঁলোকৰ আদৰ্শই আমাক সদাই অনুপ্ৰাণিত কৰে, সৎ পথ দেখুৱায়। পিতৃ-মাতৃলৈ এয়া আমাৰ ক্ষুদ্ৰ শ্ৰদ্ধাঞ্জলি।

অনন্ত গগৈ আৰু পৰিয়ালবৰ্গ
দাতা, স্মৃতিগ্ৰন্থ

# শ্ৰদ্ধাঞ্জলি

অসমীয়াৰ প্ৰাণৰ শিল্পী হাৰ্টথ্ৰ'ৰ লুইতকণ্ঠ জুবিন গাৰ্গৰ লগতে অসমীয়া ভাষা আৰু সাহিত্যৰ উত্তৰণত যিসকল বৰেণ্য ব্যক্তিয়ে অশেষ বৰঙণি আগবঢ়াই আমাৰ মাজৰ পৰা ইহলীলা সম্বৰণ কৰিলে সেইসকল পুৰোধা ব্যক্তিৰ পুণ্যাত্মাৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ...

— সম্পাদনা সমিতি

# কৃতজ্ঞতা

যি সকল সুহৃদয় ব্যক্তিৰ শাৰীৰিক, মানসিক আৰু আৰ্থিক সহযোগিতাৰ বাবে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনখনি অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছোঁ— সেইসকল স্বনামধন্য ব্যক্তিলৈ আমাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

—আদৰণী সমিতি

**ড° বসন্ত কুমাৰ গোস্বামী**
**সভাপতি**

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভবন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী, তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮-৪১২৫
১/১৪ বি-সৎসঙ্গ বিহাৰ মাৰ্গ,ব্লক এ. কুটুব ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭

## শুভেচ্ছা বাৰ্তা

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ আগন্তুক মধ্যকালীন অধিৱেশনখনি শিমলুগুৰি শাখা সাহিত্য সভাৰ আতিথ্যত ২০২৬ খ্ৰীষ্টাব্দৰ ১০ আৰু ১১ জানুৱাৰিত উলহ-মালহেৰে আয়োজন কৰা বতৰাত আ াদিত হৈছোঁ। এই অধিৱেশনৰ সৈতে সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰাটো সন্তোষৰ খবৰ।

অসম সাহিত্য সভাৰ অন্তৰ্গত জিলা সভাসমূহৰ অধিৱেশন ভাষা জননীৰ সেৱকসকলৰ মিলনথলী। অধিৱেশনসমূহে সাহিত্যসেৱীসকলক নতুন কৰ্মোদ্যমেৰে উজ্জীৱিত কৰি তোলে। অধিৱেশনৰ স্মৃতিগ্ৰন্থৰ বুকুত সেই উদ্যমৰ সোঁৱৰণ সজীৱ হৈ ৰয়। লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনৰ স্মৃতিগ্ৰন্থখনি ন-পুৰণি লেখকসকলৰ চিন্তা-চেতনাৰে ভৰুণ হৈ সোঁৱৰণৰ সম্পদ হৈ ৰ'ব— সেই আশাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° বসন্ত কুমাৰ গোস্বামী)
সভাপতি, অসম সাহিত্য সভা

**ড° অমিয় কুমাৰ ভূঞা**

এম.এ., এল.এল.এম., পি.এইচ.ডি.
বিধায়ক, ৭৩ নং বিহপুৰীয়া বিধানসভা সমষ্টি
অসম বিধান সভা
দিশপুৰ, গুৱাহাটী, অসম
ম'বাইল নং- ৯১০১২৬৫৮৭২
৯৪৩৫০৮৯১৩৫

**Dr. Amiya Kr. Bhuyan**
**M.A., L.L.M., Ph.D.**
MLA. 73 Bihpuria LAC
Assam Legislative Assembly
Dispur, Guwahati, Asam
Mobile No. + 91 9101265872
+ 91 9435089135
Email: dramykrbhuyan68@gmail.com

# শুভেচ্ছা বাৰ্তা

অসম সাহিত্য সভাৰ লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনখনি শিমলুগুৰি শাখা সাহিত্য সভাৰ আতিথ্যত অহা ১০ আৰু ১১ জানুৱাৰী (২৫ আৰু ২৬ পুহ, ১৯৪৭ শক) ত দুদিনীয়াকৈ শিমলুগুৰিত অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলোৱা বুলি জানি আনন্দিত হৈছো। অধিৱেশনখনিৰ লগত সংগতি ৰাখি স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰাটো অতিকৈ প্ৰশংসনীয়। ভাষা-সাহিত্য-সংস্কৃতি এটা জাতিৰ দাপোণ স্বৰূপ। ভাষা-সাহিত্য-সংস্কৃতিয়ে এটা জাতিৰ ঐতিহ্য দাঙি ধৰে। অসমীয়া জাতিৰ সভ্যতা-সংস্কৃতিৰ গুৰি ব'ঠাডাল মজবুত কৰাৰ দায়িত্ব অসম সাহিত্য সভাই পালন কৰি আহিছে আৰু এই ক্ষেত্ৰত ভৱিষ্যতেও ভালেখিনি কৰণীয় আছে। প্ৰখ্যাত ভাষাবিদ ড° বাণীকান্ত কাকতিদেৱে কৈছিল— "ভাষাৰ বান্ধেই সমাজ আৰু ৰাষ্ট্ৰৰ বান্ধ।"

অধিৱেশনখনিৰ সকলো কাৰ্যসূচীৰ সফলতা কামনা কৰা লগতে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখনিৰ সম্পাদনা সমিতিক এই প্ৰয়াসৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো। স্মৃতিগ্ৰন্থখনিয়ে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা প্ৰকাশ কৰিলোঁ।

(ড° অমিয় কুমাৰ ভূঞা)
বিধায়ক
৭৩ নং বিহপুৰীয়া বিধান সভা সমষ্টি

# স্মৃতিগ্ৰন্থৰ দাতা তথা আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতিৰ একলম

**‘চিৰ চেনেহী মোৰ ভাষা জননী’**

স্মৃতিগ্ৰন্থ, মুখপত্ৰ আদি এটা জাতিৰ নাইবা সাহিত্য-সংস্কৃতি প্ৰকাশ সমাজৰ বাবে অতি লাগতিয়াল আৰু গুৰুত্বপূৰ্ণ কাম। আমাৰ সমাজ জীৱনৰ বৰ্তমানৰ লগতে অতীতমুখী ঘটনা-পৰিঘটনাবোৰ ভৱিষ্যত প্ৰজন্মলৈ ইতিহাস হিচাপে সজীৱ কৰি ৰাখিবলৈ এই গ্ৰন্থসমূহ যথেষ্ঠ নহ’লেও এটা জাতিৰ সাহিত্য, জাতীয় চেতনা জগাই তোলাত অৰিহণা যোগাব। গতিকে এনে এটা মহান দায়িত্ব আমাক অৰ্পণ কৰাত মোৰ লগতে আমাৰ সৰু পৰিয়ালটোৰেও অতি সৌভাগ্য বুলি গণ্য কৰি কৃতজ্ঞ মানিছো।

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনখনি এইবাৰ (২০২৬ বৰ্ষৰ) স্মৃতিগ্ৰন্থ **‘শিমলুগুৰি’**ৰ প্ৰকাশৰ দায়িত্ব দি লক্ষীমপুৰ জিলা সাহিত্য সভা আৰু উদ্‌যাপন সমিতিৰ সমূহ কৰ্মকৰ্তাৰ লগতে বৃহত্তৰ শিমলুগুৰি, ৰাজগড় আৰু ৰঙতি গাঁও পঞ্চায়তৰ অন্তৰ্ভুক্ত ৰাইজৰ উপৰিও আমাৰ বিভিন্ন ঠাইৰ পৰা সভালৈ অহা সন্মানীয় প্ৰতিনিধি, বিষয়ববীয়াসকললৈ আমাৰ পৰিয়ালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি প্ৰণিপাত জনালোঁ।

লগতে আমি গৌৰৱান্বিত যে, ১৯১৭ চনতে প্ৰতিষ্ঠা লাভ কৰা অসমৰ সৰ্ববৃহৎ জাতীয় সংগঠন (অনুষ্ঠান) অসম সাহিত্য সভাৰ প্ৰথম গৰাকী সন্মানীয় সভাপতি আছিল লক্ষীমপুৰ জিলাৰে সু-সন্তান, সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱা। সেই সোণালী দিনৰ ঐতিহ্য থকাৰ উপৰিও কেইগৰাকীমান স্মৰণীয় সাহিত্যিকৰ প্ৰচেষ্টাত লক্ষীমপুৰতেই সাহিত্য সভাৰ বীজ অংকুৰিত হৈছিল। পৰৱৰ্তী সময়ত বুদ্ধিজীৱী হোমেন বৰগোহাঞিৰ পৰা আৰম্ভ কৰি বহুকেইগৰাকী সাহিত্যিকে লক্ষীমপুৰৰ গৌৰৱ অক্ষুন্ন ৰাখি থৈ গৈছে। তাৰ বাবে আমি গৌৰৱান্বিত।

আনহাতে এইবাৰ লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনখনি শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ আতিথ্যত ১০ আৰু ১১ জানুৱাৰী ২০২৬ তাৰিখে অনুষ্ঠিত কৰাৰ মানসেৰে শিমলুগুৰি শাখাক এখনি ৰাজহুৱা সভা আহ্বান কৰিবলৈ কোৱাত সেই মৰ্মে শাখাই যোৱা ২০ অক্টোবৰ ২০২৫ তাৰিখে শিমলুগুৰি প্ৰেছ ক্লাবত এখনি সভা অনুষ্ঠিত কৰে আৰু সেই ৰাজহুৱা সভাতে শাখাটোৰ প্ৰাক্তন সভাপতিদ্বয় ডিম্বেশ্বৰ ফুকনক সভাপতি, শিক্ষক অনন্ত গগৈক কাৰ্যকৰী সভাপতি আৰু উদীয়মান যুৱক তথা শিক্ষক যোগানন্দ গগৈক সম্পাদক হিচাপে লৈ এখনি উদ্‌যাপন সমিতি গঠন কৰি দিয়ে। লগতে অধিৱেশনখনিৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ আৰু শাখাৰ পৰাও এখনি মুখপত্ৰ প্ৰকাশ কৰিবৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত স্মৃতিগ্ৰন্থখনি প্ৰকাশৰ দায়িত্বও এই অভাজনৰ ওপৰতেই উদ্‌যাপন সমিতিয়ে অৰ্পণ কৰে।

ময়ো ভগৱানৰ আশীৰ্বাদ বুলি ভাবি সন্মতি প্ৰকাশ কৰি মোৰ প্ৰয়াত পিতৃ দেউৰাম গগৈ আৰু প্ৰয়াত মাতৃ বোধেশ্বৰী গগৈৰ নামত গ্ৰন্থখন উচৰ্গা কৰাৰ কথা ভাবি কাম কৰি গ'লো।


যাই হওক অতি কম সময়ৰ ভিতৰত এফালে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি আৰু আনফালে গ্ৰন্থ প্ৰকাশৰ গুৰু দায়িত্ব পালন কৰিবলৈ গৈ মোৰ দৰে সাধাৰণ লোক এজনে যথেষ্ঠ ত্যাগ কৰিবলগা হৈছিল। তথাপিও দায়িত্ব লোৱাৰ পাছত নিজৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰিব নোৱাৰিলে যুদ্ধ ক্ষেত্ৰত পৰাজিত সৈনিকৰ দৰে হোৱাৰ ভয়ত নিৰ্ভীকতাই সকলো কাৰ্য সম্পন্ন কৰি গৈছিলো। এই ক্ষেত্ৰত সকলো সময়তে মোৰ ভাল কামবোৰত সমৰ্থন দি অহা মোৰ পত্নী মালতী বসুমতাৰী গগৈ, ডাঙৰ পুত্ৰী ডাঃ চয়নিকা গগৈ বৰুৱা, জোঁৱাই ডাঃ প্ৰাগজ্যোতিষ বৰুৱা, ডাঙৰ পুত্ৰ নীলম সঞ্জীৱ গগৈ, পুত্ৰী তথা আমাৰ সকলোৰে মৰমৰ বোৱাৰী মণিষা বৰা গগৈয়ে মোক মোৰ সাহিত্য চৰ্চা কৰাৰ ক্ষেত্ৰত থমকি নৰ'বলৈ সদায়ে প্ৰেৰণা যোগাই অহাৰ উপৰিও মই মোৰ সৰুপুত্ৰ প্ৰিন্স প্ৰতীমৰ ৰুমত সোমাই দুপৰ নিশালৈকে লিখা-পঢ়া কৰা দেখিলে সি তাৰ ৰুমলৈ নগৈ ঘৰত ৰখা আলহি ৰুমত গৈ শুই থাকে। ঘৰখনৰ মানুহকেইজনৰ এইখিনি মোৰ বাবে প্ৰেৰণা।

এইখিনিতে আমাক সামাজিক কাৰ্যক্ষেত্ৰখনত সকলো সময়তে সহযোগিতা আগবঢ়োৱা কবি, শিক্ষক তথা বৰ্তমানৰ শাখা সাহিত্য সভাৰ সভাপতি বিতোপন গগৈ, শিমলুগুৰি প্ৰেছ ক্লাবৰ সভাপতি, জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক দেৱজিৎ দুৱৰা, আদৰণী সমিতিৰ সভাপতি ডিম্বেশ্বৰ ফুকন আৰু সম্পাদক যোগানন্দ গগৈ, প্ৰেছ ক্লাবৰ সম্পাদক দেৱজ্যোতি কাকতি, ৰঙতিৰ দ্বীপ হাতীবৰুৱা, যুৱ সমাজকৰ্মী তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা নৱজিৎ বৰাৰ দৰে নিষ্ঠাৱান কৰ্মীৰ নাম ল'বই লাগিব।

প্ৰান্তত এই চেগতে উদ্‌যাপন সমিতিৰ আৰু জিলা সমিতিৰ সকলো বিষয়-ববীয়া, কৰ্মকৰ্তালৈ আন্তৰিক কৃতজ্ঞতা জনাই প্ৰকাশক তথা কাৰ্যকৰী সভাপতিৰ একলম সামৰিলোঁ।

'জয়তু লক্ষীমপুৰ জিলা সাহিত্য সভা'

'জয়তু শিমলুগুৰি স্বৰ্ণদল শাখা সাহিত্য সভা'।



(অনন্ত গগৈ)

স্মৃতিগ্ৰন্থৰ দাতা আৰু আদৰণী সমিতিৰ

কাৰ্যকৰী সভাপতি

# স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতিৰ একাষাৰ

**‘চিৰ চেনেহী মোৰ ভাষা জননী’**

লক্ষীমপুৰ জিলাৰ ইতিহাস প্ৰসিদ্ধ নাৰায়ণপুৰৰ পশ্চিমে অৱস্থিত শিমলুগুৰি। বয়োজ্যেষ্ঠ সকলৰ পৰা জানিব পৰা মতে মানৰ আক্ৰমণৰ পাছত অটব্য অৰণ্যলৈ পৰিণত হোৱা এই ঠাইত এজোপা প্ৰকাণ্ড শিমলু আছিল। বিভিন্ন ঠাইৰ পৰা এই অঞ্চললৈ অহা লোকসকলে পথ নিৰ্দেশনাৰ বাবে সেই শিমলুজোপাকে কেন্দ্ৰ কৰি লৈছিল। পৰৱৰ্তী সময়ত সেই  শিমলুজোপাৰ পৰাই বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়থলী এই ঠাইখনৰ নাম শিমলুগুৰি বুলি জনাজাত হয়। সাম্প্ৰতিক সময়ত শিমলুগুৰিৰ বহুকেইগৰাকী লোকে অসমৰ সাহিত্য, কলা, সংস্কৃতি আৰু বৌদ্ধিক ক্ষেত্ৰলৈ অৱদান আগবঢ়াই আহিছে।

অসম সাহিত্য সভাৰ লক্ষীমপুৰ জিলা সাহিত্য সভাই শিমলুগুৰি স্বৰ্ণদল শাখা সাহিত্য সভাৰ আতিথ্যত মধ্যকালীন অধিৱেশনখনি ১০ আৰু ১১ জানুৱাৰী, ২০২৬ (২৫ আৰু ২৬ পুহ, ১৯৪৭ শক)ত  শিমলুগুৰিত অনুষ্ঠিত কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। সেই মৰ্মে অধিৱেশনখনি সাফল্যমণ্ডিত কৰি তুলিবলৈ এখনি আদৰণী সমিতি গঠন কৰা হয়। অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডিম্বেশ্বৰ ফুকনক সভাপতি আৰু শিক্ষক যোগানন্দ গগৈক সম্পাদক হিচাপে লৈ গঠন কৰা আদৰণী সমিতিয়ে অধিৱেশন উপলক্ষে এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবৰ বাবে আমাক সভাপতি আৰু সাংবাদিক দেৱজিৎ দুৱৰাক সম্পাদকৰ দায়িত্ব দি ‘স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি’খন গঠন কৰি দিয়ে। স্মৃতিগ্ৰন্থখনিৰ উপদেষ্টা, লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপাধ্যায়, সম্পাদক প্ৰবীণ হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক জীৱন সন্দিকৈ আৰু সম্পাদনা সমিতিয়ে স্মৃতিগ্ৰন্থখনি সম্পাদনা কাৰ্য সম্পন্ন কৰি আদৰণী সমিতিৰ অনুমোদন সাপেক্ষে  সহৃদয় সাহিত্যপ্ৰেমী পাঠকৰ হাতত ‘শিমলুগুৰি’ তুলি দিবলৈ পাই ধন্য অনুভৱ কৰিছোঁ।

স্মৃতিগ্ৰন্থখনি প্ৰকাশৰ ক্ষেত্ৰত ছপাশালৰ সমুদায় খৰছ বহন কৰি সম্পাদনা সমিতিক কৰ্ম প্ৰেৰণা যোগোৱা বাবে শিক্ষক, কবি অনন্ত গগৈ আৰু তেখেতৰ পৰিয়ালবৰ্গক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা লগতে শিমলুগুৰি শাখা সাহিত্য সভাৰ সভাপতি বিতোপন গগৈ, স্মৃতিগ্ৰন্থৰ উপদেষ্টা মণ্ডলী, সম্পাদক আৰু সদস্য -সদস্যা সকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

স্মৃতিগ্ৰন্থখনিৰ ছপাৰ দায়িত্ব লোৱা ৰামধেনু অফ্ছেটৰ স্বত্বাধিকাৰী জান দাসৰ প্ৰমুখ্যে কৰ্মীবৃন্দক সম্পাদনা সমিতিৰ হৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

‘জয়তু অসম সাহিত্য সভা’

(চিত্ৰনাথ গগৈ )
সভাপতি
স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি

# আদৰণী সমিতিৰ সভাপতিৰ একাষাৰ

‘চিৰ চেনেহী মোৰ ভাষা জননী’

ভাষা ভাব প্ৰকাশৰ মাধ্যম। ভাষা লিপিবদ্ধ হ’লে সাহিত্যৰ সৃষ্টি হয়। অসমীয়া ভাষা সাহিত্যই অসমীয়া সমাজখনৰ বৌদ্ধিক, সাংস্কৃতিক, সামাজিক চিন্তা চৰ্চাৰ গতিধাৰাৰ স্বাক্ষৰ বহন কৰি আহিছে। অসমত অসমীয়া ভাষা সাহিত্য চৰ্চাৰ পথ অবিৰতভাৱে চলাই নিবৰ বাবে ১৯১৭ চনৰ ২৬ ডিচেম্বৰত শিৱসাগৰৰ অসম কনফাৰেন্সৰ ৰভাঘৰত অনুষ্ঠিত হোৱা সাহিত্য সন্মিলনৰ প্ৰস্তাৱ মৰ্মে ‘সদৌ আসাম সাহিত্য সভা’ গঠন হয়। অসমীয়া ভাষা সাহিত্য তথা জাতীয় জীৱনৰ লগত গভীৰভাৱে সংপৃক্ত হৈ থকা অনুষ্ঠানটোৱেই হৈছে ‘অসম সাহিত্য সভা’। ১৯৪৪ চনত শিৱসাগৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ প্ৰস্তাৱ মৰ্মে সাহিত্য সভাৰ নামকৰণ সংশোধন কৰি ‘আসাম সাহিত্য সভা’ৰ পৰিৱৰ্তে ‘অসম সাহিত্য সভা’ কৰা হয়। ১৯১৮ চনতে স্বীকৃতি পোৱা অসম সাহিত্য সভাৰ লক্ষীমপুৰ জিলা সাহিত্য সভাত বৰ্তমান ৪১ টা সক্ৰিয় শাখা আছে। ১৯৮৪ চনতে গঠন হোৱা শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভা লক্ষীমপুৰ জিলাৰ অন্যতম সক্ৰিয় শাখা। যোৱা ২০ অক্টোবৰ, ২০২৫ তাৰিখে শিমলুগুৰি প্ৰেছ ক্লাবৰ কাৰ্যালয়ত লক্ষীমপুৰ জিলা সাহিত্য সভা আৰু শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ আহ্বানত এখনি ৰাজহুৱা সভা অনুষ্ঠিত কৰি লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনখনি পূৰ্ব নিৰ্দ্ধাৰিত সিদ্ধান্ত মৰ্মে শিমলুগুৰিত শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ আতিথ্যত অনুষ্ঠিত কৰাৰ কথা সদৰি কৰে। সভাত সৰ্বসন্মতি ক্ৰমে ২০২৬ বৰ্ষৰ ১০ আৰু ১১ জানুৱাৰী (২০ আৰু ২১ পুহ) তাৰিখে জিলাৰ মধ্যকালীন অধিৱেশনখনি সফলভাৱে পাতিবৰ বাবে এখনি আদৰণী সমিতি গঠন কৰে। আদৰণী সমিতিয়ে অধিৱেশনখনিৰ স্মৃতি ধৰি ৰাখিবৰ বাবে চিত্ৰনাথ গগৈক সভাপতি আৰু দেৱজিৎ দুৱৰাক সম্পাদকৰ দায়িত্ব দি এখন স্মৃতিগ্ৰন্থ প্ৰকাশন উপ-সমিতি গঠন কৰে। সুখৰ বাৰ্তা যে লক্ষীমপুৰ জিলাৰ মধ্যকালীন অধিৱেশৰ আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি অনন্ত গগৈদেৱে তেখেতৰ পিতৃ প্ৰয়াত দেউৰাম গগৈ আৰু মাতৃ প্ৰয়াত বোধেশ্বৰী গগৈৰ স্মৃতিত গ্ৰন্থখনি প্ৰকাশৰ সম্পূৰ্ণ দায়িত্ব নিজে মূৰ পাতি লয়। তেখেতৰ এই বদান্যতাৰ বাবে জিলা সহিত্য সভা, শাখা সাহিত্য সভা আৰু আদৰণী সমিতিয়ে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। স্মৃতিগ্ৰন্থখনিয়ে বৃহত্তৰ ৰাজগড় অঞ্চলৰ ইতিহাস ধৰি ৰখাৰ লগতে সকলো সম্প্ৰদায়ৰ লোকৰ মাজত ভাষা সাহিত্য চৰ্চাৰ প্ৰেৰণা আৰু জাতীয় চেতনা জাগৃত কৰিব বুলি আশা কৰা হৈছে। স্মৃতিগ্ৰন্থখনি প্ৰকাশৰ লগত জড়িত থকা প্ৰকাশন সমিতি, শাখা সমিতি, আদৰণী সমিতি, ছপাশালৰ দায়িত্ব লোৱা ‘ৰামধেনু অফ্‌ছেট, নাৰায়ণপুৰ’ৰ কৰ্মকৰ্তাসকলৰ লগতে লেখক, শুভেচ্ছা বাৰ্তা প্ৰেৰকসকল শলাগৰ পাত্ৰ। অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে পাঠক সমাজৰ ওচৰত ক্ষমা বিচাৰিলোঁ।

‘জয়তু অসম সাহিত্য সভা’
‘জয়তু লক্ষীমপুৰ জিলা সাহিত্য সভা’।

(ডিম্বেশ্বৰ ফুকন)
সভাপতি, আদৰণী সমিতি
লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশন

# আদৰণী সমিতিৰ সম্পাদকৰ একলম ঃ

১৯৮৫ চনতে প্ৰতিষ্ঠা হোৱা লক্ষীমপুৰ জিলাৰ এক অন্যতম জাতীয় অনুষ্ঠান শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাই বিগত ৪০ বছৰ ধৰি ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নয়নৰ হকে কাম কৰি আহিছে। প্ৰতিষ্ঠা কালৰে পৰাই শাখাটিয়ে স্বাভিমান আৰু কৰ্মদক্ষতাৰ মাজেৰে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাঙ্গীন বিকাশ, সংৰক্ষণৰ লগতে প্ৰচাৰ আৰু প্ৰসাৰ কৰি আহিছে। বৰ্তমান সময়লৈকে শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ অন্তৰ্গত প্ৰায় ৫৩ গৰাকী সদস্যই অসম সাহিত্য সভাৰ আজীৱন সভ্যলৈ উন্নীত হৈছে। ই শাখাটোৰ কাৰণে গৌৰৱৰ বিষয়।

সাম্প্ৰতিক সময়ত সৰ্বতে চৰ্চাত থকা এক বিষয় হৈছে যুৱ প্ৰজন্মৰ উশৃংখলতা। এই উশৃংখলতাৰ এটা গুৰুত্বপূৰ্ণ কাৰণ হ'ল নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ অভাৱ। যিহেতু আজিৰ যুৱ প্ৰজন্মই কালিলৈ দেশৰ ভৱিষ্যত স্বৰূপ। গতিকে আমি সাম্প্ৰতিক পৰিস্থিতিত প্ৰতিগৰাকী অভিভাৱকে আমাৰ সন্তানক যান্ত্ৰিক জীৱন যাত্ৰাৰ উশৃংখলতাৰ পৰা আঁতৰত ৰাখি সৎ মানৱদৰদী মানুহ হিচাপে গঢ়ি তুলিব লাগিব। তাকে কৰিবলৈ হ'লে তেওঁলোকক নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰে সু-শিক্ষিত কৰি তুলিব লাগিব। যিসকল নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰে সু-শিক্ষিত, তেওঁলোকে জীৱনৰ প্ৰতি খোজত সেই শিক্ষাৰ সৎ ব্যৱহাৰ কৰে বাবে সহজে অপৰাধমূলক কাৰ্যত লিপ্ত হ'ব নোৱাৰে। আনৰ অহিত চিন্তা কৰিব নোৱাৰে। তেওঁলোকৰ মানসিকতাই অপৰাধ প্ৰৱণতাৰ পৰা আঁতৰাই ৰাখে।

অপৰাধ প্ৰৱণতাৰ অন্য এটা গুৰুত্বপূৰ্ণ কাৰণ হ'ল সামাজিক, সাংস্কৃতিক সম্পৰ্কৰ অভাৱ। আজিৰ যান্ত্ৰিকতাৰ যুগত আমাৰ বহু কিশোৰ-কিশোৰী, যুৱক-যুৱতী সামাজিক সাংস্কৃতিক সম্পৰ্কৰ পৰা কিছু পৰিমাণে আঁতৰি থকা পৰিলক্ষিত হয়। যিসকল ল'ৰা-ছোৱালী সামাজিক, সাংস্কৃতিক নহয়, তেওঁলোকে সামাজিক শিক্ষা লাভ নকৰে, ফলত তেওঁলোকৰ লজ্জাবোধ কম হয়। সামাজিক সাংস্কৃতিক কৰ্মৰ লগত জড়িত ল'ৰা-ছোৱালী আত্মসন্মান ৰক্ষাৰ ক্ষেত্ৰত অধিক সচেতন।

সাহিত্য আৰু সমাজৰ মাজত নিৰবিচ্ছিন্ন সম্পৰ্ক আছে। সমাজক বাদ দি সাহিত্য চৰ্চা অসম্ভৱ। কাৰণ লিখকে সমাজত বাস কৰা মানুহৰ বাবে সাহিত্য ৰচনা কৰে আৰু লিখকেও সমাজৰ পৰাই তেখেতৰ লিখনিৰ সমল সংগ্ৰহ কৰে। লিখকে সমাজত ঘটা ঘটনা, সমাজত বাস কৰা মানুহৰ জীৱন শৈলী, আশা-আকাংক্ষা, চিন্তা-চৰ্চা আদি সাহিত্যৰ মাজেদি মূৰ্ত কৰি তোলে। সেয়ে সাহিত্যক 'সমাজৰ দাপোণ' বুলি কোৱা হয়। সমাজ পৰিৱৰ্তন, মানুহৰ দৃষ্টিভংগী সলনিকৰণ আদি কাৰ্যত সৃষ্টিশীল সাহিত্যৰ ভূমিকা অনস্বীকাৰ্য। যি সাহিত্যত সামাজিক দায়বদ্ধতা নাথাকে তেনে সাহিত্যই পাঠক সমাজৰ দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰি কালৰ সোঁতত হেৰাই যায়। গতিকে লিখকে পাঠকসমাজৰ দৃষ্টি আকৰ্ষণ কৰি সমাজ সংস্কাৰৰ ভূমিকা গ্ৰহণ কৰিব লাগে।

সাম্প্ৰতিক সময়ত যুৱ প্ৰজন্মৰ উশৃংখলতা ৰোধ কৰা ক্ষেত্ৰত সাহিত্যই বলিষ্ঠ পদক্ষেপ ল'ব পাৰে। লিখক সকলে এই দিশ সমূহৰ ওপৰত দৃষ্টি ৰাখি লিখনি প্ৰস্তুত কৰাত গুৰুত্ব আৰোপ কৰিব লাগে।

সমীক্ষাৰ পৰা জনা যায় যে উন্নত দেশবোৰৰ জনসাধাৰণে দুখীয়া বা উন্নয়নশীল দেশসমূহৰ জনগণৰ তুলনাত অধিক কিতাপ অধ্যয়ন কৰে যাৰ ফলস্বৰূপে তেখেতলোকৰ চিন্তা জগতৰ লগতে ৰাষ্ট্ৰত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সুস্থিৰতা প্ৰতিষ্ঠিত হৈছে। অসমৰ হিয়াৰ আমঠু হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ ভাষাত 'কিতাপ নপঢ়া জাতিক গামোচাই বচাব নোৱাৰে।'

গতিকে ক'ব পাৰি যে, সুন্দৰ আৰু শৃংখলিত সমাজ গঠনত সৃষ্টিশীল সাহিত্যৰ ভূমিকাৰ কোনো বিকল্প নাই। সেয়ে আমি সকলোৱে সাহিত্য অধ্যয়নৰ অভ্যাস গঠন কৰা উচিত আৰু নৱপ্ৰজন্মক সাহিত্য অধ্যয়নৰ প্ৰতি উৎসাহ উদ্দীপনা দিয়াৰ লগতে সাহিত্য অধ্যয়নৰ বাবে উপযুক্ত পৰিৱেশ গঠন কৰাত মনোযোগী হোৱা উচিত।

শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ পৰিসীমা অতি বিস্তৃত। এই অঞ্চল নানা জাতি, উপজাতি বিভিন্ন ধৰ্মালম্বী লোকৰ মিলনভূমি। এই অঞ্চলৰ সকলো লোকেই মিলাপ্ৰীতিৰে সমন্বয়ৰ বাৰ্তা লৈ আহিছে। ই অতি শুভ লক্ষণ। এই বৃহত্তৰ অঞ্চলৰ ৰাইজৰ মাজত শাখা সাহিত্য সভাই প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তে নৱ প্ৰজন্মক সাহিত্য সভাৰ মজিয়ালৈ আনি বাস্তৱ সন্মত কাৰ্যপন্থা গ্ৰহণ কৰি সাহিত্য সভাক জনমুখী কৰি তোলাৰ পদক্ষেপ ল'ব লাগে।

২০২৫ চনৰ ২০ অক্টোবৰত শিমলুগুৰি প্ৰেছ ক্লাবত হোৱা ৰাজহুৱা সভাই লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনখনি আয়োজন কৰিবৰ বাবে আমাক সম্পাদকৰ দৰে গুৰু দায়িত্ব অৰ্পণ কৰে। উক্ত দিনাৰ পৰা বিজ্ঞসকলৰ পৰামৰ্শ আৰু চিন্তা-চৰ্চাৰ মাজেৰে বিভিন্ন কাৰ্যাৱলী গ্ৰহণ আৰু ৰূপায়ণৰ যোগেদি অধিৱেশনখনি সাফল্যমণ্ডিত কৰিবৰ বাবে আমি অহোপুৰুষাৰ্থ চেষ্টা অব্যাহত ৰাখিছো। বিভিন্ন সময়ত মোক বিশেষভাৱে দিহা-পৰামৰ্শ দি আগুৱাই নিয়া লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সন্মানীয় সভাপতি সঞ্জীৱ উপাধ্যায়, সম্পাদক প্ৰবীণ হাজৰিকা, সাংগঠনিক সম্পাদক দেৱজিৎ দুৱৰা, শিমলুগুৰি শাখা সাহিত্য সভাৰ সভাপতি বিতোপন গগৈ, সম্পাদক দীপক ইছলাৰী, আদৰণী সমিতিৰ সভাপতি ডিম্বেশ্বৰ ফুকন, কাৰ্যকৰী সভাপতি অনন্ত গগৈকে প্ৰমুখ্য কৰি সকলো বিষয়ববীয়াক ভক্তিভৰা সেৱা জনাই কৃতজ্ঞতা প্ৰকাশ কৰিছো।

সদৌ শেষত শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাই গঠনমূলক দৃষ্টিভংগীৰে এটি চিৰ জ্যোতিষ্মান অনুষ্ঠানৰূপে আত্মপ্ৰকাশ কৰিবলৈ ধাৱমান হওঁক। তাৰ বাবে শিমলুগুৰি, ৰাজগড় আৰু ৰঙতি ৰাইজৰ সহায় সহযোগিতা কামনা কৰি আমাৰ চমু একাষাৰ ইমানতে সামৰণি মাৰিলো।

ইতি

(যোগানন্দ গগৈ)
সম্পাদক, আদৰণী সমিতি
লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশন

# শিমলুগুৰি ‘স্বৰ্ণ’ শাখা সাহিত্য সভাৰ সভাপতিৰ কলমত...

শুনিছো নতুন পথৰ উদ্‌ঘাটন উৰুলি। সন্মুখত অলেখ স্বপ্নৰ সমাহাৰ। দূৰন্ত গতিৰে হাজাৰ ধুমুহা নেওচি আগুৱাই যোৱাৰ হেঁপাহ। বাটৰুৱাৰ মুখত বিশ্বাসভৰা প্ৰশান্তিৰ গান। অতীতৰ অভিজ্ঞতা, সাহস আৰু বহুজনৰ প্ৰেৰণাৰে আমাৰ প্ৰাণোচ্ছল যাত্ৰা। যাৰ ফলশ্ৰুতিত ‘চিৰ চেনেহী মোৰ ভাষা জননী’ৰ সেৱাত আমি সকলোৱে নিজকে উৎসৰ্গা কৰা উচিত। ১৯৮৪-৮৫ বৰ্ষত অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিৱেশনৰ প্ৰাক্‌ক্ষণত আমাৰ শিক্ষাগুৰু প্ৰয়াত যজ্ঞপ্ৰসাদ শৰ্মা ছাৰক সভাপতি আৰু অৱসৰপ্ৰাপ্ত শিক্ষক ডম্বৰ প্ৰসাদ ৰিজালদেৱক সম্পাদক হিচাপে লৈ কেইবাগৰাকী সমাজকৰ্মীৰ সহযোগত লক্ষীমপুৰ জিলাৰ পশ্চিম প্ৰান্তৰ এই শিমলুগুৰিত শাখা সাহিত্য সভা গঠন হৈছিল। পৰৱৰ্তী সময়ছোৱাত সাধ্যানুসৰি সকলোৱে অৰিহণা আগবঢ়াই আহিছিল। বিভিন্ন কাৰণত শাখাৰ কাম-কাজ কিছু স্থবিৰ হৈ পৰিছিল যদিও ১৯৯৭ চনৰ ১৭ অক্টোবৰত অসম সাহিত্য সভাৰ ‘সংহতি সপ্তাহ’ৰ সামৰণি অনুষ্ঠানৰ কেন্দ্ৰীয় কাৰ্যসূচীত অসম সাহিত্য সভাৰ মাননীয় সভাপতি ‘মিতভাষ’ৰ স্ৰষ্টা ড° নগেন শইকীয়াদেৱে কাতি বিহুৰ তুলসী তলৰ বন্তি প্ৰজ্জ্বলনৰ দিনা শিমলুগুৰি ৰঙ্গমঞ্চৰ সভাত আহি যি মধুৰ বক্তব্য ৰাখি গৈছিল সেই স্মৃতি আজিও সজীৱ হৈ আছে। উভতি যাওঁতে ধলপুৰত ভাৰতীয় সেনাবাহিনীৰ ওচৰত হাত দাঙি থিয় হোৱা অপদস্থমূলক সংবাদে সমগ্ৰ অসমত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। (অভাজন তেতিয়া শাখাৰ সম্পাদকৰ দায়িত্বত)। অন্যহাতে জিলা পৰ্যায়ৰ কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী শিমলুগুৰি শাখাই ৰূপায়ণ কৰি আহিছিল। এই ক্ষেত্ৰত বিভিন্নজন সভাপতি-সম্পাদকৰ লগতে সকলো ৰাইজৰ ত্যাগ স্বীকাৰ্য বিষয়। তদুপৰি কিছুদিন জৰুৰীকালীন কাৰণবশতঃ নিষ্ক্ৰিয় হৈ থকা শাখাটোৱে বহুজনৰ চেষ্টা আৰু পৰামৰ্শত প্ৰাণ পাই উঠিল। এইক্ষেত্ৰত শাখাৰ প্ৰাক্তন সভাপতি শিক্ষক, কবি অনন্ত গগৈ আৰু প্ৰাক্তন সম্পাদক, সাংবাদিক, শিমলুগুৰি প্ৰেছ ক্লাবৰ সভাপতি দেৱজিৎ দুৱৰাৰ নাম নোলোৱাকৈ থাকিব নোৱাৰি।

সৰ্বোপৰি লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনখনি সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত জিলা সাহিত্য সভাৰ সভাপতি-সম্পাদক প্ৰমুখ্যে আদৰণী সমিতিৰ সভাপতি ডিম্বেশ্বৰ ফুকন, সম্পাদক যোগানন্দ গগৈ, শাখাৰ উপ-সভাপতি ইন্দিৰা গগৈ ফুকন, সম্পাদক দীপক ইছলাৰী, সহঃ সম্পাদক টংকেশ্বৰ গগৈ, প্ৰাক্তন সভাপতি প্ৰিয় গৌতম, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া লোহিত গগৈ, আদৰণী সমিতিৰ বিষয়ববীয়া শিৱ বৰা, ৰাজু আগৰৱালাৰ লগতে সকলোলৈকে আন্তৰিক শ্ৰদ্ধা আৰু চেনেহ জ্ঞাপন কৰিলো। আৰ্থিক দিশত বিশেষভাৱে সকাহ দিয়া সকলোকে শ্ৰদ্ধা জনালো।

বুৰঞ্জী স্পৰ্শিত ৰাজগড় আলি, ৰঙতি পুখুৰী, মাঘনোৱা দৌল, পুৰাণপ্ৰসিদ্ধ পিছলা নৈ আৰু অৰুণাচলৰ পৰা বৈ আহি জিলাখনৰ পশ্চিমপ্ৰান্তত অনুপম সৌন্দৰ্যৰ সৃষ্টি কৰা চেঁচা নৈৰ গতিৰে পৰিৱেষ্টিত বিভিন্ন জাতি-জনগোষ্ঠীৰ এই অঞ্চলত সাহিত্য চৰ্চাৰ পৰিৱেশ আছে। আমি আশাবাদী। সকলোৱে কলম উজ্জীৱিত হৈ পৰক।

**(বিতোপন গগৈ)**
সভাপতি
শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভা

# সম্পাদকীয়...

*‘চিৰ চেনেহী মোৰ ভাষা জননী’*

সাহিত্য হৈছে এটা জাতিৰ দাপোণ স্বৰূপ। এখন দাপোণত যিদৰে আমাৰ মুখমণ্ডল প্ৰতিফলিত হয় ঠিক সেইদৰে সমাজত বৰ্তি থকা আবেগ-অনুভূতি, মানুহৰ সুখ-দুখ, আচাৰ-ব্যৱহাৰ, সমস্যা, আশা-আকাংক্ষা, মৰম-অত্যাচাৰ, আদৰ্শ আদি বিভিন্ন দিশ সাহিত্যৰ জৰিয়তে প্ৰতিফলিত হয়। সাহিত্য এক উল্লেখযোগ্য মাধ্যম যাৰ যোগেদি সমাজৰ হিতৰ বাবে বিশেষ অৰদান আগবঢ়াব পাৰি। যুগনায়ক শ্ৰীমন্ত শংকৰদেৱ শুৰুজনাই সাহিত্য সংস্কৃতি সৃষ্টি কৰি যি বীজ ৰোপণ কৰি গৈছে সেই বীজৰ প্ৰভাৱতেই বহু সাহিত্যিকে আজি সমাজলৈ অৰদান আগবঢ়াই আহিছে ।

ইচ্ছা শক্তিৰ জৰিয়তে সাহিত্য চৰ্চা সম্ভৱ। বিশেষকৈ আজিৰ বিশ্বায়নৰ যুগত যুৱ প্ৰজন্মৰ মাজত সাহিত্য চৰ্চা কৰাটো অতি প্ৰয়োজন। যাৰ জৰিয়তে এখন সমাজ সঠিক পথত আগুৱাই যাব। সমাজ আগুৱালেহে দেশ অথবা এখন ৰাজ্যৰ উন্নতি হ'ব। সাহিত্য চৰ্চাৰ জৰিয়তে আমাৰ মাজত সততে সৃষ্টি হোৱা হিংসা, অসামাজিক কাৰ্যকলাপ, অন্ধবিশ্বাস, অহংকাৰ, কুসংস্কাৰ, অপকৰ্ম, আদিৰ পৰিসৰ কিছু পৰিমাণে হ'লেও হ্ৰাস পাব।

এক প্ৰকাৰ যুৱ প্ৰজন্মৰ মাজত সাহিত্য চৰ্চাৰ প্ৰৱণতা আনিলে অপৰাধমূলক কাৰ্যৰ পৰা বিৰত থাকিব, এক সুন্দৰ বাতাৱৰণ সৃষ্টি হ'ব। আমি সকলোৱে মিলি কিতাপ পঢ়াৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব। সাহিত্য চৰ্চা অথবা কিতাপ পঢ়া-শুনা কৰিলে মানসিক শক্তিৰ লগতে জ্ঞানৰ পৰিধি বৃদ্ধি হ'ব, এটা জাতি জীয়াই থাকিব। প্ৰাণৰ শিল্পী হাৰ্টথ্ৰ'ব জুবিন গাৰ্গে কৈ গৈছে যে “কিতাপ নপঢ়া জাতিক গামোচাই বচাব নোৱাৰে।” আজৰি সময়ত অবাবত সময় নষ্ট নকৰি অলপ সময়ৰ বাবে হ'লেও আমি যদি সাহিত্য চৰ্চাৰ নামত ব্যয় কৰো তেন্তে এদিন নহয় এদিন সফলতা আহিবই। ইয়াৰ বাবে লাগিব নিষ্ঠা, ধৈৰ্য আৰু একাগ্ৰতা।

সময় পৰিৱৰ্তনশীল। ইয়াক কোনেও বান্ধি ৰাখিব নোৱাৰে। সকলোৱেই পৰিৱৰ্তনৰ লগত খোজ মিলাই চলিবলৈ চেষ্টা কৰে। আজিৰ যুগত ভাষা, সাহিত্য, সংস্কৃতিত ম'বাইল, কম্পিউটাৰ, ইন্টাৰনেটৰ প্ৰভাৱ পৰিছে। ফলশ্ৰুতিত বহুলোক গ্ৰন্থ অধ্যয়নৰ পৰা আঁতৰি যোৱা পৰিলক্ষিত হৈছে। এনে পৰিৱেশৰ মাজতে ভাল কথা যে, অসম সাহিত্য সভাই নতুন নতুন গ্ৰন্থ প্ৰকাশ কৰি ৰাইজক গ্ৰন্থমুখী কৰি তুলিছে। নতুন লেখক, লেখিকা সৃষ্টি কৰাত অৰিহণা যোগাই আহিছে। সমাজত লেখক-লেখিকা সৃষ্টি কৰাৰ সমান্তৰালভাৱে পাঠকৰ সংখ্যাও বৃদ্ধি কৰিব লাগিব। গ্ৰন্থমেলাৰ জৰিয়তে লেখক আৰু পাঠকৰ মাজত সম্পৰ্ক গঢ়ি নতুন নতুন পাঠক সৃষ্টি কৰিব লাগিব। বিভিন্ন অনুষ্ঠান, অধিৱেশন আদিৰ লগতে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ত গ্ৰন্থ প্ৰদৰ্শন কৰিলে পাঠকৰ সংখ্যা বাঢ়িব। গ্ৰন্থৰ প্ৰতি নতুন প্ৰজন্মও আকৰ্ষিত হ'ব।

আমাৰ মাতৃভাষাটো শুদ্ধকৈ ক'ব আৰু লিখিব জানিব লাগিব। তেতিয়াহে সাহিত্য চৰ্চা সম্ভৱ। যাৰ যোগেদি অসমীয়া ভাষা-সাহিত্যৰ মানদণ্ড অক্ষুণ্ণভাৱে সংৰক্ষিত হ'ব। অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি ৰক্ষা কৰাৰ লগতে ইয়াৰ বিকাশ, সংৰক্ষণ আৰু প্ৰসাৰ কৰাতো অতি প্ৰয়োজন। ইয়াৰ বাবে ন-পুৰণি লেখকসকলক উৎসাহিত কৰিব লাগিব। এক প্ৰকাৰ অসমীয়া ভাষা-সাহিত্যৰ চহকী ঐতিহ্য বৰ্তাই ৰাখিবলৈ হ'লে গ্ৰন্থ প্ৰকাশ, সাহিত্য কৰ্মশালা, সাংস্কৃতিক কাৰ্যক্ৰম আদি আয়োজন কৰিব লাগিব। আমি সময়ৰ সোঁতত উটি ভাহি নগৈ, সকলো দিশতে পশ্চিমীয়া সংস্কৃতি আদৰি ল'ব নালাগে। ভাষা-সাহিত্যৰ লগতে সংস্কৃতিয়েও এটা জাতিৰ সভ্যতা আৰু প্ৰগতিৰ পৰিচয় বহন কৰে। ভাষা-সাহিত্য, সংস্কৃতিৰ আদান প্ৰদানৰ মেৰপেঁচত যাতে আমি নিজস্বতা হেৰুৱাই নেপেলাও সেই ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব লাগে ।

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে স্মৃতিগ্ৰন্থ প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰি এই অভাজনক স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সম্পাদকৰ দৰে গধুৰ দায়িত্ব অৰ্পণ কৰি এইখিনি সেৱা আগবঢ়াবলৈ সুবিধা প্ৰদান কৰাৰ বাবে আদৰণী সমিতিক ধন্যবাদ জ্ঞাপন কৰিলো। স্মৃতিগ্ৰন্থখনি প্ৰকাশ কৰাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ আগবঢ়োৱা লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপাধ্যায়, সম্পাদক প্ৰবীণ হাজৰিকা, আদৰণী সমিতিৰ সভাপতি ডিম্বেশ্বৰ ফুকন, সম্পাদক যোগানন্দ গগৈ, শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি বিতোপন গগৈ, সম্পাদক দিপক ইছলাৰীকে প্ৰমূখ্য কৰি বিষয় ববীয়াসকল, লেখনি আগবঢ়োৱা লেখক-লেখিকা আৰু স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি চিত্ৰনাথ গগৈসহ সমূহ বিষয়-ববীয়াৰ সহযোগিতাক আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিলো। ইয়াৰ লগতে শ্ৰদ্ধাৰ দাদা, শিক্ষক, কবি অনন্ত গগৈদেৱে ছপাশালৰ সকলো খৰছ বহন কৰি স্মৃতিগ্ৰন্থখনি তেখেতৰ পিতৃ-মাতৃৰ নামত উৰ্চগা কৰাত তেখেতলৈ মোৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিলোঁ।

শিমলুগুৰি হৈছে লক্ষীমপুৰ জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত এটি বৃহৎ অঞ্চল। অবিভক্ত ৰাজগড় অঞ্চলৰ ই কেন্দ্ৰস্থল। অসম আৰু অৰুণাচল প্ৰদেশৰ সীমান্তত অৱস্থিত শিমলুগুৰি বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমি। শিমলুগুৰিবাসী সাহিত্য, কৃষ্টি, সংস্কৃতি, ক্ৰীড়া আদি ক্ষেত্ৰত অতিকে চহকী। 'শিমলুগুৰি' নামৰ স্মৃতিগ্ৰন্থখনিত তাৰ কিছু আভাস পোৱা যাব বুলি আশা প্ৰকাশ কৰিছোঁ।

শেষত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

"জয়তু অসম সাহিত্য সভা
জয়তু লক্ষীমপুৰ জিলা সাহিত্য সভা
জয়তু শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভা"

(দেৱজিৎ দুৱৰা)
সম্পাদক
'শিমলুগুৰি' স্মৃতিগ্ৰন্থ

# সূচীপত্ৰ


- শিমলুগুৰি ঃ ঐতিহ্যৰ অতীত আৰু বৰ্তমানৰ অগ্ৰগতিৰ ৰেঙণি — জীৱন সন্দিকৈ/১৯
- অসমীয়া লিপিৰ উৎস আৰু বিকাশ ঃ এক চমু অৱলোকন — সঞ্জীৱ উপাধ্যায়/২৪
- অসমীয়া কবিতাত জাতীয় চেতনাৰ চিন্তন আৰু সমাজ সচেতনতাৰ উন্মেষ — চন্দিকা দত্ত কোঞৰ/২৬
- অন্ধবিশ্বাস আৰু হেমচন্দ্ৰ বৰুৱা — ডাঃ অতুল চন্দ্ৰ খাওন্দ/৩৩
- বৃহৎ ৰাজগড় অঞ্চলত ভাষিক জনগোষ্ঠীৰ অৱস্থিতি আৰু ভাষা কৃষ্টি বিকাশৰ ৰূপৰেখা — ডিম্বেশ্বৰ ফুকন/৩৬
- বিশ্ববৰেণ্য শিল্পী অসমৰ হিয়াৰ আমঠু হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গ — নিৰুপমা বৰা/৪২
- নৱকান্ত বৰুৱাৰ 'উভতি নহাৰ কবিতা'ত আধুনিক জীৱনৰ দাৰ্শনিক বোধৰ প্ৰতিফলন — প্ৰবীণ হাজৰিকা/৪৬
- ভাষা শুদ্ধকৈ কোৱাৰ প্ৰয়োজনীয়তা — তোষেশ্বৰ দুৱৰা/৪৮
- প্ৰগতিৰ নতুন চিন্তা ঃ প্ৰযুক্তি আৰু মানৱীয়তাৰ সমন্বয়ৰ বাবে — অনিল শইকীয়া/৫১
- কেৰেলাৰ সাগৰপৰীয়া উপন্যাস 'চেম্মিন' (মিছামাছ) — ড° চিত্ৰলেখা ফুকন/৫৩
- মহাপুৰুষ মাধৱদেৱৰ নাট্য সাহিত্যৰ চমু অৱলোকন — প্ৰদীপ ভূঞা/৫৭
- মাধৱদেৱৰ প্ৰিয় শিষ্য তথা বিশিষ্ট আতাপুৰুষ পদ্মআতা আৰু মথুৰাদাস আতা — নৃপেন ফুকন/৬০
- অসমীৰ শ্ৰীমুখ আলোকিত কৰিবলৈ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ সাহিত্য সেৱা — জিতেন বৰুৱা/৬৫
- সাহিত্য আৰু সাংস্কৃতিক ক্ষেত্ৰত শিমলুগুৰি মহিলাৰ অৱদান — ইন্দিৰা গগৈ ফুকন/৬৮
- বৰনাৰায়ণপুৰৰ ভৌগোলিক স্থিতি আৰু ইয়াৰ ঐতিহাসিক গড়, বিল, পুখুৰী — কুমুদ শইকীয়া/৭২
- পাঠক সৃষ্টি কৰিব পৰা লেখকজন হিতেশ ডেকা — ভৰত ৰাজখোৱা/৭৬
- সহিত + য় = সাহিত্য, সাহিত্য সংগঠনসমূহৰ কৰণীয় — গিৰীন্দ্ৰ শইকীয়া/৮০
- ভূপেন হাজৰিকাৰ গীতি সাহিত্যত নাৰী — পল্লৱী নেওগ বৰা/৮৩
- মাঘ বিহু আৰু মাঘ মাহত পালিত জনগোষ্ঠীয় লোক সংস্কৃতি — দীপাংকৰ ভৰালী/৮৭
- সামাজিক মাধ্যমত দিয়া মন্তব্যই ব্যক্তিৰ মানসিকতাক উদঙাই — নয়নমণি দাস/৯০
- বৃহত্তৰ শিমলুগুৰিত নাট্য চৰ্চাৰ এক চমু অৱলোকৰ — মনোজ হাতীবৰুৱা/৯১

# সূচীপত্ৰ


- হেৰাই যোৱা সম্পদ কিছু সঁজুলি, কিছু শব্দ — গোলাপ বৰুৱা/৯৩
- গীতি কবিতাৰ ইতিহাসত ভূপেন হাজৰিকাৰ গীতত প্ৰতিবাদী চিন্তন — মৰমী হাজৰিকা/৯৬
- কৃত্ৰিম বুদ্ধিমত্তা সম্পদ নে বিপদ? — কুমুদ বৰুৱা/১০১
- সংবাদ সেৱাৰ ক্ষেত্ৰত শিমলুগুৰি ঃ এক চমু আলাপ — দেৱজ্যোতি কাকতি/১০৩
- সাম্প্ৰতিক প্ৰেক্ষাপটত লক্ষীমপুৰ — হিমাক্ষী চেতিয়া/১০৫


## কবিতা


- নীলা কফিন — বংশী বৰা/১০৮
- ভাষা জননী — ঠেনুমাই গগৈ দুৱৰা/১০৮
- বৈ বৈ — উপেন কুমাৰ বৰুৱা/১০৯
- মনৰ চাকনৈয়া — দশমী গগৈ বৰবৰুৱা/১০৯
- সোৱণশিৰি — জগত গগৈ/১১০
- মৌপিয়া — সঞ্জীৱ বসুমতাৰী/১১১
- অনাগত কণ্ঠ — শিৱপ্ৰসাদ বৰা/১১১
- প্ৰণামো তোমাক — প্ৰফুল্ল কোঁৱৰ/১১২
- তুমি দূৰণিৰ এগছি ঢিপ্ চাকি — ৰশ্মিৰেখা বৰুৱা/১১২

# শিমলুগুৰি ঃ ঐতিহ্যৰ অতীত আৰু বৰ্তমানৰ অগ্ৰগতিৰ ৰেঙণি

**জীৱন সন্দিকৈ**

**অৱস্থিতি আৰু নামটো ঃ**

লক্ষীমপুৰ জিলাৰ ধলপুৰ মৌজাৰ উত্তৰ-পশ্চিম দিশত আৰু অৰুণাচল প্ৰদেশৰ পাদপৃষ্ঠত অৱস্থিত শিমলুগুৰি এখন জনবহুল ঠাই। সুদূৰ অতীতৰ সকলো দুখ-দুৰ্গতি আৰু বিৰহ-বেদনা আঁতৰাই সম্প্ৰতি আধুনিক তথ্য প্ৰযুক্তিৰে শিমলুগুৰি আগবাঢ়িছে এখন ক্ষুদ্ৰ নগৰ হিচাপে।

এই ঠাইখণ্ডৰ নাম 'শিমলুগুৰি' কেনেকৈ হ'ল আৰু কিয় হ'ল এই সম্পৰ্কে কোনো প্ৰামাণিক তথ্য পোৱা নাযায় যদিও কিছু জনশ্ৰুতি আৰু মুখ বাগৰি অহা তথ্যৰ আলমত নামটোৰ এক আনুমানিক তথ্য পোৱা যায়। সম্ভৱতঃ মানৰ আক্ৰমণৰ পিছত এই ঠাইখণ্ড দীৰ্ঘদিন ধৰি অৰণ্যভূমি হৈ আছিল। কালক্ৰমত বিভিন্ন ঠাইৰ বিভিন্ন সম্প্ৰদায়ৰ লোকসকলে বসতিৰ বাবে হাবি-জংঘল কাটি চাফা কৰাৰ উদ্দেশ্যে ইয়ালৈ আহোঁতে এজোপা প্ৰকাণ্ড 'শিমলু গছ' দেখি তাৰ তলেদি বা গুৰিয়েদি লুংলুঙীয়া বাট উলিয়াই গন্তব্য স্থানলৈ অহা-যোৱা কৰিছিল আৰু গছজোপাৰ আশ্ৰয়তে হিংস্ৰ জন্তুৰ পৰা ৰক্ষা পাবলৈ দলবদ্ধভাৱে বসবাস কৰিছিল। এনেবোৰ মুখ বাগৰি অহা জনশ্ৰুতিৰ আলমতে এই ঠাইখণ্ডৰ নাম 'শিমলুগুৰি' হ'লগৈ বুলি ঠাৱৰ কৰিব পাৰি।

**ভৌগোলিক অৱস্থিতি ঃ**

পূৱে- পিছলা নৈ আৰু ৰঙতি গাঁও পঞ্চায়ত; পশ্চিমে- বিশ্বনাথ জিলাৰ সীমান্ত হাৰাজান আৰু খৰস্ৰোতা চেঁচা নদী; উত্তৰে- বুৰঞ্জী প্ৰসিদ্ধ ৰাজগড় আলি (গোহাঁইকমল আলি), ৰাজগড় গাঁও পঞ্চায়ত; অৰুণাচল প্ৰদেশৰ সীমান্ত অঞ্চল আৰু দক্ষিণে উত্তৰ-পূৱ সীমান্ত ৰেলপথ আৰু গণকদলনি গাঁও পঞ্চায়ত।

ভাৰতীয় সংবিধানৰ সংশোধনী অনুসৰি গত ১৯৯৪ চনত অসমতো পঞ্চায়তীৰাজ আইন বলৱৎ কৰা হয়। পঞ্চায়তীৰাজ আইন অনুসৰি এখন গাঁও পঞ্চায়তৰ জনসংখ্যা ৬ৰ পৰা১০ হাজাৰৰ ভিতৰত হ'ব লাগে। সেই অনুপাতে শিমলুগুৰি গাঁও পঞ্চায়তৰ জনসংখ্যা নোহোৱাত শিমলুগুৰি গাঁও পঞ্চায়তৰ লগতে ৰঙতি আৰু ৰাজগড় গাঁও পঞ্চায়ত লগ লগাই 'ৰাজগড় গাঁও পঞ্চায়ত' নামেৰে এখন গাঁও পঞ্চায়ত গঠন কৰা হয়। সেই তেতিয়াৰে পৰাই এই বৃহত্তৰ অঞ্চলটো 'ৰাজগড়' নামেৰেহে বেছি পৰিচিত হয়। সমগ্ৰ অঞ্চলটোৰ মাটি-কালি প্ৰায় ২০ বৰ্গকিলোমিটাৰ আৰু জনসংখ্যা আনুমানিক ৭০ৰ পৰা ৮০ হাজাৰৰ ভিতৰত।

**যাতায়াত আৰু যোগাযোগ ব্যৱস্থা ঃ**

১। হাৰাজান— শিমলুগুৰি গড়কাপ্তানী পথ, দূৰত্ব- ১০ কিঃমিঃ

২। নাৰায়ণপুৰৰ পৰা তাতিবাহৰ-ৰঙতি হৈ শিমলুগুৰি সংযোগী পথ, দূৰত্ব ১৫ কিঃমিঃ.

৩। ধলপুৰৰ পৰা গণকদলনি হৈ শিমলুগুৰি সংযোগী পথ, দূৰত্ব ৯ কিঃমিঃ

কিছুদিনৰ আগলৈকে শিমলুগুৰিৰ পৰা উত্তৰ লক্ষীমপুৰ সদৰলৈ অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ নিয়মীয়াকৈ চলিছিল যদিও এই চৰকাৰী বাছ সেৱা বৰ্তমান বন্ধ হৈ আছে। তাৰ ঠাইত বৰ্তমান শিমলুগুৰিৰ পৰা উত্তৰ লক্ষীমপুৰ, ধেমাজি, ডিব্ৰুগড় আৰু তেজপুৰলৈ কেইবাখনো ব্যক্তিগত খণ্ডৰ বাছ নিয়মীয়াকৈ চলি আছে। ইয়াৰোপৰি আধুনিক প্ৰযুক্তিৰে নিৰ্মিত টম্‌টম্, ই-ৰিক্সা আদি সৰু সৰু গাড়ীসমূহৰ চলাচলৰ সু-ব্যৱস্থা আছে।

**পৰ্যটকৰ আকৰ্ষণৰ থলী ঃ**

শিমলুগুৰিত ঐতিহাসিক কীৰ্তিচিহ্ন নাই যদিও ইয়াৰ ওচৰে-পাজৰে কেইবাটাও ঐতিহাসিক কীৰ্তি চিহ্ন আৰু পৰ্যটকৰ আকৰ্ষণৰ থলী বিদ্যমান। শিমলুগুৰিৰ পৰা ৫ কিঃমিঃ দূৰত্বত অৱস্থিত ৰঙতিৰ বুৰঞ্জী প্ৰসিদ্ধ ৩ হেক্টৰ মাটিকালিৰ 'ৰঙতি পুখুৰী' আৰু মাঘনোৱাত থকা 'মাঘনোৱা দ'ল', ধলপুৰ-শিমলুগুৰি পথত গণকদলনিত থকা 'শ্ৰীশ্ৰীপেটুৱা গোসাঁঐী'ৰ থান সৰ্বজনবিদিত। ঐতিহাসিক মাঘনোৱা দ'ল আৰু শ্ৰীশ্ৰী পেটুৱা গোসাঁঐীৰ থানত প্ৰতিদিনেই শাক্তধৰ্মী লোকসকলে পূজা অৰ্চনা কৰে আৰু নৈবেদ্য আগবঢ়ায়। শিমলুগুৰিৰ পৰা ৰাজগড়লৈ যোৱাৰ পথত অৰুণাচল প্ৰদেশৰ পৰা বৈ অহা চেঁচা নদীৰ মনোৰম 'চেঁচা পুং' প্ৰসিদ্ধ পৰ্যটন আৰু 'বনভোজ থলী' হিচাপে বিখ্যাত। জিলাখনৰ বিভিন্ন ঠাইৰ পৰা ইয়াত বনভোজ খাবলৈ অহা লোকসকলে ইয়াৰ নৈসৰ্গিক সৌন্দৰ্য উপভোগ কৰি মনৰ আনন্দত মতলীয়া হৈ পৰে।

**জন-গাঁথনি আৰু জনজীৱন ঃ**

প্ৰায় ঊনৈশ শতিকাৰ ২য়-৩য় দশক মানতে অসমৰ বিভিন্ন জিলাৰ পৰা খাদ্য আৰু বাসস্থানৰ সন্ধানত খিলঞ্জীয়া অধিবাসীসকলৰ শিমলুগুৰিলৈ আগমণ ঘটে। চাওঁতে চাওঁতে একালৰ জনপ্ৰাণীহীন শিমলুগুৰি ৰূপান্তৰিত হয় এক জনবহুল অঞ্চললৈ। ইয়াৰ সোণগুটি গজা উৰ্ব্বৰা মাটিত সূচীত হয় সেউজ বিপ্লৱৰ।

বিভিন্ন জাতি-জনগোষ্ঠীৰ ধৰ্ম, ভাষাৰ সংমিশ্ৰণে ঐক্যৰ সৃষ্টি কৰি শিমলুগুৰিক ৰূপান্তৰ কৰে বেপাৰ-বাণিজ্যৰ প্ৰাণকেন্দ্ৰলৈ। বৰ্তমান শিমলুগুৰিত আহোম, চুতীয়া, কোঁচ, কলিতা, মৰাণ, মটক, ব্ৰাহ্মণ, গোসাঁই, বড়ো, মিচিং, ৰাভা, নেপালী, ৰাজস্থানী, সূত, বাংলাভাষী, কাৰ্বি, যোগী, তেলী, আদিবাসী, কৈৱৰ্ত আদি জাতি-জনজাতিৰ লোকসকলে বসবাস কৰে। সকলোৰে ভাষা, কৃষ্টি-সংস্কৃতি, খাদ্য, সাজ-পাৰ, ৰীতি-নীতি, পৰম্পৰা পৃথক হ'লেও কিন্তু সম্প্ৰীতিৰ এনাজৰীত বান্ধ খাই শিমলুগুৰিৰ জনজীৱন মধুময় কৰি তুলিছে।

**কৃষ্টি-সংস্কৃতি ঃ**

বিভিন্ন জাতি-জনগোষ্ঠীৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰে শিমলুগুৰি সমৃদ্ধ। বৰ্তমান শিমলুগুৰি এখন ব্যৱসায় প্ৰধান ঠাই হিচাপে জিলিকি উঠিছে। ব্যৱসায়ৰ সংক্ৰান্ততে হওক বা কৰ্মসংস্থাপনৰ সূত্ৰেই হওক বিভিন্ন প্ৰান্তৰ পৰা ইয়ালৈ অহা লোকসকলৰ বুকুৰ মাজত সুপ্ত হৈ থকা কৃষ্টি-সংস্কৃতি ইজনে-সিজনৰ মাজত বিলাই সমন্বয়ৰ সৌধ গঢ়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

শিমলুগুৰিত প্ৰতি বছৰে কেন্দ্ৰীয়ভাৱে ৰঙালী বিহু সন্মিলন, টাই-আহোমসকলৰ পয় বিহু, শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা, ভাওনা, থিয়েটাৰ, শাৰদীয় দুৰ্গাপূজা, বৰদিন, আলি-আয়ে-লৃগাং, অসম দিৱস, লাচিত

দিৱস, মহাসতী জয়মতী দিৱস, সতী সাধিনী দিৱস, শিল্পী দিৱস, বিষ্ণুৰাভা দিৱস, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম আৰু মৃত্যু দিৱস, বড়া দশই, মে-ডাম-মে-ফি, বাইখো বা বৈশাগু আদি সমূহীয়া ভাৱে উদ্‌যাপন কৰি অহা হৈছে।

প্ৰতি বছৰে কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনত সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰি অসমৰ খ্যাতনামা সংগীত শিল্পীসকলৰ দ্বাৰা গীত পৰিৱেশনৰ ব্যৱস্থা কৰা হয়। এনেকৈয়ে শিমলুগুৰিৰ কৃষ্টি-সংস্কৃতিৰ পথাৰখনত সুন্দৰৰ পূজাৰী ৰূপী জনসাধাৰণে মিলনৰ সেতু গঢ়ি সোণত সুৰগা চৰাই আহিছে।

**বিদ্যায়তনিক দিশত শিমলুগুৰি ঃ**

বিদ্যায়তনিক দিশত শিমলুগুৰিয়ে জিলাখনৰ ভিতৰতে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। শিমলুগুৰিত অৱস্থিত শিক্ষানুষ্ঠানসমূহে সঠিক আৰু নিষ্ঠাৰে নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি দেশ সেৱাৰ বাবে এচাম উপযুক্ত মানৱ সম্পদ তৈয়াৰ কৰি প্ৰশংসিত হৈছে।

এই শিক্ষানুষ্ঠানসমূহত অধ্যয়ন কৰি যোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰাই ইতিমধ্যে অসম চৰকাৰৰ কৰ অধীক্ষক, কৃষি বিজ্ঞানী, বিদ্যালয় পৰিদৰ্শক, শৈল্য চিকিৎসক, অধিবক্তা, বিশ্ববিদ্যালয়/ মহাবিদ্যালয়ৰ অধ্যাপক, বেংক বিষয়া, আৰক্ষী বিষয়া, খনি অভিযন্তাৰ দৰে উচ্চ পদৰীত কাৰ্যনিৰ্বাহ কৰি শিমলুগুৰিলৈ গৌৰৱ কঢ়িয়াই আনিছে।

**সাহিত্য চৰ্চাত শিমলুগুৰি ঃ**

সাহিত্য হ'ল একোজন ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ কলাত্মক অভিব্যক্তি। এগৰাকী ব্যক্তিৰ দ্বাৰা সৃষ্ট সাহিত্যৰাজিৰ মাজেদি তেওঁৰ মানসিক গভীৰতা চিন্তন-মনন আৰু সৃজনৰ অভিব্যক্তি প্ৰকাশ পায়। সাহিত্য মানৱ মনৰ দাপোন। দাপোনৰ যোগেদি দৰ্শকৰ বাহ্যিক প্ৰতিচ্ছবি জলজল পটপটকৈ প্ৰকাশ পায়, তদ্ৰূপ সাহিত্যৰ মাজেদি স্ৰষ্টাৰ অন্তৰ্নিহিত সমগ্ৰ স্বৰূপ প্ৰকাশ হয়।

সাহিত্য চৰ্চাৰ ক্ষেত্ৰতো শিমলুগুৰি পিছপৰি থকা নাই। উল্লেখিত প্ৰয়াত আৰু জীৱিত ব্যক্তিসকলে সাহিত্য চৰ্চাৰ যোগেদি একোজন প্ৰতিষ্ঠিত লেখক লেখিকা হিচাপে যোগ্যতা অৰ্জন কৰিছে আৰু শিমলুগুৰিলৈ গৌৰৱ কঢ়িয়াই আনিছে। সেইসকল হ'ল— প্ৰয়াত গোপাল হাতীবৰুৱা, ছবিলাল শাস্ত্ৰী, জগত শৰ্মা, লক্ষ্মীনাৰায়ণ শাস্ত্ৰী, পদ্ম বৰকটকীৰ লগতে মোহন প্ৰসাদ গৌতম, তুলেশ্বৰ পেগু, জীৱন সন্দিকৈ, বিতোপন গগৈ, অনন্ত গগৈ, চিত্ৰনাথ গগৈ, দেৱজিৎ দুৱৰা, দেৱজ্যোতি কাকতি, সঞ্জীৱ বসুমতাৰী, ডিম্বেশ্বৰ ফুকন, ৰেণু গগৈ ফুলগুৰাৰী, ৰেণু ফুকন, অতুল বৰা, প্ৰফুল্ল দৈমাৰী, ববী বৰগোহাঁই কোঁৱৰ, উমেশ গগৈ, হিৰণ্য গগৈ, ঠুনুমাই গগৈ দুৱৰা, দ্বীপেন গগৈ, ৰশ্মিৰেখা বৰুৱা, শিৱ প্ৰসাদ বৰা, পল্লৱী বৰা, দীপ্তি সন্দিকৈ, ধৰণী বৰা, ইন্দিৰা গগৈ ফুকন, জয়ন্তী ফুকন গগৈ, চন্দন চুতীয়া, দশমী গগৈ বৰবৰুৱা, শুভেশ্বৰ ফুকন, সোণমণি শইকীয়া হাতীবৰুৱা, ডম্বৰ প্ৰসাদ ৰিজাল, ফুলেশ্বৰী হাতীবৰুৱা হাজৰিকা আদি।

শিমলুগুৰিৰ সাহিত্য চৰ্চা কৰা সকলৰ ভিতৰত ভালেকেইজন নবীন-প্ৰবীণ লেখকে কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভেঁটি মজবুট কৰিছে।

অসম চৰকাৰৰ কৰ অধীক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা শিমলুগুৰিৰ এচিএচ কেডাৰৰ বিষয়া তুলেশ্বৰ

পেগুদেৱে মিচিং আৰু অসমীয়া ভাষাত ভালেকেইখন গ্ৰন্থ ৰচনা কৰিছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— 'টাচেঃ কয়ুম' (কবিতা পুথি), 'বাংকৃ বাংকৃ আগম্ (প্ৰবন্ধ সংকলন), 'গমনান্' (মিচিং ভাষাৰ পৰা অসমীয়ালৈ বৈয়াকৰণিক অনুবাদ) আৰু সামাজিক সমস্যাৰ ওপৰত ৰচিত গ্ৰন্থ 'কেজেং' অন্যতম।

শিক্ষক, কবি, সাংবাদিক বিতোপন গগৈয়ে 'দিহিৰি অ' দিহিৰি' কাব্যগ্ৰন্থ 'শেৱালী ফুলা উৰুলি' কাব্যগ্ৰন্থ 'হেংদানত তেজৰ দাগ' কাব্যগ্ৰন্থ, 'আলিবাট' গদ্য সংকলন আৰু Melodies (স্ব-ৰচিত কবিতাৰ ইংৰাজী অনুবাদ— চন্দ্ৰনা চৌধুৰী) আদি পাঁচখন মূল্যৱান পুথি প্ৰকাশ কৰিছে।

শিক্ষক অনন্ত গগৈয়ে 'দাগ' আৰু 'খিৰিকিৰ সিপাৰে' নামেৰে দুখন কাব্যগ্ৰন্থ লিখি প্ৰকাশ কৰিছে। নবীন লেখক অতুল বৰাই 'বিহু আনন্দীয়া বিহু বিনন্দীয়া' নামৰ বিহুগীতৰ গ্ৰন্থ এখন প্ৰকাশ কৰিছে। সাংবাদিক দেৱজ্যোতি কাকতিয়ে 'ফ্লোৰেন্স নাইটিংগেল' আৰু কাব্যগ্ৰন্থ 'বনফৰিং', 'শুভকামনা' নামৰ কাব্যগ্ৰন্থ প্ৰকাশ কৰিছে। সাহিত্যসেৱী সঞ্জীৱ বসুমতাৰীয়ে 'কাব্যবন্যা' আদি তিনিখন সম্পাদিত গ্ৰন্থ প্ৰকাশ কৰি সমাদৃত হৈছে।

বিগত ১৯৮৫ চনতে প্ৰতিষ্ঠা লাভ কৰা শিমলুগুৰি শাখা সাহিত্য সভাই ইতিমধ্যে চল্লিছটি সোণালী বৰ্ষ অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। শিমলুগুৰি শাখা সাহিত্য সভাৰ আৰু এক স্বৰ্ণিল সাফল্য হৈছে যে ৫০ জনৰো অধিক আজীৱন সভ্যৰে 'স্বৰ্ণ শাখা'ৰ স্বীকৃতি পাবলৈ সক্ষম হৈছে। শাখাটিৰ মুখপত্ৰখনিৰ নাম হৈছে 'শিমলুৰা প্ৰহৰ'। গত ২০২৩ চনত ইয়াৰ প্ৰস্তাৱনা সংখ্যাটি প্ৰকাশ কৰি উলিওৱা হৈছে।

সাহিত্যৰ ক্ষেত্ৰত শিমলুগুৰিৰ মহিলা লেখিকাসকলো পিছপৰি থকা নাই। গত ২০১৮ বৰ্ষৰ ৫ চেপ্তেম্বৰ গুৰু বন্দনা (শিক্ষক দিৱস) ৰ দিনা 'অবিভক্ত ৰাজগড় লেখিকা সমাৰোহ সমিতি' ৰ শাখা এটি শিমলুগুৰিত প্ৰতিষ্ঠা কৰা হয়। অবিভক্ত ৰাজগড় লেখিকা সমাৰোহ সমিতিয়ে সমগ্ৰ অঞ্চলৰ মহিলাসকলৰ সাহিত্য চৰ্চাৰ বাট মুকলি কৰিছে। মহিলা লেখিকা সকলৰ মাজৰ পৰাও ভালেকেইগৰাকী লেখিকাই ইতিমধ্যে গল্পকাৰ, কবি হিচাপে আত্ম প্ৰকাশ কৰিছে আৰু নিজা নিজা কাব্যগ্ৰন্থও প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত ৰুণু গগৈ ফুলগুৰাৰীৰ কাব্যগ্ৰন্থ 'সন্ধ্যা', ৰেণু ফুকনৰ কাব্যগ্ৰন্থ 'কাঁচিজোন', নাটক 'পৰিণীতা পৰিচয়', 'অকণিৰ মহন্ত খুড়া', 'অসমীয়া জাতিৰ জনক শ্ৰীমন্ত শঙ্কৰদেৱ' আৰু ববী বৰগোহাঁই কোঁৱৰৰ কাব্যগ্ৰন্থ 'শব্দৰ ৰুণজুন নুপুৰ', অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ঠুনুমাই গগৈ দুৱৰাৰ কাব্যগ্ৰন্থ 'অনুভৱৰ গুণগুণনি', ৰঙতিৰ দীপ্তি সন্দিকৈৰ বিয়ানাম বিষয়ক গ্ৰন্থ 'বিয়াঘৰৰ উৰুলি' আৰু 'ফুলৰ চানেকি' আদি অন্যতম।

অবিভক্ত ৰাজগড় লেখিকা সমাৰোহ সমিতিৰ মুখপত্ৰখনিৰ নাম 'তৰংগিনী'। মুখপত্ৰখনি প্ৰতি দুবছৰৰ মূৰে মূৰে প্ৰকাশ পাই আছে।

**সংবাদ সেৱাত শিমলুগুৰি ঃ**

বিগত ১৯৮০ দশকৰ পৰাই শিমলুগুৰিৰ ভালেকেইজন সংবাদদাতাই দুৰ্গম অঞ্চলৰ বাট-পথ, যান্ত্ৰিক সা-সুবিধাবোৰ সহজলভ্য নোহোৱাৰ দিনৰ পৰাই আজিলৈকে সংবাদ সেৱা আগবঢ়াই বহিৰ্জগতৰ লগত শিমলুগুৰিক চিনাকি কৰি আহিছে। এই ক্ষেত্ৰত প্ৰথমেই নাম ল'ব লাগিব ৰঙতিৰ অৱসৰপ্ৰাপ্ত শিক্ষক জীৱন সন্দিকৈদেৱৰ। তেখেত সমগ্ৰ শিমলুগুৰি অঞ্চলৰ সংবাদ জগতৰ বাটকটীয়া বুলি ক'ব পাৰি। তেখেতে লক্ষীমপুৰ

জিলাৰ পৰা প্ৰকাশিত ‘ন-লখিমী’, ‘নতুন বাতৰি’ নামৰ সাপ্তাহিক কাকত দুখনৰ জন্মলগ্নৰ পৰা জড়িত হৈ বাতৰি পৰিৱেশন কৰিছিল আৰু তেখেতে তেজপুৰৰ পৰা প্ৰকাশিত ‘মহাজাতি’ আৰু যোৰহাটৰ পৰা প্ৰকাশিত ‘দৈনিক জনমভূমি’ কাকততো সংবাদ পৰিৱেশন কৰিছিল।

সংবাদদাতা হিচাপে চিত্ৰনাথ গগৈয়ে জিলাখনৰ বাদেও ধেমাজি, অৰুণাচলৰ দুৰ্গম অঞ্চলৰ বাতৰি সংগ্ৰহ কৰিছিল। চিত্ৰনাথ গগৈয়ে এসময়ত ‘আমাৰ অসম’, ‘দৈনিক জনমভূমি’, ‘অগ্নিগড়’, ‘মহাজাতি’, ‘নতুন বাতৰি’ আদি কাকতত সংবাদ পৰিৱেশন কৰিছিল। গগৈয়ে এতিয়াও সংবাদজগতৰ লগত জড়িত হৈ কাৰ্যনিৰ্বাহ কৰি আছে।

বৰ্তমান লক্ষীমপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক দিগন্ত হাতীবৰুৱাই ‘সাদিন’, ‘নতুন বাতৰি’ আদি কাকতত এসময়ত সংবাদ পৰিৱেশন কৰিছিল।

পৰৱৰ্তী সময়ত শিমলুগুৰিৰ শিক্ষক বিতোপন গগৈয়ে ‘সাদিন’, ‘অগ্ৰদূত’ আৰু ‘নতুন দৈনিক’ কাকতৰ সংবাদদাতা হিচাপে আত্মনিয়োগ কৰিছিল।

শিক্ষক অনন্ত গগৈ, মোহিত বৰবৰুৱা, ৰঙতিৰ ৰাতুল বৰপাত্ৰই ‘দৈনিক জনমভূমি’, ‘খবৰ’, ‘নিয়মীয়া বাৰ্তা’ কাকতত বাতৰি পৰিৱেশন কৰিছিল।

‘অসমীয়া প্ৰতিদিন’ কাকতৰ নিয়মীয়া সংবাদদাতা হিচাপে প্ৰতিষ্ঠা লাভ কৰা দেৱজিৎ দুৱৰা অন্যতম। দেৱজিৎ দুৱৰা বৰ্তমান নিউজ চেনেল NKTV Plus ৰ প্ৰতিবেদক।

যুৱ সাংবাদিক দেৱজ্যোতি কাকতিয়ে বৰ্তমান ‘নিয়মীয়া বাৰ্তা’ কাকতৰ নিজা প্ৰতিবেদক হিচাপে বাতৰি পৰিৱেশন কৰি শিমলুগুৰিলৈ গৌৰৱ কঢ়িয়াই আনিছে।

ইয়াৰোপৰি মিতালী কোঁৱৰে TVচেনেল ‘প্ৰতিদিন টাইমচ্’ৰ সাংবাদিক হিচাপে, চেমুৱেল হৰই TVচেনেল ‘আসাম টকস্’ৰ সংবাদদাতা হিচাপে, গণকদলনিৰ গিৰীন্দ্ৰ শকীয়াই প্ৰতিষ্ঠিত সাংবাদিক হিচাপে সেৱা আগবঢ়াই শিমলুগুৰিৰ সু-নাম অক্ষুণ্ণ ৰাখিছে।

গত ২০২৫ চনতে শিমলুগুৰিত ‘প্ৰেছ ক্লাব’ প্ৰতিষ্ঠা হয় আৰু এই প্ৰেছ ক্লাবৰ জৰিয়তে সাংবাদিকসকলে সাংবাদ সেৱা আগবঢ়াই আছে।

বিভিন্ন জাতি-জনজাতিৰ মিলনভূমি এই শিমলুগুৰিক নানা জাতি-জনজাতিৰ বাৰেৰহণীয়া কৃষ্টিৰে বৈচিত্ৰ্যময় কৰি তুলিছে। ইয়াত বসবাস কৰা লোকসকলৰ ভাষা, কৃষ্টি-সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰা ভিন্ন হ’লেও এটাই পৰিচয় সকলো অসমীয়া শিমলুগুৰীয়া। ইয়াতকৈ তেখেতসকলৰ বেলেগ পৰিচয় নাই।

❒❒❒

# অসমীয়া লিপিৰ উৎস আৰু বিকাশ ঃ এক চমু অৱলোকন

**সঞ্জীৱ উপাধ্যায়**

অসমীয়া লিপি পূব ভাৰতৰ এটা উল্লেখযোগ্য লিপি। সময়ে সময়ে অসমৰ বিভিন্ন স্থানত উদ্ধাৰ হোৱা বিভিন্ন শিলালেখা, তামৰ ফলি, মন্দিৰ আদিত খোদিত প্ৰাচীন লিপি আদিয়ে অসমীয়া লিপিৰ ইতিহাসৰ নতুন দিশ উন্মোচিত কৰি আহিছে। ইয়াৰ উপৰি বিভিন্ন অভিলেখ, মোহৰ, মুদ্ৰা, সাঁচিপাত, তুলাপাত, তালপাত, ভুজপত্ৰ, কাপোৰ, ধাতু, মাটিৰ পাত্ৰ, শিল ইত্যাদিত লিখা লিপিসমূহ উদ্ধাৰ হোৱাৰ পৰা লিপিৰ উৎপত্তি আৰু ক্ৰমবিকাশ নিৰ্ণয় কৰিব পাৰি। অসমীয়া লিপিৰ বিষয়ে অন্যান্য কেতবোৰ সামগ্ৰী- কামান, বৰটোপ, শৰাই, ৰূপৰ জাপি, কাঁহী আদিও উদ্ধাৰ হৈছে। দ্বাদশ শতাব্দীত 'চৰ্যাচৰ্যবিনিশ্চয়' আৰু পঞ্চদশ শতাব্দীৰ 'শ্ৰীকৃষ্ণ কীৰ্ত্তন'ৰ হস্তলিখিত লিপিৰ কথা বাদ দি কলমৰ শৈলীত অসমীয়া লিপিৰ উৎস বিচাৰ কৰোতে খ্ৰীষ্টীয় চতুৰ্দশ শতাব্দীত অনুলিপি প্ৰস্তুত কৰা শ্ৰীমদ্ভাগৱত গীতাৰ সুবোধিনী টীকাৰ সাঁচিপতীয়া হস্তলিখিত পুথি, খ্ৰীষ্টীয় সপ্তদশ শতাব্দীৰ নগাঁও বালিসত্ৰৰ সংৰক্ষিত চিত্ৰভাগৱতৰ দশমস্কন্ধৰ তুলাপতীয়া পুথি আৰু অষ্টাদশ-ঊনবিংশ শতাব্দীত লিখা পৰ্যন্ত হস্তলিখিত অসমীয়া পুথিৰ কথা উল্লেখ কৰা আছে বিভিন্ন গ্ৰন্থত।

অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ বেছিসংখ্যক গৱেষকসকলে ব্ৰাহ্মীলিপিৰ পৰৱৰ্তী স্তৰ কুটিল লিপিৰপৰা অসমীয়া লিপি জন্ম হোৱা বুলি উল্লেখ কৰা হয়। 'অসমীয়া প্ৰাচীন লিপি' নামৰ গ্ৰন্থত সৰ্বেশ্বৰ কটকীয়ে অসমীয়া লিপিত লিখিছে- 'ব্ৰাহ্মী লিপি প্ৰথম, কুযান লিপি দ্বিতীয়, গুপ্ত লিপি তৃতীয় আৰু এই গুপ্তলিপিৰ পূব ভাৰতীয় কুটিল লিপি চতুৰ্থ আৰু এই কুটিল লিপিৰ পৰিৱৰ্তন আৰু সংমিশ্ৰণ ঘটি ঘটা কামৰূপ লিপি বা পুৰণি অসমীয়া লিপিয়ে পূৰ্বভাৰতীয় ভাষাৰ বংশ লতিকাত পঞ্চম স্থান অধিকাৰ কৰিছে বুলি স্থিৰ কৰিব পাৰি আৰু এয়ে অসমীয়া লিপিৰ উৎপত্তি।

ড° মহেশ্বৰ নেওগেও তেওঁৰ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থত লিখিছে, 'গুপ্তলিপিৰ কুটিলশৈলীৰ পৰাই অসমীয়া লিপিৰ উদ্ভৱ হয়।' বিশিষ্ট লেখক ড° সুনীত কুমাৰ চেটাৰ্জী, টি.পি. বাৰ্মা, বুহলাৰ আদি লেখকসকলেও একে মত পোষণ কৰিছিল। কিন্তু সম্প্ৰতি এই মত মানি ল'ব নোখোজে। কিয়নো কুটিললিপিৰ পৰা উদ্ভৱ হোৱা বুলি কোৱা বাকীবোৰ ভাষাৰ লিপিৰ গঢ়ৰ লগত কামৰূপী গঢ়ৰ কোনো চকুত পৰিবলগীয়াকৈ আনুপাতিক সাদৃশ্যৰ অভাৱ। বিশিষ্ট সাহিত্যিক ড° উপেন্দ্ৰনাথ গোস্বামীদেৱে স্পষ্টভাৱে কৈছে-'এই লিপিৰ মূল ব্ৰাহ্মী আৰু তাৰ পৰৱৰ্তী গুপ্তলিপি, উমাচলৰ শিলালিপি আক নাগাজৰী খনিকৰ গাঁৱৰ লিপিত পোৱা আখৰবোৰক গুপ্তলিপিৰ আখৰবোৰৰ লগত ৰিজাই চালে এই শিলালিপি দুখনৰ প্ৰায়বোৰ আখৰেই গুপ্তলিপিত পোৱা আখৰেৰে সৈতে একেটা ৰূপত পোৱা যায়।' দৰাচলতে গুপ্তকালীন ব্ৰাহ্মীলিপিৰ উত্তৰ ভাৰতীয় পূৰ্বী শাখাৰ পৰা কালক্ৰমত অসমীয়া লিপি বিকশিত হৈছে। ডা

নাৰায়ণ দাসৰ ভাষাত, 'গুপ্তলিপিৰ পূৰ্বশৈলীয়ে বিভিন্ন ৰূপান্তৰৰ মাজেদি সৰকি আহি দ্বাদশ শতিকাৰ কানাই বৰশী বোৱা তুৰস্কক্ষয়ৰ শিলৰ ফলিত অসমীয়া লিপিৰূপে আত্মপ্ৰকাশ কৰেহি।'

খ্ৰীষ্ট্ৰীয় পঞ্চম শতিকাৰ আদিভাগৰ বুলি ঠাৱৰ কৰা নাগাজৰী খনিকৰ গাঁও প্ৰস্তৰ খণ্ডৰ লিপিখনেই হৈছে এতিয়ালৈকে প্ৰাপ্ত অসমীয়া লিপিৰ প্ৰাচীনতম নিদৰ্শন। ইয়াৰ পৰৱৰ্তী কালৰ লিপিখন হৈছে কামৰূপৰাজ সুৰেন্দ্ৰবৰ্মাৰ উমাচল লিপি (আনুমানিক পঞ্চম শতিকাৰ শেষভাগ)। এই শিলালেখ দুখনৰ, ই, ক, খ, গ, চ, জ, ড, প, ত, দ, ব, ম. ভ, য, ৰ, ল, ৰ, শ, ষ, স, হ আৰু ৰা, জা, না, ধি, কী, ঙ, কৃ আদিৰ ৰূপ গুপ্ত আখৰৰ সৈতে একে। এই দুখন শিলালিপিত পাছৰ সপ্তম শতিকাৰ ভাস্কৰবৰ্মাৰ তামৰ ফলিৰ আখৰবোৰত ব্ৰাহ্মী আৰু গুপ্তলিপিৰ আখৰৰ পৰম্পৰা ৰৈ গৈছে। নৱম শতিকাৰ তাম্ৰ শাসনবোৰত আখৰৰ গঢ় পৰিবৰ্তন হোৱা পৰিলক্ষিত হয়। পৰবৰ্তী চতুৰ্দশ শতিকাৰ পৰা অষ্টদশ শতিকালৈ প্ৰাপ্ত বহুসংখ্যক শিলালেখ, তাম্ৰফলি আদি খোদিত আখৰে আধুনিক অসমীয়া আখৰৰ বিকাশ হোৱা কথাৰ পদ্ধতিগত তথ্যৰ সাক্ষ্য বহন কৰে। উল্লেখযোগ্য যে, অসমত কেইবাশ বছৰৰ পূৰ্বৰেপৰা অসংখ্য সাঁচিপতীয়া পুথি অসমীয়া তথা সংস্কৃত ভাষাত ৰচিত হৈ আহিছে।

খ্ৰীষ্ট্ৰীয় পঞ্চম শতিকাৰ পৰা সাম্প্ৰতিক কাললৈকে অসমীয়া লিপিৰ ক্ৰমবিকাশৰ ধাৰাটোক বিভিন্নজন পণ্ডিতে বিভিন্ন ধৰণে ভাগ কৰিছে। ভাষাবিদ ড° উপেন্দ্ৰনাথ গোস্বামীদেৱে অসমীয়া লিপিৰ ইতিহাসক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিছে। 'খ্ৰীষ্ট্ৰীয় পঞ্চম শতিকাৰ পৰা ত্ৰয়োদশ শতিকালৈ পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি, ত্ৰয়োদশ শতিকাৰ পিছৰপৰা ঊনবিংশ শতিকাৰ মাজভাগলৈ (অৰুণোদয়ৰ জন্ম কাললৈ) মধ্যযুগীয় অসমীয়া লিপি আৰু অৰুণোদয়ৰ জন্মকাল (**১৮৪৬** চন)ৰ পৰা বৰ্তমানলৈ আধুনিক লিপি।' আনহাতে নাৰায়ণ দাসেও প্ৰাচীন কামৰূপীয়া লিপি, পুৰণি অসমীয়া লিপি আৰু আধুনিক অসমীয়া লিপি হিচাপে ভাগ বিভাজন কৰিছে।'

খ্ৰীষ্ট্ৰীয় চতুৰ্থ-পঞ্চম শতিকাৰ নগাজৰী খনিকৰ গাঁও প্ৰস্তুৰ খণ্ড লিপিৰ পৰা খ্ৰীষ্ট্ৰীয় ত্ৰয়োদশ শতিকাৰ আদি কালৰ উত্তৰ গুৱাহাটীত প্ৰাপ্ত কানাই বৰশী বোৱা তুৰস্কক্ষয়ৰ শিলালিপিৰ মাজৰ সময়ছোৱাৰ লিপিৰ ইতিহাসত পুৰণি অসমীয়া লিপি অপ্সৰা কামৰূপৰ আশে-পাশে পোৱা বাবে কামৰূপী লিপি বোলা হয়। সেইদৰে মিছনেৰীসকলৰ হাতত ছপাপুথিৰ প্ৰকাশৰ দ্বাৰা আধুনিক অসমীয়া লিপিৰ শুভ আৰম্ভণি ঘটে।

❐❐❐

# অসমীয়া কবিতাত জাতীয় চেতনাৰ চিন্তন আৰু সমাজ সচেতনতাৰ উন্মেষ

চন্দ্ৰিকা দত্ত কোঞৰ

**উপক্ৰমণিকা ঃ**

ভাষা সাহিত্য জনমুখী কল্যাণৰ বাৰ্ত্তাবাহক, সভ্যতাৰ আঁৰিয়া, এটা জাতিৰ জীৱন বীক্ষা স্বৰূপ। প্ৰাচুৰ্য আৰু প্ৰগতিৰ নিৰ্ণায়ক। সমাজৰ ধাৰমান গতিময়তাত মাইল স্তম্ভ স্বৰূপ জাতিটোক সমৃদ্ধিশালী কৰা ভাষা সাহিত্যই জীয়া ৰূপ দিব পাৰে জাতীয় জীৱনক। কবিতা হ'ল সাহিত্যৰ আটাইতকৈ উল্লেখনীয় উপাদান। কবিতা অৱধাৰিত নদীৰ দৰে। বহু সাধনাৰ ফচল কবিতাৰ আছে স্বকীয়তা, নিজস্ব স্বৰূপ। তেনে কবিতাতে ভুমুকি মাৰিব পাৰে জাতীয় চেতনাই। সমাজ প্ৰেমৰ ৰাগিৰে হ'ব পাৰে সমৃদ্ধ। অসমীয়া কাব্য সাহিত্যতও সময়ৰ পৰা সময়লৈ এনে বৈশিষ্ট্যৰে বৈশিষ্ট্যমণ্ডিত হৈ আহিছে। বিশিষ্ট সাহিত্যিক চন্দ্ৰ প্ৰসাদ শইকীয়াদেৱে কৈছিল— "প্ৰত্যেকজন লোকেই একো একোজন দেশপ্ৰেমিক।"

**জাতীয় চেতনা আৰু সমাজ সচেতনতা ঃ**

জাতীয় চেতনা এটা জাতিৰ প্ৰাণকেন্দ্ৰ। সমাজ সচেতনতা সমাজৰ প্ৰগতিৰ সঁচাৰ কাঠি। ভিন্ন ভাষী ভিন্ন জাতিৰ মাজত গঢ়ি উঠে একতাই জাতীয় চেতনা। জাতিটোৰ প্ৰতি হেঁপাহৰ, আৱেগৰ যি অনুৰণন সেই অনুৰণনাই জাতীয় চেতনা। জাতিৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে মনৰ মাজত উদয় হোৱা এক বিশেষ অনুভূতি। কোনো জাতিক সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক সকলো দিশতে আগুৱাই নি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ যি হাবিয়াস মানুহৰ মনত উদয় হয় তাৰ পৰাই জাতীয় চেতনাৰ উদয় হয়। জাতীয় চেতনা কোনো এজনৰ অন্তৰত থিতাপি লৈ থকা এক জাগতিক চেতনা। দেশপ্ৰেম, স্বদেশানুভূতিয়ে দেশৰ উন্নতিৰ বাবে কাম কৰিবলৈ অনুপ্ৰাণিত কৰে; সেই দেশপ্ৰেমেই জাতীয় চেতনা। জাতীয় চেতনাৰ অবিহনে কোনো জাতিয়েই উন্নতি কৰিব নোৱাৰে। সেইদৰে সামাজিক সচেতনতাইহে সমাজৰ প্ৰতি এজন নাগৰিকৰ দায়িত্বসম্পন্নতাক সূচায়। সমাজ অবিহনে ব্যক্তি জীয়াই থকাটো অৰ্থহীন। জাতীয় চেতনাই মানুহক জাতীয় গৌৰৱেৰে উদ্বুদ্ধ কৰে। দেশ আৰু স্বজাতিৰ বাবে অঙ্কুৰিত হোৱা প্ৰেম মানৱ জীৱনৰ এক জীৱন্ত দলিল।

**অসমীয়া কবিতাত জাতীয় চেতনাৰ চিন্তন আৰু সমাজ সচেতনতা ঃ**

শঙ্কৰী যুগৰ পৰা সাম্প্ৰতিক কাললৈকে অসমীয়া কাব্য সাহিত্য এই দুয়ো ধাৰা চিন্তাৰে সমৃদ্ধ হৈ অহা পৰিলক্ষিত হৈছে যদিও অসমীয়া কবিতাৰ উদ্ভৱ আৰু উত্তৰণৰ প্ৰথম সময়ছোৱাত এনে বৈশিষ্ট্যই কাচিয়লী ৰ'দত জিৰাইছিল। কিন্তু বৰ্তমান গা টঙালি ভৰুণ হৈ পৰা দেখা গৈছে। শঙ্কৰী যুগত মহাপুৰুষ শঙ্কৰদেৱৰ শ শ বছৰৰ আগতে সেয়েহে ভাগৱতৰ দ্বিতীয় স্কন্ধত এনেদৰে লিখি কবিতাত জাতীয় চেতনাৰ উন্মেষ ঘটাই সৰ্বপ্ৰথমে—"কিৰাট কছাৰী খাছী গাৰো মিৰি/যৱন কংক গোৱাল।"

ঊনবিংশ শতিকাৰ প্ৰথম ভাগত ইংলেণ্ডত ৱৰ্ডথৱৰ্থ, স্কট, শালী আদি বৰেণ্য কবিসকলৰ হাতত আৱতাৰণা হোৱা নৱন্যাসমূলক ৰোমাণ্টিক ভাৱধাৰাৰ প্ৰভাৱ অসমীয়া কাব্য জগততো পৰে। সেয়েহে ১৮৮৯ চনত প্ৰকাশিত জোনাকী কাকতৰ কবিসকলৰ কবিতাত ৰমন্যাসবাদৰ সকলো লক্ষণেৰে পৰিপুষ্ট হোৱাৰ উপৰিও এক নব্য সুৰ অনুৰণিত হয়, যি সুৰে কঢ়িয়াই আনিছিল স্বদেশ স্বজাতিলৈ স্বকীয়তাক অক্ষুণ্ণ ৰাখিব পৰা আশাৰ সঞ্চাৰ। জোনাকী যুগৰ প্ৰধান হোতা লক্ষ্মীনাথ বেজবৰুৱাৰ স্বদেশ স্বজাতিৰ প্ৰতি আছিল গভীৰ অনুৰাগ, হেঁপাহ আৰু ভালপোৱা, যাক তেওঁ কলমৰ আগত ধৰি ৰাখি অসমীয়া জাতিক সচেতনতাৰে উদ্বুদ্ধ কৰিছিল এনেদৰে— “শুনা ঐ বৈৰাগী আনন্দ কাহিনী/অসমৰ যশ ৰাশি/হিয়া মোৰ হেৰ বলৱন্ত হোক/পৰাণ উঠক উল্লাসি।” (বৰাগী আৰু বীণ)

বেজবৰুৱাদেৱৰ জাতীয় চেতনাৰ প্ৰতি ড° মহেশ্বৰ নেওগ কৈছে— “তেওঁৰ দেশপ্ৰেমমূলক কবিতা কেইটাত আক্ষেপ নাই, নৈৰাশ্য নাই, অৱসাদ নাই এটা সঞ্জীৱনী শক্তি বিৰাজ কৰিছে।”

জোনাকী কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক চন্দ্ৰ কুমাৰ আগৰৱালাৰ কম সংখ্যক কবিতাত জাতীয়তাবাদৰ প্ৰভাৱ সুস্পষ্ট। সামাজিক সচেতনতাই কবি গৰাকীক এখন ক্ষয়িষ্ণু সমাজক ভাঙি চিঙি এখন স্বচ্ছ আৰু নিকা সমাজ গঢ়ি তোলাৰ আশাৰে আশান্বিত। তদুপৰি সমকালীন কলুষ-কালিমাৰে ভৰা সমাজৰ প্ৰতি তীব্ৰ ঘৃণা পোষণ কৰি এনে সমাজক তেওঁ নিশেষ কৰিব বিচাৰিছে কবিতাৰ জৰিয়তে— “আঙুলি বুলাব জনা হ’লে আজি/পেলালোহেঁতেন টানি/হিমালয় চূড়া বুৰালোহেঁতেন/উছলি কলীয়া পানী।।”(বীণ বৰাগী)

‘জোনাকী’ কাকতৰ দ্বিতীয় বছৰৰ সম্পাদক হেমচন্দ্ৰ গোস্বামীৰ কবিতাত স্বদেশ চেতনাৰ ক্ষীণ সুঁতি এটা প্ৰৱাহমান। ভাৰতভূমিৰ অধঃপতন দেখি কবি খং আৰু ক্ষোভত ফাটি পৰিছে। তেওঁৰ মতে আত্মকলাইহে ইয়াৰ মূল কাৰণ। তাৰ মাজতে তেওঁ আশাবাদী। এদিন দেশলৈ সুদিন আহিবই— “নকৰো বেজাৰ তাত নহওঁ কাতৰ/আশাক কৰিম ৰাণী হৃদয় নাটৰ/ভাবিম ভাৰতভূমি/হ’ব সেই আৰ্যভূমি।।” (মেঘদূত)

কলিকতাৰ অঃভাঃউঃসাঃৰ প্ৰধান উদ্যোক্তা পদ্মনাথ গোহাঞিবৰুৱাই স্বদেশৰ পাহাৰ, পৰ্বত, নৈ, জান-জুৰিক লৈ গৌৰৱান্বিত। দেশৰ অতীত গৌৰৱক লৈ মোহাচ্ছন্ন। কবিয়ে এই আৱেগ প্ৰকাশ কৰিছে নৈসৰ্গিক বৰ্ণনাৰে এক মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যৰ জৰিয়তে— “স্বৰ্গৰ জখলা এই পুণ্য গিৰিবৰ/নিৰ্মিলে কি সুকৌশলে বিশ্ব খনিকৰে/সৌন্দৰ্যৰ ৰূপৰাশি কৰুণাৰ প্ৰভা/প্ৰেমৰ পবিত্ৰ ৰাগ সম্ভোগৰ সুখ।” (চন্দনগিৰি)

কেৱল দেশৰ কাৰণে চিন্তা কৰা খঙাল কবিগৰাকী হ’ল অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য। দেশ আৰু জাতিৰ চিন্তাৰে উদ্বেলিত কবিৰ কবিতাত অনুভূতিতকৈ চিন্তা আৰু বাস্তৱেহে বেছি ঢৌ খেলিছে। কবিজনাৰ উদ্দেশ্য আছিল এখন সোণৰ অসম গঢ়ি তোলাৰ। জাতীয় চেতনাই কবিক এনেদৰে আপ্লুত কৰিছিল যে নিজৰ দেশ আৰু জাতিৰ তুলনাত অন্যান্য দেশ আৰু জাতিয়ে বহুদূৰ আগবাঢ়ি গৈছে তথাপিও অসমীয়া জাতিৰ মনত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা নাই। সেয়েহে তেওঁ অসমবাসীত গৰিহণাৰ জৰিয়তে সকিয়াই দিছে এনেদৰে— “নেলাগেনে লাজ অসম সমাজ/হাঁহে সভ্য জাতি অসভ্য বুলি/ক্লেশ অপমান ভুগিছা কিমান?/ নোচোৱানো কিয় এলাহ ভুগি।।”

তেজপুৰ থানাত জাতীয় পতাকা উৰুৱাবলৈ আগবাঢ়ি যোৱা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক আদালতে ৰাষ্ট্ৰবিৰোধী কামত লিপ্ত থকাৰ অপৰাধত পোন্ধৰ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা

কৰিছিল। জেলৰ পৰা ওলাই আহি কবিতা ৰচনা কৰি মনৰ ভাৱ প্ৰকাশ কৰিছিল— "শক্তি পুত্ৰ মই/ভক্তি বুকুত লই/মুক্তি প্ৰয়াসী হৈ/অৰ্জ্জুন মই, গান্ধাৰী মই/মইয়ে ধনঞ্জয় নৃত্যুক কৰিছোঁ জয়।।"

সমাজতান্ত্ৰিক চিন্তাধাৰাৰে পুষ্ট হৈ সামাজিক পৰিৱৰ্তনৰ উদ্দেশ্যৰে এদল অসমীয়া কবি ওলাই আহিল। সেইসকলৰ ভিতৰত শ্ৰমজীৱী জনতাক মোহভঙ্গ কৰি আপোন সত্বাৰ মুক্তিৰ পথ দেখুৱাই দিয়া কবি ধীৰেণ দত্তও এজন। সেয়েহে 'কাঠ মিস্ত্ৰিৰ ঘৰ' কবিতাত তেওঁ লিখিছে — "আমাৰ যি গান হ'ব/সেই গান কেৱে শুনা নাই/এই গান নৱ জীৱনৰ/এই ভাষা নতুন দিনৰ।"

অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীৰ স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা দায়ৱদ্ধতা কবিতাৰ শাৰীয়ে শাৰীয়ে বাঙ্ময়। অসমীয়া মানুহৰ মনত আত্মপ্ৰত্যয়, আত্মবল আৰু কৰ্মশক্তি জগাই তুলিবৰ কাৰণে আৰু অসমীয়া জাতিটোৰ মাজত জাতীয় চৈতন্য ভাৱ জগাই তুলিবৰ কাৰণে তেওঁ আপ্ৰাণ চেষ্টা কৰিছিল— "তাতে তোলো নেকি বিপ্লৱ মোৰ/তাতে তোলো নেকি তাণ্ডৱ।"

দেশ গেল গেল' বুলি আটাহ পাৰি দেশ আৰু জাতি প্ৰেমৰ উৎকৃষ্ট চানেকি দাঙি ধৰিছিল।

নাট্যকাৰ অতুল চন্দ্ৰ হাজৰিকাইও মহাত্মা গান্ধীৰ জাগি উঠা ভাৰতৰ প্ৰতিচ্ছবি আৰু চীনা যুদ্ধৰ পটভূমিত ৰচনা কৰা কেইবাটাও কবিতাত জাতি সত্বাৰ গুণগুননি শুনিবলৈ পোৱা যায়। সেইদৰে এই সময়ৰ কবি বিনন্দ চন্দ্ৰ বৰুৱা, আনন্দ চন্দ্ৰ বৰুৱা, গণেশ গগৈ, শৈলধৰ ৰাজখোৱা আদি অগ্ৰজ কবিসকলে দুই এটা জাতীয় চেতনাৰ সমৃদ্ধ কবিতা ৰচনা কৰি জাতিটোক জগাই তুলিবলৈ প্ৰয়াস কৰা দেখা যায়। আধুনিক কবিতাত দুৱাৰ মুকলি কৰা কলংপৰীয়া কবি দেৱকান্ত বৰুৱাৰ কবিতাত সমাজ সচেতনতাৰ চিনাকি গোন্ধ। সামাজিক নীতি নিয়মৰ বিশৃংখলতা, বিজতৰীয়া সংস্কৃতিয়ে সমাজক কৰা পঙ্গুতাই কবিক কৰি তুলিছে ম্ৰিয়মান। লগতে প্ৰতিবাদৰ সুৰৰ মাজেদি নিহিত হৈ আছে দেশ প্ৰেমৰ বীজ— "অসমৰ এই কাম্যভূমিত চৰিছে গাধৰ পাল/বোজা বই বই পৰিল কঁকাল পিঠিৰ ছাল।" (লাচিত বৰফুকন)

প্ৰতিতযশা সাহিত্যিক মহেন্দ্ৰ বৰাৰ কবিতাত শুনা যায় দেশ প্ৰেমৰ ৰিণি ৰিণি সুৰ— "দেশ সি যে নহয় মাথোঁন এচমকা মাটি অথবা/নহয় আঁকোতে উজুতি খোৱা এচকল পৃথিৱী।"

দেশৰ সমস্যা জৰ্জ্জৰিত ৰূপটোৱে কোনো কবিক ভবাই তুলিছে। দেশৰ সমস্যা মানেই জাতিৰ সমস্যা। যিটোৱে জাতিটোক কৰি তুলিব পাৰে নিঃকিন। সেইসকলৰ ভিতৰত ৰবীন্দ্ৰ বৰাও এজন— "ই কোন পৃথিৱীৰ মুখামুখি ঠিয় হলো আই/ৰুগ্ন মুখ নগ্ন দেহ, শীৰ্ণ দুটি হাত/মূৰৰ পৰা ভৰিলৈকে তাৰ লুণীয়া দুখ।"

দুটামান সুন্দৰ দেশপ্ৰেমমূলক কবিতা ৰচনা কৰি জাতীয় চেতনাৰ উমান দিছিল তৰুণ ৰাম ফুকনে। 'আই মোৰ অসম' তেনে এটা কবিতা। অতিন্দ্ৰীয়বাদী কবি পদ্মশ্ৰী নলিনীবালা দেৱীৰ কবিতাত জাতীয় আৰু স্বদেশপ্ৰেমৰ টগ্‌বগ জোৱাৰ। সেয়েহে জনপ্ৰিয় কবিতা 'জনমভূমি'ৰ জৰিয়তে মনৰ ভাব প্ৰকাশ কৰিছে। নানা জাতি উপজাতিৰ মিলনভূমি অসমক ভাল পায় নিজৰ মাতৃ ৰূপে। মাতৃৰ গুণ গৰিমা আৰু সৌন্দৰ্যৰ গৌৰৱে গৌৰৱান্বিত। সেয়েহে কবিৰ কলমত— "পৃথিৱীৰ মাজত ক'তো বিচাৰ নোপোৱা/এইখিনি অপৰূপা অসম সোণৰ।"

সমাজ সচেতক বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰীয়ে সাহস, শক্তি আৰু কৌশলেৰে অসৎ শক্তিক পৰাভূত কৰি এখন নতুন সমাজ গঢ়াৰ আশাৰে আশান্বিত— "ৰুধিৰক্ত বলিশাল খড়গ উঠে নামে/আৰু লাগে বলি/সশস্ত্ৰ অৰাতি দুৱাৰত উপস্থিত/খোজে গলা-গলি/তোৰ বুকু উঠক উতলি।"

নলিনীধৰ ভট্টাচাৰ্য এগৰাকী সমাজ সচেতন কবি। সমাজৰ বিপন্নতা অস্থিৰ অৱস্থা দেখি কবি ব্যাকুল হৈ পৰিছে—"মুক্তিৰ স্নায়ুলৈ মই আহত জটায়ু/ মোক যদি দিব পাৰা অলপ আয়ু/শেষ কৰি দিব পাৰো ৰাক্ষসৰ প্ৰাণবায়ু।"

যুদ্ধোত্তৰ যুগৰ পৰা আমৃত্যু পৰ্যন্ত কবিতা ৰচনা কৰা ৰ'দ আৰু প্ৰেমৰ কবি হীৰেণ ভট্টাচাৰ্যৰ আছে মাতৃভাষাৰ প্ৰতি গভীৰ দৰদ আৰু আস্থা। কোনো কোনো কবিতাত দেশ আৰু জাতি প্ৰেমৰ ৰক্তস্ৰোত প্ৰৱাহমান নিগৰি নিগৰি। কাৰোৰ আদেশলৈ অপেক্ষা নকৰি স্বইচ্ছাৰে দেশৰ কামত ব্ৰতী হোৱাৰ সংকল্পবদ্ধ—"দেশ বুলি ক'লে নালাগে আদেশ/মোৰ তুমৰলি তেজত টগ্‌বগাই উঠে/এহেজাৰ এটা ৰণুৱা ঘোঁৰা।"

সমাজ চেতনাৰে উদ্বুদ্ধ কবি ড° নিৰ্মলপ্ৰভা বৰদলৈ। ফটা মাটিত তেজৰ ডোঙা দেখি দলনিত চট্‌ফটাই থকা ল'ৰাৰ শৰীৰ দেখি সংকট কালৰ অস্থিৰ আৰু বিপৰ্যস্ত সমাজখন দেখি কবি খঙত উতলা হৈ পৰে। তেতিয়া তেওঁৰ মনে মাতৃ পূজাৰ দেওধনি হ'ব বিচাৰে। তেজ পি পি মূৰ খুন্দিয়াই খুন্দিয়াই নাচিবলৈ মন কৰে। সেয়েহে কবিৰ কলমত— "মই অলংঘ বীৰ্য/............./................/দুঃসময় বিনাশৰ বাবে/মইয়ে তীক্ষ্ণ দন্তা।"

উপন্যাস সম্ৰাট চৈয়দ আব্দুল মালিকে কেইবাটাও বাচকবনীয়া কবিতা লেখি নিজকে কবি হিচাপে প্ৰতিষ্ঠিত কৰিছে। দেশ আৰু জাতিৰ প্ৰতি তেওঁৰ অনুৰাগ ভালপোৱা অসীম। স্বাভিমানী অসমীয়া জাতিটোৱে শৌৰ্য-বীৰ্য গৰিমা হেৰুৱাই নিজস্বতাক বিলীন কৰি দিয়াটো তেওঁৰ কাম্য নহয়। সেয়েহে তেওঁ লিখিছে— " অসমীয়া মৰা নাই/অসমীয়া মৰা নাই/কোনো কালে নোৱাৰে মৰিব/লুইতৰ সোঁতে ক'ব অতীতৰ ভূতে ক'ব/অসমীয়া চিৰঞ্জীৱ চিৰদিন জীৱ।" (মই অসমীয়া)।

বেদনা বৰুৱা ছদ্ম নামেৰে কবিতা লিখা অকালতে মৃত্যুবৰণ কৰা যুদ্ধোত্তৰ যুগৰ কবি অমূল্য বৰুৱাই প্ৰতিবাদৰ মাজেদি সামাজিক সচেতনতাৰ স্বৰূপ ডাঙি ধৰে। অমূল্য বৰুৱাৰ কুকুৰ, বিপ্লৱী, বেশ্যা, আন্ধাৰৰ হাঁহাঁকাৰ আদি কবিতাসমূহ জাতীয় চেতনাৰ চিন্তনৰে উদ্ভাসিত। 'কুকুৰ' কবিতা তাৰেই উজ্জ্বল স্বাক্ষৰ— "কিন্তু আৰু এদল কুকুৰ আছে/ সেইদল কুকুৰে খাবলৈ পায়/সিহঁত উচ্চ বংশজাত/ সেইদলৰ খাবলৈ নোপোৱাৰ সভ্যতাত গঢ়ি উঠিছে/এইদলৰ খাবলৈ নোপোৱাৰ বৰ্বৰতা।"

উচ্চ শ্ৰেণী আৰু আনপিনে নিপীড়িত শ্ৰেণী। সমাজৰ এই বৈষম্যই কবিক বাউল কৰি তুলিছে। সেয়েহে এখন শ্ৰেণীহীন সমাজ বিচাৰিছে। সমাজ ব্যৱস্থাত থকা বিভাজন, দেশ সেৱকৰ মুখা পিন্ধি ভণ্ড ৰাজনীতিকৰ চলনাৰ বলী হোৱা সহজ সৰল জনসাধাৰণৰ নিঃকিন অৱস্থা দেখি পথাৰ কবি ৰাম গগৈৰ হৃদয়ে কান্দি উঠাৰ লগতে তেওঁৰ খং উঠিছে। সেয়েহে কবিয়ে জনসাধাৰণক উদাত্ত কণ্ঠেৰে আহ্বান জনাইছে— "হে নীলকণ্ঠ ৰূদ্ৰ জনতা/স্বৰূপ ধৰা, তৃতীয় নয়ন খোলা/জ্বলাই দিয়া জ্বলাই দিয়া।"

দেশৰ দুৰ্যোগত কবি ৰবীন্দ্ৰ চৰকাৰ চিন্তিত আৰু ব্যথিত। সেয়েহে তেওঁৰ 'কালান্তৰৰ কবিতা'ত "উদং ভেটিত বাঢ়নী পানীৰ মুখত/বাৰে বাবে উটি যায়/মোৰ স্বদেশ/মাতৃৰ প্ৰসৱ বেদনা হৈ/জন্ম দিয়ে উজ্জ্বল দিন।"

বাঢ়নী পানীত উটি যোৱা স্বদেশৰ প্ৰতি কবি দুখীত হ'লেও কবিয়ে আশাৰ ৰেঙণি দেখিছে উজ্জ্বল

ভৱিষ্যত এটাৰ কাৰণে। জাতীয় চৰকাৰে জনসাধাৰণৰ ওপৰত চলাই অহা দমন নীতিত কবি মোহনকৃষ্ণ মিশ্ৰ ক্ষোভিত হৈ পৰিছে। বিপ্লৱৰ মাজেদি সমাজ সচেতনতাৰ স্বৰূপ ডাঙি ধৰিছে—"তোমালোকে আমাক আমাৰ দেশ ঘূৰাই দিয়া/ই আমাৰ অনুৰোধ নহয় দাবী/এতিয়া দিনৰ পৰিৱৰ্তন হৈছে/চতুৰ্দিশে গুম্‌গুমাই আছে।(আদেশ)

সাম্প্ৰতিক যুগৰ কবিসকলে বিপ্লৱ, বিদ্ৰোহৰ মাজেদি দেশ আৰু জাতিৰ প্ৰতি থকা অনুৰাগ আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা উনুকিয়াইছে। সমাজত চলি থকা অন্যায়, অত্যাচাৰ, অস্থিৰতাই কবিসকলক ম্ৰিয়মান কৰি তোলাৰ লগতে একো একোটা প্ৰজ্বলিত বহ্নিশিখা কৰি তুলিছে। বহুতে বিদেশী বিতাড়নৰ আন্দোলনৰ পটভূমিক লৈ কবিতা ৰচনা কৰা দেখা গৈছে। সেইসকলৰ ভিতৰত 'দেও লগা ঘোঁৰা' কাব্য সংকলনেৰে জনপ্ৰিয়তা অৰ্জন কৰা শ্ৰী বিৰিঞ্চি কুমাৰ ভট্টাচাৰ্যও এজন। তেওঁ বিচাৰিছে স্বাধীনতা— "যদিহে কাহানিবা/কোনো এক শুভ মুহূৰ্তত/কোনোবা দৈৱকী মাতৃয়ে/প্ৰসৱ কৰে অষ্টম সন্তানৰ/স্বাধীনতা মোক জনাবলৈ নাপাহৰিবা।" (স্বাধীনতা)

কবি নগেন কোঞ্জৰৰ কবিতা সমাজ সচেতনতাৰ সঁচাৰ কাঠি। সমাজত ঘটি থকা ঘটনা-পৰিঘটনা, উশৃংখলতাই কবিক বিচলিত কৰি তুলিছে। মুখাপিন্ধা সকলৰ কাষ নাচাপিবলৈ সোঁৱৰাই দিছে। সমাজ সলনি কৰিব বিচাৰিছে অশ্ৰুৰে নহয় বৌদ্ধিক আৰু মানসিকতাৰ জৰিয়তে— "সিহঁতে মুখা পিন্ধি কাষ চাপি আহে/প্ৰত্যয় মানি কথা কয় সুহৃদৰ দৰে।" (পোহৰৰ ৰেঙণি)

দেশৰ ৰাজনীতিৰ উত্থান-পতন আৰু ৰাজনীতিকৰ শঠতা প্ৰৱঞ্চনাই প্ৰদীপ শইকীয়াৰ দৰে কবিক সচেতন কৰি তুলিছে আৰু ৰাইজক সোঁৱৰাই দিছে এনেদৰে— "সংকেতঃ কলংপাৰত যুদ্ধকালীন তৎপৰতা/বিধান সভাৰ নিৰ্ভীক মন্ত্ৰীৰ আশ্বাস/আৰু আয়োগৰ প্ৰতিবেদনত? (পোষ্ট মৰ্টেম)

বৰ্তমান সমাজ ব্যৱস্থাই উচ্চ-নীচক ভেদাভেদ অতি নিষ্ঠুৰভাৱে উদঙাই দেখুৱাইছে। নিঃকিনজনৰ মুখৰ মাত, মুখৰ ভাত কাঢ়ি নিব বিচাৰে ক্ষমতাশালী ধনিক শ্ৰেণীয়ে। সেয়েহে নিৰুৰ্দিষ্ট কবি অৱনী চক্ৰৱৰ্তীয়ে খেদ প্ৰকাশ কৰিছে, হৈ পৰিছে ক্ষোভিত— "তোমাৰ মজিয়াত তুমি থাকিব পাৰিলানে?/কথা ক'ব পাৰিলানে?/তুমি থাকিব পাৰিলানে? (কবিকণ্ঠ)

চাৰিওফালে অশান্তি অশুভ শক্তিয়ে কাঢ়ি নিছে মানুহৰ মানৱতা, সম্ভাৱনাময় ভৱিষ্যত। যাৰ বাবে কবি মেঘালী ফুকন হৈ পৰিছে ক্ষোভিত, হতাশ। বিদ্ৰোহৰ অগনিয়ে খুলি খুলি খালেও তাৰ মাজেদি দেখিছে ৰিণি ৰিণি আশাৰ ৰেঙনি— "বাজক ৰণশিঙা/বাজক খং শিঙা/দোপালপিতা বৰ্ষণমুখৰ ৰাতি/কলমৌ পাতত কৃষ্ণ ওপজক/খহি পৰক বসুদেৱৰ হাতৰ শিকলি।"

সত্তৰ-আশী দশকৰ ভিতৰত কবি মদন শৰ্মা, নাহেন্দ্ৰ পাদুন, আনিছ উজ জামান, যতীন্দ্ৰ কুমাৰ বৰগোহাঞিও আদিসকল কবিক সমাজ সচেতক বুলি ক'ব পাৰি।

বিপ্লৱৰ মাজেদি সমাজ আৰু জাতিক অকুণ্ঠ ভালপোৱা, জাতি আৰু সমাজৰ প্ৰতি জনসাধাৰণক জগাই তোলা কবি সমীৰ তাঁতীয়ে জনতাক সকিয়াই দিছে এনেদৰে— "সংঘবদ্ধ হৈ তোমালোকে এদিন কাঢ়ি ল'বা/সমস্ত পৃথিৱী সমস্ত শাসন/ভোগ কৰিবা ইয়াৰ অলংকৃত যৌৱন।"

ৰাজু বৰুৱাৰ কবিতাত শুনা যায় প্ৰচলত সমাজ ব্যৱস্থাৰ ভণ্ডামী, ৰাজনীতিকৰ চতুৰালি যি দেশ-

কালক কৰি তুলিছে বিক্ষিপ্ত, অস্থিৰ। কবিয়ে সেয়া সহ্য কৰিব পৰা নাই। সেয়েহে তেওঁৰ 'বেলিও উন্মুখ কৰিব ধৰ' কবিতাত শুনা যায় পাঞ্জাৱ, হাৰিয়ানা, আফ্ৰিকা আদিত থকা আপোনজনৰ দুঃসংবাদ, যিয়ে কবিক কৰি তুলিছে মৰ্মাহত— "বাতৰি জনালেও গছৰ পাতত পৰি থাকে/পঞ্জাৱ হাৰিয়ানা ৰেংগুন, আফ্ৰিকাৰ/শিৰ ফুলা আপোনৰ দুঃসংবাদ/..................../বঞ্চনাৰ বাকলি গুচাই দেখুৱাও গণতন্ত্ৰৰ সাহ।"

দেশৰ প্ৰতি কবি সুভাষ সাহাৰ গভীৰ অনুৰাগ। দেশপ্ৰেম তেওঁৰ শিৰাই শিৰাই প্ৰৱাহিত হৈ আছে। সেয়েহে সংকীৰ্ণ দেশপ্ৰেমৰ বিৰোধী। বিদেশী বিতাৰড়ন আন্দোলনৰ আন্দোলনকাৰীসকলৰ ওপৰত অমানৱীয় অত্যাচাৰ, দমন নীতিক তেওঁ সহ্য কৰিব পৰা নাই। দেশক, জাতিক ভাল পাব পৰাটো জানো অপৰাধ— কবিয়ে ভাবি পোৱা নাই— "বৰ ভয় লাগে আজিকালি/দেশক ভাল পাওঁ/ এই কথাটোও চিঞৰি চিঞৰি ক'ব লগা/দুঃসহ যন্ত্ৰণাত।" (দেশক ভাল পোৱাৰ অপৰাধত)

নিজৰ জন্মভূমিৰ দুৰৱস্থা দেখি বিপুল জ্যোতি শইকীয়াৰ হৃদয়ে কান্দি উঠিছে। স্বদেশপ্ৰেমৰ জ্বলন্ত স্বাক্ষৰ 'তোমাৰ অসুখৰ বাতৰি নাই' কবিতাত—"তোমাৰ অসুখৰ বাতৰি পাই দৌৰি আহিছো আই/ভৈয়াম স্পৰ্শৰ একান্ত ইচ্ছাত/যেনেকৈ পাহাৰৰ বুকু ভাঙি বতাহৰ সতে আহে/নিজৰাৰ কুলু কুলু হাঁহি।"

ড° কৰবী ডেকা হাজৰিকাই সময়ে সময়ে জাতি মাটিৰ চিনাকি গোন্ধ থকা কবিতা লিখি জাতীয় চেতনাৰ উন্মেষ ঘটাইছে। নিজৰ দেশক লৈ কবি গৰ্বিত যদিও জনমভূমিৰ দূৰৱস্থা আৰু নিচলা অৱস্থা দেখি দুখিত আৰু ব্যাকুল হৈ পৰিছে এনেদৰে—"দেশ আৰু আই মোৰ সন্তান মোৰ বন্ধু/তিলতিলকৈ নিঃশেষ হৈ ক্ষণে ক্ষণে/গঢ় লওঁ ইয়াতেই মই মাটিৰ বুকুৰ কবি।" (মোৰ দেশ মোৰ অনুভৱ মাটিৰ পৰা মেঘলৈ।)

জাতীয় প্ৰেমত আপ্লুত কবি অৰ্চনা পূজাৰীৰ হৃদয়ে হাহাকাৰ কৰিছে স্বাধীনতাৰ অৰ্থ বিচাৰি। কিয়নো, বৰ্তমান মানুহে যি স্বাধীনতা উপভোগ কৰিছে সেই স্বাধীনতাই মানুহৰ হাত ভৰিহে বান্ধিছে শিকলিৰ দৰে। কিন্তু প্ৰকৃত মাদকতাখিনি দিব পৰা নাই। চাৰিওফালে হৈ চৈ, কটা-কটি, মৰা-মৰি, বৰটোপৰ ধ্বনি যিবোৰ জাতিটোৰ কাৰণে অশুভ লক্ষণ। বিচ্ছিন্নতাবাদীয়ে গা কৰি উঠিছে যাৰ কাৰণে জাতিটোৰ ঐক্য সংহতি বিনষ্ট ঘটিছে, দেশৰ প্ৰগতিত অন্তৰায় হৈছে— "জেপে জেপে বাগৰে টকাৰ মোনা/ৰাতা-ৰাতি প্ৰস্তুতিতে/দেশৰ বুনিয়াদ ৰচে/স্বাধীনতাৰ নামত প্ৰহসন সানি।" (স্বাধীনতা দিৱস)

সদ্যপ্ৰয়াত গণশিল্পী অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গ চিৰকালে অসমীয়া। জাতিটোক হাড়ে-হিমজুৱে ভাল পাইছিল। কা আন্দোলনক সমৰ্থক কৰিছিল। আমৃত্যু পৰ্যন্ত দেশ জাতি আৰু সমাজৰ চিন্তাই তেওঁক ভবাই তুলিছিল। যিখন দেশৰ মাটি, পানী, বায়ু সেৱন কৰিছিল, ধূলি-বালিৰ লগত খেলিছিল সেইখন দেশ তেওঁৰ নিজৰ প্ৰাণতকৈও আপোন। গীতৰ তুলনাত কম সংখ্যক কবিতা ৰচনা কৰিছিল যদিও কোনো কোনো কবিতাত জাতি প্ৰেম, দেশপ্ৰেমৰ অনুৰাগৰ স্ফুৰণ ঘটিছিল। অকল জাতি বা দেশখনৰ কথাকে চিন্তা কৰা নাছিল; চিন্তা কৰিছিল সহজ-সৰল অসমীয়া মানুহে বাস কৰা এখন স্বচ্ছ আৰু গতিময় সমাজৰ কথা। সেয়েহে ভোগবাদ বিলাকে গ্ৰাহ কৰি যন্ত্ৰ সদৃশ কৰি তোলা সমাজৰ বিৰুদ্ধে তেওঁ প্ৰতিবাদ কৰিছিল এনেদৰে— "ই মোৰ বিপ্লৱ, মোৰ সাধনা/তই মোক যিমানে নাশিবি/মই তোক সিমানে বধিম/তই মোক যিমানে হানিবি/মই তোক সিমানে হানিম।" (হুংকাৰ)।

সাম্প্ৰতিক সময় আৰু বহু কবিয়ে চিয়াঁহীত কলম জুবুৰিয়াইছিল দেশ, জাতি আৰু সমাজক ভাল পোৱাৰ স্বাৰ্থত। সমাজৰ সংকটত তেওঁলোক উদ্বিগ্ন হৈ পৰা দেখা গৈছিল। তেনে কবিকুল হ'ল সনন্ত তাঁতী,

প্ৰণয় ফুকন, অনুপমা বসুমতাৰী, শৰৎ হাজৰিকা আদি বহুতো। এওঁলোকে পোনপটীয়াকৈ নহ'লেও জাতীয় চেতনা আৰু সামাজিক চেতনা, খং, ঘৃণা, ক্ষোভ, বিৰক্তিৰে, বিপ্লৱেৰে নিজৰ মনৰ ভাব প্ৰকাশ কৰি সঁকিয়াই দিছে জনসাধাৰণক। জাগ্ৰত প্ৰহৰী হৈ জনগণক সজাগ কৰিবলৈ প্ৰয়াস কৰিছে। সেইকাৰণে এইসকলে কবিতা লিখাৰ ৰচনা ৰীতি আত্মিক আৰু প্ৰকাশভংগী জোনাকী, আৱাহন আদি যুগৰ কবিসকলতকৈ কিছু বৈসাদৃশ্য পৰিলক্ষিত হয়। কিন্তু বিষয়বস্তু, ভাৱৰ উচ্ছাস, চিন্তনৰ উদ্ৰেক একেধৰণৰ বুলি ক'ব পাৰি।

উপসংহাৰ ঃ

দেশ, জাতি আৰু সমাজ বন্দনাৰে বন্দিত কবিতাসমূহ অসমীয়া কাব্য সাহিত্যৰ অমূল্য সম্পদ। নতুন ধাৰা আৰু বিষয়বস্তুৰে সৃষ্ট এনে কবিতাই অসমীয়া কাব্য জগতক নিঃসন্দেহে ৰমণীয়, বৰণীয় আৰু ৰহণীয় কৰি তুলিছে। জাতি, সমাজ আৰু দেশৰ চিন্তনেৰে কবিতাৰ মঙ্গলময় আৰু উত্তৰসুৰী দিশৰ কাৰণে কবিকুল ওলাই অহাটো অসমীয়া কাব্য সাহিত্যৰ কাৰণে নিশ্চয় এক শুভবাৰ্তা, এক শুভ লক্ষণ।

❒❒❒

**প্ৰসঙ্গপুথি ঃ**

১) প্ৰগতিশীল সাহিত্য সমীক্ষা (প্ৰৱন্ধ সংকলন, নতুন সাহিত্য পৰিষদ, সম্পাদক ঃ তোযেশ্বৰ চেতিয়া, ১৯৮৮ চন।)
২) জাতীয় চেতনাৰ চিন্তন (সদৌ অসম লেখিকা সমাৰোহ সমিতি, নগাঁও শাখা, সম্পাদিকা ঃ দীপা বৰুৱা, ২০১৭)
৩) অসমীয়া কবিতা (কাব্য সংকলন, কবি ঃ কৰবী ডেকা হাজৰিকা)
৪) ভিন্ন কথকতা (সবিতা কোঞ্ৱৰ (প্ৰৱন্ধ সংকলন, মে' ২০২৪)
৫) অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰৱন্ধ সংকলন, ষষ্ঠ খণ্ড, সম্পাদক ঃ হোমেন বৰগোহাঞি, ১৯৯৩ চন)
৬। ডিক্ৰুং (বিহপুৰীয়া শাখা সাহিত্য সভাৰ বাৰ্ষিক মুখপত্ৰ, ২০২২-২০২৪ বৰ্ষ, সম্পাদনা ঃ গোলাপী ভূঞা বৰা)

# অন্ধবিশ্বাস আৰু হেমচন্দ্ৰ বৰুৱা

**ডাঃ অতুল চন্দ্ৰ খাওন্দ**

ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা আছিল অন্ধবিশ্বাস আৰু কু-সংস্কাৰেৰে আবৰি থকা অসমীয়া সমাজক যুক্তি আৰু বৈজ্ঞানিকে দৃষ্টিৰে বাট বোলাওতা আৰু নাজল-নাথল অৱস্থাত থকা অসমীয়া ভাষাক সন্মানীয় আসনত বৈজ্ঞানিকভাৱে কৰা প্ৰতিষ্ঠাৰ মূল ব্যক্তি। অৱহেলিত আৰু নিষ্পেষিত হৈ থকা অসমীয়া ভাষাৰ প্ৰথম অভিধান আৰু প্ৰথম ব্যাকৰণ ৰচনা কৰি তেখেতে আমাৰ চিৰ চেনেহী ভাষাটোৰ প্ৰাণ প্ৰতিষ্ঠা কৰিলে। তেখেত আছিল এজন ভাষাবিদ, লেখক, সমালোচক আৰু সমাজ সংস্কাৰক।

তেখেতৰ জন্ম হয় ডেৰগাঁৱৰ ৰজাবাহৰত ১৮৩৫ চনৰ ১০ ডিচেম্বৰৰ দিনা। তেওঁৰ পিতৃ মৌজাদাৰ মুক্তাৰাম বৰুৱা আৰু মাতৃ ৰূপহী দেৱী। মুক্তাৰাম বৰুৱাৰ পুৰ্বপুৰুষ আহোম ৰজা জয়ধ্বজ সিংহৰ দিনত কনৌজৰ পৰা আহিছিল। তেওঁলোকৰ তিনিটা ল'ৰা আৰু এজনী ছোৱালীৰ ভিতৰত হেমচন্দ্ৰ বৰুৱা আছিল জ্যেষ্ঠ।

তেখেতৰ শিক্ষাজীৱন আৰম্ভ হয় ন বছৰ বয়সত ঘৰতে। পিতৃ মুক্তাৰামে তেওঁক ঘৰতে অসমীয়াৰ আখৰ জোটনি আৰু ব্যাকৰণ পঢ়ুৱাইছিল। পিছে তেওঁৰ সেই শিক্ষা ব্যাকৰণৰ সন্ধিলৈকেহে হ'ল। তেওঁৰ বাৰ বছৰ বয়স হওঁতেই জহনী ৰোগত পিতাকৰ মৃত্যু হয়। বিভিন্ন অসুবিধাৰ বাবে তেওঁ পিছত শিৱসাগৰৰ খুড়াক লক্ষীৰাম বৰুৱাৰ ঘৰলৈ আহি তাতে থাকিবলৈ লয়। কিছুদিনৰ পিছত খুৰাকে তেওঁক শিৱসাগৰৰ কাছাৰীত শিক্ষা নবীচৰ পদত মকৰল কৰাই দিয়ে মাহে চাৰি টকা দৰমহাত।

শিৱসাগৰত চাকৰি কৰি থাকোতেই তেওঁ সেইসময়ৰ শিৱসাগৰ জিলাৰ উপায়ুক্ত কেপ্তেইন ব্ৰডিৰ সংস্পৰ্শলৈ আহে। কেপ্তেইন ব্ৰডিৰ পৰা তেখেতে ইংৰাজী ভাষাৰ জ্ঞান আহৰণ কৰে। সেই সময়ত ইংৰাজী শিকাটো এক অধৰ্মী কাম বুলি মানুহে ভাবিছিল আৰু সেয়ে খুড়াক লক্ষীৰামে তেওঁৰ শিক্ষাৰ সকলো পথ বন্ধ কৰি দিয়ে। কাৰণ মানুহৰ ধাৰণা আছিল যে ইংৰাজী মেলেচৰ ভাষা। এইবোৰ বাধাৰ মাজতো তেওঁ চুৰকৈ হলেও ইংৰাজী ভাষা আয়ত্ত কৰে আৰু ব্ৰডিৰ লগতে মিচনেৰীসকলৰ সংস্পৰ্শলৈ আহি হিন্দী আৰু সংস্কৃত ভাষাও শিকি লয়। খুড়াক আৰু সমাজৰ হেঁচাৰ বিপৰীতে তেওঁ পিছলৈ মুকলিকৈ ইংৰাজী শিকা কাম চলাই থাকে।

এনেদৰে কেইবাটাও ভাষা আয়ত্ত কৰাৰ ফলত তেওঁ অসমীয়া ইংৰাজী আৰু হিন্দী আটাইকেইটাতে লিখিব পৰা হয়। তেওঁ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ আৰু ৰাজা ৰামমোহন ৰায়ৰ আদৰ্শৰ অনুগামী আছিল। সেই সময়ত আৰম্ভ হোৱা স্ত্ৰী শিক্ষাৰ প্ৰসাৰণ আৰু বিধৱা বিবাহ প্ৰচলনৰ তেওঁ সমৰ্থক আছিল। কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ কবলত থকা সমাজখনৰ পৰিৱৰ্তনৰ বাবে তেওঁৰ মন উৎসাহিত হৈছিল। তেওঁ কোনোদিন কলিকতালৈ যোৱা নাছিল যদিও সেইসময়ৰ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ বিধৱা বিবাহ আৰু স্ত্ৰী শিক্ষাৰ প্ৰতি কৰা কামবোৰৰ সকলো খবৰ ৰাখিছিল আৰু অসমতো সেই সংস্কাৰমুখী কামত আগভাগ লৈছিল।

১৮৫২ চন অৰ্থাৎ তেখেতৰ ১৭ বছৰ বয়সত তেখেতৰ বিয়া হয় আৰু বিয়াৰ দুবছৰৰ পিছতে তেখেতে

পত্নীক হেৰুৱাব লগা হয়। এটি এবছৰীয়া কন্যা সন্তান এৰিথৈ তেওঁৰ পত্নীয়ে কলেৰা ৰোগত মৃত্যুক সাৱতি লয়। পত্নীৰ মৃত্যুৰ পিছত পৰিয়াল আৰু বন্ধু বান্ধৱে তেখেতক পুনৰ বিবাহ কৰাবৰ বাবে বহুত জোৰ কৰিছিল যদিও তেওঁ দ্বিতীয় বিবাহ নকৰালে। তেওঁৰ সমাজৰ প্ৰতি উত্তৰ আছিল যে পুৰুষে পত্নী হেৰুৱালে নতুনকৈ আন এগৰাকী বিয়া কৰাব পাৰে। কিন্তু মহিলাৰ ক্ষেত্ৰত সমাজে সেই অনুমতি নিদিয়ে। সেয়ে সমাজৰ সেই ব্যৱস্থাৰ প্ৰতিবাদ স্বৰূপেই তেখেতে দ্বিতীয় বিবাহ নকৰালে। তেওঁ সমাজৰ জাতিভেদৰো বিৰোধী আছিল। সেয়ে তেওঁৰ লগত যিগৰাকী ৰান্ধনি ৰাখিছিল সেইগৰাকীও উচ্চ কুলৰ নাছিল। তেওঁ যিহেতু ব্ৰাহ্মণ আছিল গতিকে তেওঁৰ পৰিয়ালে অব্ৰাহ্মণৰ হাতেৰে ৰন্ধা খাদ্য খোৱাৰ বাবে তেওঁক এঘৰীয়া কৰি ৰাখিছিল। আনকি তেওঁক দেখিলে বহুতে থুই পেলাইছিল আৰু ল'ৰাবোৰে টিটকাৰী মাৰিছিল।

অতবোৰ সমাজৰ বাধাৰ মাজতো তেওঁ সেই কুসংস্কাৰৰ বিপক্ষে স্থিৰ হৈ আছিল। সেইসময়ত অসমত কানিৰ প্ৰচলন আছিল প্ৰচুৰ। কানিৰ নিচাৰ কবলত বহুতো লোক লাওলোৱা হৈছিল আৰু গোটেই সমাজখনেই পঙ্গু হৈ পৰিছিল। সমাজৰ এনে অৱস্থাৰ পৰিৱৰ্তন আনিবৰ বাবেই তেওঁ লিখি উলিয়াইছিল 'কানীয়াৰ কীৰ্তন'। লগতে সমাজৰ অন্য জাতিভেদ আৰু কুসংস্কাৰৰ বিষয়ে ব্যংগ কৰি তেওঁ লিখিছিল 'বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী'। দুয়োখন গ্ৰন্থৰ মাজেৰে তেওঁ ঘুণেধৰা সমাজখনক জোকাৰি পেলাইছিল। তেওঁৰ কানীয়াৰ কীৰ্তনখন পিছলৈ ইংৰাজীলৈও অনুবাদ হৈছিল। কানিৰ অপকাৰিতাৰ বিষয়ে তেওঁ চৰকাৰৰ কানি আয়োগলৈ ইংৰাজীত এটা লিখিত প্ৰতিবেদনো পঠাইছিল। ভাবিবলগীয়া বিষয় যে যি কানিৰ প্ৰচলন বন্ধ কৰিবৰ বাবে স্বাধীনতা সংগ্ৰামৰ সময়ত মানুহে কানি মহলৰ সমুখত ধৰ্মঘট কৰিছিল, তাৰ প্ৰায় এশবছৰ আগতেই তেওঁ কানিৰ প্ৰচলনৰ বিৰুদ্ধে চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰাৰ উপৰিও কিতাপ আৰু নাটক ৰচনা কৰি প্ৰতিবাদ কৰিছিল। অৰ্থাৎ কানিৰ প্ৰভাৱত পঙ্গু হোৱা সমাজখনক উদ্ধাৰৰ বাবে তেওঁ যৎপৰোনাস্তি চেষ্টা চলাইছিল।

জীৱনৰ কৰ্মস্থলীত তেখেতে বহুতো পদৱীত কাম কৰিছিল। পিছলৈ গুৱাহাটীৰ ন্যায়িক আদালতৰ ভাষা অনুবাদক হিচাপে কাম কৰি অধীক্ষকৰ পদৱীত অধিষ্ঠিত হৈছিল। পিছত তেওঁ 'আচাম নিউচ' কাকতৰ সম্পাদক হিচাপেও কাম কৰিছিল। লগতে 'সোণাৰ চাঁদ' চদ্মনামেৰে অৰুণোদয় কাকতৰ লগতো জড়িত আছিল। তেওঁ অসমীয়া ভাষাটোক সংস্কৃতৰ দৰে জটিল শব্দবিন্যাসৰ পৰা আঁতৰাই সহজ সৰল ব্যৱহৃত শব্দগাঁথনিৰ প্ৰয়োগেৰে নতুন ৰূপ দিছিল। এই কাম তেওঁ আছাম নিউচ কাকতৰ যোগেৰে কৰাত সফল হৈছিল। সেইসময়ত অসমৰ স্কুল, কাছাৰী, অফিচ সকলোতে বঙলা ভাষা। আনকি চিঠিবোৰো বঙলা, ডেকাবোৰৰ আড্ডাও বঙলাত, নাটক, গান আৰু সভা-সমিতিতো বঙলা ভাষা। তেনে এক পৰিস্থিতিত তেওঁ অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰিলে। তেওঁ অৰুণোদয়ৰ পাততো বহুকেইটা প্ৰবন্ধত অসমীয়া ভাষা যে বঙলাৰ অংশ নহয় তাক প্ৰতিপন্ন কৰিবলৈ লিখিলে। তেওঁ অনুভৱ কৰিলে যে এটা ভাষা নিজাকৈ প্ৰতিষ্ঠিত হৈ থাকিবলৈ হ'লে তাৰ ব্যাকৰণ আৰু অভিধানৰ প্ৰয়োজন। সেয়ে তেওঁ একাণপতীয়াকৈ লাগিল হেমকোষ ৰচনাত আৰু লগতে লিখি উলিয়ালে 'অসমীয়া ভাষাৰ ব্যাকৰণ।' ইয়াৰ পিছত অসমীয়া ল'ৰাৰ ব্যাকৰণ, পঢ়াশলীয়া অভিধান, অসমীয়া ল'ৰাৰ আদিপাঠ প্ৰথমছোৱা, মাজছোৱা আৰু শেহছোৱা। তদুপৰি 'নটচ অন মেৰেজ চিষ্টেম অৱ পিপল অৱ আছাম' বুলি এক ইংৰাজী লেখা আৰু কামৰূপতন্ত্ৰ নামৰ

গ্ৰন্থৰে অসমীয়া ভাষা যে এটা স্বতন্ত্ৰ ভাষা তাক প্ৰমাণ কৰিবলৈ উঠি পৰি লাগিল।।

তেওঁ কোনোদিন অসমৰ বাহিৰলৈ গৈ পোৱা নাছিল। কিন্তু কলিকতাত হোৱা স্ত্ৰীশিক্ষা আৰু বিধৱা বিবাহৰ যি নৱজাগৰণ তাৰ দ্বাৰা অনুপ্ৰাণিত হৈ বিভিন্ন লেখাৰে সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল। বিধৱা বিবাহৰ ক্ষেত্ৰত তেওঁ যুক্তি দিছিল যে যদিহে পত্নীৰ বিয়োগৰ পিছত পুৰুষে পুনৰ বিবাহ কৰাত সমাজৰ অনুমতি আছে, তেন্তে মহিলাৰ ক্ষেত্ৰত সেয়া নাই কিয়? তাৰ প্ৰতিবাদ স্বৰূপেই তেওঁ সকলোৰে কথা নুশুনি পুনৰ বিবাহ নকৰিলে।

অন্ধবিশ্বাসৰ ক্ষেত্ৰত তেওঁৰ প্ৰতিক্ৰিয়া কেনে আছিল সেয়া হেমকোষৰ পাতত চালেই গম পোৱা যায়। তেওঁ 'গুলৈ' শব্দৰ অৰ্থ হিচাপে হেমকোষত লিখিছে "সেমেকা বা পচা বস্তুৰ পৰা ওলোৱা আৰু আন্ধাৰত জিলিকা বাস্প। এই দেশৰ মানুহে ইয়াক পুতিথোৱা ধনৰ গৰাকী ভূতৰ গাৰ পৰা ওলোৱা পোহৰ বুলি ভাবে। সেয়ে তাক ধনগুলৈ বোলে।" তেনেকৈ দেওধনীৰ ক্ষেত্ৰতো লিখিছে "দেও লম্ভা তিৰোতা"। A woman who pretends to be possessed with an evil spirit'। তেনেকৈ দেওধনি মানে 'দেৱে ধৰা মানুহৰ বকনি আৰু কঁপনি' বুলি তেতিয়াৰ দিনতে লিখি থৈ গৈছে। তেনেদৰে বীৰা নামৰ ভূতৰ ক্ষেত্ৰতো তেওঁ সেয়া তিৰোতাৰ 'ঘুমতি ঘূৰণ' ৰোগ বুলি লিখিছে। লগতে তেনে কৰি তিৰোতাই বীৰাৰ নাম দি পৰপুৰুষৰ ওচৰলৈ যায় বুলি লিখিছে। অথচ এতিয়াৰ শিক্ষিত সমাজেও বীৰাক ভূত বুলিয়েই মানি আছে। আজিও কাৰোবাৰ ঘৰত বীৰাই উপদ্ৰৱ কৰে বুলি বাতৰি পৰিৱেশন হয় আৰু মানুহে চাই বিশ্বাস কৰে। তেওঁৰ মতে অন্ধবিশ্বাস মানে কোনো বিবেচনা নকৰাকৈ কৰা বিশ্বাস আৰু কুসংস্কাৰ মানে অসত্য বা বেয়া শিক্ষা। কোনো কথা যুক্তিহীন ভাৱে মানি লোৱা।

সমাজৰ বুজন সংখ্যক মানুহক প্ৰত্যাহ্বান জনাই তেওঁ কৰা কামবোৰৰ বাবেই তেওঁ সমাজৰ পৰা এঘৰীয়া হ'ব লগা হ'ল যদিও তেওঁ হাৰ নামানি স্থিৰ হৈ নিজৰ মতত থাকিল। তথাকথিত তেতিয়াৰ ৰক্ষণশীল সমাজে তেওঁক ঘৃণাৰ দৃষ্টিৰে চাইছিল আৰু বাটত দেখিলেও উপলুঙাহে কৰিছিল। হয়তো সেইবাবেই আৰু লগতে তেওঁ ভুগি থকা বাত বিষৰ বাবে তেওঁ ঘৰতে সোমাই থাকি লেখা-মেলা কৰি সময় কটাইছিল। তেওঁৰ দীঘল আৰু অসংযত দাড়ি-চুলিৰে চেহেৰাটো হয়তো সেইবাবেই হৈছিল। সমাজে তেওঁক তেওঁৰ সংস্কাৰমূলক কাৰ্য আৰু নিৰ্ভীক পদক্ষেপৰ বাবে ইমানেই বিৰোধ কৰিছিল যে মৃত্যুৰ পিছতো তেওঁৰ মৃতদেহ সৎকাৰ কৰিবলৈ কোনো ওলাই নাহিল। শেষত কেইজনমান ডেকা ল'ৰাইহে তেওঁৰ শৱটো সৎকাৰৰ দায়িত্ব লয়। পিছে তেওঁৰ এটা লেখাই পিছত সকলোৰে চকু কঁপালত তুলিলে। তাত তেওঁ লিখিথৈ গৈছিল যে মৰাৰ পিছত মানুহৰ দেহটো কাঠ এডালৰ নিচিনা। গতিকে তাক সৎকাৰ কৰি খৰচ কৰাৰ কোনো দৰকাৰ নাই। তাতকৈ তেওঁৰ শৱটো গৰুগাড়ী এখনত নি নিৰ্জন ঠাইত থৈ আহিব লাগে যাতে ভোকত থকা শগুণ শিয়ালৰ কামত আহে।

তেনে এজন মহান সমাজ সংস্কাৰকৰ জন্মদিনটো সেয়ে ইলোৱা বিজ্ঞান মঞ্চই অন্ধবিশ্বাস আৰু কুসংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰি আহিছে। অসমীয়া ভাষাৰ প্ৰতিষ্ঠাপক আৰু সমাজ সংস্কাৰকজনক অসম সাহিত্য সভাই উপযুক্ত সন্মান দিয়াৰ প্ৰয়োজন আছিল যদিও দিয়া দেখা নগ'ল। অৱশ্যে যেতিয়ালৈকে পৃথিৱীত অসমীয়া ভাষা জীয়াই থাকিব তেতিয়ালৈকে এই ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাও অমৰ হৈ থাকিব।

❒❒❒

# বৃহত্তৰ ৰাজগড় অঞ্চলত ভাষিক জনগোষ্ঠীৰ অৱস্থিতি আৰু ভাষা কৃষ্টি বিকাশৰ ৰূপৰেখা

**ডিম্বেশ্বৰ ফুকন**

১৯৩৯ চনত বৃটিছ চৰকাৰে উজনি অসমক শাসনৰ সুবিধাৰ্থে দুটা অংশত ভাগ কৰে ক্ৰমে শিৱসাগৰ আৰু লক্ষীমপুৰ জিলা। সেই সময়ত লক্ষীমপুৰ জিলাৰ সদৰ ঠাই আছিল ডিব্ৰুগড়। ১৯৭১ চনত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰটো পৃথক হৈ লক্ষীমপুৰ জিলা হিচাপে স্বীকৃতি পায়। যোৱা ১৯৮৯ চনত লক্ষীমপুৰ জিলাখন পুনৰ দুভাগ হৈ লক্ষীমপুৰ আৰু ধেমাজী জিলা গঠন হয়। অসমৰ বৰলুইতৰ উত্তৰ পাৰে লক্ষীমপুৰ জিলাৰ পশ্চিম প্ৰান্তত বিশ্বনাথ জিলাৰ সীমামুৰীয়া ধলপুৰ মৌজাৰ নাৰায়ণপুৰ ৰাজহ চক্ৰৰ ধলপুৰ কেন্দ্ৰস্থলৰ পৰা উত্তৰ-পশ্চিম দিশত ৯ কিলোমিটাৰ দূৰত্বত শিমলুগুৰি কেন্দ্ৰস্থল অৱস্থিত। প্ৰায় ১০০ বছৰ মানৰ আগতে শিমলুগুৰি অঞ্চল হাবি জংঘলেৰে ভৰা আছিল। ধলপুৰৰ পৰা শিমলুগুৰিলৈ অহা-যোৱা কৰা এটা মাত্ৰ পথ আছিল। বৰ্তমান খ্ৰীষ্টিয়ান গাঁৱৰ ধলপুৰ ব্যাপ্তিষ্ট গীৰ্জা ঘৰৰ ওচৰেদি পশ্চিম দিশে শিমলুগুৰি চাৰিআলিলৈ যোৱা পথটো তাৰ সাক্ষী। এই পথৰ উত্তৰ পাৰে প্ৰয়াত নৰেন্দ্ৰ বসুমতাৰীৰ দখলত থকা ভূমিত এডাল প্ৰকাণ্ড শিমলু গছ আছিল। সেই বাটেৰে অহা-যোৱা কৰা বাটৰুৱাই এই গছজোপাৰ তলতে জিৰণি লৈছিল। এই গছজোপাৰ অৱস্থিতি সাপেক্ষে অঞ্চলটোৰ নাম শিমলুগুৰি হ'ল বুলি এটা জনশ্ৰুতি আছে। শিমলুগুৰি নামকৰণে বৃহত্তৰ ৰাজগড় এলেকাৰে প্ৰতিফলন ঘটায়। ১৯৯১ চনত ৰাজগড় গাঁও পঞ্চায়ত তিনিটা ভাগত বিভক্ত হৈ শিমলুগুৰি গাঁও পঞ্চায়ত, ৰাজগড় গাঁও পঞ্চায়ত আৰু ৰঙতি গাঁও পঞ্চায়ত গঠন হয়। বৃহত্তৰ ৰাজগড় অঞ্চলৰ পূৱে পিছলা নদী, পশ্চিমে লক্ষীমপুৰ আৰু বিশ্বনাথ জিলাৰ সীমান্তইদি বৈ যোৱা চেঁচা নদী, দক্ষিণে উত্তৰ পূৱ সীমান্ত ৰেলপথ আৰু পিছলা নদী, উত্তৰে ৰাজগড় আলি। বুৰঞ্জীৰ তথ্যমতে এসময়ত কোচ ৰজাই এই ঠাইত শাসন চলাইছিল। কোচ ৰজা নৰনাৰায়ণৰ ভায়েক চিলাৰায়ৰ স্মৃতিত কোচবিহাৰৰ পৰা শদিয়ালৈকে এটা পথ নিৰ্মাণ কৰিছিল। সেই পথটো আজিও গোহাঁইকমল আলি বা ৰাজগড় আলি বুলি জনা যায়। অৰুণাচল প্ৰদেশৰ পাদভূমিত অৱস্থিত এই অঞ্চলৰ মাজেদি চেঁচা ৰঙাজান, দোৰপাং, দিহিৰি, হোমদিৰি আদি কেইবাখনো নৈ বৈ যোৱাৰ ফলত ভূমি ভাগ খাৰিফ আৰু ৰবি শস্যৰ বাবে উপযোগী। এই অঞ্চলত বসবাস কৰা প্ৰায় ৭০% লোক কৃষিজীৱী। বৃহত্তৰ ৰাজগড় অঞ্চলটো বহু জনসম্প্ৰদায়ৰ আৱাসভূমি। ২০২৫ বৰ্ষত এই অঞ্চলটোৰ মুঠ ভোটাৰৰ সংখ্যা আছিল ২৬২৭৪ জন। এই অঞ্চলত আহোম, নেপালী, বড়ো, মিচিং, মৰাণ, ৰাজবংশী, মটক, কৈৱৰ্ত, কোঁচ, কেওট, কলিতা, চুতীয়া, ৰাভা, ব্ৰাহ্মণ, গণক, হিন্দী আৰু বঙলাভাষী হিন্দু ধৰ্মাৱলম্বী লোকসকলে শান্তিপূৰ্ণভাৱে নিজা নিজা ভাষা-সাহিত্য-সংস্কৃতি বিকাশৰ বাবে চেষ্টা চলাই আহিছে। প্ৰতিটো সম্প্ৰদায়ৰ নিজা নিজা ৰীতি-নীতি, কলা-কৃষ্টি থাকে বাবে একে সম্প্ৰদায়ৰ লোকসকলে একেলগে সমাজ পাতি থাকিব বিচাৰে।

এই প্ৰৱন্ধটিত ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু প্ৰকাশিত পুথিৰ সহায়ত বৃহৎ ৰাজগড় অঞ্চলত বসবাস কৰা ভাষিক জনগোষ্ঠীসমূহৰ ভাষা-কৃষ্টি বিকাশ সম্পৰ্কে সংক্ষিপ্ত পৰিচয় এটি দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল।

**বড়োসকলৰ ভাষা-কৃষ্টি ঃ**

নৃগোষ্ঠীয় বিভাজন অনুসৰি বড়োসকল মঙ্গোলীয় গোষ্ঠীৰ অন্তৰ্গত। আৰ্যসকল অসমলৈ অহাৰ বহুবছৰৰ পূৰ্বেই বড়োসকল অসমলৈ আহিছিল। প্ৰায় ১৯৪২-৪৭ চন মানতে বড়োসকল ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ নগাঁও, মৰিগাঁও, উত্তৰ পাৰৰ ধুবুৰী, নলবাৰী, বৰপেটা, গোৱালপাৰাৰ পৰা আহি বৃহৎ ৰাজগড় অঞ্চলত বসতিস্থাপন কৰিছিল। ৰেভিনিউ গাঁও হিচাপে চিহ্নিত কৰিব নোৱাৰিলেও বিষ্ণুপুৰ, ধৰ্মপুৰ, জুতুলীবাৰী, ৰাজগড়, লেতেকুজান, কোক্‌ছাবাৰী, ধৰমগড়, দলপাবাৰী, গোবিন্দপুৰত বড়োসকলে সমাজ পাতি বসবাস কৰি আছে। তেওঁলোকৰ মাজত দৈমাৰী, গমাৰী, বসুমতাৰী, মুছাহাৰী, হাজোৱাৰী, ইছলাৰী, স্বৰ্গীয়াৰী আদি ফৈদ আছে।

বড়ো এটা মান্য ভাষা হ'লেও অসমত এই মান্যতা পাবলৈ ১৯৭২-৭৫ চনলৈকে আন্দোলন কৰিবলগীয়া হৈছিল। ১৯৭৬ চনত বড়ো ভাষাই ৰাজ্যিক মৰ্যাদা লাভ কৰে। বড়ো ভাষা অধ্যয়নৰ বাবে বড়ো মাধ্যমৰ ২খন মাধ্যমিক, ১খন উচ্চ মাধ্যমিক আৰু ১খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে। এই অঞ্চলত বড়ো সাহিত্য সভাৰ আঞ্চলিক শাখা আছে।

বড়োসকল হিন্দুধৰ্মী। তেওঁলোকৰ দুটা পন্থা আছে— বাথৌ আৰু সনাতনী। তেওঁলোকৰ কিছুলোকে মহামতি সেৱাশ্ৰম পন্থী আৰু কিছু সংখ্যক খৃষ্টান ধৰ্মাৱলম্বী। বড়োসকল প্ৰধানতঃ শিৱৰ উপাসক। তেওঁলোকে বিহু, গাজা পূজা আদি পালন কৰে। উৎসৱ পাৰ্বণৰ লগত সংগতি ৰাখি বৈছাগু নৃত্য পৰিৱেশন কৰে।

**তাই আহোমসকলৰ ভাষা-সংস্কৃতি ঃ**

১২২৮ খৃঃত চাওলুং চ্যুকাফাৰ নেতৃত্বত উত্তৰ ব্ৰহ্ম দেশৰ শ্যান ৰাজ্যৰ মুংৰিমুংৰাম প্ৰদেশৰ পৰা পাটকাই পৰ্বত পাৰ হৈ সৌমাৰ (অসম) লৈ সোমাই অহা সকলেই তাই আহোম। তাইসকলৰ অসমত আদিস্থান ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে যদিও কৃষি-বাণিজ্যৰ সুবিধাৰ্থে ভিন্ন সময়ত লক্ষীমপুৰ জিলাৰ বৃহৎ ৰাজগড় অঞ্চললৈ তেওঁলোকৰ একাংশ আহি বসতি স্থাপন কৰে। এসময়ত এই অঞ্চলত আহোমসকলৰ শাসন চলিছিল, ইয়াৰ সাক্ষ্য ৰাজগড়, ধেমাগড়, ৰঙতিপুখুৰী, মাঘনোৱা দৌল। প্ৰায় ১৯০০ চন মানতে যোৰহাট, গোলাঘাট আৰু শিৱসাগৰ জিলাৰ পৰা বৃহৎ ৰাজগড় অঞ্চললৈ অহা লোকসকলে তেওঁলোকে বসবাস কৰা পূৰ্বৰ গাঁওসমূহৰ নামেৰে নামাংকৃত কৰি এই অঞ্চলতো সমাজ পাতেহি। সেই গাঁওসমূহৰ ভিতৰত শিমলুগুৰি, যোৰহটীয়া, বাতিপৰীয়া, চোমনি, বহুপথাৰ, দা-ধৰা, ৰংপুৰীয়াই প্ৰধান। তাই আহোম সমাজখন ১৯৭২ চনৰ আগলৈকে বিশেষ নামকৰণ নকৰাকৈ পুৰণি ৰীতি-নীতিৰে ধৰ্মীয় নীতি পৰম্পৰা চলি আছিল। ১৯৭৩ চনত তাই পণ্ডিত প্ৰয়াত ডম্বৰুধৰ দেওধাই ফুকন, নবীন বৰগোহাঁই, জোনাৰাম চাংবুনফুকনৰ নেতৃত্বত সৰ্বসন্মতিক্ৰমে 'ফুৰালুং সংঘ ধৰ্ম' নামেৰে আহোমসকলৰ পালনীয় ধৰ্মীয় ৰীতি-নীতিসমূহক সংক্ষেপে নামাংকৃত কৰা হয়। বৰ্তমান বৃহত্তৰ ৰাজগড় অঞ্চলত বসবাস কৰা তাই গোষ্ঠী লোকসকলৰ বুজন অংশই হিন্দু ধৰ্ম আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ আওতালৈ যোৱাত 'ফুৰালুং সংঘ ধৰ্ম'ৰ প্ৰাধান্যতা কমিছে।

তাই এটা আন্তঃৰাষ্ট্ৰীয় ভাষা। বিশ্বৰ বৃহৎ ভাষাগোষ্ঠী তিৰ্বত-চীনীয় ভাষা গোষ্ঠীৰ প্ৰধান শাখা থাই-চীনীয় শাখাৰ অন্তৰ্গত। বৃহৎ ৰাজগড় অঞ্চলত তাই একাডেমি আৰু জুতুলীবাৰীত এৰাধৰাকৈ তাই ভাষাৰ শিক্ষা দান কৰি অহা হৈছে। ১৯৯১ চনত শিমলুগুৰিত ৰাজগড় আঞ্চলিক তাই কৃষ্টি সংস্কৃতি বিকাশ কেন্দ্ৰ স্থাপন কৰি প্ৰতি বছৰে এবাৰকৈ তাই ভাষাৰ প্ৰশিক্ষণ, কলা-কৃষ্টি বিকাশৰ প্ৰচেষ্টা চলাই আহিছে। নাৰায়ণপুৰ শিক্ষা চক্ৰৰ অধীনত এই অঞ্চলৰ বহুকেইখন প্ৰাথমিক বিদ্যালয়ত তাই ভাষা শিকোৱা শিক্ষক নিযুক্তি দিছিল যদিও বিদ্যালয়সমূহত তাই ভাষাৰ পাঠদান চলি আছে বুলি একেষাৰতে ক'ব নোৱাৰি। তাই আহোমসকলে লোকবাদ্য ঢোল, তাত, পেঁপা, গগনা, বাঁহী, বীন আদি সংযত কৰি লোকসাজ পৰিধান কৰি পয়ছাঙকেঞ গীত (বহাগ বিহুৰ গীত), মাইক'চুমফাইৰ গীত (মাঘ বিহুৰ গীত), পয়কাফিঙৰ গীত (কাতি বিহুৰ গীত), পূজা পাৰ্বনৰ লগত জড়িত ফুৰা নামৰ গীত-নৃত্য পৰিৱেশন কৰে।

**নেপালীসকলৰ ভাষা-কৃষ্টি ঃ**

নেপালীসকলৰ আদি বাসস্থান নেপাল। নেপালীসকলে বৃহৎ ৰাজগড় এলেকাৰ হাবি ভাঙি ফুলনীবাৰী পতা লোক। ১৯৪০ চনত নেপালী লোকসকলে পিছলা নদীৰ পাৰত এচলীয়া চালিৰে ঘৰ নিৰ্মাণ কৰি বসবাস কৰিছিল। পৰিশ্ৰমী নেপালীসকলে কুঁহিয়াৰ খেতি আৰু পশুপালনৰ প্ৰতি বেছি আগ্ৰহী আছিল। সেই সময়ত হাবি জংঘলেৰে ভৰা পৰিৱেশত বন্য জীৱ-জন্তুৰ পৰা ৰক্ষা পাবৰ বাবে তেওঁলোকে ঠায়ে ঠায়ে চাংঘৰ সাজি বসবাস কৰিছিল। প্ৰাপ্ত তথ্যমতে এই অঞ্চললৈ প্ৰথমতে অহা ব্যক্তিজন হ'ল প্ৰয়াত ভক্তবাহাদুৰ ঘিমিৰে। তেওঁলোকে পলসুৱা মাটিৰ সন্ধানত পিছলানদীৰ পাৰৰ পৰা আগুৱাই আহি শিমলুগুৰি কেন্দ্ৰস্থলৰ উত্তৰ-পশ্চিম দিশত বসবাস কৰে। বৰ্তমান ৰাজগড় আৰু শিমলুগুৰি গাঁও পঞ্চায়তত তেওঁলোকৰ বসতি থকা গাঁওবোৰ হ'ল ক্ৰমে— ১নং শিমলুগুৰি, ২নং শিমলুগুৰি, ৩নং শিমলুগুৰি, বিক্ৰমপুৰ, কোক্‌ছাবাৰী, লেতেকুজান, নজপুৰ, ৰাজগড়, ৰামপুৰ, জুটুলীবাৰী, চুণজুলি। ভিন ভিন সময়ত তেওঁলোকে নেপাল, অসমৰ ডিব্ৰুগড়, মাজুলী, শিৱসাগৰ, বঙালমৰা, বিহালী, বগীনদী, জামুগুৰিৰ পৰা আহি এই অঞ্চলত বসবাস কৰিছে।

নেপালী ভাষা এটা মান্য ভাষা। বিশ্ববিদ্যালয় পৰ্যায়লৈকে এই ভাষা অধ্যয়নৰ সুবিধা আছে যদিও ৰাজগড় অঞ্চলত আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ কোনো প্ৰতিষ্ঠান নাই। অৱশ্যে নেপালী ভাষা-সাহিত্য চৰ্চাৰ দিশত তেওঁলোক পিছপৰা নহয়। ১৯৬৯ চনত বিশ্বনাথ জিলাৰ বুৰৈ নদীৰ পৰা লক্ষীমপুৰ জিলাৰ ডিক্ৰং নদী পৰ্যন্ত এলেকা সামৰি প্ৰয়াত ৰত্নবাহাদুৰ অধিকাৰীৰ সভাপতিত্বত 'ভানু সাহিত্য পৰিষদ' গঠন হৈছিল। ১৯৭২ চনত এই অঞ্চলৰ পৰা প্ৰথম নেপালী ভাষাৰ আলোচনী 'সহাৰ' প্ৰকাশ পাইছিল। আলোচনীখনৰ সম্পাদক আছিল প্ৰয়াত ছবিলাল শাস্ত্ৰী। ১৯৮৯ চনত প্ৰয়াত ছবিলাল শাস্ত্ৰীৰ সভাপতি আৰু ডম্বৰ প্ৰসাদ ৰিজালৰ সম্পাদনাত নেপালী ভাষিক জনগোষ্ঠীৰ আঞ্চলিক সংগঠন গঠন হৈছিল। ২০১৯ চনত শিমলুগুৰিত নেপালী সাহিত্য সংগঠন কৰা হয়। নেপালী সম্প্ৰদায়ৰ লোকসকল হিন্দু ধৰ্মী। তেওঁলোকে দেৱালী, ৰাস, নৱমী, দুৰ্গাপূজা, লক্ষ্মীপূজা, তিহাৰ উৎসৱ আদি পালন কৰে। এই উৎসৱসমূহৰ লগত সংগতি ৰাখি জাতীয় সাজপাৰ পৰিধান কৰি তেওঁলোকে দেউচি, ভেইলী, মাৰুনী, সংগিনী, টামাংচেল আদি পৰিৱেশন কৰে। আঞ্চলিক পৰ্যায়ত প্ৰতিষ্ঠা কৰা 'ভানুজ্যোতি নাট্য সমাজ' আৰু

'ভানুজ্যোতি কৃষ্টি বিকাশ সমিতি'য়ে নেপালী ভাষা-সাহিত্য-কৃষ্টি বিকাশৰ চেষ্টা অব্যাহত ৰাখিছে।

**মিচিংসকলৰ ভাষা-কৃষ্টি ঃ**

মিচিংসকল মঙ্গোলীয় গোষ্ঠীৰ লোক। তেওঁলোকৰ পৰ্বতীয়া আৰু ভৈয়মীয়া দুটা ফৈদ আছে। অসমত বসবাস কৰা লোকসকল ভৈয়াম জনজাতিৰ অন্তৰ্গত। অসমত বসবাস কৰা জনজাতিসকলৰ ভিতৰত জনসংখ্যাৰ ভিত্তিত বড়োসকলৰ পাছতেই মিচিং সকলৰ স্থান। অসমৰ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে মিচিংসকলৰ বসতি আছে। লক্ষীমপুৰ, ধেমাজী, তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, শোণিতপুৰ, বিশ্বনাথ জিলাত তেওঁলোকৰ বসতি ঘন। বৃহত্তৰ ৰাজগড় অঞ্চলৰ ১নং চেঁচা মিচিং গাঁও, ২নং চেঁচা মিচিং গাঁও, ফুটাভোগ, ৰঙাজান অঞ্চলত সমাজ পাতি বসবাস কৰি আছে। তেওঁলোক প্ৰধানতঃ আৰিমৰা, গোহাঁইপুখুৰী, বিশ্বনাথ জিলাৰ গহপুৰ অঞ্চলৰ পৰা আহি এই অঞ্চলত বসতি স্থাপন কৰে। নৈপৰীয়া মিচিংসকলে হাবি জংঘলত পৰ্যাপ্ত পৰিমাণে শাক, বনৌষধি, ফলমূল পোৱা বাবে ঘৰত বাৰী এখন পতাৰ প্ৰয়োজন বোধ কৰা নাছিল। মিচিংসকল হিন্দু ধৰ্মাৱলম্বী। লোকবিশ্বাস মতে 'দঞিও' (সূৰ্য) আৰু প'ল' (চন্দ্ৰ) তেওঁলোকৰ ক্ৰমে মাতৃ আৰু পিতৃ দেৱতা। মিচিংসকলে ফাগুন-চ'ত মাহত শস্যৰ গুটি সিঁচাৰ কাম আৰম্ভ কৰি পাঁচদিন 'আলি-আয়ে-ল্যগাং' শস্য চপোৱাৰ পাছত তিনিদিন ধৰি 'পঃৰাগ' উৎসৱ আৰু তিনিটা বিহুত লোকবাদ্য দুম দুম (ঢোল), পেম্পা (পেঁপা), লুঃপিঃ (তাল), দেন্দুন (টোকাৰী), পুলি (বাঁহী), গুংগাং (গগণা) আদি ব্যৱহাৰ কৰি লোক সাজ পুৰুষে গালুক, তাপুম গাচৰ, দুমীৰ (গামোচা), গণৰ উগণ (চুৰীয়া), চোলামণি আৰু মহিলাসকলে তাপুম এগে গাচৰ (মেখেলা), পৌৰে, ৰি-বি কেগৰাগ, মৌৰপুং, গাচেং পিন্ধি গীত নৃত্য পৰিৱেশন কৰে। মিচিংসকলৰ নিজা ভাষা আছে। মিচিং ভাষাটো টাই চীনীয় ভাষা গোষ্ঠীৰ মঙ্গোলীয় ভাষাৰ ঠাল। ১৯৮৫ চনত মিচিং ভাষাই অসম চৰকাৰৰ পৰা স্বীকৃতি লাভ কৰে। শিমলুগুৰিত ১খন মিচিং ভাষা শিকোৱা চৰকাৰী প্ৰাথমিক বিদ্যালয় আছে। মিচিংসকল স্বভাৱতে সহজ সৰল আৰু নিজৰ ভাষা কৃষ্টিৰ দিশত সদা সচেতন।

**আদিবাসীসকলৰ ভাষা-কৃষ্টি ঃ**

১৯০৩ চনত বৃটিছসকলে অসমৰ যোৰহাট, শিৱসাগৰ, গোলাঘাট জিলাত চাহ বাগানত কাম কৰিবৰ বাবে দালাল লগাই গিৰমিটিয়া বনুৱা হিচাপে পশ্চিমবংগ, বিহাৰ, চোটনাগপুৰ, উৰিষ্যা, মধ্যভাৰতৰ বিভিন্ন ঠাইৰ পৰা আনে। এই বনুৱাসকলৰ প্ৰায় ৭০% লোক অসমতে থাকি যায়। তেওঁলোকৰ মাজত বহুতো গোট আছে। যেনে চাঁওতাল, চাউৰা, খদাল, খেৰিয়া ওৰাং, উৰিয়া ওৰাং, কোল, কালিন্দী, কুৰ্মী ইত্যাদি। তেওঁলোকে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ বাগানসমূহৰ পৰা উত্তৰ পাৰৰ লক্ষীমপুৰ জিলাৰ অন্য ঠাইৰ লগতে বৃহত্তৰ ৰাজগড় অঞ্চললৈও আহি স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। ১৯২৪ চনত প্ৰয়াত মেৰেকাই দিহিঙ্গীয়াৰ তত্বাৱধানত যোৰহাটৰ নকছাৰী ৰাজৈবাগানৰ পৰা আহি ৰঙতি অঞ্চলৰ গোসাঁনীপুখুৰীৰ পাৰ প্ৰয়াত চিকৰা কোঁৱৰৰ গৃহত কেইজনমান আদিবাসী খ্ৰীষ্টানধৰ্মী লোকে আশ্ৰয় লয়। পাছত তেওঁলোকে শিমলুগুৰি, খ্ৰীষ্টিয়ান গাঁৱলৈ আহি ১৯২৯ চনত ধলপুৰ ব্যপ্তিষ্ট গীৰ্জা নিৰ্মাণ কৰি এই অঞ্চলতে গাঁও পাতি বসবাস কৰে। সেই সময়ত এই অঞ্চলত চাহ বাগান নাছিল যদিও তেওঁলোক কৃষি কৰ্মৰ লগত জড়িত হৈ পৰে। ১৯৯৪ চনতে নগাঁৱৰ পৰা অহা প্ৰয়াত মোহন ৰাভা আৰু তেওঁৰ পৰিয়ালবৰ্গই উত্তৰ লক্ষীমপুৰত কিছু বছৰ থকাৰ পিছত শিমলুগুৰিলৈ

আহি ইয়াতে স্থায়ীভাৱে থাকিবলৈ লয়। বৰ্তমান আদিবাসীসকলে বৃহৎ ৰাজগড় অঞ্চলৰ শিমলুগুৰি আৰু ৰাজগড় পঞ্চায়ত এলেকাৰ চুণজুলি, ৰাজগড়, নজপুৰ, লেতেকুজান, ৩ নং শিমলুগুৰি, কঁঠালগুৰি, শিলিখাগুৰি অঞ্চলত গাঁও পাতি বসবাস কৰি আছে।

আদিবাসীসকল ধৰ্মৰ ভিত্তিত দুটা শ্ৰেণীত বিভক্ত— হিন্দু আৰু খ্ৰীষ্টান। হিন্দু ধৰ্মাৱলম্বীসকলে চৰক পূজা, মনসা পূজা, কৰম পূজা, দুৰ্গাপূজা, দেৱালী, বিহু আদি পালন কৰে। খ্ৰীষ্টানসকলে প্ৰতি দেওবাৰে গীৰ্জাত প্ৰাৰ্থনা সভা অনুষ্ঠিত কৰে, গুড্ ফ্ৰাইডে, বৰদিন আদি পালন কৰে। আদিবাসীসকলে তেওঁলোকৰ উৎসৱ পাৰ্বনত লোকবাদ্য নাগাৰা, ঢোল, মাদল, বাঁহী, টুডুম, দাবকা আদি বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি ধৰ্মীয় গীত-নৃত্য, ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰে। ২০২৫ বৰ্ষৰ ২৪ ফেব্ৰুৱাৰীত শিলচৰৰ বংগভৱনত আয়োজিত 'ঝুমইৰ বিনন্দিনী'য়ে ঝুমুৰ নৃত্যক বিশ্ব দৰবাৰলৈ লৈ গৈছে। আদিবাসী সমাজত চাওতালী ভাষা প্ৰচলিত হৈ আছে যদিও অসমীয়া ভাষাক মাতৃভাষা হিচাপে মান্যতা দিয়ে।

**অসমীয়া ভাষী লোকৰ কৃষ্টি-সংস্কৃতি ঃ**

বৃহত্তৰ ৰাজগড় অঞ্চলত বসবাস কৰা গৰিষ্ঠ সংখ্যক লোকেই অসমীয়া ভাষী। তেওঁলোকে অসমীয়া ভাষাক মাতৃভাষা হিচাপে গ্ৰহণ কৰি অসমীয়া ভাষা সাহিত্য বিকাশৰ বাবে চেষ্টা কৰি আহিছে। তিনিওখন গাঁও পঞ্চায়ত এলেকা সামৰি গঠন কৰা অসম সাহিত্য সভাৰ শাখা শিমলুগুৰি শাখা সাহিত্য সভাত তেওঁলোকৰ সহযোগিতা প্ৰশংসনীয়। অসমীয়াভাষী জনগোষ্ঠীসমূহৰ কোচ, কেওট, কলিতা, মটক, চুতীয়া, সুত, মৰাণ, আহোম, ব্ৰাহ্মণ, গণকেই প্ৰধান। অসমীয়া সংস্কৃতি বাৰেৰহণীয়া উপাদানেৰে সমৃদ্ধ। বৃহৎ ৰাজগড় অঞ্চলত গঢ়ি উঠা সংস্কৃতি ইয়াৰ ব্যতিক্ৰম নহয়। অসমীয়াভাষী একে সম্প্ৰদায়ৰ লোকসকলে একেলগে গাঁও পাতি বসবাস কৰাত অগ্ৰাধিকাৰ দিয়া দেখা যায় যদিও সামগ্ৰিকভাৱে চালে এই বৃহৎ অঞ্চলৰ প্ৰায় সকলো ঠাইতে কম বেছি পৰিমাণে অসমীয়াভাষী থলুৱা লোকৰ অৱস্থিতি পোৱা যায়। এই অঞ্চলৰ সকলো সম্প্ৰদায়ৰ লোকে বিহুক আদৰি লোৱা দেখা যায়। শিমলুগুৰিৰ ড° ভূপেন হাজৰিকা সংগীত মহাবিদ্যালয়, জ্যোতিবিষ্ণু সংগীত মহাবিদ্যালয়, ৰঙতি, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বিহপুৰীয়া-নাৰায়ণপুৰ জিলাৰ শিমলুগুৰি আঞ্চলিক শাখা আদিৰ যোগেদি স্থানীয় উঠি অহা প্ৰজন্মই শঙ্কৰী আৰু আন আন কলা-কৃষ্টি আয়ত্ত্ব কৰাৰ সুবিধা লাভ কৰি আহিছে।

**বঙলা আৰু হিন্দীভাষী লোকৰ ভাষা-কৃষ্টি ঃ**

অসমৰ বাহিৰৰ পৰা বিশেষকৈ বেপাৰ বাণিজ্যৰ সুবিধাৰ্থে বৃহৎ ৰাজগড় অঞ্চললৈ বহুকেইটা পৰিয়াল আহি স্থায়ী বাসিন্দা হৈ পৰে। উত্তৰ প্ৰদেশৰ বলিয়া জিলাৰ পৰা প্ৰায় ১০০ বছৰৰ পূৰ্বে প্ৰয়াত শিৱ ৰতন প্ৰসাদ আৰু সত্যনাৰায়ণ প্ৰসাদ ধলপুৰ মৌজাৰ এই অঞ্চললৈ আহে। বৰ্তমান তেওঁলোকৰ পৰিয়ালবৰ্গ আঠানীবাৰী, ১ নং ধেমাগড়, বালিপথাৰ, ৰাজগড়, শিমলুগুৰি আৰু ৰঙতি চাৰিআলিত সিঁচৰিত হৈ আছে। তাৰ প্ৰায় সমসাময়িক ভাৱে উত্তৰ প্ৰদেশৰ পৰা প্ৰয়াত বজুমালা প্ৰসাদ বাণিজ্য সূত্ৰে এই অঞ্চললৈ আহে। পশ্চিমবংগৰ নিবাসী প্ৰয়াত বিপদ ভঞ্জন মল্লিকে ১৯৩৯ চনত বিশ্বনাথ জিলাৰ কলাবাৰীত আছিল। ১৯৫০ চনত তেওঁলোকৰ পৰিয়ালবৰ্গ শিমলুগুৰিলৈ উঠি আহি বৰ্তমান শিমলুগুৰিৰ স্থায়ী বাসিন্দা হৈ পৰে। ১৯৬৫ চনত প্ৰয়াত

সত্যনাৰায়ণ আগৰৱালা আৰু প্ৰয়াত ইন্দ্ৰচন আগৰৱালাই ৰাজস্থানৰ গংগানগৰৰ পৰা শিমলুগুৰিলৈ আহে। বৰ্তমান তেওঁলোকৰ পৰিয়াল শিমলুগুৰিৰ স্থায়ী বাসিন্দা। পশ্চিমবংগৰ কলিকতাৰ পৰা প্ৰয়াত সুৰেশ দেৱনাথ আৰু প্ৰয়াত মঞ্জু দেৱনাথে প্ৰথমে নগাঁৱৰ হোজাইত কিছু দিন থকাৰ পাছত ১৯৭০ চনত শিমলুগুৰিলৈ সপৰিয়ালে আহি বৰ্তমান শিমলুগুৰি মাজকেন্দ্ৰৰ স্থায়ী বাসিন্দা হৈ পৰে। পশ্চিমবঙ্গৰ বলপুৰৰ পৰা প্ৰায় ১৯৬৮ চনতে বনপুৰৈ জামুগুৰিলৈ ব্যৱসায় সূত্ৰে আহে। প্ৰয়াত উমেশ শীল আৰু তেওঁৰ তিনিপুত্ৰ ক্ৰমে প্ৰয়াত চিত্তৰঞ্জন শীল, নিৰঞ্জন শীল আৰু মনোৰঞ্জন শীল। তাত ৭ বছৰ থকাৰ পাছত তেওঁলোকে শিমলুগুৰিলৈ গুচি আহে। বিহাৰৰ চাপৰা জিলাৰ পৰা ১৯৭২ চনতে শিমলুগুৰিলৈ আহে মতিলাল যাদৱ। বৰ্তমান তেওঁৰ পৰিয়ালবৰ্গ শিমলুগুৰিৰ স্থায়ী বাসিন্দা। ইয়াৰ উপৰিও সীমিত সংখ্যক লোকে চুলি কটা, কাপোৰ ধোৱা, চামৰাৰ ঢোল-খোল নিৰ্মাণ কৰা কৰ্মত ভালেকেইটা পৰিয়াল অসমৰ বাহিৰৰ পৰা আহি এই অঞ্চলত নিজৰ নিজৰ বৃত্তি নিয়োজিত হৈ আছে। অসমৰ বাহিৰৰ পৰা অহা লোকসকলে লগত লৈ অহা ভাষা ভোজপুৰী, হিন্দী, বঙলা আদিৰ লগতে নিজা নিজা কৃষ্টি-সংস্কৃতিৰ সৈতে স্থানীয় ভাষা-সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে। এওঁলোকে সমাজত কথিত আৰু লিখিত ভাষা হিচাপে অসমীয়া ভাষা ব্যৱহাৰ কৰে। তেওঁলোক হিন্দু ধৰ্মী হোৱা বাবে দেৱালী, চট্ পূজা, মকৰ সংক্ৰান্তি আদি পালন কৰে আৰু নিজা লোকসাজ আৰু লোকবাদ্য ব্যৱহাৰ কৰি নিজা কৃষ্টি সংস্কৃতি বৰ্তাই ৰাখিছে।

**সামৰণি ঃ**

বহু গুণ গৰিমাৰে গৰিমামণ্ডিত বৃহত্তৰ ৰাজগড় অঞ্চলৰ ইতিহাসৰ গুণানুকীৰ্ত্তন কৰি শেষ কৰিব পৰা আমাৰ বাবে সম্ভৱ নহয়। ভাষা-সাহিত্য-সংস্কৃতিয়ে সমাজৰ সামূহিক সামাজিক বান্ধোন শক্তিশালী কৰে। সেয়েহে সাৰ্বজনীন অসমীয়া ভাষা সাহিত্যৰ চৰ্চা আৰু বিকাশত সকলো সম্প্ৰদায়ৰ সামূহিক প্ৰচেষ্টা প্ৰয়োজন। ব্যক্তিগত সামাজিক ৰীতি-নীতি, ভাষা-কৃষ্টিক অৱহেলা নকৰাকৈ ৰাজনৈতিক মতাদৰ্শক আওকাণ কৰি পৰস্পৰে ভাতৃত্বসূলভ মনোভাৱেৰে এটা সম্প্ৰদায়ে আনটো সম্প্ৰদায়ক সন্মান জনাই সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানবোৰ চলাই নিলে এই অঞ্চলৰ সু-নামত যে সোণত সুৱগা চৰিব ই নিশ্চিত। এই অঞ্চলৰ অভিভাৱকসকলে নিজৰ সতি সন্ততিসকলক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি সুনাগৰিক হিচাপে গঢ়ি তুলি বৃহত্তৰ ৰাজগড় অঞ্চলৰ ইতিহাসক জগত সভালৈ লৈ যাওক এয়ে আমাৰ কাম্য।

❐❐❐

# বিশ্ববৰেণ্য শিল্পী অসমৰ হিয়াৰ আমঠু হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গ

**নিৰুপমা বৰা**

"আকাশে গাতে ল'বৰে মন
সাগৰ তলিত শুবৰে মন
মনৰ চিলা উৰুৱাই জীৱনে..."

সূৰ্যকণ্ঠ, শ্ৰেষ্ঠ অসমীয়াৰ বঁটা প্ৰাপক ৪০টা ভাষাত ৩৮ হাজাৰ গীত গোৱা মহান শিল্পীৰ মহাপ্ৰয়াণত তেওঁৰ নশ্বৰ দেহৰ অন্তিম যাত্ৰাত প্ৰায় ডেৰকৌটি জনতাই ভাগ লোৱা পৃথিৱীৰ চতুৰ্থজন জনপ্ৰিয় শিল্পী অসমৰ হিয়াৰ আমঠু হাৰ্টথ্ৰ'ৰ জনতাৰ শিল্পী জুবিন গাৰ্গ।

তেওঁ একেধাৰে গীতিকাৰ, সুৰকাৰ, কবি, কাহিনীকাৰ, চলচিত্ৰ নিৰ্মাতা, প্ৰযোজক, পৰিচালক, বলিষ্ঠ অভিনেতা, সংগীত পৰিচালক, সমাজ সংস্কাৰক, আৰ্তজনৰ ভগৱান, মানুহক ভালপোৱা, জীৱ-জন্তুক ভালপোৱা, প্ৰকৃতি প্ৰেমী, সাগৰ ভালপোৱা, বৰষুণ ভাল পোৱা, বাঘ, সিংহ, কুকুৰ, অজগৰ, বান্দৰ, চৰাই আদিক বুকুৰ উম দিয়া, গছ বগাই ভাল পোৱা, সুন্দৰৰ সাধক, এজন সৰল-সহজ আত্মবিশ্বাসী, নিৰহংকাৰী, সাহসী, আদৰ্শৱান, খেয়ালি মনৰ বিশ্ববৰেণ্য ঈশ্বৰ পুত্ৰ জুবিন গাৰ্গ।

জুবিনে কয় "মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই মই মুক্ত, মই কাঞ্চনজংঘা।" জুবিনে তানসেনৰ দৰে ৰাগ মেঘ মহল্লা'ৰ সুৰৰ কণ্ঠ নিগৰাই আকাশৰ পৰা বৰষুণ নমাই আনিছিল। ইচ্ছা কৰিলেই সুৰৰ যাদুৰে ধুমুহা বোৱাই আনিছিল। সেয়ে আজি মহানায়কৰ মহাপ্ৰয়াণত তেওঁক ঈশ্বৰ পুত্ৰ বুলি মানি লৈছে।

মানৱ দৰদী জুবিনে কয় "মানুহক দুখ দি ঈশ্বৰক পূজা কৰি লাভ নাই।" জুবিনে নাহৰ গছ অতি বেছি ভাল পায় কাৰণ নাহৰ গছৰ পাতে বছৰত কেইবাটিও ৰং সলাই। নাহৰ গুটিৰ তেল অতি উপকাৰী—

'নাহৰ পাতত মেঘৰ ছাঁয়াত
নাচক আজি
মন আকাশৰ ডাৱৰৰে ফুল
ফুলক আজি...'

দূৰন্ত সাহসী জুবিন গাৰ্গে জধেমধে গছ নাকাটিবলৈ চৰকাৰৰ বিৰুদ্ধে মুকলিভাৱে মাত মাতিছিল। দুৰ্গাপূজাত বলি বিধান বন্ধ কৰিবলৈ সজোৰে সামাজিকভাৱে বিদ্ৰোহ ঘোষণা কৰিছিল। জুবিনে কয় "মই ৰজাৰ পক্ষত নহয়, মই সদায় ৰাইজৰ পক্ষত।" স্বদেশপ্ৰেমী জুবিনে অসমৰ পৰা বিদেশী বিতাৰণৰ বাবে অসম

চৰকাৰক হুংকাৰ দিছিল। জুবিনে কয় “পথাৰ আমাৰ বজাৰ আমাৰ”।

জুবিনৰ আদৰ্শপুৰুষ বিষ্ণুৰাভা, গোৰেভাৰা আৰু চাৰলি চেপলিন। তেওঁ শিৱক শক্তি হিচাপে ভাল পাইছিল। তেওঁ সোঁ-হাতত চাৰলি চেপলিনৰ টেটো আৰু বাঁওহাতত মহাদেৱৰ টেটো অংকন কৰি লৈছিল।

জুবিনে কয় “মানুহ চৰাইৰ দৰে হ’ব লাগে, গীৰ্জাতো পৰিব পাৰে, মছজিদতো পৰিব পাৰে অথবা নামঘৰতো পৰিব পাৰে।”

জুবিনৰ জন্ম হয় মেঘালয়ৰ তুৰাত ১৯৭২ চনৰ ১৮ নৱেম্বৰত। পিতৃ মোহিনী মোহন বৰঠাকুৰ আৰু মাতৃ ইলি বৰঠাকুৰ। দুগৰাকী ভগ্নী জংকী আৰু পামী। ইলি বৰঠাকুৰ কণ্ঠশিল্পী আছিল। আচৰিত হ’ব লগা কথা যে জুবিনে মাত্ৰ ছয় মাহতে খোজ কাঢ়িছিল। সৰুতে জুবিনক ঘৰত গ’ল্ডী বুলি মাতিছিল। গ’ল্ডীৰ প্ৰাথমিক শিক্ষা তুৰাত আৰম্ভ হয় যদিও পিতৃৰ চৰকাৰী চাকৰী সূত্ৰে সঘনাই বদলি হৈ থকাত বিভিন্ন ঠাইত গ’ল্ডীয়ে অসমীয়া, বাংলা, ইংৰাজী আদি বিভিন্ন ভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণ কৰিছিল। গ’ল্ডীৰ সৰুৰে পৰাই পঢ়া-শুনাতকৈ গান গোৱা, বিভিন্ন বাদ্য-যন্ত্ৰ বজোৱাৰ প্ৰতি আসক্তি আছিল। ছাত্ৰ অৱস্থাৰ পৰাই মঞ্চত গীত গাবলৈ লয়। তেওঁ কয় “যাৰ পৰা একো শিকিবলৈ নাই তেনে ব্যক্তিক ছাৰ বুলি মাতিব নালাগে।” পিছলৈ জুবিন বৰঠাকুৰে জুবিন গাৰ্গ লিখা হ’ল। জুবিন গাৰ্গ ক্ৰমান্বয়ে শিল্পী প্ৰতিভাৰে জনগণৰ বুকুত সোমাই জনতাৰ হিয়াৰ আমঠু হ’ল। হাৰ্টথ্ৰ’ৰ জুবিন। জুবিনে কয় “গানৰ জন্ম হয়, গানৰ শেষ নহয়। তেওঁ ভ্ৰাম্যমান থিয়েটাৰতো বহু গীত গালে—

> “বাটৰে শেষতে বাট চাওঁ তোমালে
> লৈ যোৱাহি আজি তোমাৰ বাটেৰে...”

জুবিনে গীত লিখি সুৰেৰে সজাই। গীত গোৱাৰ সমানেই তেওঁ গ্ৰন্থ অধ্যয়ন কৰিছিল। জুবিনে কয় “মই বিখ্যাত লিখক হাৰাৰী ইউবেলৰ লিখা কিতাপ পঢ়িছোঁ। আপোনালোকেও পঢ়িব। কিতাপ নপঢ়া এটা জাতিক গামোছাৰে জীয়াই ৰাখিব নোৱাৰে।”

জুবিনৰ এটা মহৎ গুণ দেখিলো। মঞ্চত নিজৰ লগত নৱ প্ৰজন্মৰ বহু কণ্ঠশিল্পীক গীত গোৱালে, গীত লিখিবলৈ শিকালে, সুৰ দিবলৈ শিকালে। জুবিনে নৱ প্ৰজন্মৰ বহু গীতিকাৰ, কণ্ঠশিল্পী জনতাৰ মাজলৈ উপহাৰ দি থৈ গ’ল। দুযোৰৰ দুপাত জোতা পিন্ধা, যেতিয়াই মন যাই ঘেণ্টা বুলি কোৱা এইবোৰ এটা ফেচনৰ দৰে আছিল। ঘড়ী আৰু আঙুঠি পিন্ধি ভাল পাইছিল তেওঁ। ইজিপ্তৰ ৰজা টৌটান খালুনৰ মূখাৰ আকৃতিৰ আঙুঠি বনাই পিন্ধিছিল। জুবিনৰ সহধৰ্মিণী গৰিমা গাৰ্গ এগৰাকী ফেচন ডিজাইনাৰ। গৰিমাৰ হাতৰ কাপোৰ পিন্ধি ভাল পাইছিল।

জুবিন ১৯৯৫ চনত প্ৰথম মুম্বাইলৈ যায় আৰু বলিউডত মিউজিক কম্পোজাৰ কৰে আৰু হিন্দী চিনেমাত অনেক গীত গায়। মুম্বাইৰ ফিল্ম ইণ্ডাষ্ট্ৰিৰ কিং ৰঞ্জীত ৰেৰ’ক গুৰু মানি লয়। জুবিনে ইণ্ডিয়া মিউজিক এৱাৰ্ড লাভ কৰে। ৰাষ্ট্ৰপতি প্ৰতিভা দেৱী সিং পাটিলৰ পৰা ZEE Cine Award আৰু Stardust Award লাভ কৰে। ইচ্ছা কৰা হলে উদ্যোগপতি গৌতম আদানী, মুকেশ আম্বানী, ৰতন টাটাৰ দৰে পৃথিৱীৰ ধনী ব্যক্তি হ’ব পাৰিলেহেঁতেন, কিন্তু মাটিৰ মানুহ পুনৰ অসমৰ মাটিলৈ ঘূৰি আহিল।

২০২৫ চনৰ ১৯ ছেপ্তেম্বৰ। চিংগাপুৰৰ সাগৰ আইলেণ্ডত সন্দেহজনক ভাৱে মৃত্যুক আঁকোৱালি ল'ব লগা হ'ল। আকস্মিক ভাৱে জুবিনৰ মৃত্যুৰ খবৰত অসমবাসীয়ে ৰহস্যৰ উমান পালে। চিংগাপুৰত অনুষ্ঠিত নৰ্থ ইষ্ট মহোৎসৱত গীত পৰিৱেশন কৰিবলৈ নিমন্ত্ৰণ দিয়া হৈছিল আৰু জুবিনে অংশগ্ৰহণো কৰে। নিয়তিৰ পৰিহাস। ১৮ ছেপ্তেম্বৰৰ শেষ নিশালৈকে গান গোৱা অসমৰ লুইতকণ্ঠ সিংহ শিল্পী জুবিন গাৰ্গ চিংগাপুৰৰ পৰা ঘূৰি নাহিল, ঘূৰি আহিল তেওঁৰ নিথৰ দেহ। ২১ ছেপ্তেম্বৰ। দুটা নিশা উজাগৰে, আনাহাৰে বাটচাই থকাৰ অন্তত চিংগাপুৰৰ পৰা এয়াৰ ইণ্ডিয়াৰ বিমানেৰে আনি গুৱাহাটীৰ বৰঝাৰ বিমান বন্দৰত নমোৱা হ'ল। জুবিন অনুৰাগীয়ে বিমানখন আগুৰি ধৰিলে। জুবিনৰ পত্নী গৰিমাই অতি সাহস আৰু ধৈৰ্যৰে স্বামীৰ মৃত শৰীৰত গামোছা পিন্ধাই গাল-মুখ আজুৰি দুহাতেৰে উপৰ্জুপৰি চুমা খালে। থানবান হৈ যোৱা হিয়াৰ বিননিৰ অশ্ৰুৰে তিয়াই পেলালে স্বামীৰ বক্ষ। কি কৰুণ দৃশ্য।

"মই মৰিলেও শিৰৰ সেন্দুৰ
কঁপালত থাকিব শুৱাই
নোহোৱা অসহায়, নোহোৱা অসহায়
টোপাটোপে সৰে মনৰ দুচকুত ...।।"

গৃহাভিমুখী জুবিনৰ নশ্বৰ দেহৰ শেষ যাত্ৰাত প্ৰায় ডেৰকৌটি জনতাই ভাগ ল'লে। পৃথিৱীৰ শৱ যাত্ৰাৰ এই বিৰল দৃশ্য অসমে স্বচক্ষুৰে দেখিলে, বিশ্বই প্ৰত্যক্ষ কৰিলে। দেশ বিদেশৰ মানুহে কান্দিলে। শেষ বিদায়ৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা অসমীয়াৰ স্বাভিমান গামোছাই হিমালয় সদৃশ দ'ম বান্ধিলে। খাৰঘুলি ষ্টুডিঅ'ত নশ্বৰ দেহ সংৰক্ষণ কৰি ৰখাৰ পিছত ২৩ ছেপ্তেম্বৰত সোনাপুৰ কৌটি জনতাৰ কান্দোনৰ মাজত প্ৰশাসনে তোপ ধ্বনিৰে চন্দন কাঠৰ অগ্নি শিখাৰে অন্ত্যোষ্টিক্ৰিয়া সম্পন্ন কৰে। মুখাগ্নি কৰে ভগ্নী পামী আৰু তোলনীয়া ভাতৃ অৰুণ গাৰ্গে।

"মই নথকাৰ অনুভৱ যিদিনা হ'ব তোমাৰ
সিদিনা অশ্ৰু নিগৰিবনে কোৱা
মোৰ কবিতাৰ ছন্দ, গানৰ সুৰ
বুজিবা তুমি সেই দিনা...."

ঈশ্বৰ পুত্ৰৰ আদ্যশ্ৰাদ্ধ গুৱাহাটীকে ধৰি অসমৰ চহৰ নগৰ, গাঁৱৰ চুকে-কোণে পতা হ'ল। স্তব্ধ অসম। যেন প্ৰতি ঘৰে ঘৰে আত্মীয়ৰ বিয়োগ ঘটিছে। আত্মাৰ সদ্গতিৰ বাবে পদূলিয়ে পদূলিয়ে বন্তি জ্বলোৱা হ'ল। এনে বিৰল ঘটনা মানুহে কেতিয়াও দেখা নাছিল, শুনা নাছিল। ইয়াৰ আগতে মানুহ মৰিলে কোনো কালে সৰ্বধৰ্ম প্ৰাৰ্থনা সভা হোৱা নাছিল, শ্মশান কেতিয়াও মন্দিৰ হোৱা নাছিল, শ্মশানত আহি সকলো ধৰ্মৰ মানুহে ধূপ-দ্বীপ দিয়া নাছিল, নাম কীৰ্ত্তন কৰা নাছিল। তীৰ্থক্ষেত্ৰলৈ অহাৰ দৰে হাজাৰ হাজাৰৈ মানুহ শ্মশানলৈ অহা নাছিল। সোনাপুৰ এতিয়া কেৱল জুবিন ক্ষেত্ৰ। মৃত্যুৰ পিছতো জুবিনে বিশ্ব অভিলেখ গঢ়িলে। তেওঁৰ হাত-ভৰিৰ চাপ লোৱা হ'ল।

জুবিনৰ মৃত্যুৰ পিছত Youtube Channel য়ে World Harmming King বঁটা মৰণোত্তৰ ভাৱে প্ৰদান

কৰে। জুবিন মৃত্যু হোৱা সাগৰ আইলেণ্ড 'জুবিন আইলেণ্ড' নামকৰণেৰে জুবিনৰ স্মৃতিত চিংগাপুৰ চৰকাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইণ্ডিয়ান এয়াৰ ফ'ৰ্চে জুবিনৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনাই গুৱাহাটীৰ 'লাচিত ঘাট'ত ব্ৰহ্মপুত্ৰ নদীৰ আকাশ ক্ষেত্ৰত ভাৰতীয় বিমান উৰুৱাই এক অনন্য মাত্ৰা প্ৰদান কৰে। সেনা জোৱানসকলে পেৰেডত অগণন জনতাৰ সন্মুখত মায়াবিনী গীত পৰিৱেশন কৰে। জুবিনে সঘনাই কৈ থকা শব্দ 'ঘেণ্টা' অসমীয়া সংবিধানৰ এইবাৰৰ দ্বিতীয় সংস্কৰণত অভিধানত অন্তৰ্ভুক্ত কৰা হ'ব বুলি প্ৰকাশ কৰে অভিধান প্ৰণেতা ড° দেৱব্ৰত শৰ্মাই। তেওঁ কয় ঘেণ্টা শব্দৰ অৰ্থ হৈছে প্ৰতিষ্ঠিত ধাৰণাক প্ৰত্যাহ্বান জনোৱা অৰ্থাৎ বিদ্ৰোহ প্ৰতিবাদ উলংঘা কৰা আৰু কাকো গুৰুত্ব নিদিয়া।

কটন বিশ্ববিদ্যালয়ে মৰণোত্তৰ ভাৱে জুবিন গাৰ্গক ডি.লিট. ডিগ্ৰী প্ৰদান কৰিছে। মৃত্যুৰ পিছত বহু সন্মানে বিভূষিত হোৱা অসমৰ একমাত্ৰ সুসন্তান জুবিন গাৰ্গ।

জুবিন গাৰ্গৰ সন্দেহজনক মৃত্যুৰ ন্যায় বিচাৰি গৰিমা গাৰ্গৰ অনুৰোধ মৰ্মে অসমকে ধৰি বিশ্বৰ জনগণে কৰা অনলাইন যোগে #justice for jubeen garg লিখি ন্যায়ৰ প্ৰতিবাদ কৰা পৃথিৱীৰ সৰ্ববৃহৎ আন্দোলন #justiceforjubeengarg।

জুবিনৰ কৰ্মই জীৱনৰ আদৰ্শ। তেওঁৰ পৰা আমাৰ নৱ প্ৰজন্মই বহু শিকিব লগা আছে। জুবিনে গানৰ লগতে চিনেমা নিৰ্মাণ কৰাত মনোনিৱেশ কৰে। জুবিনৰ বহু হেঁপাহৰ শেষৰ আধৰুৱা হৈ ৰোৱা 'ৰৈ ৰৈ বিনালে' চিনেমাখন ৩১ অক্টোবৰত শুভ মুক্তি হয় জুবিন আৰু গৰিমাৰ প্ৰযোজনাৰে ৰাজেশ ভূঞাৰ পৰিচালনাৰে।

"ৰৈ ৰৈ বিনালে নিশায়ে বিনালে
ৰাতিপুৱাব কেতিয়া
ডাৱৰে ডাৱৰে আন্ধাৰে সিপালে
জেউতীও নাইকীয়া হ'ল...."

চিনেমাখনে বিশ্ব অভিলেখ গঢ়িলে। ধলপুৱা ৪.২৫ মিনিটৰ পৰা গুৱাহাটীকে ধৰি অসমৰ সকলো ছবিগৃহত চিনেমাৰ প্ৰথম দৰ্শনী আৰম্ভ হয়। দেশ বিদেশতো ৰৈ ৰৈ বিনালে চলিল। প্ৰথম ১২ দিনত ১৭ কোটি ৯৫ লাখ টকা ছবিগৃহত সংগ্ৰহ হয়। এয়াও বিশ্ব অভিলেখ।

জুবিনৰ মৃত্যুত সংগীত জগতৰ এটা যুগৰ অৱসান ঘটিল। তেওঁ মৰিও অমৰ হৈ থাকিব। প্ৰতিজন অসমীয়াৰ বুকুৰ উশাহ হৈ জীয়াই থাকিব।

তেওঁ হতয়ো জানিছিল জীৱনৰ শেষ দৃশ্যপট। ৰৈ ৰৈ বিনালে ছবিখনৰ সেই দৃশ্যপট বহু আগতেই সজাই ৰাখিছিল। তেওঁ ভগৱানৰ অংশ নহয় বুলি কোনে ক'ব? জুবিনে ন্যায় পাওক। জুবিনৰ মৃত্যুৰ লগত সাঙোৰ খাই থকাসকলৰ উচিত বিচাৰ হওক।

"নাজানো ক'ত তুমি থাকা
নাজানো মই ক'ত থাকো
জানো মাথোঁ আমি থাকো
সপোন ভাজত ...."।

❒❒❒

# নৱকান্ত বৰুৱাৰ 'উভতি নহাৰ কবিতা'ত আধুনিক জীৱনৰ দাৰ্শনিকবোধৰ প্ৰতিফলন

প্ৰবীণ হাজৰিকা

নৰকান্ত বৰুৱা আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী স্বনামধন্য কবি। তেখেতে অসমীয়া কবিতাক আধুনিক চেতনাৰে সমৃদ্ধ কৰি তুলিছে। নৰকান্ত বৰুৱাৰ কবিতাসমূহত আধুনিক মানুহৰ মানসিক অৱস্থা, অস্তিত্ব সংকট, একাকিত্ব, জীৱনৰ ক্ষণস্থায়িত্ব আদি গভীৰ দাৰ্শনিক দৃষ্টিৰে প্ৰকাশ পাইছে। তেখেতৰ কবিতাত পৰম্পৰাগত আধ্যাত্মিক আশাবাদৰ সলনি যুক্তিনিষ্ঠ, বাস্তৱমুখী আৰু মানৱকেন্দ্ৰিক চিন্তাধাৰাৰ প্ৰতিফলন দেখা যায়। 'উভতি নহাৰ কবিতা' নৰকান্ত বৰুৱাৰ তেনে এক গুৰুত্বপূৰ্ণ কবিতা, য'ত আধুনিক জীৱনৰ দাৰ্শনিকবোধ গভীৰভাৱে প্ৰকাশ পাইছে।

'উভতি নহাৰ কবিতা'ত কবিয়ে মানুহৰ জীৱনৰ এক চিৰন্তন বাস্তৱ সত্যক কবিতাৰ ৰূপ দিছে। সেই সত্যটো হৈছে মৃত্যু। মানুহৰ জীৱন এবাৰ পাৰ হ'লে পুনৰ আগৰ দৰে উভতি নাহে। সময় অবিৰামভাৱে আগবাঢ়ি গৈ থাকে, কিন্তু কেতিয়াও পিছলৈ নুঘূৰে। মানুহৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত, প্ৰতিটো অনুভৱ আৰু প্ৰতিটো অভিজ্ঞতা একেবাৰে অনন্য। সেইবোৰ এবাৰ পাৰ হ'লে পুনৰ ঘূৰাই পোৱা নাযায়। কবিতাটোৰ আৰম্ভণিতেই কবিয়ে পৃথিৱীলৈ পুনৰ উভতি নাহো বুলি কৈছে। এই কথা তেখেতৰ কোনো হতাশা নহয়, বৰঞ্চ ই আধুনিক মানুহৰ জীৱনবোধৰ এক গভীৰ দাৰ্শনিক উপলব্ধি।

কবিতাটোত কবিয়ে সময়ৰ অবিৰাম গতিক বিশেষ গুৰুত্ব দিছে। সময় কেতিয়াও থমকি নৰয়; জীৱনো ৰৈ নাথাকে। নতুন দিন আহে, নতুন মানুহ আহে, নতুন প্ৰজন্ম জন্ম লয়। পৃথিৱী সদায় পৰিৱৰ্তনৰ মাজত থাকে। এই পৰিৱৰ্তনৰ সোঁতত পুৰণি মানুহৰ স্থান ক্ৰমান্বয়ে লুপ্ত হয়। কবিয়ে উপলব্ধি কৰে যে এই নতুন দিনবোৰ তেওঁৰ নিজৰ নহয়। এই দিনবোৰ নতুন প্ৰজন্মৰ বাবে। এই উপলব্ধিয়ে কবিৰ মনত কোনো আক্ষেপৰ সৃষ্টি নকৰে; বৰঞ্চ ই আধুনিক মানুহৰ এক স্বাভাৱিক আত্মবোধৰ প্ৰতিফলন।

'উভতি নহাৰ কবিতা'ত কবিয়ে যন্ত্ৰণা তেওঁৰ জীয়াই থকাৰ মন্ত্ৰ বুলি কৈছে।

> 'যন্ত্ৰণা মোৰ জীয়াৰ মন্ত্ৰ
> সেই মন্ত্ৰকে গালো
> জীয়াই থকাৰ ধেমালিটো মই
> এবাৰেই খেলি গ'লো।

এই পংক্তিসমূহত আধুনিক মানুহৰ জীৱন-দৰ্শন স্পষ্টকৈ প্ৰকাশ পাইছে। জীৱন কোনো স্বৰ্গীয় আশীৰ্বাদ নহয়; ই এক যন্ত্ৰণাময় যাত্ৰা। তথাপিও কবিয়ে সেই যন্ত্ৰণাকেই জীৱনৰ মন্ত্ৰ হিচাপে গ্ৰহণ কৰি আগবাঢ়িছে। জীৱনক কবিয়ে এক 'ধেমালি'ৰ সৈতে তুলনা কৰিছে, যি ধেমালি এবাৰেই খেলি শেষ হয়। ইয়াত পুনৰাবৃত্তিৰ কোনো সুযোগ নাই।

কবিতাটোৰ শেষাংশত কবিয়ে পৃথিৱীৰ সৈতে এক নীৰৱ, দাৰ্শনিক সম্পৰ্ক স্থাপন কৰিছে। পৃথিৱী নিজৰ পথত আগবাঢ়ি গৈছে। কবিৰ উপস্থিতি বা অনুপস্থিতিৰে পৃথিৱীৰ গতি সলনি নহয়। পৃথিৱীৰ বাবে কবিৰ অস্তিত্বৰ বিশেষ কোনো মূল্য নাই বুলি কবিয়ে উপলব্ধি কৰে। মানুহ ক্ষণস্থায়ী, কিন্তু পৃথিৱী ধাৰাবাহিক। এই ভাবনাই কবিতাটোক গভীৰ দাৰ্শনিক উচ্চতালৈ লৈ গৈছে।

বাটৰ কাষৰ ফুলৰ প্ৰতীকটো কবিতাটোৰ এক গুৰুত্বপূৰ্ণ অংশ। কবিয়ে বাটৰ কাষৰ ফুল এবাৰেহে বুটলি ল'লে। পুনৰ তেওঁ ফুল বুটলি নলয়। নতুন প্ৰজন্ম সম্পৰ্কে কবিয়ে গভীৰ আশাবাদ প্ৰকাশ কৰিছে। কবিয়ে ভাবে-

"কোনোবা আহিব মোৰ দৰে কোনো দিনা?
মোৰ সুৰতেই বাজিব নতুন বীণা?
ওহোঁ সেয়া হ'ব নতুন মানুহ
সেই দিনো হ'ব নতুন দিন
মোৰ তাত একো নাথাকে চিন।"

এই পংক্তিসমূহত কবিয়ে স্পষ্টকৈ কয় যে নতুন প্ৰজন্মই কবিক অনুকৰণ নকৰে। তেওঁলোকে নতুন চিন্তা, নতুন সুৰ আৰু নতুন দৃষ্টিভংগী লৈ আহিব। এই নতুনত্বেই সমাজক আগবঢ়াই লৈ যাব। কবি আঁতৰি গ'লেও মানৱ সমাজ আগবাঢ়ি যাব বুলি বিশ্বাস। বাটৰ কাষৰ বকুল জুপিৰ পৰা নতুন প্ৰজন্মই ফুল বুটলিব। কবিয়ে আৰু দুনাই ফুল নুবুটলে।

কবিয়ে পৃথিৱীখনক বেয়া পোৱা নাই। তথাপিও তেওঁ পৃথিৱীলৈ পুনৰ উভতি নাহে বুলি কৈছে। ইয়াৰ কাৰণ আধুনিক কবিসকলে পুনৰ জন্মত বিশ্বাস নকৰে। এই চিন্তাধাৰা আধুনিক যুক্তিবাদী মানসিকতাৰ প্ৰতিফলন। জীৱন মাত্ৰ এবাৰহে প্ৰাপ্তি হয় বুলি কবিৰ বিশ্বাস। এই উপলব্ধিয়েই কবিতাটোৰ মূল দাৰ্শনিক সুৰ। নৱকান্ত বৰুৱাৰ 'উভতি নহাৰ কবিতা' আধুনিক অসমীয়া কবিতাৰ এক গুৰুত্বপূৰ্ণ নিদৰ্শন। এই কবিতাত আধুনিক জীৱনৰ দাৰ্শনিকবোধ, সময়ৰ অবিৰাম গতি, অস্তিত্ব সংকট, একাকিত্ব আৰু নতুন প্ৰজন্মৰ প্ৰতি আশাবাদ গভীৰভাৱে প্ৰকাশ পাইছে। কবিতাটোৱে পাঠকক জীৱনৰ ক্ষণস্থায়ীত্ব উপলব্ধি কৰাবলৈ বাধ্য কৰে আৰু জীৱনটো এবাৰেই জীয়াই ল'বলৈ অনুপ্ৰাণিত কৰে। সেয়ে নৱকান্ত বৰুৱাৰ 'উভতি নহাৰ কবিতা'ত আধুনিক মানৱ-চিন্তাৰ সুন্দৰ প্ৰতিফলন ঘটিছে বুলি ক'ব পাৰি।

❐❐❐

**প্ৰসংগ পুথি ঃ**


১। বৰুৱা, নৱকান্ত, নৱকান্ত বৰুৱাৰ গান আৰু কবিতা সমগ্ৰ, ১ম সংস্কৰণ, গুৱাহাটী, ভৱানী প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, ২০১১

২। তালুকদাৰ, নন্দ, কবি আৰু কবিতা, ৬ষ্ঠ সংস্কৰণ, গুৱাহাটী, বনলতা, ২০১৪

৩। হাজৰিকা, কৰবী ডেকা, কবি আৰু আৰু কবিতা, ২য় সংস্কৰণ, পাণবজাৰ, গুৱাহাটী, ১৯৯৮

৪। নেওগ মহেশ্বৰ, সম্পা, সঞ্চয়ন, যোড়শ মুদ্ৰণ, সাহিত্য অকাডেমি, ২০০৪

# ভাষা শুদ্ধকৈ কোৱাৰ প্ৰয়োজনীয়তা

**তোযেশ্বৰ দুৱৰা**

মানুহৰ জীৱনটোত জন্মৰেপৰা মৃত্যুলৈকে শিক্ষা লোৱাৰ সময় ৰূপে নিৰূপিত হৈয়ে থাকে। চিন্তনৰ অন্তদৃষ্টিৰে মনন কৰিলে দেখা পোৱা যায় যে জন্ম পোৱাৰো কিছু কাল আগৰেপৰাই আৰু মৰণতো মনুষ্য ৰূপী জীৱৰ বাবে শিক্ষা লোৱা হৈয়ে থাকে। আমাৰ আদ্যগুৰু পিতৃ-মাতৃৰ মুখৰ মাতষাৰীৰপৰা শিক্ষা লোৱা নিজ ভাষাটি আমাৰ কাৰণে অতি মৰমৰ। যি ভাষাত নিজৰ মনৰ ভাব, আবেগ, অনুভূতি, সুখ-দুখ, কামনা-বাসনা, আশা-আকাংক্ষা, ক্ৰোধ-বিৰহ, হৰ্ষ-বিষাদ আদি সকলো প্ৰকাশ কৰিব পাৰি— তেনে এটি মাতৃভাষা কাৰ কাৰণে বাৰু আপোন নহ'ব পাৰে? আনে ভাল বুলিয়েই কওক বা জঞ্জলীয়া বুলিলেও বোলক—মাতৃভাষাটি সকলোৰে কাৰণে সহজ সৰল সুমধুৰ আৰু অতি আপোন হৈ পৰে। ভাষাৰ মাজত সোমাই থকা কথা শুদ্ধতাৰ কাৰণে ইয়াক বিশ্লেষণ কৰিবলৈ দেখাত যদিও সকলোৰে কাৰণে প্ৰাঞ্জল হৈ ধৰা নিদিয়ে, তথাপি মাতৃভাষাতকৈ অন্য ভাষাৰে হৃদয়ৰ আবেগ, অনুৰাগ আদিকে ধৰি সকলো বিষয়ৰ ভাব প্ৰকাশৰ বাবে উপযুক্ত নহয়। দেহ-মনৰ সকলো অনুভূতিকে প্ৰকাশ কৰিব নাইবা মুখেৰে প্ৰকাশ কৰিব পৰা শব্দগত ধাৰণাৰ বাবেও অৱশ্যে ভাষাৰ মাজত সোমাই থকা শব্দ ভাণ্ডাৰৰ বিষয়েও চৰ্চা কৰাৰ প্ৰয়োজন। কাৰণ, তেনে অৰ্থ প্ৰকাশ কৰিবৰ কাৰণে কেনে শব্দৰ প্ৰয়োজন— তাৰ সঠিক সিদ্ধান্তৰ বিষয়েও ভাষা-জ্ঞানৰ প্ৰয়োজন হয়। ভাষা-জ্ঞান অথবা শব্দগত অৰ্থৰ বিষয়ে সঠিক আৰু শুদ্ধতাৰ বিষয়ে নাজানিলেও ভাব প্ৰকাশত অথবা কাৰ্য সাধনৰ বাবে প্ৰয়োগ কৰা বাক্যৰ বিভ্ৰাট ঘটি প্ৰতিকূল দিশতহে কৰ্ম সম্পাদন হ'ব পাৰে। এনেবোৰ বিষয়ৰ কাৰণেও নিজৰ মাতৃভাষাটি অতি আপোন হ'লেও কেতিয়াবা জটিল ৰূপত ধৰা দিব পাৰে।

জীৱনধাৰাৰ প্ৰতিটো কাৰ্যৰ মাজেৰে জীয়াই থাকোতে আৰু প্ৰগতিৰে আগবাঢ়ি জীৱন অতিবাহিত কৰোতে প্ৰতি খোজতে শিক্ষা আহৰণ হৈ থাকিব পাৰে। কাৰ্যৰ লগত ভাব প্ৰকাশৰ কাৰণে ব্যৱহাৰ কৰা আচৰণ বা শব্দৰ জ্ঞানৰ শিক্ষা আপোনা-আপুনি হৈ থাকে। এই শিক্ষাৰ জৰিয়তে সম্পন্ন কৰা কাৰ্যৰ ফল লাভৰ কাৰণেও শব্দগত অৰ্থৰ জ্ঞান ভালদৰে জানিলেহে ব্যৱহাৰ আৰু প্ৰয়োগ শুদ্ধতা ৰক্ষা হয়। শুদ্ধ ৰূপত ভাষা প্ৰয়োগ কৰিবলৈয়ো ভাষাৰ মাজত থাকিব পৰা কেঁকুৰি ফেৰেঙণি, যতি, সন্ধি আদি লিৰিকি-বিদাৰি চোৱা দৰকাৰ। ভাষা প্ৰয়োগ কৰোতে শব্দ বাচনিৰে উপযুক্ত স্থান, সঠিক ক্ষেত্ৰ আৰু প্ৰয়োজনীয় সীমাৰ ভিতৰতে অৰ্থব্যঞ্জক শব্দ ব্যৱহাৰ কৰিব পৰা দক্ষতাপূৰ্ণ জ্ঞানে ভাষাৰ গাম্ভীৰ্যতা আৰু প্ৰাচুৰ্যতা প্ৰকাশ কৰায়। ভাষা প্ৰয়োগত শব্দৰ উচ্চাৰণৰ বিভ্ৰাটৰ বাবেই ইন্দ্ৰৰ শত্ৰু বৃত্তাসুৰৰ পতনৰ কাৰণ বাক্য ব্ৰহ্মাৰ ক্ৰিয়াৰ বাবেই হোৱা বুলি জনা যায়। শুনিবলৈ ভাল লগা যেন লাগিলেও উপযুক্ত অৰ্থ নোহোৱা শব্দৰে বাক্য প্ৰয়োগ কৰা উচিত নহয়। মানুহৰ নামৰ ক্ষেত্ৰতো অৰ্থযুক্ত নাম থ'ব লাগে। নামে মানুহৰ স্বভাব-চৰিত্ৰ, গুণ-দোষৰ প্ৰতীক ৰূপে ক্ৰিয়া কৰে।

আমাৰ ভাষাত থকা শব্দবোৰত বিভক্তি যুক্ত হৈ কথাৰ অৰ্থত কিছু সাল-সলনি ঘটাব পাৰে। বিভক্তি সঠিকভাবে ব্যৱহাৰ নকৰা বা শব্দৰ উচিত স্থানত ব্যৱহৃত নহ'লে প্ৰকৃত অৰ্থ প্ৰকাশত বিভ্ৰাট ঘটে। তেনে দুই-

এটি উদাহৰণলৈ আঙুলিয়াব বিচাৰোতেও দেখা যায় যে বৰ্তমান সমাজৰ নতুন চামৰ মাজত কথা কোৱাৰ ঢং বা ধৰণত কিছু পৰিৱৰ্তন দেখা পোৱা যায়। (১) মই তোমাক লগ কৰিবৰ কাৰণে ইয়াতে বহু পৰৰ পৰা ৰখি (ৰৈ) আছোঁ। (২) সি আজি লক্ষীমপুৰত যাব (লক্ষীমপুৰলৈ)। (৩) মায়ে এতিয়া পাকঘৰত ভাত বনাইছে (ভাত ৰান্ধিছে)। (৪) নামঘৰত আজি ধৰ্মৰ ওপৰত (ধৰ্মৰ বিষয়ত) এখন আলোচনা সভা হ'ব। (৫) আমি সদায় ন বজাতে স্কুলত যাওঁ (স্কুললৈ)। (৬) অহাকালি (কালিলৈ) আমাৰ পৰীক্ষাৰ ৰিজাল্ট দিব। (৭) লগ পোৱা হ'লে ময়ো চিনেমা চাবলৈ গ'লো হয় (হেঁতেন)।

এনে ধৰণৰ কিছুমান কথা-বতৰাৰ বাবে আমাৰ ভাষাটোত থকা উপযুক্ত শব্দ ব্যৱহাৰত ব্যতিক্ৰম ঘটিবলৈ লোৱাত ভাষাটিৰ মৰ্যাদা ৰক্ষাৰ ক্ষেত্ৰতো হানি কৰিব পৰাৰ শংকা বৃদ্ধি কৰে। পৰাপক্ষত আমি আমাৰ ভাষাটোক শুদ্ধ ৰূপতেই ব্যৱহাৰ কৰিবলৈ শিকা উচিত। অন্যথা অন্য ভাষাৰ গৱেষণাকাৰীৰ বাবেও আমাৰ ভাষাত থকা আন্তঃগাঁথনিৰ সূত্ৰবোৰৰ লগতো সম্বন্ধ নাইকিয়া হ'ব।

আমাৰ কণ কণ শিশুসকলৰ ক্ষেত্ৰতো বিশেষকৈ বিদ্যালয়ত আহৰণ কৰা বিষয়বোৰতো শুদ্ধ ৰূপত ভাষা প্ৰয়োগ কৰা হৈছেনে নাই লক্ষ্য কৰোতে কিছুমান চমু পদ্ধতিৰেও লিখা হয়। পঢ়িলে কিন্তু ভাষাৰ শুদ্ধ ৰূপতেই পঢ়িব লাগে। তেনে কিছুমান শব্দ বা সাংকেতিক চিহ্ন ব্যৱহাৰ কৰি লিখা শব্দ উচ্চাৰণ কৰোতে বা পঢ়োতে শুদ্ধকৈ পঢ়িবলৈও জানিব লগা আছে। উদাহৰণ স্বৰূপে- ১ নং, ২ নং, ১ লা, ১ ম, ২য়, ৪ ৰ্থ আদি সাংকেতিক চিহ্নৰ জৰিয়তেও ভাষা লিখা হয়। পঢ়োতে কিন্তু এক নং, দুই নং, এক লা, এক ম, দুই য় চাৰি ৰ্থ আদি উচ্চাৰণ কৰি পঢ়িলে ভুল হয়। সেইবোৰ শব্দকে শুদ্ধ ৰূপত পঢ়িবলৈ হ'লে এক নম্বৰ, দুই নম্বৰ, পহিলা, প্ৰথম, দ্বিতীয়, চতুৰ্থ এইদৰেহে পঢ়া উচিত। বাক্যৰ মাজত শব্দ ব্যৱহাৰ কৰোতেও কেতিয়াবা২ লগে২ লাহে২ আদি শব্দৰ ৰূপত লিখা পোৱা যায়। তেনে ৰূপত লিখা শব্দ থাকিলেও পঢ়াৰ ক্ষেত্ৰত ভাষা ব্যৱহাৰ কৰোতে কেতিয়াবা কেতিয়াবা, লগে লগে, লাহে লাহে এনেদৰে পঢ়িলেহে শুদ্ধ হয়। নেওতা শিক্ষাৰ বিষয়তো আগতে শিক্ষকসকলে নেওতা মাতিবলৈ শিকোৱা ধৰণত কিছুমানত প্ৰকৃত অৰ্থ প্ৰকাশ নাপায়। বিশেষকৈ সৰু নেওতা আৰু পূৰণৰ নেওতা মতাৰ ক্ষেত্ৰত কেইবাটাও ব্যতিক্ৰমৰ পৰিলক্ষিত হয়। বৰ্তমান সময়ৰো কিছু শিক্ষকৰ ক্ষেত্ৰতো এই ব্যতিক্ৰমে লগ এৰা নাই- যাৰ বাবে ছাত্ৰ-ছাত্ৰীয়েও ব্যতিক্ৰমী ৰূপতেই শিক্ষা লাভ কৰি আহিছে। সৰু নেওতা গাওঁতে প্ৰথমশাৰী ঠিকমতেই গোৱা পৰিলক্ষিত হয়। দ্বিতীয় শাৰীৰ নেওতাত অংকবোৰ ১১, ১২, ১৩ এইদৰে আছে। নেওতা পঢ়োতে বহুতে একত একে এঘাৰ, একত দুই বাৰ, একত তিনি তেৰ— এইদৰেও পঢ়ে। এইখন নেওতা পঢ়োতে প্ৰকৃততে এক দহ এক এঘাৰ, এক দহ দুই বাৰ, এক দহ তিনি তেৰ— এইদৰেহে পঢ়িব লাগে। পূৰণৰ নেওতা পঢ়োতেও ধ্বনি প্ৰকাশত কিছু বিৰূপ প্ৰক্ৰিয়াত নেওতা মাতিবলৈ শিকোৱা দেখা যায়। বিশেষকৈ পূৰণৰ মাজু নেওতা, পূৰণৰ বৰ নেওতা আদি পঢ়াৰ ক্ষেত্ৰত এই ব্যতিক্ৰম হয়। যেনে- ১১ × ১ = ১১, ১১ × ২ = ২২, ১১ × ৩ = ৩৩ আদি নেওতাখন পঢ়োতে এঘাৰং একে এঘাৰ, দুই এঘাৰং বাইছ, তিনি এঘাৰং তেত্ৰিছ— এইদৰে পঢ়ে আৰু পূৰণৰ বৰ নেওতাখন পঢ়োতে এঘাৰং এঘাৰং এশ একৈছ, এঘাৰং বাৰং এশ বত্ৰিছ, এঘাৰং তেৰং এশ তিয়াল্লিছ— এইদৰে পঢ়িবলৈ শিকোৱা হয়। আচলতে এঘাৰ এগুণ এঘাৰ, এঘাৰ দুগুণ বাইছ, এঘাৰ তিনিগুণ তেত্ৰিছ ধৰণে পঢ়িব লাগে। বৰ নেওতা পঢ়াৰ ক্ষেত্ৰত এঘাৰ এঘাৰ গুণ এশ একৈছ, এঘাৰ বাৰগুণ এশ বত্ৰিছ, এঘাৰ তেৰগুণ এশ তিয়াল্লিছ এইদৰেহে পঢ়িব লাগে।

এইখন নেওতাৰ অন্তিম ঘৰত বিশ বিশ গুণ চাৰিশ বুলি শুদ্ধ ৰূপত পঢ়াবলৈ শিকোৱা উচিত। ভাষা শুদ্ধকৈ শিকাৰ লগতে আমি কথাবোৰতো অলক্ষিতে থাকি যোৱা ভুলবোৰ গুচাই শুদ্ধ ৰূপত ব্যৱহাৰ কৰিব পাৰিলেহে কৰ্মত সফলতা লাভ কৰিব পাৰিম। আমাৰ অতি চেনেহৰ অতি মৰমৰ অসমীয়া ভাষাত থকা চেকা-চুকলিবোৰ গুচাই শুদ্ধ ৰূপত শুধ বগা কৰি ব্যৱহাৰ কৰিব পাৰিলে আমাৰ নিজৰেই মনৰ ভাববোৰ আৰু আমাৰ কৰ্মবোৰক শোধন কৰা ৰূপত পাবলৈ সক্ষম হ'মহঁক। এনেবোৰ কথাৰ বিষয়ে সততে সকীয়াই থকা ভাষাৰ সাধক ড° দেবেন দত্ত, ড° লোহিত দত্ত আদিৰ লেখাবোৰ নাইবা বক্তব্য আদিক অনুশীলন কৰিব পাৰিলে আমাৰ অজ্ঞাতে আচৰি থকা ভাষাৰ ময়লাবোৰো নোহোৱা কৰিব পাৰিম।

কিছুমান মানুহে আনক গালি-শপনি পাৰোতে বা অন্য সময়ৰ ধেমালিতেই হওক কিছুমান অবাইচ মাতকো প্ৰকাশ কৰি বাক্যালাপ কৰে। কিছুলোকে নিজৰ মৰমৰ সন্তান বা তৎস্থানীয় নিত্য নতুন বিষয়ৰ ক্ষেত্ৰতো কিছুমান অবাইচ মাতকো জহনিত যোৱা, বা তেনে শব্দৰেও অজ্ঞাতে নাইবা মৰমতে ব্যৱহাৰ কৰি কথা কয়। স্বাভাৱিকতে সুসভ্য সমাজ গঠনৰ কাৰণে কিছুমান নঞাৰ্থক বিষয়ক সদায়েই পৰিহাৰ কৰি চলাৰ চেষ্টা কৰা উচিত। যিবোৰ কথা-বতৰাই মানুহৰ নীতি-সদাচাৰ, সৎ চিন্তন, সৎ চৰিত্ৰ গঠন, সভ্য সমাজ গঠনত কুপ্ৰভাৱ পেলায়, তেনেবোৰ কথা-বতৰাক মুকলিকৈ ক'তো প্ৰকাশ কৰা উচিত নহয়। আমাৰ সমাজ বুলিলে অভিজ্ঞ পৌঢ় চামৰ লগতে মুনিহ-তিৰোতা, যুৱক-যুৱতী, কিশোৰ-কিশোৰীকে ধৰি নৱজাতকলৈকে সকলো মিলি নিজ নিজ মাতৃভাষাৰ মাত-কথাৰে বেষ্টিত বৰ্ণময় বৈশিষ্ট্যৰ মাজেৰেই জীৱন-নিৰ্বাহ কৰোঁ। এনে ক্ষেত্ৰত আমাৰ মাজতে হোৱা কথা-বতৰাত বিভিন্ন ৰসৰ সঞ্চাৰণেৰে আলাপ-আলোচনা, শিক্ষা-দীক্ষা আৰু জীৱন সম্পৰ্কীয় আধ্যাত্ম বিষয়লৈকে সকলো ধৰণৰ কথা-বতৰাৰ মাজেৰেই জীৱন অতিবাহিত হয়। তাৰ মাজতেই আমাৰ জীৱনৰ অৰ্থ, জীৱনৰ লক্ষ্য, উদ্দেশ্য আৰু জীৱৰ গতি সাধনৰ বিষয়লৈকে সন্নিৱিষ্ট হৈ থাকে। মানুহ ৰূপে জন্ম লাভ কৰি কথা-বাৰ্তাৰ অধিকাৰেৰে শ্ৰেষ্ঠ জীৱ ৰূপে চিনাকি দিব পৰা জীৱ হৈ সক্ষমতা আছে বুলিয়েই নৈতিক-অনৈতিক, উচিত-অনুচিত বিচাৰ নকৰাকৈ যিহকে-তিহকে কথা ক'বলৈ অভ্যাস কৰাটোৱে আমাৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ ওপৰতো কু-প্ৰভাৱ পেলায়। অশ্লীল শব্দ প্ৰয়োগেৰে আনৰ কু-চৰিত্ৰৰ কথা বখানিবলৈ যোৱা মানে তেনেবোৰ কথন-মথনেৰে নিজৰ কু-কীৰ্তিৰ কথাহে প্ৰকাশ কৰে। সভ্য সমাজৰ বাসিন্দা হৈ আমি দেহৰ সৰ্বাঙ্গ প্ৰদৰ্শনত আঁৰ-বেৰৰ আভৰণেৰে ৰক্ষা কৰি শৰীৰৰ কিছু অঙ্গ-প্ৰত্যঙ্গক গোপন কৰি ৰখা সত্ত্বেও মুখৰ বাক্যৰ দ্বাৰা যদি উন্মুক্ত কৰি উদঙাই সেইবোৰকে প্ৰকাশ কৰি ফুৰা যায়, তেন্তে বস্ত্ৰ পৰিধানকে ধৰি গোপন কৰি ৰখাৰ অৰ্থ নথকাৰ দৰেই হয়। গালি-শপনি পাৰি ৰং-তামাচা কৰি, কথাৰ ৰস বিচাৰি শিশুৰ মুখেৰেও কোৱাই ৰং পোৱা সকলো কথাকে স্থান-কাল-পাত্ৰৰ বিচাৰ নকৰাকৈ প্ৰকাশ কৰি ফুৰিব নালাগে। সমাজভেদে আমাৰ ভাষাৰ মাজত বহুতো অবাঞ্ছিত শব্দ সোমাই ভাষাৰ সবলতা বঢ়োৱাৰ দৰে ব্যৱহাৰ হৈ থাকে। প্ৰকৃততে তেনে কিছুমান শব্দ ব্যৱহাৰে কথাৰ মাজৰ বিশেষণিক অৰ্থ বিচাৰি পোৱা নাযায়। অথচ তেনে কিছু অপ্ৰাসংগিক শব্দই আমাৰ কথাৰ মাজত ঠাই পাই নিৰ্বিচাৰভাৱে যিকোনো ক্ষেত্ৰতে অজানিতেই প্ৰৱেশ কৰি আধিপত্য বিস্তাৰ কৰি আছে। অন্যহাতে, চাৰিত্ৰিক বৈশিষ্ট্যতো কু-প্ৰভাৱ পেলাব পৰা কিছুমান শব্দ প্ৰয়োগেৰে আমাৰ ভাষাটোক চহকী কৰিছে বুলি ক'বও নোৱাৰি। উপযুক্ত ক্ষেত্ৰত বিশেষ অৰ্থ প্ৰকাশৰ বাবে ব্যৱহাৰৰ বাহিৰে অন্য যিকোনো ক্ষেত্ৰতে লগোৱা কিছু শব্দই আমাৰ ভাষাৰ খেতিত অপতৃণ ৰূপে থাকি ভাষাটোৰ আৱৰ্জনা হৈ থকাতকৈ পৰাপক্ষত পৰিহাৰ কৰি চলিব পাৰিলে নিজৰেই মঙ্গল হ'ব।❒

# প্ৰগতিৰ নতুন চিন্তা ঃ প্ৰযুক্তি আৰু মানৱীয়তাৰ সমন্বয়ৰ বাবে

**অনিল শইকীয়া**

এয়া একবিংশ শতিকাৰ দ্বিতীয় দশকৰ মাজ মজিয়া। মানুহৰ সামগ্ৰিক জীৱন যাপন তথা দৈনন্দিন কাম-কাজত আধুনিক প্ৰযুক্তিৰ দ্ৰুত অগ্ৰগতিয়ে যুগান্তকাৰী প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হোৱাৰ সময়তে মনৰ ভিতৰত এটা প্ৰাকৃতিক প্ৰশ্ন উদয় হৈছে— প্ৰযুক্তিৰ এই অদমনীয় অগ্ৰগতিক, মানৱীয় মূল্যবোধৰ সৈতে ভাৰসাম্য বজাই ৰাখিব পৰাকৈ মানৱ চিন্তনৰ বিস্তৃতি সঠিক দিশত আগবাঢ়িছেনে বাৰু ? এ আই(AI) পৰিচালিত নানান উদ্ভাৱনৰ পৰা নিৰৱচ্ছিন্ন সংযোগ ব্যৱস্থালৈকে হোৱা যি ক্ষীপ্ৰ অগ্ৰগতি, যাক সম্প্ৰতি কেৱল দ্ৰুততা আৰু দক্ষতাৰ সমাৰ্থক শব্দৰ সৈতেহে ৰিজাব পাৰি, তেনে ত্বৰান্বিত প্ৰগতিয়ে আমিনো কোন, সেই আদিম জিজ্ঞাসাৰ সঠিক সমিধান দিব পাৰিছেনে?

যিমানেই আমি সজোৰে আগলৈ ঢাপলি মেলিছোঁ, প্ৰযুক্তিৰ এই অদমনীয় অগ্ৰসৰণত প্ৰতিনিয়ত মৌলিক কিবা নহয় কিবা এটা হেৰুওৱাৰ আশংকাত ত্ৰস্ত হৈ আছোঁ । গভীৰ আৰু স্বাধীনভাৱে তথা সৃষ্টিশীলভাৱে চিন্তা কৰাৰ সামৰ্থ আমি যেন প্ৰায় হেৰুৱাই পেলাইছোঁ। চিন্তনৰ এই অৱক্ষয় কেৱল মাত্ৰ এক দাৰ্শনিক বিষয়হে এনে নহয়, ইয়াৰ স্পষ্ট পৰিণতি সামগ্ৰিকভাৱে ডিজিটেল জগতখনৰ পৰিবেষ্টনত থকা ব্যক্তি চেতনাৰ বিকাশ, কৰ্মক্ষেত্ৰ আৰু সমাজতো পৰিছে ।

এই কথা সত্য যে প্ৰযুক্তিয়ে নিঃসন্দেহে মানৱ জীৱন সুখকৰ কৰি তুলিছে। চিকিৎসা বিজ্ঞানৰ সফলতাই মানুহৰ জীৱন ৰক্ষা কৰিছে, ডিজিটেল প্লেটফৰ্মে অগণন জনসংযোগ ঘটাইছে, নৱীকৰণযোগ্য শক্তিয়ে এক বহনক্ষম ভৱিষ্যতৰ প্ৰতিশ্ৰুতি বহন কৰিছে ইত্যাদিকে ধৰি আন বহুতো গুৰুত্বপূৰ্ণ দিশত আধুনিক প্ৰযুক্তি মানুহৰ বাবে আশীৰ্বাদ স্বৰূপ হৈ পৰিছে। তৎসত্বেও কিন্তু এই দ্ৰুত উন্নতিয়ে মানৱ জাতিলৈ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। সামাজিক মাধ্যমক গণসংযোগৰ বাহক হিচাপে প্ৰস্তুত কৰা হৈছিল, কিন্তু সঁচা অৰ্থত ই মানুহক মানুহৰ পৰা বিচ্ছিন্নহে কৰিছে ।

সামাজিক মাধ্যমসমূহে যদিওবা বিশ্বজুৰি সকলো মানুহৰ মাজত সংযোগ স্থাপন কৰিবলৈ সক্ষম হৈছে, আপাত দৃষ্টিত ইয়াৰ বিপৰীতে, জীৱনৰ প্ৰগাঢ় আৰু বাস্তৱ আদান-প্ৰদানসমূহক অগভীৰ ডিজিটেল সম্পৰ্কৰে প্ৰতিস্থাপন কৰি সামাজিক বিচ্ছিন্নতা বৃদ্ধি কৰা হৈছে । ইয়াৰ উপৰিও মানুহৰ মুখা-মুখি যোগাযোগ তীব্ৰ গতিত হ্ৰাস পোৱাৰ ফলত সামাজিক মাধ্যমৰ কৃত্ৰিম বাস্তৱতাই নিঃসংগতাক তীব্ৰ ৰূপ ধাৰণ কৰাইছে। FOMO (Fear of missing out) বা হেৰুৱাই পেলোৱাৰ শংকা, সামাজিক মাধ্যমৰ এনে এটা মানসিক অৱস্থা য'ত মানুহে যি কোনো এটা ৰোমাঞ্চকৰ বা মহত্বপূৰ্ণ ঘটনা, অনুভৱ অথবা উপলব্ধিৰ পৰা বঞ্চিত হৈ পৰাৰ চিন্তা অথবা ভয়, যি আনে কি কৰিছে সেয়া তেওঁ নিজৰ জীৱনত কৰিব নোৱৰাৰ এক ধৰণৰ মানসিক উদ্বেগ।

ই মানুহক আধৰুৱা অথবা সম্পূৰ্ণ অকলশৰীয়া কৰি পেলায়। আকৌ বিভাজন আৰু ভুল তথ্য বিয়পোৱাত ইন্ধন যোগোৱা, বৈষম্য বা অসমনতা বৃদ্ধিৰ কাৰক তথা স্বয়ংক্ৰিয় কৰণৰ ফলত বৃদ্ধি পোৱা নিবনুৱা সমস্যাই বিকশিত প্ৰযুক্তিৰ অন্ধকাৰ দিশটোৰ কথা প্ৰকট কৰি তুলিছে। এই সমগ্ৰ কথাখিনিয়ে প্ৰযুক্তিৰ দুমুখীয়া স্বৰূপটোক আমাৰ সন্মুখত স্পষ্ট ৰূপত উদঙাই দিয়ে । প্ৰগতিৰ এই অন্বেষণ যদি অনিয়ন্ত্ৰিত হয়— সহানুভূতি, ক্ষমা, উদাৰতা, সৃষ্টিশীলতা আৰু পাৰস্পৰিক সম্পৰ্কৰ দৰে মানৱীয় মূল্যবোধসমূহৰ ওপৰত বিপত্তিৰ ছাঁ পৰাৰ সম্ভাৱনা সন্নিকট।

উদ্ভাৱনৰ নিৰন্তৰ গতিত অৰ্থপূৰ্ণ সম্পৰ্কৰ ক্ষতি হোৱাৰ সম্ভাৱনা থাকে। কাৰণ উৎপাদনশীলতাৰ দৌৰত মানসিক স্বাস্থ্যৰ অৱনতি ঘটে আৰু চিন্তা-চৰ্চাৰ কলা ম্লান হৈ পৰে। বৰ্তমান আমি মুখা-মুখি বাৰ্তালাপৰ পৰিৱৰ্তে স্ক্ৰীণত আৰু নিজৰ কামত গভীৰ মনোযোগ দিয়াৰ পৰিৱৰ্তে নিৰন্তৰ নোটিফিকেচনৰ সৈতে বুজাবুজি কৰিছোঁ। অন্যহাতে প্ৰযুক্তিয়ে বিভিন্ন সঁজুলি উপহাৰ দিছে যদিও ই ইয়াৰ অন্তৰ্নিহিত স্বভাৱ অনুসৰি উদ্দেশ্য বা নীতি শিক্ষাক অগ্ৰাধিকাৰ নিদিয়ে। উদাহৰণ স্বৰূপে, AI (আৰ্টিফিচিয়েল ইন্টেলিজেন্সি) ৰ ব্যৱস্থাসমূহ যিমানেই শক্তিশালী নহওক কিয় , সেইবোৰে আমাৰ পক্ষপাতিত্বসমূহকে প্ৰতিফলিত কৰে, যি নিৰপেক্ষতা আৰু দায়বদ্ধতাৰ ক্ষেত্ৰখনত উৎকণ্ঠা বৃদ্ধি কৰে।

প্ৰগতিক পুনৰ কল্পনা কৰিবলৈ প্ৰযুক্তিক মানৱীয় মূল্যবোধৰ সৈতে একত্ৰিত কৰা প্ৰয়োজন। প্ৰযুক্তিৰ দায়িত্ব হোৱা উচিত মানৱতাক সেৱা কৰা, তাৰ বিপৰীত মুঠেও হোৱা উচিত নহয়। কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে উদ্ভাৱনসমূহে স্বচ্ছতা, গোপনীয়তা আৰু অন্তৰ্ভুক্তিকৰণত অগ্ৰাধিকাৰ দিয়াটো প্ৰয়োজন।

ইন্টাৰনেটৰ কু-প্ৰভাৱ প্ৰতিৰোধ কৰিবলৈ দয়া, কৰুণা আৰু গঠনমূলক কথা-বতৰাক প্ৰোৎসাহিত কৰাৰ বাবে এখন মঞ্চ তৈয়াৰ কৰি ডিজিটেল সহানুভূতি বৃদ্ধি কৰাৰ প্ৰয়োজন।

ডিজিটেল সাক্ষৰতাৰ সৈতে আবেগিক বুদ্ধিমত্তা, সৃষ্টিশীলতা আৰু সমালোচনাত্মক চিন্তাভাৱনাক মিশ্ৰণ ঘটাব পৰাকৈ শিক্ষা ব্যৱস্থা প্ৰস্তুত কৰাটো প্ৰয়োজন। মানৱতাৰ বিনিময়ত দেশৰ প্ৰগতি নাহে। প্ৰযুক্তিৰ সৈতে সহানুভূতি, সমানতা আৰু স্থিৰতাৰ মিশ্ৰণ ঘটাই আমি ভৱিষ্যতে এখন বুদ্ধিমান আৰু দয়ালু পৃথিৱী গঢ় দিব পাৰিম। যিহেতু আমি নিতৌ ন ন উদ্ভাৱন কৰি আছোঁ, আহকচোন আমি ক্ষন্তেক বৈ চিন্তা কৰোঁ— যদিহে প্ৰযুক্তিৰ এনে অগ্ৰগতিয়ে আমাক নিঃস্ব অনুভৱ কৰায় তেন্তে এনে প্ৰগতিৰনো অৰ্থ কি?

❐❐❐

# কেৰেলাৰ সাগৰপৰীয়া উপন্যাস ‘চেম্মিন’ (মিছামাছ)

ড° চিত্ৰলেখা ফুকন

মালয়ালম সাহিত্যৰ এজন বিখ্যাত গদ্য সাহিত্যিক ঠাকাজী শিৱ শংকৰ পিল্লাইৰ জন্ম হয় ১৯১২ চনৰ ১৭ এপ্ৰিলত বৰ্তমানৰ কেৰেলাৰ Alappuzha জিলাৰ এখন সৰু গাঁৱত। ঠাকাজী শিৱ শংকৰ পিল্লাইৰ ‘ঠাকাজী’ নামেৰে জনপ্ৰিয় আছিল। ‘ঠাকাজী’য়ে প্ৰায় ৩০ খন উপন্যাস আৰু প্ৰায় ৬০০ চুটিগল্প ৰচনা কৰিছিল।

১৯৫৬ চনৰ প্ৰকাশিত ঠাকাজীৰ উপন্যাস ‘চেম্মিন’ (মিছামাছ) আলাপুজা জিলাৰ সাগৰপৰীয়া মাছমৰীয়া গাঁৱৰ এটা প্ৰেম কাহিনীক লৈ লিখা। এই উপন্যাসখন পৃথিৱীৰ ১৯ টা ভাষালৈ অনুদিত হৈছে। ইয়াৰ ইংৰাজী অনুবাদটো ৰাষ্ট্ৰসংঘই (UNESCO) ভাৰতীয় সাহিত্যৰ প্ৰতিনিধি হিচাপে সংৰক্ষণ কৰিছে। ১৯৫৬ চনতে এই উপন্যাসখন একে নামেৰে মালয়ালম ভাষাত Ramu Kariat ৰ পৰিচালনাত চিনেমা নিৰ্মাণ কৰিছিল, যিখন চিনেমাই সেই বছৰৰ শ্ৰেষ্ঠ ছবিৰ সন্মান লাভ কৰিছিল। এইখন চিনেমাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। ‘চেম্মিন’ উপন্যাসৰ কাৰণেই ঠাকাজীয়ে ১৯৫৭ চনত সাহিত্য অকাডেমী পুৰস্কাৰ লাভ কৰিছিল। তেওঁৰ সাহিত্য কৰ্মৰ বাবে ভাৰত চৰকাৰৰ পৰা ১৯৮৫ চনত পদ্মভূষণ সন্মান লাভ কৰিছিল। ঠাকাজীয়ে তেওঁৰ অন্য এখন অন্যতম উপন্যাস ‘Kayar’ ৰ কাৰণে ১৯৮৪ চনত ভাৰতীয় সাহিত্যৰ সৰ্বোচ্চ বঁটা ‘জ্ঞানপীঠ’ লাভ কৰিছিল। কেৰেলা বিশ্ববিদ্যালয় আৰু মহাত্মা গান্ধী বিশ্ববিদ্যালয়ৰ পৰা ঠাকাজী শিৱ শংকৰ পিল্লাইক সন্মানীয় দি. লিট. উপাধি প্ৰদান কৰিছিল। তদুপৰি তেওঁ সাহিত্য অকাডেমীৰ সন্মানীয় সদস্য হোৱাৰ উপৰিও কেৰেলা চৰকাৰৰ পৰা ভালেমান পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল। এইজন মহান ভাৰতীয় সাহিত্যিকৰ মৃত্যু হয় ১৯৯৯ চনৰ ১০ এপ্ৰিল তাৰিখে কেৰেলাৰ আলাপুজা জিলাত।

ঠাকাজী শিৱ শংকৰ পিল্লাইৰ মালয়ালম ভাষাৰ উপন্যাস ‘চেম্মিন’ উপন্যাসখন অসমীয়া ভাষালৈ পাৰুকুটি বৰুৱাই ‘মিছামাছ’ নামেৰে অনুবাদ কৰিছে আৰু সাহিত্য অকাডেমীয়ে প্ৰথম প্ৰকাশ কৰে ১৯৭১ চনত।

‘চেম্মিন’ উপন্যাসৰ লেখক শিৱশঙ্কৰ পিল্লায়ে সৰুৰেপৰা সাগৰপৰীয়া লোকসকলৰ সান্নিধ্য লাভ কৰিছিল। সাগৰ পাৰৰ মাছমৰীয়া লোকসকলৰ জীৱন ধাৰণ প্ৰণালী, সুখ-দুখ, প্ৰেম-বিচ্ছেদ, সাগৰৰ ওপৰত থকা গভীৰ বিশ্বাস, অলৌকিক কাহিনী, লোক-বিশ্বাস আদি ঔপন্যাসিকে অতি সুন্দৰভাৱে জানিছিল। ফলস্বৰূপে ‘চেম্মিন’ উপন্যাসত এনেধৰণৰ কথা জীৱন্ত ৰূপত প্ৰকাশিত হৈ পৰিছে।

উপন্যাসখনত আছে সাগৰ পাৰৰ দুখন মাছমৰীয়া গাঁৱৰ দুটা বেলেগ সম্প্ৰদায়ৰ ডেকা-গাভৰুৰ মাজৰ প্ৰেম আৰু এই প্ৰেমৰ কৰুণ পৰিণতি। আৰু আছে মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক, শ্ৰমজীৱি মানুহৰ ইচ্ছা-

আকাংখ্যা, কামনা-বাসনা, ঈর্ষা-অসূয়া, পুঁজিপতিৰ কবলত সাধাৰণ মানুহৰ দুৰ্যোগ, সাগৰপৰীয়া মানুহৰ সাগৰদেৱীৰ ওপৰত থকা পৰম্পৰাগত গভীৰ বিশ্বাস ইত্যাদি।

এজন উচ্চাকাংখ্যাযুক্ত অথচ অসৎ প্ৰকৃতিৰ মাছুৱৈ চেম্বনকুঞ্জৰ ছোৱালী কাৰুথাম্মা। সৰুৰেপৰা একেলগে ডাঙৰ-দীঘল হোৱা মুছলমান ব্যৱসায়ী পাৰীকুট্টি আৰু কাৰুথাম্মাই পৰস্পৰে পৰস্পৰক ভাল পাইছিল জীৱনত একেলগে থকাৰ সংকল্পৰে। সপোন ইমান ৰঙীন, জীৱন ইমান ধুনীয়া, অনাগত দিনৰ কল্পনাই হগুঁৱাই দুয়োজনক। সেই হাঁহিয়ে খলকনি তোলে সাগৰত। কিন্তু সাগৰৰ পাৰৰ বালিয়ে ইমান শুকান! বালিয়ে উপহাস কৰে দুয়োজনৰ হাঁহিক। এই হাঁহিয়ে খুন্দিয়াই সাগৰ পাৰৰ মাছমৰীয়া গাঁৱক। তাৰ পাছত দুয়োজনৰ মাজৰপৰা চিৰদিনৰ বাবে হাঁহি কাঢ়ি নিয়ে পৰম্পৰাগত নীতি-নিয়মেৰে বান্ধ খাই থকা সাগৰপাৰৰ গাঁওবাসীয়ে। চেম্বনকুঞ্জ অতদিনে লোকৰ নাওত আৰু লোকৰ জালেৰে মাছ ধৰি আছিল। কিন্তু এতিয়া নিজাকৈ নাও আৰু জাল কিনাৰ কথা ভাবিলে। টকাৰ নাটনিৰ বাবে ইতিমধ্যে ব্যৱসায় কৰি প্ৰচুৰ অৰ্থ-উপাৰ্জন কৰা পাৰীকুট্টিৰ পৰা টকা ধাৰে ল'লে। অৱশ্যে এই টকা পাৰীকুট্টিৰ প্ৰেমিকা কাৰুথাম্মাৰ আগতীয়া অনুৰোধ মৰ্মেহে তেওঁ দিলে; যিটো কথা দেউতাক চেম্বনকুঞ্জই নাজানিলে। পৰৱৰ্তী সময়ত চেম্বনকুঞ্জই ব্যৱসায়ত উন্নতি লাভ কৰিলে যদিও পাৰীকুট্টিক টকা ঘূৰাই নিদিলে। টকা ঘূৰাই নিদিয়া কথাটোৱে কাৰুথাম্মা আৰু মাক চাক্কীক উপন্যাসখনত মানসিক যন্ত্ৰণাত ভোগাইছে আৰু এই কথাটোৱে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। লাহে লাহে কাৰুথাম্মা আৰু পাৰীকুট্টিৰ প্ৰণয়ৰ কথা সাগৰপৰীয়া সমাজখনৰ অৱগত হ'ল আৰু দুয়োজন একেটা সম্প্ৰদায়ৰ নোহোৱাৰ কাৰণে বিবাহৰ ক্ষেত্ৰত তীব্ৰ বাধা নিষেধ আহিল। অন্যহাতে নগদ টকা দিব নোৱাৰাৰ বাবে চেম্বনকুঞ্জই বিপদত সহায় কৰা, ইতিমধ্যে ব্যৱসায় পৰি অহা পাৰীকুট্টিক মাছ নেবেচা হ'ল। তেনেসময়তে গাঁওবাসীৰ বাধা নিষেধত জুৰুলা হৈ, মাকৰ হেঁচা আৰু এগৰাকী সতী-সাধ্বী মাছমৰীয়া তিৰোতা হোৱাৰ সংকল্প লৈ অন্তৰৰ বেদনা অন্তৰত লৈ দেউতাকৰ পচন্দ অনুসৰি স্বধৰ্মৰ, স্বজাতিৰ, যৌতুক নিবিচৰা পালানি নামৰ এজন ডেকাক কাৰুথাম্মাই বিয়া কৰালে। কিন্তু অন্তৰৰপৰা কোনোপধ্যেই পাৰীকুট্টিৰ প্ৰেম মচিব নোৱাৰিলে। এফালে স্বামী আনফালে প্ৰেমিক। বিচ্ছেদৰ বেদনাত পাৰীকুট্টিয়েও ব্যৱসায় বাণিজ্যলৈ মন নিদি সাগৰ পাৰত কেৱল গান গাই-গাই ঘুৰি ফুৰে। জানোচা গানে স্পৰ্শ কৰে প্ৰেমিকাৰ হৃদয়। ইফালে কাৰুথাম্মা আৰু পালানিৰ মাজলৈ এজনী কন্যা সন্তান আহিছে, কাৰুথাম্মাৰ মাকৰ মৃত্যু হৈছে। দেউতাকে অন্য এজনী বিয়া কৰাইছে। মাকৰ মৃত্যুৰ খবৰ দেউতাকে জীয়েকক নিদিলে কাৰণ বিয়াৰ দিনাই সামান্য কথাত দেউতাকে জীয়েকৰ লগত সম্পৰ্ক ছেদ কৰিলে। মাকৰ মৃত্যুৰ খবৰ দিলেহি পাৰীকুট্টিয়ে। গিৰিয়েক পালানিৰ প্ৰশ্নৰ উত্তৰত কাৰুথাম্মাই স্পষ্টভাৱে জনাই দিলে যে তাই পাৰীকুট্টিক ভাল পাইছিল। পিছদিনা পালানিয়ে সোনকালেই সাগৰলৈ নাও লৈ গ'ল। সাগৰপাৰৰ মাছুৱৈ সকলৰ বিশ্বাস যে স্বামী যেতিয়া নাও লৈ সাগৰলৈ যায় তেতিয়া পত্নীয়ে পবিত্ৰ জীৱন যাপন কৰিব লাগে আৰু স্বামীৰ মঙ্গলৰ বাবে সাগৰ দেৱী কটলাম্মাক প্ৰাৰ্থনা কৰিব লাগে। পত্নীৰ সতীত্বৰ ওপৰতে স্বামীৰ জীৱন ৰক্ষা পৰে। কিন্তু পালানিয়ে সাগৰলৈ যোৱাৰ দিনা কাৰুথাম্মাই ভাবিলে পূৰ্বৰ প্ৰেমিকৰ কথা। কাৰুথাম্মাই সমাজৰ কাৰণে, স্বামীৰ কাৰণে এগৰাকী ভাল পত্নী হ'বলৈ যত্ন কৰিছিল, যদিও হৃদয়ৰ দাবীৰ ওচৰত যুক্তিৰ দাবীয়ে হাৰ মানিলে। ৰাতি

পাৰীকুট্টিৰ আহ্বানত ঘৰৰপৰা ওলাই গৈ আবদ্ধ হ'ল পাৰীকুট্টিৰ বাহু বন্ধনত। ৰাতিপুৱা কাৰুথাম্মা আৰু পালানিৰ ছোৱালীজনীয়ে কাৰুথাম্মাৰ ভনীয়েক পঞ্চমীৰ কোলাত কান্দি আছে। মাছুৱৈসকলে আগদিনা ৰাতি হৈ যোৱা ধুমুহাৰ বিষয়ে আলোচনা কৰিছে। দুদিন পিছত সাগৰ পাৰত ইটিয়ে-সিটিক সাবটি ধৰা দুটা শ পোৱা গ'ল, এটা কাৰুথাম্মাৰ আনটো পাৰীকুট্টিৰ। দূৰণীৰ আন এটা উপকূলত মৰা চাৰ্ক মাছ এটা বৰশী গিলা অৱস্থাত পোৱা গ'ল। এই চাৰ্ক মাছৰ লগতেই গোটেই ৰাতি যুঁজি যুঁজি পালানিয়ে ডুব যাব ধৰা নাওত ধৰি শেষবাৰৰ বাবে চিঞৰিছিল কাৰু........। উপন্যাসৰ কাহিনী চমুকৈ এয়াই। কেৰেলাৰ সাগৰপৰীয়া মাছমৰীয়া সম্প্ৰদায়ৰ ছোৱালী কাৰুথাম্মাই মুছলমান সম্প্ৰদায়ৰ যুৱক পাৰিকুট্টিক ভালপোৱা আৰু পৰম্পৰাগত সংস্কাৰাচ্ছন্ন গাঁৱৰ মানুহখিনিয়ে এই ভালপোৱাক স্বীকাৰ নকৰা, কাৰুথাম্মাই এগৰাকী নাৰী হিচাপে, এগৰাকী জীয়ৰী হিচাপে সেই ভালপোৱাক ত্যাগ কৰা অথচ আজীৱন সেই ভালপোৱাক বুকুত লৈ থকা প্ৰেমিকা হিচাপেই প্ৰেমিকৰ লগত একেলগে মৃত্যু বৰণ কৰা, ইত্যাদি কাহিনীয়ে উপন্যাসখন সমৃদ্ধ। সাবটা-সাবটিকৈ প্ৰেমিকযুগলে মৃত্যুবৰণ কৰা কথাটোৱে অসমীয়া উপন্যাস ৰজনীকান্ত বৰদলৈৰ 'মিৰিজিয়ৰী'লৈ মনত পেলায়।

কেৰেলাৰ সাগৰপৰীয়া মাছমৰীয়াসকলৰ জীৱন পৰিচালিত হয় সাগৰক কেন্দ্ৰ কৰি। নিজৰ মাতৃয়ে যেনেদৰে সন্তানক খুৱাই-বুৱাই, নিৰাপদে ডাঙৰ-দীঘল কৰে, তেনেদৰে সাগৰেও এই লোকসকলক খুৱাই-বুৱাই নিৰাপদে ৰাখে। সেইবাবে মাছুৱৈসকলে সাগৰক মাতৃৰ দৰে জ্ঞান কৰে। কিছুমান নীতি-নিয়মেৰে সাগৰপৰীয়া মাছুৱৈসকলৰ জীৱন পৰিচালিত হয়। জালোৱা বিলাকৰ মাজত পাঁচটা জাতি আছে। সেই কেইটা হৈছে আৰায়ান, ওৱালাকাৰাণ, মুকাওৱান, মৰয়াকাণ আৰু বালন। ইয়াৰ ভিতৰত ওৱালাকাৰাণ সকলেহে নাও আৰু জাল কিনিব পাৰে। গোষ্ঠীপতি বা মোড়লজনেই হৈছে এই মাছমৰীয়া সমাজৰ সৰ্বময় কৰ্তা। সামাজিক আৰু ধৰ্মীয় জীৱন এই গোষ্ঠীপতিৰ নিৰ্দেৰ্শমতেই পৰিচালিত হয়। তেওঁৰ অনুমতি অবিহনে কোনো জালোৱাই নাও আৰু জাল কিনিব নোৱাৰিব। কিন্তু ভেটি দিলে গোষ্ঠীপতিৰ ৰায় পক্ষপাতিত্বমূলকো হ'ব পাৰে। উপকুলীয় সমাজৰ অন্য এটা ৰীতি হ'ল ছোৱালীক দহ বছৰমান বয়সতে বিয়া দিব লাগে। নহ'লে মুৰব্বীৰ শাস্তি অনুযায়ী সমাজৰপৰা এঘৰীয়াও হ'বলগীয়া হ'ব পাৰে। অন্য এটা বিশ্বাস আছে যে সাগৰৰ পানী কেতিয়াবা ৰঙচুৱা হয়, তেতিয়া সাগৰ মাতৃৰ ঋতুস্ৰাৱ হয়। তেতিয়া সাগৰত মাছ মাৰিব নেপায়। জমা টকা নথকা উপকূলৰ দৰিদ্ৰ লোকসকল তেতিয়া লঘোণে থাকিবলগীয়া হয় আৰু কেতিয়াবা অভাৱগ্ৰস্থ এই লোকসকলে নিজৰ লামলাকটু ধনীজনৰ ওচৰত বন্ধকত থব লগাও হয়। এই গোটেই কথাবোৰ, বিশ্বাসবোৰ উপন্যাসখনৰ মাজত জীৱন্ত হৈ জিলিকি আছে। উপন্যাসখনত অন্য এটা লোক-বিশ্বাসে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে সেইটো হ'ল নাৰীৰ সতীত্ব আৰু স্বামীৰ প্ৰতি থকা একনিষ্ঠতা। এই দুটাৰ ওপৰতে সাগৰত মাছ মাৰি ফুৰা তেওঁলোকৰ স্বামীসকলৰ জীৱন নিৰ্ভৰ কৰে। উপন্যাসখনত নায়িকা কাৰুথাম্মাৰ মাক চাক্কীয়ে জীয়েকক কৈছিল "পবিত্ৰতা এটা মহামূল্যবান বস্তু আই, মাছুৱৈৰ তিৰোতাৰ সততা মাছুৱৈ সকলৰ একমাত্ৰ সম্পদ।" ("মিছামাছ"; পৃষ্ঠা-৬) উপকুলীয় লোকসকলৰ বিশ্বাস সাগৰ দেৱী কটলম্মাৰ স্থান হ'ল সমুদ্ৰৰ গভীৰতাৰ বুকুত একা বেঁকা সোঁতৰ ঘূৰ্ণিৰ মাজত। কাৰোবাৰ প্ৰতি দেবী বিতুষ্ট হ'লে তেওঁক সমুদ্ৰৰ বুকুলৈ লৈ যায়। নহ'লে পৰ্বত সমান ঢৌ উঠে সাগৰৰ গভীৰৰপৰা, ভয়াবহ সাপ পাৰলৈ উঠি আহে। উপন্যাসখনত

এখন সহজ-সৰল, দৰিদ্ৰগ্ৰস্থ মাছুৱৈৰ সমাজৰ এনেবোৰ লোক-বিশ্বাস ঔপন্যাসিকে ইমান সুন্দৰ ভাৱে অৱতাৰণা কৰিছে যেন এখন জীয়া ছবিহে। ইয়াৰ চৰিত্ৰ সৃষ্টি আৰু ভাষা প্ৰয়োগো মনোমোহা। দৰিদ্ৰ একোজন লোকৰ উচ্চাকাংখ্যা, সেই উচ্চকাংখ্যা পুৰাবলৈ কেতিয়াবা নিষ্ঠুৰ প্ৰকৃতিৰো হৈ পৰাটো স্বাভাৱিক। চেম্বনকুঞ্জৰ চৰিত্ৰটো এই দিশৰপৰা লেখত লবলগীয়া। চিৰন্তন মাতৃৰ মনোমোহা ৰূপ আৰু ন-ধনী তিৰোতাৰ অহংকাৰী স্বভাৱ চাক্কীৰ চৰিত্ৰত প্ৰকাশ পাইছে।

উপন্যাসখনৰ মূল জুমুঠি হ'ল এটা প্ৰেম কাহিনী। বিয়োগাত্মক প্ৰেমৰ কৰুণ পৰিণতিয়ে পাঠকৰ হৃদয়তো দুখৰ ঝংকাৰ তোলে। মূল কাহিনীৰ লগত যিমানবোৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস সংযোগ কৰা হৈছে এই ফালৰ পৰা 'চেম্মিন'ক কেৰেলাৰ সাগৰপৰীয়া লোকৰ এখন জীয়া ছবি যেন বোধ হয়। তদুপৰি মানুহৰ মনঃস্তাত্বিক বিশ্লেষণেও উপন্যাসখনৰ সৌন্দৰ্য চৰাইছে। প্ৰেম-বিচ্ছেদ, বিশ্বাস, অন্ধবিশ্বাস চিৰন্তন ৰীতি-নীতি, সামাজিক বান্ধোন তথা আচাৰ-ব্যৱহাৰ আদিৰে পৰিপূৰ্ণ এখন ভাৰতীয় উপন্যাস হ'ল 'চেম্মিন' (মিছামাছ)। পাৰুকুটি বৰুৱাৰ সুন্দৰ অনুবাদে উপন্যাসৰ ৰস বিঘ্নিত হ'বলৈ দিয়া নাই। এই অনুবাদেৰে অসমীয়া অনুবাদ-সাহিত্যৰ ভঁৰাল চহকী কৰাৰ কাৰণে অনুবাদক ধন্যবাদৰ পাত্ৰ।

❒❒❒

**সহায় লোৱা গ্ৰন্থ ঃ**

১) মিছামাছ ঃ শিৱশঙ্কৰ পিল্লাই; অনুবাদ ঃ পাৰুকুটি বৰুৱা।
২) সাহিত্য দেশী আৰু বিদেশী ঃ প্ৰহ্লাদ কুমাৰ বৰুৱা।
৩) তিনিখন ভাৰতীয় উপন্যাস ঃ লক্ষীকান্ত মহন্ত।

# মহাপুৰুষ মাধৱদেৱৰ নাট্য সাহিত্যৰ চমু অৱলোকন

প্ৰদীপ ভূঞা

মধ্যযুগৰ কামৰূপ-অসমত মহাপুৰুষ শঙ্কৰদেৱে গুৰিধৰা ভক্তি আন্দোলনত যিসকল সন্ত-মহন্ত-ভক্ত কবিয়ে যোগ দি এই আন্দোলনৰ পূৰ্ণ প্ৰতিষ্ঠা দিছিল সেই সকলৰ ভিতৰত মহাপুৰুষ মাধৱদেৱ আছিল সৰ্বশ্ৰেষ্ঠ আৰু শংকৰদেৱৰ সোঁ হাতস্বৰূপ। দুয়োগৰাকী মহাপুৰুষ সকলো বিষয়ত এজন আনজনৰ পৰিপূৰক আৰু অভেদাত্মাস্বৰূপ আছিল।

তেখেত মহাপুৰুষ শংকৰদেৱৰ দৰেই সৰ্বগুণাকৰ আছিল, হাতীয়ে নিজৰ বৃহৎ কলেৱৰ নেদেখাৰ দৰে মহাপুৰুষ মাধৱদেৱেও নিজৰ বৃহৎ গুণ আৰু প্ৰতিভাৰ উপলব্ধি নকৰি কেৱল নিজকে ‘মাধৱ দীনহীন’ ‘মাধৱ মুৰুখমতি’ আদি শব্দৰে নিজৰ সৰলতা প্ৰকাশ কৰি গৈছে। শংকৰদেৱক আশ্ৰয় কৰা দিনৰ পৰাই তেখেতে ভাগৱত, গীতা আদি নিগম শাস্ত্ৰসমূহ গভীৰভাৱে অধ্যয়ন কৰিবলৈ লয়। শংকৰদেৱৰ উপদেশ অনুসৰি তেখেতে গীত-পদ-ভটিমা আদি ৰচনা কৰিবলৈ লাগিল। শংকৰদেৱৰ পদানুসৰণ কৰি মহাপুৰুষীয়া ‘বাৰ অংকীয়া’ নাটৰ ছখন-অৰ্জুন ভঞ্জন, ব্ৰহ্মামোহন, চোৰধৰা, পিম্পৰা গুচোৱা, ভোজন বিহাৰ, ভূমি লেটোৱা ৰচনা কৰে। ইয়াৰ উপৰি ৰাস ঝুমুৰা, কোটোৰা খেলা, ভূষণ-হৰণ আদি ঝুমুৰাটো মাধৱদেৱৰ ভণিতা পোৱা যায়। সেয়ে মাধৱদেৱৰ নাটকৰ সংখ্যা ছখনৰো অধিক হ’ব। তেখেতৰ অৰ্জুন ভঞ্জন নাটকৰ বাহিৰে বাকীসমূহক ‘ঝুমুৰা’ আখ্যা দিয়া হৈছে। শংকৰদেৱ যেনেদৰে অসমীয়া নাটৰ ‘জন্মদাতা’, মাধৱদেৱকো তেনেদৰে অসমীয়া ‘ঝুমুৰা’ৰ জন্মদাতা বুলি ক’ব পাৰি। মাধৱদেৱে বিভিন্ন জনৰ মুখৰ পৰা শংকৰদেৱ গুৰুজনাৰ একুৰি চৈধ্যতা বৰগীত সংগ্ৰহ কৰি নিজেও ‘ন কুৰি এঘাৰটা’ বৰগীত ৰচনা কৰে। মহাপুৰুষ শংকৰদেৱৰ ৰূপ-গুণ বৰ্ণনা কৰি ৰচনা কৰা গুৰু ভটিমাটি মাধৱদেৱৰ পাণ্ডিত্য আৰু কবিত্বৰ অপূৰ্ব নিদৰ্শন। ইয়াৰ উপৰি শ্ৰেষ্ঠ দৰ্শন শাস্ত্ৰ নামঘোষা, ভক্তি ৰত্নাৱলী, জন্ম ৰহস্য, নাম মালিকা, ৰামায়ণৰ বাল কাণ্ড, ৰাজসূয় কাব্য আদি গ্ৰন্থৰ মাজেদি মাধৱদেৱৰ পাণ্ডিত্য আৰু কবিত্ব চিৰউজ্জ্বল হৈ থাকিব। এই গ্ৰন্থসমূহে অসমীয়া জাতিক অমৰ শক্তি প্ৰদান কৰি গৈছে। মাধৱদেৱে ৰচনা কৰা নাট-ঝুমুৰাসমূহ শ্ৰীমন্ত শংকৰদেৱৰ ৰচিত অংকীয়া নাটসমূহৰ দৰে আধ্যাত্মিকত্বৰে ভৰপূৰ হৈ আছে। এই নাটসমূহৰ মাজেৰে ইষ্টদেৱ শ্ৰীকৃষ্ণক প্ৰণিপাত জনোৱা হয়। গতিকে মাধৱদেৱে তেওঁৰ নাট ঝুমুৰাসমূহ ‘শ্ৰীকৃষ্ণায়ে নমঃ’ বুলি আৰম্ভ কৰিছে। ‘এক দেৱ, এক সেৱ’ নীতিক যে সৰ্বোপৰি মান্যতা দিয়া হয় সেই সিদ্ধান্তটো মাধৱদেৱে ইয়াৰ দ্বাৰা স্পষ্ট কৰি দিছে।

শ্ৰীকৃষ্ণই হৈছে পৰমাত্মা, পৰমব্ৰহ্ম নাৰায়ণৰ পূৰ্ণ অৱতাৰ। গতিকে তেৱেঁই সমস্ত জীৱৰ উপাস্য সত্তা। তেওঁৰ লীলাসমূহ শ্ৰৱণ কৰিলে মনুষ্যৰ হৃদয়ত ভক্তি সঞ্চাৰ হয় আৰু অন্তঃকৰণ শুদ্ধ হয়। সেইবাবে মাধৱদেৱে তেওঁৰ নাট-ঝুমুৰাসমূহত সূত্ৰধাৰৰ মুখত দিয়া প্ৰথম সংলাপটো এনেধৰণৰ- ‘আহে সামাজিক লোক যে চৰাচৰ গুৰু নাৰায়ণঃ সৰ্বলোকহিত কাৰণে নন্দক মন্দিৰে বেকত হুয়াকহোঁঃ কপট গোপবেসেঃ পৰম মঙ্গলৰূপেঃ নানান ৰাসেখেলনা কয়কহুঃ যশোৱাক মন সন্তোসিয়েঃ জৈচন কয়লঃ তাহে দেখহ সুনহঃ নিৰন্তৰে হৰি বোল হৰি বোল ’।

তাৎপৰ্যপূৰ্ণভাৱে মাধৱদেৱে তেওঁৰ অধিকাংশ নাট-ঝুমুৰাতে এই সংলাপটোকে প্ৰথম সংলাপ ৰূপে

দিছে। মাধৱদেৱৰ একমাত্ৰ পূৰ্ণাঙ্গ অংকীয়া নাট 'অৰ্জুন ভজন'ৰ মাজেৰে একশৰণ নাম ধৰ্মৰ প্ৰতিপাদ্য তত্বসমূহক ৰূপকাত্মকভাৱে সৰ্বজনৰ বোধগম্য হোৱাকৈ পৰিৱেশন কৰা হৈছে। যশোদাই যেতিয়া শ্ৰীকৃষ্ণক গৰু বন্ধা পঘাৰে বান্ধিবলৈ প্ৰয়াস কৰিয়ো বাৰম্বাৰ ৰছি জোৰা দিয়াৰ পিছতো প্ৰতিবাৰতে দুই আঙুলৰ বাবে নোজোৰে, তাৰ দ্বাৰা জীৱাত্মা-পৰমাত্মা, ভক্ত-ভগৱন্তৰ পাৰ্থক্যকে দেখুওৱা হৈছে। মায়া ঈশ্বৰৰ উপাধি, সেই মায়াৰ দ্বাৰাই তেওঁ চৰাচৰ জগত সৃষ্টি কৰে। গতিকে তেওঁ নিজৰ সৃষ্টিতকৈ উৰ্দ্ধত থাকিবই। জীৱাত্মা যদিও পৰমাত্মাৰ অংশ, এই কাৰণত জীৱাত্মা পৰমাত্মাতকৈ নিঃকিন। পৰমাত্মা কৃষ্ণৰ কৃপাতহে জীৱাত্মাই পৰমাত্মাৰ অনুভৱ লাভ কৰিব পাৰি। যেতিয়া শ্ৰীকৃষ্ণই নিজে ইচ্ছা কৰিলে তেতিয়াহে যশোদাই তেওঁক জৰিৰে বান্ধিবলৈ সমৰ্থ হ'ল। যিখিনি সময়ত যশোদাই শ্ৰীকৃষ্ণক বান্ধিবলৈ প্ৰয়াস কৰি আছিল, সেই সময়ছোৱাত তেওঁৰ মাজত অহংভাৱ সক্ৰিয় হৈ আছিল। কিন্তু অহংভাৱ থাকিলে ভক্তি নিসিজে। সেয়ে তেওঁ নিৰন্তৰ ব্যৰ্থতাক সাবটিবলগীয়া হৈছিল। অহংভাৱ থকালৈকে জীৱ সংসাৰ চক্ৰত আবদ্ধ হৈ থাকে। যশোদাই যি বন্ধনত শ্ৰীকৃষ্ণক বান্ধিব বিচাৰিছিল সেয়া নিজৰ সংসাৰ বন্ধনৰ প্ৰতিফল মাথোন। জীৱই অজ্ঞতাৰ বাবেহে সংসাৰ চক্ৰত আৱদ্ধ হৈ থাকে। যশোদাৰ মাজত সাংসাৰিক মায়া-মোহ আদি পূৰ্ণমাত্ৰাই আছে। সেইবাবেই বন্ধনৰ ইচ্ছা। তেওঁ কৃষ্ণক বান্ধিবলৈ প্ৰয়াস কৰাৰ অৰ্থ হ'ল তেওঁৰ নিজৰ মাজত থকা কৃষ্ণ চৈতন্যক জাগতিক মোহৰ মাজত বন্ধা। যেতিয়ালৈকে তেওঁৰ অহং ভাৱ থাকে, যেতিয়ালৈকে তেওঁৰ নিজৰ ভক্তি নিসিজে, তেতিয়ালৈকে তেওঁৰ নিজৰ বাবে বন্ধন অটুট ৰাখে। যশোদা আৰু গোপ-গোপীসকলৰ যৎসামান্য অহংভাৱ থাকিলেও তেওঁলোক ঈশ্বৰ ভক্ত হোৱা হেতু পৰমেশ্বৰ কৃষ্ণক সাকাৰ ৰূপত তেওঁলোকৰ মাজত লাভ কৰিছে। এনে সৌভাগ্য ভক্তি মাৰ্গতহে সম্ভৱ, কৰ্মমাৰ্গ বা জ্ঞানমাৰ্গত নহয়। মাধৱদেৱে 'অৰ্জুন-ভঞ্জন' নাটত সেই সিদ্ধান্ত ঘোষণা কৰিছে 'শ্ৰীকৃষ্ণ যশোৱাক যে প্ৰসাদ দেলহঃ ওহি যশোৱা নন্দন ভগৱন্ত পৰমদেৱতাঃজ্ঞানিক কমিব পৰম দুৰ্লভঃ ভকতক পৰম সুলভ'। তেওঁৰ নাট ঝুমুৰাসমূহৰ মাজেৰে যে ভক্তিৰ মহত্বই ঘোষিত হৈছে তেওঁ তাৰ যুক্তিও আগবঢ়াইছে। একেখন নাটতে তেওঁ সূত্ৰধাৰৰ মুখত বচন দি কোৱাইছে যে বেদৰ মাজত ব্ৰহ্ম বিচাৰ কৰিবলৈ যোৱাটো অতি কঠিন কাম, সেই কাৰ্যত মানুহৰ শৰীৰেই পৰে, অথচ গোৱালী যশোদাৰ গৃহত পৰমেশ্বৰ বন্দী হৈ আছে। অৰ্থাৎ জ্ঞান মাৰ্গেৰে ঢুকি নোপোৱা পৰম সত্যক ভক্তি মাৰ্গত সহজে উপলব্ধি কৰিব পাৰি। শ্ৰীকৃষ্ণ হৈছে সগুণ ব্ৰহ্ম। সগুণ ব্ৰহ্মাক ভক্তি মাৰ্গত উপলব্ধি ধৰিব পাৰি। আন মাৰ্গত নিৰ্গুণ ব্ৰহ্মাৰ বিচাৰ কৰিবলৈ গৈ সাধকে ব্যৰ্থতাক সাবটি ল'বলগীয়া হয়। নাটখনৰ অন্তিম বচনত সূত্ৰধাৰে সগুণ-নিৰ্গুণৰ একত্ৰ ঘোষণা কৰিছে, নিৰ্গুণ পৰমব্ৰহ্মাই শ্ৰীকৃষ্ণৰ ৰূপত সগুণ অৱতাৰ হৈছে- 'যে নিৰ্গুণ দেৱতাঃ সহজে জন্ম কৰ্ম ৰহিত' সেই পৰম সত্তাই 'জীৱক তৰণ নিমিত্তেঃ আপুনে সাক্ষাত বেকত হুয়া কপট মানুষ চেষ্টা দেখায়া বিবিধ লীলা বিস্তাৰ কয়।' অৰ্থাৎ জীৱক কৃপা কৰিবৰ অৰ্থে পৰমাত্মাই সগুণ অৱতাৰৰ ৰূপ ধাৰণ কৰে।

ঈশ্বৰ উপলব্ধিৰ বাবে অন্তৰ শুদ্ধ আৰু পৱিত্ৰ হ'ব লাগে। সেইবাবে গোপ শিশুসকলে শ্ৰীকৃষ্ণক লগৰীয়া হিচাপে পাইছিল। মাধৱদেৱৰ 'চোৰধৰা' ঝুমুৰাত শিশুসকলে শ্ৰীকৃষ্ণক 'হামাৰ স্বামী' বুলি ঘোষণা কৰিছে। অৰ্থাৎ তেওঁলোকে নিজৰ শুদ্ধ অন্তৰত ভগৱন্তক স্বামী বুলি উপলব্ধি কৰিছে। অন্য কোনো চৰিত্ৰই এনেদৰে স্পষ্টভাৱে শ্ৰীকৃষ্ণক নিজৰ গৰাকী বুলি ক'ব পৰা নাই। আনকি গোপীসকলেও পৰা নাই, গতিকে শিশু হৈছে ভক্তৰ বাবে প্ৰকৃত আৰ্হি। শিশুৰ দৰে হ'ব পাৰিলেহে ঈশ্বৰক পাব পাৰি। সেই কাৰণে শ্ৰীকৃষ্ণ সকলো সময়তে গোপ শিশুসকলৰ লগত আছিল।

'পিম্পৰা গুচোৱা' ঝুমুৰাত মাধৱদেৱে কৈছে যে ব্ৰহ্মা আদি দেৱতাসকলেও ভগৱন্তৰ মায়াৰ ওৰ নাপায়। 'ভূমি লেটোৱা' ঝুমুৰাত তেওঁ কৈছে যে ব্ৰহ্মা আদি দেৱতাসকলেও শ্ৰীকৃষ্ণৰ মাহাত্ম্য বুজি পায়, তেতিয়া তেওঁক স্তুতি কৰে। এইদৰে বাৰম্বাৰ যি ব্ৰহ্মাৰ কথা কোৱা হৈছে, সেয়া সংসাৰত আৱদ্ধ জীৱৰ বাদে আন কোনো নহয়। প্ৰজননত লিপ্ত হৈ সংসাৰ চক্ৰত বাটত ৰখোতা জীৱই ব্ৰহ্মা। তেওঁৰ সংসাৰ চিন্তাৰ হেতু ঈশ্বৰ চিন্তাৰ বাবে আহৰি সহজে নোলায়। বহু পলমকৈহে তেওঁ ঈশ্বৰৰ তত্ত্ব বুজিব পাৰে। কিন্তু একশৰণ নাম ধৰ্মত সংসাৰত থাকিও ভকতসকলে হৰিক ভক্তি কৰে। ইয়াত সংসাৰ পৰিতাজ্য নহয়। গতিকে অহং ভাৱত মত্ত ব্ৰহ্মাই এটা সময়ত শ্ৰীকৃষ্ণক ঈশ্বৰ বুলি বুজি পায়। আমি সংসাৰত মজি নিজকে পিতৃ-মাতৃ বুলি ভ্ৰম কৰো। 'ব্ৰহ্মামোহন' ঝুমুৰাত শ্ৰীকৃষ্ণই ব্ৰহ্মাৰ যি ভ্ৰম দূৰ কৰে সেয়া সাংসাৰিক জীৱৰ ভ্ৰম। অঘাসুৰে বধ কৰা গোপসকলক আৰু গৰুবোৰক জীয়াই তুলি শ্ৰীকৃষ্ণই ব্ৰহ্মাক দেখুৱাই যে তেৱেঁইহে প্ৰকৃত চৈতন্য, পৰমাত্মা। সেই পৰম সত্তাৰ অস্তিত্বৰ হেতুকে জীৱ চৈতন্যময় হৈ থাকে। জীৱই জীৱক চৈতন্যময় কৰিব নোৱাৰে। পৰমাত্মা শ্ৰীকৃষ্ণইহে পাৰে। 'অৰ্জুন ভঞ্জন' নাটত সেই সত্যক ঘোষণা কৰা হৈছে। 'পৰম পুৰুষ পুৰোযোত্তমঃ দেৱক পৰমদেৱতাঃ জগতৰ আদি কাৰণঃ প্ৰধান পুৰুষ নিয়ামকঃ সৃষ্টি, স্থিতি প্ৰলয় প্ৰৱৰ্তকঃ ভগৱন্ত নাৰায়ণ'। গতিকে শ্ৰীকৃষ্ণইহে প্ৰকৃত স্ৰষ্টা। তেৱেঁই প্ৰকৃত পুৰুষ। ব্ৰহ্মাদি দেৱতা পদবাচ্য সত্তাসমূহো জীৱ মাথোন। যিহেতু জীৱই জীৱক উদ্ধাৰ কৰিব নোৱাৰে গতিকে দেৱ-দেৱীক উপাসনা কৰি জীৱই সংসাৰৰ পৰা মুক্তি নাপায়। তাৰ বাবে পৰমেশ্বৰ শ্ৰীকৃষ্ণৰ ওচৰত শৰণাপন্ন হ'ব লাগিব।

'ভূমি লেটোৱা' ঝুমুৰাত কোৱা হৈছে- 'মহা মহা যজ্ঞেঃ জাক তুষ্ট কৰাইতে নহি পাৰতঃ সেহি পৰমেশ্বৰঃ ভকতিৰ বশ্য হুয়াঃ গোৱৰিক থামে।' যাগ-যজ্ঞৰ দ্বাৰা ঈশ্বৰক তুষ্ট কৰিব নোৱাৰি, ভক্তিৰ দ্বাৰাহে পাৰি। ইয়াৰ তাৎপৰ্য হৈছে মনুষ্যই নিষ্কাম কৰ্মৰ দ্বাৰাহে নিজৰ পৰম কল্যাণ সাধিব পাৰে, সকাম কৰ্মৰ দ্বাৰা নহয়। যাগ-যজ্ঞ ধৰ্ম কাৰ্য হ'লেও কামনা দুষ্ট হয়। তেনেহ'লে ভগৱন্তৰ কৃপা লাভ নহয়। নিষ্কাম ভক্তিৰ দ্বাৰাহে ভগৱন্তক সন্তুষ্ট কৰিব পাৰি। অৰ্জুন গছৰূপী কুবেৰ পুত্ৰদ্বয়ে সেই নিষ্কাম ভক্তি কৰি মুক্তি পালে।

মাধৱদেৱে তেওঁৰ নাট ঝুমুৰাসমূহত ঈশ্বৰ ভক্তিৰ বাবে সংসাৰিক বাসনা পৰিত্যাগ কৰাৰ প্ৰয়োজনৰ তত্ত্বটো উপস্থাপন কৰিছে। তাৰ বাবে তেওঁ লৱণু অৰ্থাৎ মাখনক বিষয় বাসনাৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। অৰ্জুন ভঞ্জন, চোৰধৰা পিম্পৰা গুচোৱা, ভূমি লেটোৱা আৰু কোটোৱা খেলাত এই ৰূপকৰ ব্যৱহাৰ ঘটিছে। শ্ৰীকৃষ্ণই যশোদা আৰু গোপীসকলৰ লৱণু চুৰি কৰে, অৰ্থাৎ তেওঁ সিবিলাকৰ মায়া-মোহ দূৰ কৰে। 'চোৰধৰা'ত তেওঁ গোপী প্ৰদত্ত লৱণু ভোজন কৰাৰ পিছত নৃত্য কৰে। অৰ্থাৎ তেতিয়া ভক্তৰ সন্মুখত নিজৰ মহত্ব প্ৰকাশ কৰে। 'অৰ্জুন ভঞ্জন'ত যশোদাই অধিক লৱণু উৎপাদন কৰিবলৈ তৎপৰ হৈছে। দাসীসকলক অন্য গৃহ কৰ্মত নিয়োগ কৰি নিজে দধি মথিবলৈ লৈছে, শ্ৰীকৃষ্ণকো তেওঁ গুৰুত্ব দিয়া নাই যেতিয়া ভক্তৰ ৰংগ এনে দুৰ্দশা হয়, তেতিয়া ভগৱন্তই নিজে জোৰ কৰি তেওঁ সংসাৰ কৰ্মৰ পৰা বিৰত কৰায়। সেয়ে শ্ৰীকৃষ্ণই সমস্ত লৱণু ভোজন কৰি বান্দৰক বিলাই শেষ কৰিলে আৰু টেকেলিবোৰো ভাঙিলে। যেতিয়া ভক্তই পৰমাৰ্থিক প্ৰয়াসৰ প্ৰতি মন নিদিয়ে, ভগৱন্ত এনেদৰে তেওঁৰ ঐতিহ্য প্ৰয়াসত হস্তক্ষেপ কৰে। মাধৱদেৱে ভক্তি মাৰ্গৰ গুহ্য তত্বসমূহ তেওঁৰ নাট ঝুমুৰাসমূহৰ মাজেৰে প্ৰাঞ্জলভাৱে পৰিৱেশন কৰিছে। তেওঁ সেই তাত্বিক মাৰ্গদৰ্শন নাট্য কাহিনীৰ মাজত ইমান সুন্দৰভাৱে প্ৰোথিত হৈ আছে যে পাঠক দৰ্শকে তাত্বিক কাঠিন্যক ৰসাস্বাদনৰ অন্তৰায় ৰূপে নাপায়। সেইবাবেই শিশুৰ পৰা বৃদ্ধলৈ সকলোৱে সেইবোৰ উপলব্ধি কৰে আৰু সেই প্ৰক্ৰিয়াতে তেওঁলোকৰ আধ্যাত্মিক উত্তৰণ ঘটে।❐

# মাধৱদেৱৰ প্ৰিয় শিষ্য তথা বিশিষ্ট আতাপুৰুষ পদ্মআতা আৰু মথুৰাদাস আতা

নৃপেন ফুকন

**পদ্মআতা ঃ**

বদুলা বা বদলা আতাৰ প্ৰকৃত নাম পদ্ম চোমদাৰ। পদ্ম আতাৰ পূৰ্বপুৰুষ আছিল কুণ্ডিলৰ (বৰ্তমান শদিয়া)। তেৰাৰ পিতৃদেৱৰ নাম আছিল তিতা চোমদাৰ। তেৰাৰ ককাই-ভাই দুজন। ককায়েকৰ নাম শংকৰ চোমদাৰ। আতাৰ জন্ম হৈছিল বৰ নাৰায়ণপুৰত। পদ্ম আতাৰ জন্মৰ প্ৰায় আঢ়ৈ বছৰমান বয়সতে দেউতাকৰ হানি হোৱাত মাকে দুই পুত্ৰ শংকৰ আৰু পদ্মক গহপুৰত থকা মোমায়েকৰ ঘৰত থৈছিল। পদ্ম আতাই সৰুতে মোমায়েকৰ ঘৰত থাকি গৰু-গাই চৰোৱাৰ উপৰি বিভিন্ন ঘৰুৱা কামত সহায় কৰিছিল। জন্মৰে পৰা পদ্ম আতাৰ স্বভাৱ বৰ শান্ত প্ৰকৃতিৰ আছিল। বৰ ধীৰ-স্থিৰ চৰিত্ৰৰ পদ্ম আতাৰ গাত সৰুৰে পৰা বৈৰাগ্য লক্ষণ ফুটি উঠিছিল। হ'লেও তেৰাৰ পূৰ্বপুৰুষৰ গাত থকাৰ দৰে বীৰৰ মনোবৃত্তিও আছিল। এবাৰ এদল ডফলাই মোমায়েকৰ গাঁওখন অতৰ্কিতে আক্ৰমণ কৰি এফালৰ পৰা মানুহবোৰ মাৰি আহিছে বুলি গম পাই আতাই হাতত এখন তৰোৱাল লৈ ডফলাবিলাকৰ লগত অকলেই মুখামুখি যুদ্ধত অৱতীৰ্ণ হ'ল। যুদ্ধক্ষেত্ৰত প্ৰৱেশ কৰি পদ্ম আতাই এনেকুৱাকৈ তৰোৱালখন ঘূৰাবলৈ ধৰিলে যে ডফলাবিলাকে তেৰাৰ ওচৰ চাপিব পৰাটো দূৰৰ কথা হাতত থকা দা-যাঠি সকলো দলিয়াইও কোনেও আতাৰ গাত আঘাত হানিব নোৱাৰিলে। তাকে দেখি ডফলাবিলাকে তেৰাক দেও মানুহ বুলি ভাবি আঁতৰি গৈ পাহাৰত উঠিলগৈ। অৱশ্যে সেইদিনা ডফলাবিলাকে অনাহকত বহুত মানুহ বধ কৰাৰ বাবে পদ্ম আতাই মনত অতিশয় দুখ পাইছিল আৰু বিষয় বাসনাৰ প্ৰতিও তেতিয়াৰ পৰাই বিতৃষ্ণা জাগিছিল। অৱশ্যে গাঁওবাসীয়ে পদ্ম আতাৰ বীৰত্ব নিজ চকুৰে প্ৰত্যক্ষ কৰাত তেতিয়াৰে পৰা গাঁৱৰ মানুহবোৰে তেৰাক বৰ সমীহ কৰি চলিছিল আৰু সকলোতে আগস্থান দিছিল। এদিন গৰু চৰাবলৈ যাঁওতে তেৰাই গছৰ ছাঁত জিৰণি লৈ থাকোতে তাতে টোপনি গৈছিল। টোপনিত লালকাল দি শুই থকা অৱস্থাতে গছৰ পাতৰ সুৰুঙাইদি আতাৰ মুখত ৰ'দ পৰাত, মূৰৰ ফালে ৰৈ এটা ডাঙৰ ফেঁটী সাপে ফেঁট তুলি লৈ আতাৰ মুখ মণ্ডলত ৰ'দ পৰিবলৈ নিদিয়াকৈ ছাঁ দি থকা প্ৰত্যক্ষ কৰি লগৰীয়াবোৰ আচৰিত হৈছিল।

পদ্ম আতাই মোমায়েকৰ ঘৰত গৰু-গাই চৰাই পেট প্ৰৱৰ্তাই থকা কালতে বিদ্যা অৰ্জন কৰিবলৈ মোমায়েকে জয় ভাৰতী নামৰ পণ্ডিত এজনৰ টোলত পঢ়াৰ সুবিধা কৰি দিছিল। স্বভাৱতে লিখা-পঢ়াত মেধাসম্পন্ন পদ্ম আতাক জয় ভাৰতী পণ্ডিতেও আন আন ছাত্ৰতকৈ অধিক প্ৰাধান্য দিছিল আৰু গুৰুত্বপূৰ্ণ কামৰ বাবে তেৰাকে পাচিছিল। এবাৰ কোনোবা গৃহস্থৰ গৃহলৈ হৰি-সংকীৰ্তন কৰিবৰ নিমিত্তে জয় ভাৰতী পণ্ডিতক নিমন্ত্ৰণ দিছিল। কিন্তু তাৰ পিছতে অন্য ঠাইত পুখুৰী এটা উৎসৰ্গা কৰিব লগা কাৰ্য এভাগৰ নিমন্ত্ৰণ

আহি পৰাত তেৰাই হৰি-কীৰ্তনলৈ নগৈ তেওঁৰ পৰিৱৰ্তে পদ্ম আতাকে পঠালে। শিক্ষাগুৰুৰ বাক্য শিৰোধাৰ্য কৰি তেৰাই গৃহস্থৰ গৃহত উপস্থিত হৈ জয় ভাৰতীৰ বদলে আহিছোঁ বুলি কোৱাত গৃহস্থ আৰু বাকী সৎসংগীসকলে অধিক আনন্দহে পালে। সেয়ে শুদ্ধ চিত্তৰ আতাক সকলোৱে সেইদিনা পাঠক হ'বলৈ ক'লে আৰু পাঠৰ বাবে জয় ভাৰতীৰ পৰা আনিথোৱা 'ৰত্নাৱলী' পুথিভাগ উলিয়াই দিলে। আতাই যথা নিয়মেৰে অতি নিষ্ঠাভাৱ ৰাখি শাস্ত্ৰখন মেলি বৰ সুমধুৰ সুৰত পাঠ কৰিবলৈ আৰম্ভ কৰিলে আৰু পদৰ ভাঙনি খিনিও শুদ্ধকৈ বুজাই বৰ্ণনা কৰি যোৱাত সকলোৱে বৰ মনোযোগেৰে শুনিছিল আৰু তেৰা নিজেও ভক্তিভাৱত তন্ময় হৈ পৰিছিল। তেৰাই শ্ৰীশ্ৰী মাধৱদেৱকৃত ৰত্নাৱলী পুথিৰ পৰা ভক্তিৰস আস্বাদন কৰি তেতিয়াই সংকল্প কৰিলে যে অতি সৰলভাৱে অসমীয়া ভাষাত ৰত্নাৱলী পুথিখন পদবন্ধে ৰচনা কৰা মহান গুৰুজনাৰ চৰণত শৰণাপন্ন হ'ব। পাছত পদ্ম আতাই পণ্ডিত জয় ভাৰতীৰ পৰা ৰত্নাৱলী পুথিখন খুজি নি শ্ৰদ্ধা আৰু ভক্তিভাৱেৰে সম্পূৰ্ণকৈ অধ্যয়ন কৰি ভক্তিৰত্ন বুটলি গুৰুধৰ্মৰ প্ৰতি অধিক আকৃষ্ট হৈছিল।

পদ্ম আতাৰ বৈৰাগ্যভাৱ লক্ষ্য কৰি ককায়েক-বৌৱেক আৰু বংশ-পৰিয়ালৰ লোকে ভাল চাই কন্যা এগৰাকী বিচাৰি পাই আতাক ধৰি-বান্ধি বিয়া পাতি দি গৃহাশ্ৰমী কৰিছিল যদিও সংসাৰ বিফল হ'ল। কাৰণ তেৰাই বিষয়-বাসনা আসক্তি শূন্য হৈ ঘৰৰ পৰা আঁতৰি গৈ ইঠাই-সিঠাইকৈ হৰিপুখুৰী পালেগৈ। তাতে বহা এটি সাজি থাকোঁতেই ইকাণ-সিকাণকৈ তেৰা এগৰাকী ঈশ্বৰবুদ্ধি সম্পন্ন বৈৰাগী ভকত বুলি মানুহে গম পাই চাৰিওফালৰ পৰা লোকসকল আহি দ্ৰব্য-বস্তু দি সেৱা জনাইছিল। তেওঁলোকৰ মাজৰে তেৰাৰ গুণমুগ্ধ সংগী ভকতসকল হ'ল লোগুটি দামোদৰ, কণ্ডাৰি মাধৱ চৰণ, বাসুদেৱ আৰু তেৰাৰ ভাগিন জগন্নাথচৰণ। ইফালে পদ্ম আতাৰ জনপ্ৰিয়তা বৃদ্ধিলৈ লক্ষ্য ৰাখি জয় ভাৰতী পণ্ডিতে নিজৰ যশস্যা ম্লান পৰাৰ ভয়ত কি কৰোঁ কি নকৰো ভাবি এদিন আহি ৰত্নাৱলী পুথিখনকে লৈ গ'লহি। অৱশ্যে পদ্ম আতাই 'ৰাজসূয়' পুথিখন সংগ্ৰহ কৰি ভালকৈ পঢ়ি-মেলি জুকীয়াই লৈ নিজাকৈ কিবা এটা লিখি উলিয়াবলৈ হাতত লওঁতেই ভাটি কামৰূপৰ পৰা কেশৱ চৰণ আতা তেৰাৰ বহা পাইছিলগৈ।

মাধৱদেৱ গুৰুজনাৰ নিৰ্দেশত পদ্ম আতাই কেইবাখনো তীৰ্থ ভ্ৰমণ কৰি তাৰ পৰা বহু অভিজ্ঞতা আহৰণ কৰি ঘূৰি আহোঁতে মৃত্তিকা আৰু গংগাজল আনি মাধৱদেৱক অৰ্পণ কৰিলে। তেতিয়া মাধৱদেৱে সন্তোষ লাভ কৰি পদ্ম আতা যে এগৰাকী প্ৰকৃত বিষয়-বাসনাৰ প্ৰতি অনাসক্ত তথা শুদ্ধ-বুদ্ধ সত্বগুণী সু-পুৰুষ সেই কথাত নিশ্চিত হ'ল আৰু সম্পূৰ্ণ সাত দিন আধ্যাত্মিক তত্ব আৰু ঈশ্বৰৰ মহত্বৰ লগতে সৎ গুৰুৰ পৰিচয় প্ৰদান কৰি শ্ৰীমন্ত শংকৰদেৱৰ ভাৱাদৰ্শৰ লগত সংগতি ৰাখি কি ভাৱে নাম ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত মনোনিৱেশ কৰিব লাগিব সেই উপদেশ প্ৰদান কৰিলে। তদুপৰি মাজে মাজে হৰি নামৰ কীৰ্তন কৰি কৃষ্ণ-সংস্কৃতিৰ আৰ্হি-প্ৰণালীবিলাক আচৰণ কৰি দেখুৱাই তেনেভাৱেই সম্পূৰ্ণ কথাখিনি ব্যক্ত কৰিলে; যেন যি আছিল সকলো উজাৰি দি মহাপুৰুষ জনাই নিজৰ বল-বীৰ্য, শক্তি-ভক্তি সকলো আতাত থাপনা কৰিলে আৰু ক'লে বোলে "বাপু লবনাতি, তুমি উজানক প্ৰতি যাব লাগে, তাতে ধৰ্ম প্ৰকাশ কৰিবলৈ। পূৰ্বে শংকৰগুৰুৱে মোক বাৰে ভূঞা ধৰাত বাউসীতে আমাক পাচিছিল, সখিত্ব ৰাখিলে গুৰুবাক্য পৰি আছে, যাব নপাইলো আমাৰ গা বদলে তুমি যোৱা।" (কথা গুৰু চৰিত পৃষ্ঠা ৫৩১-৩২) সেয়ে তেতিয়াৰ পৰা পদ্ম আতা বদলা বা

বদুলা পদ্ম আতা নামে খ্যাত হ'ল। অৱশ্যে পদ্ম আতাই মাধৱদেৱে প্ৰদান কৰা গুৰুভাৰখন ল'বলৈ সাহস কৰা নাছিল। সেয়ে মাধৱদেৱ গুৰুজনাই সাহস দি ক'লে বোলে "তোমাৰ কাৰণে বিষম আসাম সম হ'ব।" ইয়াৰ পিছত মাধৱদেৱে শংকৰগুৰুৰ ধৰ্মৰাজ্য ভাগ কৰি সীমা নিৰ্ধাৰণ কৰি ক'লে বোলে "আমি নিজে সোণকোষৰ পৰা কৰতোৱা গঙ্গা, সোণকোষৰ পৰা বৰনদীলৈ এইডোখৰ মথুৰা দাস আতাৰ, বৰনদীৰ পৰা ব্ৰহ্মকুণ্ডলৈ সেইখণ্ড তোমাক দিলো।" এইবুলি গুৰুজনাই পদ্ম আতাক চাৰিখন শাস্ত্ৰ দি ক'লে বোলে "কীৰ্ত্তন আৰু দশমত শঙ্কৰ গুৰুক দেখিবা, ঘোষা ৰত্নাৱলীত আমাক দেখিবা। তুমি যোৱা, তোমাৰ লগত পিতা-পুত্ৰে চলি গ'লো।" এইবুলি হৰি বল্লভ নামৰ ভকতজনক আদেশ দি ক'লে বোলে "হৰিবল্লভ, শঙ্কৰগুৰুৰ তাল, মালা আৰু নাম মালিকা সকলোখিনিকে আনা।" গুৰুৰ আজ্ঞা পাই হৰিবল্লভে আনি দিয়াত গুৰুজনাই বদলা পদ্ম আতাক ক'লে বোলে "এই মালা শ্ৰীশঙ্কৰগুৰুজনে সেৱা কৰা মালা, আমাক দিছিল, ইমান দিন আমি নিজে সেৱা কৰি আছিলো, এতিয়া তোমাক দিলো সেৱা কৰি থাকিবা, এইজোৰা বৰ তালেৰে শ্ৰীশঙ্কৰগুৰুৱে নাম গাইছিল। তুমি সযত্নে ৰাখি নাম-প্ৰসংগ কৰিবা। তুমি মোৰ সেৱকসকলৰ ভিতৰত আটাইতকৈ নুমলীয়া, মইও নাম মালিতাখন ৰচনা কৰি এতিয়াৰ পৰা কাপ-মহী এৰিছো। সেয়ে আমি আমাৰ নুমলীয়া শাস্ত্ৰখানি তোমাক সেৱকশ্ৰেষ্ঠ পাই তোমাতে গটালো আৰু শুনা লবনাতি অতকাল এই ভক্ত বস্তুক কোনেও প্ৰাৰ্থনা কৰা নাছিল। কিন্তু কোনেও বাঞ্ছা নকৰা বস্তুক পাবলৈ তুমি প্ৰাথিলা। গতিকে তুমি যি বাঞ্ছা কৰি প্ৰাৰ্থনা কৰিলা তেনে সিদ্ধি হ'ব। তুমি ভকতক পাবা আৰু ভকত তোমাহন্তে সুখী হ'ব।" ইয়াৰ পিছতো আতাৰ মনৰ সংশয় ছেদিবৰ উদ্দেশ্যে ক'লে বোলে "তুমি মোক পূৰ্ণে দেখা নাই; বৰ বিষ্ণু আতা, মথুৰাদাস আতা আৰু সখা নাৰায়ণ দাস আতা আৰু ভৱানীপুৰীয়া গোপাল আতাক দেখিবা যেতিয়া, তেতিয়াহে মোক সম্পূৰ্ণ দেখিবা।" গুৰুজনাই আগ্ৰহ প্ৰকাশ কৰি বদলা আতাক উজনিলৈ প্ৰত্যাগমন কৰাৰ বাটত উল্লেখিত আতাসকলক দেখা কৰি তেৰাসৱে দিয়া ধৰ্মৰ আৰ্হি তত্ব আৰু পৰামৰ্শ আদি লৈ যাবলৈ ক'লে।

পদ্ম আতা ওৰফে বদলা আতাই কত জন্ম আৰু কঠোৰ সাধনাৰ বলত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ সান্নিধ্য লাভ কৰাৰ লগতে তেৰাৰ জীৱন কৃপাধন্য হৈছিল। কিন্তু মাধৱদেৱ গুৰুজনাক এৰি আহিব লগা হোৱাত আতাই গুৰুজনাৰ চৰণত পৰি কান্দিবলৈ ধৰিলে। তাকে দেখি গুৰুজনাই নানাভাৱে প্ৰবোধ দি ঘাটলৈকে আগবঢ়াই থ'লে। বদলা আতা নাৱত উঠাৰ পিছত বিষ্ণু আতাই চকুলো টোকাত মাধৱদেৱে বিষ্ণু আতাক ক'লে বোলে "আমি পিতা পুত্ৰ সমন্বিতে তেওঁৰ লগতে চলি গ'লো। আমাৰ এতিয়া বাহহে আছে, শাহ গ'ল। তেওঁৰ চাউল এতিয়া তিনিও ৰাজ্যৰ লোকে খাব।" (শ্ৰী শংকৰদেৱ আৰু শ্ৰী মাধৱদেৱ, লক্ষ্মীনাথ বেজবৰুৱা, পৃষ্ঠা ২৫২)।

**মথুৰাদাস আতা ঃ**

মথুৰাদাস আতাৰ পূৰ্বৰ নাম আছিল গোপাল। তেৰাৰ জন্ম হৈছিল বৰপেটাৰ তাঁতীকুছিত। মহাপুৰুষ মাধৱদেৱ যেতিয়া পাটবাউসীৰ পৰা আহি সুন্দৰিদিয়াত স্থিতি লৈছিল, সেই সময়তে শ্ৰীশ্ৰী মাধৱদেৱৰ গুণ-গৰিমাৰ কথা জানিব পাৰি গোপাল সুন্দৰিদিয়া সত্ৰলৈ আহি মাধৱ গুৰুজনাৰ ওচৰত শৰণ লৈছিল আৰু নিজৰ সাধন-ভজনৰ জৰিয়তে তেৰা এদিন গুৰুজনাৰ মুখ্য ভকত হৈছিল। তদুপৰি শ্ৰীমন্ত শংকৰদেৱে যেতিয়া

তাঁতীকুছিত বৃন্দাৱনী বস্ত্ৰৰ বয়নৰ কাৰ্য সম্পন্ন কৰিছিল তেতিয়া গোপালে মুখিয়াল তাঁতীৰূপে গুৰুজনাক সহায় কৰিছিল। প্ৰথম অৱস্থাত তেৰা চৈতন্য পন্থী আছিল। সেয়ে তেৰাই লগত ওঠৰজন সংগী লৈ ঠায়ে ঠায়ে গৈ হৰি সংকীৰ্তন কৰি ফুৰিছিল। এবাৰ তেৰাই নাৰায়ণ দাস ঠাকুৰ আতাক লগ পাই মাধৱদেৱৰ বিষয়ে জ্ঞাত হয় আৰু নাৰায়ণ দাস আতাৰ লগতে এদিন মাধৱদেৱৰ কাষলৈ গৈছিল। মাধৱদেৱে গোপালক দেখিয়ে চিনৰ বস্তু বুলি জানিব পাৰিছিল। সেয়ে তেৰাই গোপালৰ সহিতে লগত যোৱা সংগীকেইজনৰ পৰীক্ষা লওঁ বুলি ভাবি মাধৱদেৱে প্ৰথমে আটাইকেইজনকে তেওঁলোকৰ গুৰুৰ নাম মাটিত লিখিবলৈ দিলে। তেওঁলোক আটায়ে লিখাৰ পিছত লিখাবোৰ ভৰিৰে মোহাৰি পেলাবলৈ কোৱাত গোপালৰ বাহিৰে বাকী আটাইকেইজনে তাকে কৰিলে। তেতিয়া মাধৱদেৱ গুৰুজনাই গোপালক তেওঁ কিয় তেনে নকৰিলে বুলি প্ৰশ্ন কৰাত গোপালে মাধৱদেৱক হাতযোৰকৈ কৃতাঞ্জলি কৰি ক'লে "বাপ সেইজনক আশ্ৰয় কৰা বাবেহে আপোনাৰ কাষ চাপিব পৰা হ'ল, গতিকে মাটিত লিখা নামটি যেন হাতেৰে মোহাৰিবলৈ আজ্ঞা হয়। তেতিয়া মাধৱদেৱে গোপালত ভক্তৰ লক্ষণ স্পষ্টকৈ দেখা পাই পিছত শৰণ-ভজন দি গুৰুঘৰীয়া নাম মথুৰাদাস ৰাখিলে। মথুৰাদাসে সুন্দৰিদিয়া সত্ৰতে থাকি সকলো নীতি-নিয়ম শিকি লৈ পাৰ্গত হোৱাত কম দিনৰ ভিতৰতে আতাৰ মৰ্যাদাও লাভ কৰিলে। পৰৱৰ্তী সময়ত মথুৰাদাস আতাই তাঁতীকুছিলৈ গৈ বহু লোকক আনি গুৰুজনাত শৰণ দিয়াইছিল। তদুপৰি তেৰাৰ সংগীসকলক শৰণ-ভজন দিয়াই তেওঁলোকক লগত লৈ নিজৰ সাংস্কৃতিক বৈশিষ্ট্য অটুট ৰাখি সত্ৰই-সবাহে ঘোষা-কীৰ্তন, ওজাপালি আদি গাইছিল। মথুৰাদাস আতাই তাঁতীকুছিৰ পৰা সুন্দৰিদিয়া সত্ৰলৈ সঘনাই অহা-যোৱা কৰি মহাপুৰুষ মাধৱদেৱৰ সংগ সুখ লাভ কৰি শাস্ত্ৰালাপ শুনিছিল আৰু প্ৰতিদিনে ধৰ্মালোচনাত নিমগ্ন হৈছিল। সেইবাবে আতা মাধৱদেৱৰ সুযোগ্য কৰ্মকৰ্তা হিচাপেও পৰিগণিত হৈছিল। মাধৱদেৱ যেতিয়া সুন্দৰিদিয়া এৰি গৈছিল সেই সময়ত মথুৰাদাস আতাই নিজে মাধৱদেৱৰ ভাৰ-ভেটিখিনি কঢ়িয়াই নি নিজ গৃহতে বহা সাজি থাকিবলৈ দিছিল আৰু গুৰুজনাৰ হৈ ৰঘু ৰজাৰ বিষয়া সুৰানন্দৰ অত্যাচাৰ মূৰ পাতি লৈ দুখ কষ্ট সহ্য কৰি গৈছিল। এবাৰ মাধৱদেৱে নিজহাতে গঢ় দিয়া তাঁতীকুছিৰ সত্ৰখন নিগনিয়ে অক্ষয় বন্তিগছৰ শলিতা টানি নি বাঁহৰ বেৰত লগাই দিয়াত ক্ষন্তেকতে জুইয়ে পুৰি চাৰখাৰ কৰি পেলাইছিল। তেতিয়াও মুথুৰাদাস আতা আৰু গুৰুজনাৰ প্ৰচেষ্টাত সত্ৰখনে পুনৰ প্ৰাণ পাই উঠিছিল আৰু তেতিয়াৰ পৰা সত্ৰখনৰ নাম বৰপেটা সত্ৰ ৰখা হৈছিল। মহাপুৰুষ মাধৱদেৱে যেতিয়া ৰঘুৰ ৰাজ্যত নাথাকো বুলি সোণকোষ পাৰহৈ বেহাৰলৈ যাবলৈ ওলাইছিল; সেই সময়ত মথুৰাদাস আতাই মোৰ কি দশা হ'ব বুলি মাটিত পৰি বাগৰি বাগৰি কান্দিছিল; তেতিয়া মাধৱগুৰুৱে আতাক প্ৰবোধ দি আজ্ঞা কৰিলে বোলে "মথুৰাদাস, তুমি বৰপেটা থানত ভকতক প্ৰতিপাল কৰি বন্তিগছ জ্বলাই ৰাখিবা।"

শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ আজ্ঞাপৰ হৈ মথুৰাদাস আতাই বৰপেটা সত্ৰ পৰিচালনা কৰি থকা কালতে কোনো অজ্ঞাত কাৰণত সত্ৰখন পুনৰ জুইয়ে পুৰি ছাই কৰিলে। উপায় নাপাই মথুৰাদাস আতাই নামঘৰৰ ভেটিটোতে ছাইখিনি গোটাই-পিতাই তাতে ছৈ এখন দিলে আৰু তাৰ অগ্ৰতে বন্তিগছি জ্বলাই ৰাখিবলৈ নিজৰ সহধৰ্মিনী ভাৰ্যাক দায়িত্ব দিলে। লগতে বুঢ়ী ভকতনীসকলক লগত লৈ নাম-কীৰ্তন কৰিবলৈ ক'লে। পিছত তেৰাই সংগী কেইজনক লগত লৈ বেহাৰ অভিমুখে ৰাওনা হ'ল। তেৰাই সোধা-পোছা কৰি গুৰুজনা ভেলাদুবা

মধুপুৰত খৰিখাঁ দলৈৰ গৃহত সত্ৰ স্থাপন কৰি থকা গম পাই তালৈকে যাত্ৰা কৰিলে। মথুৰাদাস আতাৰ লগত যোৰা সংগীসকলৰ সৈতে বাটে বাটে হৰি-সংকীৰ্তন কৰি কৰি যাত্ৰা পথ অতিক্ৰম কৰিছিল। সেইবাবে মাধৱদেৱে দূৰৰ পৰা শুনি সেয়া মথুৰাদাস আহিছে বুলি জানিব পাৰি আগবাঢ়ি আহি আদৰি নিছিল। মাধৱদেৱে মথুৰাদাস আতাক তাঁতীকুছি আৰু বৰপেটা সত্ৰৰ খবৰ লওঁতে আতাই কান্দি কান্দি সকলোখিনি কথা বিবৰি কোৱাত গুৰুজনাইও বৰ দুখ প্ৰকাশ কৰিলে আৰু সুধিলে 'আমাৰনো পুৰা ভিটাত বন্তি জ্বলিছেনে?' তেতিয়া আতাই ক'লে বোলে "বাপ সেই দিনাই চাই গুচাই বলাই মাক আশ্ৰ লগালে। এক নিশা দিয়া ক্ষতি নাই।" গুৰুজনাই শুনি আতাৰ ভাৰ্যাক প্ৰশংসা কৰিলে।

মথুৰাদাস আতাই বহুদিনৰ মূৰত মাধৱদেৱ পুৰুষক লগ পাই লগতে ভেলাডুবা মধুপুৰ সত্ৰৰ ভকত-বৈষ্ণৱসকলৰ সংগসুখ পাই ভালেকেইদিন তাতে আছিল। তাকে দেখি এদিন মাধৱ গুৰুজনাই আতাক আদেশ কৰিলে বোলে "তুমি থাকিব নালাগে যোৰা, থান ভক্ত প্ৰৱৰ্তাব লাগে শলা বন্তি।" (কথা গুৰু চৰিত পৃষ্ঠা ৫১৩)। সেই বুলি গুৰুজনাই মথুৰাদাস আতাক টকা দুটা আৰু লগতে এপাহ মালতী ফুল দি ক'লে "তোমাক অধিকাৰ পাতি বৰপেটা থানৰ এই টকা দিছোঁ শলা বন্তিৰ, তিনিও ৰাজ্যৰ লোকে সেৱাতে কৰ দিব।" গুৰুজনাই মথুৰাদাস আতাক ধৰ্মাচাৰ্য পাতি বৰনদীৰ পৰা সোণকোষ নদীলৈকে সমগ্ৰ ভূখণ্ডৰ ভকত, সেৱক আৰু শিষ্যক ধৰ্মবস্তু প্ৰৱৰ্তাবলৈ অধিকাৰী পাতিলে। গুৰুৰ নিৰ্দেশ পাই মথুৰাদাস আতাই সংগীসকলৰ লগত হৰি-সংকীৰ্তন কৰি কৰি পুনৰ বৰপেটালৈ প্ৰত্যাগমন কৰিলে। আতাই বৰপেটা পাই প্ৰথমে নাৰায়ণ দাস ঠাকুৰ আতাক সমস্তখিনি বিবিৰি ক'লেহি আৰু সেইদিন ধৰি ঠাকুৰ আতাই ভকত, সেৱক আৰু শিষ্যসকলক মথুৰাদাস আতা ধৰ্মগুৰু বুলি চিনালে। মথুৰাদাস আতা ধৰ্মগুৰু হোৱা অধিকাৰ পোৱা বুলি গম পাই চতুৰ্দিশৰ পৰা লোকসকল আহি মুথুৰাদাস আতাক ভাৰে-ভেটিয়ে আনি ভক্তিভাৱে কৰ দিলেহি। পিছত মথুৰাদাস আতাই সকলোৰে সহায় সহযোগিতা লাভ কৰি পুনৰ বৰপেটা থানৰ নামঘৰ নিৰ্মাণ কৰিলে আৰু গুৰুজনাই দিয়া টকা দুটা খৰচ নকৰি স্মৃতি স্বৰূপে থাপনাতে থ'লে আৰু বৰপেটা সত্ৰখন থানথিত লগাই ন-কৈ প্ৰতিষ্ঠা কৰিলে।

❒❒❒

# অসমীৰ শ্ৰীমুখ আলোকিত কৰিবলৈ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ সাহিত্য সেৱা

**জিতেন বৰুৱা**

সন্মিলিত অসমীয়া জাতিৰ প্ৰবাহৰ সুঁতিটো **১২২৮** খ্ৰীষ্টাব্দত আহোম সাম্ৰাজ্যৰ প্ৰতিষ্ঠাপক স্বৰ্গদেউ চুকাফাৰ দিনতেই শুভাৰম্ভণি হোৱা বুলি কোৱা হয়। ঐতিহাসিক ভাৱে বিচাৰ কৰি চালে ইয়াৰ সত্যতা প্ৰতীয়মান হয়। কিয়নো মহানুভৱী স্বৰ্গদেউ চুকাফাই পাতনি মেলা আহোম শাসনে এই ভূখণ্ডত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীক সমিলমিলৰ মনোভাৱেৰে আৰু আৰু স-সন্মানেৰে সামৰি লৈ সমন্বয়ৰ বৰ অসম আৰু সন্মিলিত বৃহত্তৰ অসমীয়া জাতিৰ ভেটি বান্ধিছিল। চতুদৰ্শ-পঞ্চদশ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে আধ্যাত্মিকতা, উদাৰ মানৱীয়তা, শান্তিপূৰ্ণ জীৱন-শৃংখলা আৰু কৃষ্টি সংস্কৃতিৰ মণিহাৰ পিন্ধাই অসমীয়াক অধিক শক্তিমন্ত আৰু সমুজ্জ্বল কৰে। কুৰি শতিকাৰ শ্ৰেষ্ঠ অসমীয়া লক্ষ্মীনাথ বেজবৰুৱাদেৱে অসমীয়াক আধুনিকতাৰ সুস্থ সুধা খুৱাই বিশ্বমুখী কৰাৰ অহোপুৰুষাৰ্থ কৰিলে। বিশেষকৈ অসমীয়াক বৌদ্ধিক ভাৱে সমৃদ্ধ কৰিবলৈ সাহিত্যৰ ৰথত তুলি বেজবৰুৱাদেৱেই জগত সভাই আগবঢ়াই দিলে। সেয়ে লক্ষ্মীনাথ বেজবৰুৱাদেৱ অসমীয়াৰ বাবে চিৰ বৰণীয় সত্তা। বৃটিছ তথা পাশ্চাত্য শিক্ষাৰে শিক্ষিত বেজবৰুৱাদেৱে আধুনিকতাক উপলব্ধি কৰি সেই আধুনিক মানসিকতাৰ স'তে অসমীয়াসকলক পৰিচয় কৰাই দি সময়ৰ পৰিৱৰ্তনশীল ধাৰাৰে সকলোকে আগুৱাই নিবলৈ আৰু নিজৰ মাজত থকা ভালখিনি, উচ্চতম সাধনাখিনিক বাহিৰৰ মানুহৰ স'তে পৰিচয় কৰাই দিবলৈ উদ্যোগ লৈছিল। এক কথাত বেজবৰুৱাদেৱ আছিল অসমীয়াক বিশ্বমুখী কৰিব খোজা এজন পুৰোধা ব্যক্তি। প্ৰকৃতাৰ্থতে অসমীয়াক উচ্চ আসনত উপবিষ্ট কৰিব খোজা বিশাল প্ৰতিভাধৰ এজন ওখ খাপৰ অসমীয়া বুলি বেজবৰুৱাদেৱক ক'লৈ অলপো ভুল কৰা নহ'ব। অসমীয়াৰ চিন্তা-চেতনাৰ স্বকীয়তাক হৃদয়েৰে উপলব্ধি কৰি জাতীয় স্বাভিমানক জাগ্ৰত কৰি সু-প্ৰতিষ্ঠা কৰিবলৈকে লক্ষ্মীনাথ বেজবৰুৱাদেৱে হাতত কাপ-মৈলাম তুলি লৈছিল। নিজৰ যশ-খ্যাতি কিম্বা প্ৰতিষ্ঠাৰ বাবে বেজবৰুৱাদেৱে চিন্তা বা কৰ্ম কৰা নাছিল। যি কৰিছিল অসমীয়াক জগাবৰ বাবে; অসমীয়াক গৌৰৱশালী জাতিৰ হিচাপে মৰ্যাদাৰে প্ৰতিষ্ঠা কৰিবলৈকে জীৱনৰ অমূল্য সময় ব্যয় কৰিছিল।

উচ্চ শিক্ষা লাভৰ বাবে শিৱসাগৰৰ পৰা লক্ষ্মীনাথ বেজবৰুৱাৰ কলিকতা যাত্ৰা আৰু বংগৰ প্ৰখ্যাত সাহিত্যৰ নবেল বঁটা বিজয়ী সাহিত্যিক কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰদেৱৰ পৰিয়ালৰ সৈতে বৈবাহিক সম্পৰ্কৰে যুক্তি পৰিঘটনাই ক'বলৈ গ'লে অসমীয়াকে বিশ্বমুখী চিন্তা-চেতনা তথা ধ্যান-ধাৰণাৰ সৈতে সংযুক্ত কৰিলে। কলিকতাত ইংৰাজৰ স'তে সম্পৃক্ত হৈ পৰা বঙালী সমাজৰ ভাষা প্ৰেম, সাহিত্য-প্ৰীতি, সৰ্বোপৰি বৃটিছৰ শিক্ষাৰে শিক্ষিত হৈ পাশ্চাত্যৰ আধুনিকতাৰ সৈতে পৰিচিত বঙালী মানুহৰ আত্মচেতনা প্ৰত্যক্ষ কৰি বেজবৰুৱাৰ ভিতৰখন আলোড়িত হৈছিল আমাৰ নিজৰ ভিতৰৰ অসমীয়াত্বৰ বাসনা জাগি উঠিছিল। আৰু এই চেতনাক

বাস্তৱায়িত কৰাৰ সুযোগ আহিছিল কলিকতাত অসমৰ পৰা অধ্যয়ন কৰিবলৈ যোৱা ছাত্ৰৰ দ্বাৰা গঠিত "অসমীয়া ভাষা উন্নতি সাধনী সভা"ৰ জৰিয়তে। বেজবৰুৱাদেৰৰ সমসাময়িক অসমীয়া জাতীয়তাবাদী ছাত্ৰ সমাজৰ চিন্তাৰ ফচল "জোনাকী" আলোচনীয়েই অসমীয়া ভাষা সাহিত্যৰ 'জোনাকী' হৈ অসমীয়া ভাষা-সাহিত্যৰ অস্তিত্ব ঘোষণা কৰাৰ লগতে বিশ্বমুখী যাত্ৰাৰ বাট মুকলি কৰিছিল। সাহিত্য সাধনাক সুগভীৰ কৰিবলৈকে জীৱিকা হিচাপে বেজবৰুৱাদেৱে বাচি লৈছিল স্বাধীন কাঠৰ ব্যৱসায়। সেই সময়ৰ প্ৰখ্যাত ব্যৱসায়ী ভোলানাথ বৰুৱাৰ সৈতে লগ লাগি তেওঁ কাৰবাৰ কৰিছিল। পিছলৈ উৰিষাৰ সম্বলপুৰত নিজাকৈ ব্যৱসায় কৰি ঘৰ-মাটি ক্ৰয় কৰি সংস্থাপিত হৈছিল।

"বাঁহী" বেজবৰুৱাৰ নিজা উদ্যোগত প্ৰকাশিত কাকত। "বাঁহী"য়ে অসমীয়া সাহিত্যৰ ক্ষেত্ৰলৈ নতুনত্বৰ জোৱাৰ আনিছিল। পিছলৈ "বাঁহী"ৰ দায়িত্ব চন্দ্ৰ কুমাৰ আগৰৱালাদেৱে লৈছিল।

বেজবৰুৱাৰ দেশ প্ৰেমৰ সৰ্বোচ্চ নিদৰ্শন হৈছে জাতীয় সংগীত "অ' মোৰ আপোনাৰ দেশ"। অসমীয়াৰ সামূহিক চেতনা জগাব পৰা এক অমোঘ অস্ত্ৰ হৈছে - বেজবৰুৱাদেৰৰ "অসম সংগীত"। "অসম সংগীতে" সকলো অসমীয়াক জাতি হিচাপে ভবাৰ প্ৰেৰণা জগাই আহিছে। একেদৰে অসমীয়াৰ শৌৰ্য-বীৰ্যৰ গৰিমা প্ৰকাশ কৰিবলৈ বেজবৰুৱাদেৰৰ অমৰ সৃষ্টি হৈছে - আমি অসমীয়া নহওঁ দুখীয়া।

জীৱনৰ কৰ্মময় সময়খিনি বেজবৰুৱাদেৱে অসমৰ বাহিৰতে কটাইছিল। স্বাধীন ব্যৱসায়ত লাগি থকা, পাৰিবাৰিক দায়িত্ব পালনৰ মাজতো বেজবৰুৱাদেৱে বুকুত অহৰহ কঢ়িয়াই লৈ ফুৰিছিল প্ৰাণৰ আপোন অসমীয়া ভাষা আৰু জাতীয়তাবোধক। সঁচাকৈয়ে বেজবৰুৱাদেৰৰ কৃতিত্ব বহুমাত্ৰিক আছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক নামঘৰ-সত্ৰৰ মজিয়া পৰা উলিয়াই আনি বিশ্বমুখী কৰাত অৰ্থাৎ শঙ্কৰদেৰৰ দ্বাৰা প্ৰচাৰিত সংস্কাৰবাদী আধ্যাত্মিক চেতনা আৰু কলা-কৃষ্টিৰ মাজেৰে সাধাৰণ মানুহক জ্ঞান-প্ৰজ্ঞাৰ জ্যোতি বিলাব খোজা মহত্বপূৰ্ণ চিন্তাক বাহিৰলৈ উলিয়াই অনাত বেজবৰুৱাদেৰৰ ভূমিকা অগ্ৰণী আছিল। তেখেতৰ তৎপৰতাতহে আধ্যাত্মিক পৰিৱেশৰ বাহিৰতো অৰ্থাৎ ধৰ্মীয় নীতি-নিৰ্দেশনাৰ বাহিৰত মুক্ত ভাৱে শংকৰদেৰৰ বিষয়ে চৰ্চা আৰু আলোচনা কৰাৰ সাহস তথা পৰিৱেশ সংৰচিত হ'ল।

ৰসাত্মক চেতনাৰ সঞ্জীৱনী ঢালি অসমীয়াক ন ৰূপত প্ৰতিষ্ঠা সপোন দেখিছিল বেজবৰুৱাদেৱে। কিয়নো বিদেশীৰ গোলামী আৰু কানিৰ ব্যাপক প্ৰচলনে অসমীয়াক সৰ্বগ্ৰাসী ৰূপত সেই সময়ত কোঙা কৰি আনিছিল। সেয়ে কৃপাবৰ বৰবৰুৱাৰ ভাও দি তেওঁ হাস্য ৰসৰ নিজৰা বোৱাই, অসমীয়াৰ দুৰ্বলতাক কৌশলেৰে আঙুলিয়াই জাতীয় চেতনাক উজ্জীৱিত কৰাৰ প্ৰয়াস কৰিছিল। একেদৰে শিশুৰ কাল্পনিক জগতখনক পাখি পিন্ধাবলৈ বেজবৰুৱাদেৱে সংকলন কৰিছিল "বুঢ়ী আই সাধু" নামৰ প্ৰখ্যাত সাধু কথাৰ গ্ৰন্থখন। উক্ত গ্ৰন্থখন সৰ্বকালৰ সমাদৃত গ্ৰন্থ হিচাপে আজিও অসমীয়া সাহিত্য জগত জ্যোতিষ্মান হৈ আছে।


উনবিংশ শতিকাৰ শেষ ভাগত আৰু বিংশ শতিকাৰ আগচোৱাক অসমীয়া ভাষা-সাহিত্যৰ "বেজবৰুৱা যুগ" বুলি আমি যদি ভাৱো সেয়া নিশ্চয় ভুল ভবা নহ'ব। তেওঁ সাহিত্যৰ সকলো শাখাতে হাত দিছিল এই বাবেই যে অসমীয়া ভাষা সাহিত্য যাতে সমৃদ্ধিশালী হয়, অসমীয়া ভাষা-সাহিত্যৰ আধুনিক ভেটি যাতে সুপ্ৰতিষ্ঠিত হয়। তেখেতৰ এই মহানতা, অন্তৰৰ গভীৰতম কোণৰ পৰা প্ৰবাহিত হোৱা জাতীয়বোধ প্ৰতিজন

অসমীয়াই সদায়ে সন্মান কৰাৰ লগতে প্ৰেৰণা লোৱাটো হ'ব বেজবৰুৱাৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা প্ৰদৰ্শন। কিয়নো বেজবৰুৱাদেৱৰ যি বহুমুখী প্ৰতিভা আছিল সেই প্ৰতিভাৰে বাঙালী বা ইংৰাজী সাহিত্য চৰ্চাৰ জৰিয়তে সেই সেই ভাষাত নিজৰ আসন সুপ্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'লহেঁতেন; কিন্তু তেখেতে তাক নকৰি অসমী আইৰ মুখ জিলিকাবলৈ অহোপুৰুষাৰ্থ কৰি গ'ল। ত্যাগ আৰু সেৱাৰ মনোভাৱেৰে তেখেতে মাথো কেৱল অসমীয়াক সমৃদ্ধ কৰি ধন্য কৰিলে।

স্ব-ঐতিহ্যৰ ভেটিত বিশ্বজনীন চিন্তাৰে অসমীয়াক উজ্জীৱিত আৰু প্ৰতিষ্ঠা কৰাটোৱেই আছিল বেজবৰুৱাদেৱৰ জীৱনাদৰ্শ। সাহিত্যৰ শক্তি আৰু পবিত্ৰতাক তেওঁ গভীৰ ভাৱে অনুধাৱন কৰি সাহিত্য সৃষ্টিৰ জৰিয়তে স্বদেশ-স্বজাতিৰ উত্তৰণৰ বাট কাটিছিল। তেওঁৰ এই বিশালতাবোধৰ বাবেই গুৰু দুজনা শংকৰ-মাধৱদেৱৰ পাছতে অসমীয়াই তেখেতৰ নাম উল্লেখ কৰে। বহুতে সেয়ে তেখেতক ক্ষণজন্মা পুৰুষ বুলি ক'বলৈ দ্বিধাবোধ নকৰে। এক কথাত উনবিংশ শতিকাৰ শেষাৰ্ধ আৰু কুৰি শতিকাৰ প্ৰথমাৰ্ধত লক্ষ্মীনাথ বেজবৰুৱাদেৱেই অসমীয়াৰ বৌদ্ধিক নৱজাগৰণক নেতৃত্ব দিছিল বুলি ক'ব পাৰি। তেখেতৰ অপৰিসীম প্ৰয়াসৰ বাবেই অসমীয়া জাতিৰ ভেটি শক্তিশালী হৈছিল আৰু ভাষা-সংস্কৃতিত নৱজাগৰণৰ সূচনা হৈছিল।

বেজবৰুৱাদেৱে কৈছিল - 'স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মংগল মন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা।' সেয়ে তেখেতে মংগল মন্দিৰৰ সিংহ দুৱাৰৰ প্ৰথম শাৰীত থিয় হৈ দেশমাতৃ আৰু ভাষামাতৃৰ কল্যাণৰ বাবে জীৱনৰ সাধনা কৰিছিল। আজিৰ অসমীয়াই বেজবৰুৱাদেৱৰ বিশাল আৰু পোহৰমুখী চিন্তাক উপলব্ধি কৰিব পাৰিলেই অসমৰ বহুখিনি জাতীয় সমস্যা স্বয়ংক্ৰিয় ভাৱে অন্ত পৰিব।

❒❒❒



শিমলুগুৰি শাখা সাহিত্য সভাক স্বৰ্ণ শাখা সাহিত্য সভা হিচাপে স্বীকৃতি

# সাহিত্য-সাংস্কৃতিক ক্ষেত্ৰত শিমলুগুৰি মহিলাৰ অৱদান

**ইন্দিৰা গগৈ ফুকন**

এটা পৰিয়াল, এখন সমাজ, এটা জাতি আৰু এখন দেশৰ সামগ্ৰিক উন্নয়নত মহিলাৰ ভূমিকা যুগে যুগে স্বীকাৰ কৰি অহা হৈছে। বিশ্বৰ সৰ্বমুঠ জনসংখ্যাৰ অৰ্ধ সংখ্যক অৰ্থাৎ ৫০% যিহেতু নাৰী। গতিকে এই অৰ্ধ সংখ্যক নাৰী যদি বিভিন্ন ক্ষেত্ৰত কিছু পিছ পৰি ৰয় তেন্তে সেই সমাজখন কেতিয়াও উন্নত সমাজ বুলি ক'ব নোৱাৰি। একবিংশ শতিকাৰ নাৰীসকল শিক্ষা-দীক্ষাৰ লগতে সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাহিত্য, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি অহা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত আমাৰ শিমলুগুৰি অঞ্চলৰ মহিলা সকলো পিছ পৰি থকা নাই। সন্তান বা পৰিয়ালৰ প্ৰতিপালনৰ উপৰিও অঞ্চলটিৰ মহিলাসকল সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ ওলাই আহিছে।

অতীতত এই অঞ্চলটি ৰাজগড় নামেৰে পৰিচিত আছিল। পৰৱৰ্তী কালত শাসনৰ সুবিধাৰ্থে শিমলুগুৰি, ৰঙতি, ৰাজগড় পঞ্চায়তত ভাগ কৰা হয়। বৰ্তমান শিমলুগুৰি অঞ্চলটো প্ৰাণকেন্দ্ৰ হিচাপে পৰিগণিত। অঞ্চলটিৰ কোনো স্থানত থকা এজোপা প্ৰকাণ্ড শিমলু গছৰ নামেৰে এই ঠাইখনিৰ নাম শিমলুগুৰি হয় বুলি কোৱা হয়।

আমাৰ এই লেখনিত শিমলুগুৰি অঞ্চলৰ নাৰীসকলৰ সাংস্কৃতিক বৰঙণিৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

১৯৯৮ চনত হিৰণ্য গগৈ, ঠেনুমাই গগৈ, বীণা বৰা, অঞ্জলি গগৈ, বিনু দত্ত, গীতা কাকতি, লুচিমাই গগৈ, গীতা হাইনাৰী, প্ৰয়াত হীৰামাই গগৈ আদি মহিলাসকলে 'জয়মতী মহিলা সমাজ' নামেৰে এটা মহিলা সংগঠনৰ জন্ম দি জয়মতী দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। জয়মতী দিৱস অঞ্চলটোৰ মহিলাসকলৰ বাবে মাইলৰ খুঁটি হিচাপে অভিহিত কৰিব পাৰি। এই দিৱসে অঞ্চলটোৰ মহিলাসকলক জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে একতাৰ ডোলেৰে বান্ধিবলৈ সক্ষম হয়। জয়মতী সহিলা সমাজৰ উদ্যোগত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী পালন কৰা হয়।

সাংস্কৃতিক কাৰ্যসূচীৰ ভিতৰত কেইবাখনো ঐতিহাসিক নাট সফলতাৰে মঞ্চস্থ কৰা হয়। পৰৱৰ্তী সময়ত মহিলাসকলে একাংকিকা নাট, জেং বিহু আদিও প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়।

**ঐতিহাসিক নাট ঃ**

১৯৯৮ চনৰ ২৭ মাৰ্চ, চ'ত মাহৰ ১৩ তাৰিখৰ দিনটোত অৰ্থাৎ মহাসতী জয়মতীৰ মৃত্যু তিথি ভাগ জয়মতী দিৱস হিচাপে দুদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। প্ৰথম দিনা কাৰ্যসূচীত মহিলাসকলৰ মাজত খেল-ধেমালি, দিহানাম আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দ্বিতীয় দিনা মুকলি সভাৰ লগতে ৰাতিলৈ সম্পূৰ্ণ মহিলাসকলৰ দ্বাৰা 'সতী জয়মতী' নাটখনি মঞ্চস্থ কৰা হয়। বিশেষত্ব এই যে মহিলাসকলেই পুৰুষৰ

ভাও সমূহত অভিনয় কৰিছিল। নাট খনিয়ে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰাৰ লগতে কেৱল মহিলাৰ দ্বাৰা অভিনীত অঞ্চলটোৰ প্ৰথমখন ঐতিহাসিক নাট হিচাপে স্বীকৃতি লাভ কৰে। আসনে জোৰা মাৰিব নোৱাৰাত কিছু দৰ্শকে থিয় হৈ আৰু দুই একে গছৰ ওপৰত উঠিও নাট উপভোগ কৰা পৰিলক্ষিত হয়। নাটকৰ বিভিন্ন চৰিত্ৰত ইন্দিৰা গগৈ ফুকন গদাপাণি, হিৰণ্য গগৈ জয়মতী, ঠুনুমাই গগৈ লালুকসোলা বৰফুকন, ববী বৰগোহাঁই ল'ৰাৰজা, ডালিমী অঞ্জলী গগৈ, ভোটাই স্বৰ্ণ দুৱৰা, আঘোণা প্ৰয়াত ৰূপা গগৈ, নগা গীতা কাকতি, চাউদাং বিনু দত্ত, ধনেশ্বৰী লিগিৰা আৰু চম্পা দিহিঙ্গীয়া, মাধৱ তামুলী, ভাৰতী হাইনাৰী, জয়মতীৰ মাকৰ ভাৰত সাৱিত্ৰী চেতিয়া, নাগিনীৰ ভাৰত পমিলা গগৈ আৰু মণিকা বৰা, লাই-লেচাইৰ ভাৰত শিশু শিল্পী ক্ৰমে মুনমী গগৈ আৰু পৰিস্মিতা ফুকন আদি অভিনেত্ৰীসকলে অংশ গ্ৰহণ কৰি দৰ্শকৰ ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয়। প্ৰয়াত হেম বৰবৰুৱা আৰু শ্ৰী ফণি গগৈদেৱে নাটকখনি সুন্দৰকৈ পৰিচালনা কৰে।

মহিলাসকলে মঞ্চস্থ কৰা অনান্য ঐতিহাসিক নাট কেইখন হৈছে কাৰেঙৰ লিগিৰী, চক্ৰধ্বজ সিংহ, ভোগজৰা আৰু সামাজিক নাটক মিৰি জীয়ৰী। ইয়াৰে ভোগজৰা নাটখনি দুবাৰ, মিৰি জীয়ৰী নাটখনি তিনিবাৰ মঞ্চস্থ কৰা হয়। মিৰি জীয়ৰী নাটকত মণিকা বৰাই জংকীৰ ভাৰত, পানেইৰ ভাৰত মুন শইকীয়া আৰু এবাৰ প্ৰেমদা চুতীয়াই অভিনয় কৰিছিল। কুমুদৰ ভাৰত ঠুনুমাই গগৈ, যুগ গগৈ, ৰকমীৰ ভাৰত মিতালী কোঁৱৰ আদিয়ে অভিনয় কৰিছিল। এইসকলৰ উপৰিও বাকী নাটসমূহত সোণমাই চাবুকধৰা, ৰিজু গগৈ, হেম গগৈ, মল্লিকা ফুকন, ভাৰতী বৰা, নুমলি বৰা আদি। নাট পৰিচালনাৰ ক্ষেত্ৰত দিলীপ ফুলগুৰাৰী আৰু ধৰণী বৰাদেৱৰ বিশেষভাৱে শলাগ ল'ব লাগিব।

**ৰাস ঃ**

এই অঞ্চলৰ মহিলাসকলে মাজে সময়ে শ্ৰীশ্ৰী কৃষ্ণৰ পূৰ্ণাঙ্গ ৰাসলীলাতো অংশগ্ৰহণ কৰি আহিছে। কেৱল সম্পূৰ্ণ মহিলাৰ দ্বাৰা অনন্ত শৰ্য্যা, কংসালয়, নন্দালয় আদি অভিনীত হৈছে। অনন্ত শৰ্য্যাত ইন্দিৰা গগৈ ফুকনে দুবাৰ, ৰেণু ফুকনে এবাৰ নাৰায়ণৰ ভাৰত অংশ লৈছে। ব্ৰহ্মাৰ ভাৰত লিলী চেতিয়া আৰু নিৰ্মলা কোঁৱৰ, শিৱৰ ভাৰত বীণা শইকীয়া, ধৰিত্ৰীৰ ভাৰত জোনালী বৰা আৰু ববী কোঁৱৰে, যোগমায়া ভাৰত জোনালী বৰাই, ঠুনুমাই গগৈ আৰু মুনমী দাসে নাৰদৰ ভাৰত অভিনয় কৰি দৰ্শকৰ সমাদৰ লাভ কৰিছে। কংসৰ ভাৰত মণিকা ফুকন আৰু তবী খঙ্গীয়াই বিভিন্ন মঞ্চত প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। কালকেতুৰ ভাৰত ঠুনুমাই গগৈ, ববী কোঁৱৰ আৰু সোণমণি হাতীবৰুৱাই, উগ্ৰসেনৰ ভাৰত হিৰণ্য গগৈ আৰু ইন্দিৰা গগৈ ফুকন, অক্ৰুৰৰ ভাৰত ঠুনুমাই গগৈ, বসুদেৱৰ ভাৰত ৰেখা হাতীবৰুৱা আৰু পপী লাহন, দৈৱকীৰ চৰিত্ৰত প্ৰয়াত যুগ ফুকনৰ লগতে জয়ন্তী ফুকন, স্বৰ্ণ দুৱৰা আদিয়ে সুন্দৰ অভিনয় কৰিছিল। নন্দৰ চৰিত্ৰত ইন্দিৰা গগৈ ফুকন আৰু ৰেণু ফুকনে, গৰ্গমুনিৰ চৰিত্ৰত ঠুনুমাই গগৈ আৰু ধনেশ্বৰী লিগিৰাই, ধনাইৰ চৰিত্ৰত বিনু দত্ত আৰু মুনমী দাসে, পুতনাৰ ভাৰত ৰশ্মিৰেখা বৰুৱা আদিয়ে সুন্দৰ অভিনয় কৰিছিল। ইয়াৰোপৰি মহাৰাসত প্ৰতি বছৰে অঞ্চলটোৰ কিশোৰীকে ধৰি জীয়ৰী বোৱাৰী আৰু বয়সস্থ মহিলাসকলে অংশ গ্ৰহণ কৰি আহিছে।

**ভাওনা ঃ**

অসমৰ অন্যান্য ঠাইৰ মহিলাসকলৰ দৰে শিমলুগুৰিৰ মহিলা সকলো ভাওনাৰ প্ৰতি আকৰ্ষিত হোৱা

দেখা গৈছে। এটা সময়ত পুৰুষে মহিলাৰ সাজ পিন্ধি ভাওনাৰ নাৰী চৰিত্ৰ ৰূপায়ণ কৰিছিল। বৰ্তমান নাৰীয়ে পুৰুষৰ সাজ পিন্ধি পুৰুষৰ চৰিত্ৰত অভিনয় কৰে। ২০২২ চনত নিমুৰীৰ সন্মিলিত মহিলাসকলে 'মহাৰথী কৰ্ণ' আৰু সন্মিলিত ৰঙতি মহিলা কৃষ্টি বিকাশ কেন্দ্ৰই 'শকুনিৰ প্ৰতিশোধ' নামৰ দুভাগি ভাওনা মঞ্চস্থ কৰে।

'নল মৰে গজালি মেলে' এই আপ্ত বাক্যশাৰী সাৰোগত কৰি আমাৰ অগ্ৰজসকলক অনুসৰণ কৰি অনুজসকলে আমাৰেই জীয়ৰী, বোৱাৰী টুনমণি ভূঞা, নিৰ্মালী দুৱৰা, প্ৰীতি ফুকন, জ্যোৎস্না হাজৰিকা, বিদিশা বসুমতাৰী, মাইনী গগৈ, নয়ণমণি দুৱৰা, পূজা কাকতি, অঞ্জলী দৈমাৰী আদিয়ে 'বিপ্ৰ দামোদৰ আখ্যান আৰু দন্তবক্ৰৰ মুক্তিলাভ' নামৰ এভাগি ভাওনা অসম সাহিত্য সভাৰ লক্ষীমপুৰ জিলাৰ শিমলুগুৰিত ২০২৬ চনৰ ১০ আৰু ১১ জানুৱাৰীত অনুষ্ঠিত হ'ব লগা মধ্যকালীন অধিৱেশনত মঞ্চস্থ কৰিবৰ বাবে প্ৰস্তুতি চলাইছে।

**নৃত্য ঃ**

বিভিন্ন মঞ্চত বিহুৱতী প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি প্ৰশংসাৰ লগতে পুৰস্কৃত হ'বলৈ সক্ষম হোৱা এই অঞ্চলৰ বিহুৱতীসকল হৈছে— তবী খঙীয়া, প্ৰেমদা চুতীয়া, প্ৰিয়ংকা গগৈ, জাহ্নৱী গগৈ, জানমণি চুতীয়া, গীতাঞ্জলি গগৈ, বিউতী বৰা, ডিম্পল গগৈ, লাকী কোঁৱৰ আদি।

আমি শিমলুগুৰি অঞ্চলৰ মহিলাসকলে 'নাৰী কল্যাণ সমিতি' নামেৰে এটি বৃহৎ জেং বিহু দল গঠন কৰি জিলাখনৰ বিভিন্ন মঞ্চত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হওঁ। সেই সময়ত সম্ভৱত আমাৰ দলটিয়েই আছিল সংগঠিত প্ৰথম জেংবিহু দল। জেং বিহুৱতীসকল আছিল ইন্দিৰা গগৈ ফুকন, হিৰণ্য গগৈ, ঠেনুমাই গগৈ, ৰূপালী (মণি) দুৱৰা, ববী কোঁৱৰ, প্ৰেমদা চুতীয়া, পুষ্প বৰা, চম্পা দিহিঙীয়া, ধনেশ্বৰী লিগিৰা, মুনমী দাস, ৰেখা হাতীবৰুৱা, সেউতী বৰা, মামণি মেচ, পুতলি দুৱৰা আদি।

বৰ্তমান অঞ্চলটোত কেইবাটাও জেংবিহু দল গঠিত হৈ বিভিন্ন মঞ্চত পুৰস্কাৰ লাভ কৰা দেখা গৈছে। অঞ্চলটিৰ নৃত্যশিল্পী হিচাপে সংগীতা মেধি, বাণী চ'ৰা, দীপিকা মুখিয়াৰী, কনকলতা বৰবৰুৱা, কুসুম বৰবৰুৱা, কাশ্মিৰী শইকীয়া, মণিকা হাইনাৰীৰ নাম উল্লেখ কৰিব পাৰি।

**গীত ঃ**

অঞ্চলটিৰ সংগীত শিল্পী হিচাপে পদ্মেশ্বৰী ঠাকুৰীয়া, ডিম্বেশ্বৰী ঠাকুৰীয়া, চবিনা মেধি, অঞ্জলী পাণ্ড, মিনেশ্বৰী বৰা, পমিলা ফুকন, অনিমা পেগু, মামণি ঠাকুৰীয়া, দিনমাই বৰা, মিনা শইকীয়া, জান্সু গগৈৰ নাম উল্লেখ কৰিব লাগিব। সংগীত আৰু নৃত্যৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত বৰ্তমান শিমলুগুৰিৰ ড° ভূপেন হাজৰিকা সংগীত মহাবিদ্যালয়ৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি।

**সাহিত্য চৰ্চা ঃ**

সাহিত্য আৰু সংস্কৃতি দুয়োটা বিষয়ে ওতঃপ্ৰোতভাৱে জড়িত। গতিকে এটাক বাদ দি আনটোৰ আলোচনা সম্পূৰ্ণ নহয়। শিমলুগুৰিৰ মহিলাসকল সাহিত্য চৰ্চাৰ দিশতো যথেষ্ট আগবাঢ়ি অহা পৰিলক্ষিত হৈছে। ২০১৮ চনৰ ১৮ আগষ্টত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ লক্ষীমপুৰ জিলা শাখাৰ অন্তৰ্গত 'অবিভক্ত ৰাজগড় শাখা লেখিকা সমাৰোহ সমিতি' নামে এটি শাখা শিমলুগুৰিত প্ৰতিষ্ঠা কৰা হয়। শাখাটিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী হিচাপে ঠেনুমাই গগৈ দুৱৰা আৰু সম্পাদিকা হিচাপে ববী বৰগোহাঁই কোঁৱৰক দায়িত্ব

দিয়া হয়। চাৰিটা বছৰ উক্ত সমিতিখনে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি এই অঞ্চলটোক সাহিত্যৰ দিশত যথেষ্ট আগবঢ়াই নিয়া পৰিলক্ষিত হৈছে। ইয়াৰ পিছত তিনিটা বছৰ সভানেত্ৰী হিচাপে ঠেনুমাই গগৈ দুৱৰা আৰু সম্পাদিকা  হিচাপে ৰেণু দুৱৰা ফুকনক দায়িত্ব অৰ্পণ কৰা হয়। জিলা ভিত্তিত কেইবাটাও অনুষ্ঠান অনুষ্ঠিত কৰাৰ লগতে কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। এই অঞ্চলৰ মহিলাসকলে গল্প, প্ৰবন্ধ, কবিতা, নাটক আদি লিখি অঞ্চলটিলৈ সুনাম কঢ়িয়াই আনে। সম্প্ৰতি নতুন কমিটি গঠন কৰি  ইন্দিৰা গগৈ ফুকনক সভানেত্ৰী আৰু  দশমী গগৈক সম্পাদিকাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। এই অনুষ্ঠানৰ জৰিয়তে পাক ঘৰত সোমাই থকা মহিলাসকলক সাহিত্য চৰ্চাৰ ক্ষেত্ৰখনলৈ উলিয়াই অনাৰ ব্যৱস্থা কৰা হৈছে। অঞ্চলটোৰ সাহিত্য চৰ্চা কৰা মহিলাসকল হৈছে— ঠেনুমাই গগৈ, হিৰণ্য গগৈ প্ৰয়াত চম্পা বৰ্মন, ৰেণু ফুকন, ববী কোঁৱৰ, ৰুণু ফুলগুৱাৰী, দশমী বৰবৰুৱা, পপী লাহন, জয়ন্তী ফুকন, প্ৰয়াত জ্যোতি হাতীবৰুৱা, দিপ্তী সন্দিকৈ, ৰশ্মিৰেখা বৰুৱা, ৰশ্মি গোহাঁই, ৰেণু ফুকন (শিক্ষয়িত্ৰী) মন্দিৰা গগৈ বৰা আদিৰ লগতে কম-বেছি পৰিমাণে সাহিত্য চৰ্চা কৰিবলৈ চেষ্টা কৰি আহিছে। অবিভক্ত ৰাজগড় শাখা লেখিকা সমাৰোহ সমিতিয়ে সাহিত্য প্ৰতিযোগিতাৰ লগতে বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতাত (একাংক নাট, বিয়া নাম আদি) অংশগ্ৰহণ কৰি আহিছে। মৰিগাঁও, ডিব্ৰুগড়, ঢকুৱাখনা, লক্ষীমপুৰ, তেজপুৰ আদি ঠাইত সাংস্কৃতিক প্ৰতিযোগিতাত শাখাটিয়ে অংশগ্ৰহণ কৰি বিশেষ সমাদৰ বুটলিবলৈ সক্ষম হৈছিল।

শিমলুগুৰি অঞ্চলৰ মহিলাসকল সাংস্কৃতিক তথা সাহিত্যৰ দিশত কিমান আগবঢ়া তাৰে এটি চমু খতিয়ান ডাঙি ধৰা আমাৰ এই লেখনিৰ দ্বাৰা ক্ষুদ্ৰ প্ৰয়াস কৰা হৈছে। সময়ৰ বুকুত আমিবোৰ হয়তো এদিন হেৰাই যাম, কিন্তু আমি কৰি যোৱা কৰ্মৰাজিয়ে পিছৰ প্ৰজন্মক যিকোনো ক্ষেত্ৰত আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা যোগাব।

এসময়ত 'জয়মতী' বোলছবিত আইদেউ সন্দিকৈয়ে পুৰুষৰ সৈতে সহ অভিনয় কৰা বাবে সমাজৰ পৰা এঘৰীয়া হোৱাৰ উপৰিও আজীৱন অবিবাহিত হৈ ৰ'ব লগা হৈছিল। ১৯৭৮ চনত আমি যেতিয়া চুৰীয়া পিন্ধি পুৰুষৰ ভাৱত অভিনয় কৰিছিলো সমাজৰ একাংশই আমাক বৰ ভাল দৃষ্টিৰে চোৱা নাছিল। দুগৰাকীমান মহিলাই সমাজৰ ৰোষত পৰাৰ উপক্ৰম হোৱাত আমি বুজাই বঢ়াই সেই ব্যক্তিকেইজনক সৈমান কৰাবলগীয়া হৈছিল। অন্যান্য ক্ষেত্ৰৰ লগতে সাংস্কৃতিক দিশতো পুৰুষ আৰু মহিলা উভয়ৰে সহযোগিতাৰ যে প্ৰয়োজন এই কথা আজিৰ সমাজে স্বীকাৰ কৰি লৈছে। এটা কথা স্বীকাৰ কৰিব লাগিব যে শিমলুগুৰিৰ মহিলাসকল সংস্কৃতিৰ লগতে অন্যান্য দিশতো অসমৰ আন বহু অঞ্চলতকৈ যথেষ্ট আগবঢ়া। পৰাপক্ষত সঠিক তথ্য দিবলৈ আমাৰ লেখনিত যত্ন কৰা হৈছে। অনিচ্ছাকৃতভাৱে কাৰোবাৰ নাম যদি লেখনিৰ পৰা বাদ পৰি ৰৈছে তেন্তে আমি সেইসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থী। শেষত শিমলুগুৰি অঞ্চলৰ মহিলাসকল শিক্ষা-দীক্ষা, কলা-সংস্কৃতি আদি সকলো দিশতে আগবাঢ়ি গৈ অঞ্চলৰ লগতে দেশমাতৃৰ নাম উজ্জ্বলাই তোলক তাৰেই কামনা কৰিলো।

❒❒❒

# বৰনাৰায়ণপুৰৰ ভৌগোলিক স্থিতি আৰু ইয়াৰ ঐতিহাসিক গড়, বিল, পুখুৰী

**কুমুদ শইকীয়া**

মানৰ সভ্যতাৰ বৈচিত্ৰময় ক্ৰম বিকাশৰ মাজেৰে সাংস্কৃতিক উত্থান, বিচিত্ৰ জনগোষ্ঠীয় সমন্বয়, বিভিন্ন নদ-নদী, পাাহাৰ-ভৈয়ামেৰে সমৃদ্ধ বৰ নাৰায়ণপুৰ অঞ্চলে অতীজৰে পৰাই একক আৰু গৌৰৱময় ঐতিহ্যৰ ধাৰা বহন কৰি আহিছে। বিভিন্ন নৈ-উপনৈৰ সংস্পৰ্শই জীপাল কৰি ৰখা বৰনাৰায়ণপুৰৰ ভূখণ্ড অনেক বিচিত্ৰতাৰে ভৰা। ভৌগোলিক ভাৱে ২৬°৪৮′ আৰু ২৭°৫৩′ ডিগ্ৰী উত্তৰ অক্ষাংশ আৰু ৯৩°৪২′ আৰু ৯৪°২০′ ডিগ্ৰী পূৱ দ্ৰাঘিমাংশত অৱস্থিত বৰনাৰায়ণপুৰ অঞ্চলৰ বুৰঞ্জী প্ৰসিদ্ধ গড়, বিল, পুখুৰী, নৈ-উপনৈসমূহে অঞ্চলটোৰ গৌৰৱময় ইতিহাসৰ ধাৰা বহন কৰি আহিছে। প্ৰাকৃতিক সু-সমাৰে ভৰা অঞ্চলটোৰ পাহাৰ-ভৈয়াম, চৰ-চাপৰি আদিৰ লগতে বাঁহনি, কাঠনি, জাৰণি আদি আৰু বিভিন্ন ভূ-খণ্ড যেনে - বৰবৰী, কুমলীয়া চাপৰি, বৰপথাৰ, খামতি পথাৰ, ডফলা পথাৰ, গোঁসাই পথাৰ, উত্তৰ কাঠনি, দীঘলজাৰণি আদিৰ উপৰিও প্ৰকৃতিৰ কোলাত সৃষ্টি হোৱা বিভিন্ন নৈ-উপনৈ, জান-জুৰি, হোলা, ডুবি, সুঁতি, বিল, ডোপনি, দলনি, হোৰা আদিয়ে অঞ্চলটোৰ ভৌগোলিক বিচিত্ৰতাক নতুন যাত্ৰা প্ৰদান কৰিছে। তেনে কিছু ঐতিহাসিক গড়, বিল, পুখুৰী সম্পৰ্কে কিছু সংক্ষিপ্ত আলোচনা-

**ৰাজগড় ঃ**

আহোম আৰু কোচ ৰজাৰ ৰাজত্ব কালত প্ৰতিৰক্ষা ব্যৱস্থাক অধিক শক্তিশালী কৰি ৰখাৰ উদ্দেশ্যেৰেই বিভিন্ন অঞ্চলত গড়, পুখুৰী, পথ আদি নিৰ্মাণ কৰি লৈছিল। কোচৰজা নৰনাৰায়ণে ৰাজপাটত বহাৰ পিছতে ভাতৃ শুক্লধ্বজক যুৱৰাজৰ দায়িত্ব অৰ্পন কৰে। আহোমৰ লগত সঘনে হোৱা যুদ্ধৰ অৱসান বিচাৰি ১৫৪৬ খ্ৰীঃত মহাবীৰ চিলাৰায়ে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি "ডিক্ৰাহ" নৈ লৈকে আগুৱাই গৈ যুদ্ধ কৰে আৰু যুদ্ধত আহোমসকল পৰাভূত হয়। পৰৱৰ্তী সময়ত প্ৰতিৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে কোচ ৰজাই ভাতৃ গোহাঁই কমলৰ নেতৃত্বত কোচবিহাৰৰ পৰা নাৰায়ণপুৰ লৈকে ৩৫০ মাইল দৈৰ্ঘ্যৰ এটা আলি নিৰ্মাণ কৰিছিল। প্ৰতিৰক্ষা ব্যৱস্থা অধিক সবল কৰি তোলাৰ উদ্দেশ্যে নিৰ্মাণ কৰা এই আলিটোক পৰৱৰ্তী সময়ত গোহাঁই কমল আলি আৰু ৰাজগড় আলি নামেৰে পৰিচিত হয়।

**ধেমাগড় ঃ**

প্ৰধানকৈ প্ৰতিৰক্ষা ব্যৱস্থা অধিক সুৰক্ষিত কৰি ৰখাৰ উদ্দেশ্যে নিৰ্মাণ কৰা গোহাঁই কমল আলি বা ৰাজগড় আলিৰ লগত সংলগ্ন ধেমাগড়েও ঐতিহাসিক গুৰুত্ব বহন কৰিছে। অতীত বুৰঞ্জীৰ তথ্য মতে ১৫৪৯ খ্ৰীঃৰ সময় চোৱাতে পিছলা নৈৰ পাৰত আহোম দুৰ্গ আৰু ৰাজগড়ৰ লগত লাগি থকা 'ধেমাগড়'ত কোচ ৰজাই সেনাৰ চাউনী পাতিছিল। প্ৰাচীন শব্দ ধেমা অৰ্থাৎ ক্ষীপ্ৰ গতিৰে কাম কৰা অৰ্থৰ পৰাই 'ধেমাগড়' হোৱা বুলি জনশ্ৰুতি চলি আহিছে। এসময়ত 'ধেমাগড়' এক গুৰুত্বপূৰ্ণ যমৰ থলী আছিল বুলি বুৰঞ্জীৰ তথ্যৰ পৰা জনা যায়।

**ডফলাগড় ঃ**

বুৰঞ্জীৰ তথ্যমতে স্বৰ্গদেউ প্ৰতাপ সিংহই ১৪৪৯ খ্ৰীঃত ডফলা গড় নিৰ্মাণ কৰিছিল। বৰ্তমান খেৰাজখাত মৌজাৰ উত্তৰ সীমা লৈকে বিস্তৃত এই গড়টোৰ বিষয়ে ভিন্ন মত পোৱা যায়। বুৰঞ্জীবিদ সৰ্বানন্দ ৰাজকুমাৰৰ মতে— 'ভৰালী নৈৰ পূৱৰ পৰা উত্তৰ লক্ষীমপুৰৰ সিপাৰ লৈকে আহোম ৰজাই বন্ধোৱা ডফলা গড় নামে এটা গড় আছে। বহুতে এই গড়ক ৰাজগড় বোলে। ডফলা গড়ৰ দক্ষিণে থকা অসংখ্য সৰু-ডাঙৰ পুখুৰীয়ে সাক্ষী দিয়ে যে আহোমৰ আমোলত গড়ৰ দক্ষিণৰ পৰা ব্ৰহ্মপুত্ৰ লৈকে অতি ঘন বসতি আছিল।' অৱশ্যে এই ডফলা গড় সম্পৰ্কত অধিক বিজ্ঞানসন্মত অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন আছে।

**হাৰমতী গড় ঃ**

ঐতিহাসিক গড়সমূহ নিৰ্মাণৰ মুখ্য উদ্দেশ্য আছিল শক্তিশালী প্ৰতিৰক্ষা ব্যৱস্থা গঢ়ি তোলা। আহোম ৰজা চুক্লেংমুঙৰ ৰাজত্ব কালত কোচ সেনাপতি চিলাৰায়ৰ সৈন্য বাহিনীৰ লগত ১৪৪৭ খ্ৰীঃত আহোম সেনাৰ পিছলা নৈৰ পাৰত যুদ্ধ হৈছিল। "পিছলা পৰীয়া ৰণ" নামেৰে খ্যাত এই যুদ্ধৰ বাবেই আহোম সেনাই প্ৰতিৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বিবেচিত এই হাৰমতী গড় নিৰ্মাণ কৰিছিল বুলি জনা যায়।

**নাৰায়ণপুৰৰ বিল, পুখুৰী আদি ঃ**

প্ৰকৃতিৰ জীপাল পৰিবেশৰ পৰিবেষ্টিত নাৰায়ণপুৰ অঞ্চলৰ চৌদিশৰ ভৌগোলিক পৰিবেশ বিভিন্ন নৈ উপনৈ, বিল, পুখুৰী, দলনী, দুপনী, হোৰণি, জান-জুৰি আদিৰে পৰিবেষ্টিত। বহু ঠাই বা অঞ্চলৰ নাম এনে প্ৰকৃতিসৃষ্ট উপাদানেৰে নামাংকিত হৈ আহিছে। যেনে - গণক দলনি, চৰাই দলনি, তমাই দলনি, দঙিবিল, পোৰাবিল, ঠাকুৰ দলনি, মাঘনোৱা বিল, বৰবিল, শিলডুবি, বৰডুবি, সোণজুলি, কাছজুলি, তৰাজুলি, কেৰেকজুলি, চিলনীডুবি আদি। এই নাম সমূহে একোটা নিৰ্দিষ্ট ভূ-খণ্ডৰ ইতিহাস দাঙি ধৰাৰ লগতে ভৌগোলিক বিচিত্ৰতাৰ ছবিও দাঙি ধৰে। এই ক্ষেত্ৰত অধিক পৰিকল্পিত অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন আছে।

**মাঘনোৱা বিল ঃ**

১৪৪৩ শকত নিৰ্মাণ কৰা আহোম যুগৰ ঐতিহাসিক মাঘনোৱা দৌলৰ সমীপতে মাঘনোৱা বিল নামেৰে এখন ডাঙৰ বিল আছিল। কাল-ক্ৰমত বিলখন দ্ৰোপাং আৰু পিছলা নদীয়ে পুতি পেলোৱাৰ পিছত ব্যাপক ভূমি দখলৰ ফলত বিলখনৰ অস্তিত্ব শূন্য হৈ পৰিলেও এই মাঘনোৱা বিলৰ লগত বিভিন্ন কিংবদন্তি, ইতিহাস আৰু ৰূপকলাৰ কাহিনী প্ৰচলিত হৈ আহিছে।

**গাভৰু বিল ঃ**

ইতিহাস প্ৰসিদ্ধ এই বিলখনো মাঘনোৱা দৌলৰ সম্পৰ্কিত আছিল। খেৰাজখাত মৌজাৰ দেওতোলাত এই বিলখনৰ অৱস্থিতি আছিল। মানৰ অসম আক্ৰমণৰ সময়ত মান সেনাই মাঘনোৱা দৌলত সোমাই গৰু কাটি অশুচি কৰাত পূজাৰীসকলে তাত থকা বিগ্ৰহ গাভৰু বিলত পেলাই দিছিল। পিছত ব্ৰিটিছ আমোলত গাভৰু বিলত সেই বিগ্ৰহ উদ্ধাৰ হয় আৰু অঞ্চলটো দেওতোলা নামেৰে খ্যাত হয়। আনহাতে বৰবিল, পোৰাবিল, দঙিবিল, গাভৰুবিল আদি ঠাই বিলাকো বিভিন্ন বিলক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে।

**ৰাধা পুখুৰী ঃ**

নাৰায়ণপুৰৰ অন্তৰ্গত 'ৰাধা পুখুৰী'ৰ এক বৰ্ণিল ইতিহাস আছে। পুখুৰীটোৰ মাটিকালিৰ পৰিমাণ ৪৪

বিঘা। স্বৰ্গদেউ চুহুংমুঙৰ ৰাজত্ব কালতে নিৰ্মাণ কৰা এই পুখুৰীতো তেওঁৰ প্ৰণয়িনী ৰাধাৰ স্মৃতিত নিৰ্মাণ কৰিছিল বুলি প্ৰবাদ আছে। আন এক প্ৰবাদ মতে পুখুৰী খন্দা কাৰ্য আধাতে সামৰিব লগা হোৱাত প্ৰথমে "ৰাধা পুখুৰী" আৰু পিছলৈ ৰাধা পুখুৰী নামেৰে জনাজাত হয়।

**ৰঙতি পুখুৰী ঃ**

নাৰায়ণপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ৰঙতি গাওঁ পঞ্চায়ত এলেকাত থকা এই পুখুৰীটোও ইতিহাস প্ৰসিদ্ধ। "ৰংদৈ" নামৰ এগৰাকী কুঁৱৰীৰ নামত এই বৃহৎ পুখুৰীতো খন্দোৱা হৈছিল বুলি এক প্ৰবাদ আছে। পৰবৰ্তী সময়ত ৰঙতি নামেৰে জনাজাত হয়।

**লেতেকু পুখুৰী ঃ**

মহাপুৰুষ মাধৱদেৱৰ জন্মস্থান। শ্ৰীভূঞা ৰঙাজানত অৱস্থিত 'লেতেকু পুখুৰী ' গুৰু মাধৱদেৱৰ স্মৃতি বিজড়িত এটা ইতিহাস প্ৰসিদ্ধ পুখুৰী। এজোপা বৃহৎ লেতেকু গছ পাৰত থকাৰ বাবেই পুখুৰীতো লেতেকু পুখুৰী নামেৰে জনাজাত হয় বুলি ঐতিহাসিক তথ্য কাহিনীৰ পৰা জনা যায়। 'হৰি পুখুৰী' নামৰ আন এটা পুখুৰীৰ কথাও গুৰু চৰিত কথাত উল্লেখ আছে।

**বুঢ়া-বুঢ়ী পুখুৰী ঃ**

বৰনাৰায়ণপুৰ অঞ্চলৰ ঐতিহাসিক পুখুৰীসমূহৰ ভিতৰত বুঢ়া-বুঢ়ী পুখুৰী অন্যতম উল্লেখনীয় পুখুৰী পূৰ্বতে বুঢ়া আৰু বুঢ়ী পুখুৰী নামেৰে দুটা পুখুৰী আছিল যদিও দ্ৰোপাং নদীয়ে বুঢ়া পুখুৰীতো পুতি পেলোৱাৰ পিছত বুঢ়ী পুখুৰীতো বৰ্তমান লৈকে অক্ষত অৱস্থাত আছে। আহোম ৰাজত্বত কালত খন্দোৱা এই পুখুৰীক কেন্দ্ৰ কৰি একাধিক কাহিনী প্ৰচলিত হৈ আছে। তেনে এক কিংবদন্তী মতে শিৱ আৰু পাৰ্বতীয়ে বুঢ়া আৰু বুঢ়ীৰ ৰূপ ধাৰণ কৰি এই পুখুৰীৰ পাৰতে বসবাস কৰিছিল। সেয়ে পুখুৰী দুটাৰ নামত বুঢ়া পুখুৰী আৰু বুঢ়ী পুখুৰী হয়।

**বৰলা পুখুৰী ঃ**

বুঢ়া পুখুৰীৰ সমকালীন ভাৱে খন্দোৱা আন এটা পুখুৰী হ'ল বৰলা পুখুৰী। এই পুখৰী বুঢ়া-বুঢ়ী পুখুৰীৰ কাষতে অৱস্থিত। এই পুখুৰীৰ লগতো বিভিন্ন কিংবদন্তি প্ৰচলিত হৈ আহিছে। বৰলা পুখুৰীৰ মাটি কালি প্ৰায় ১৬ বিঘা।

**বালিপুখুৰী ঃ**

ধেমাগড়ৰ সমীপৱৰ্তী বালিপুখুৰী নামৰ ঠাইত এই পুখুৰী অৱস্থিত। আহোম ৰাজত্ব কালতে এই পুখুৰীতো নিৰ্মাণ কৰা হৈছিল। এই বালিপুখুৰীক কেন্দ্ৰ কৰি বিভিন্ন কিংৱদন্তি প্ৰচলিত হৈ আহিছে।

**একাদহীয়া পুখুৰী ঃ**

ধলপুৰ মৌজাৰ কচুৱা অঞ্চলত একাদহীয়া অৱস্থিত। এক কিংৱদন্তি মতে একাদশ নামৰ এজন ব্ৰাহ্মণ কটকী স্বৰ্গদেউ প্ৰতাপ সিংহই এই পুখুৰীৰ পাৰত বসতি কৰিবলৈ দিছিল আৰু পিছলৈ এই পুখুৰী একাদহীয়া পুখুৰী নামেৰে পৰিচিত হয়।

**মাহধোৱা পুখুৰী ঃ**

নাৰায়ণপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত পূব নাৰায়ণপুৰ গাঁও পঞ্চায়তৰ কাষতে মাহধোৱা পুখুৰী অৱস্থিত। পুখুৰীটোৰ পাৰতে অৱস্থিত মন্দিৰত স্থানীয় গোখা সম্প্ৰদায়ৰ লোকসকলে পূজা-অৰ্চনা কৰি আহিছে।

বৰ্তমানো অক্ষত অৱস্থাত থকা মাহধোৱা পুখুৰী পুনৰ খননৰ সময়ত উদ্ধাৰ হোৱা বিভিন্ন পৌৰাণিক সামগ্ৰীয়ে বহু তথ্যৰ সম্ভেদ দিয়ে। এই পুখুৰীক লৈও বিভিন্ন কাহিনী জড়িত হৈ আছে।

**খোলচোৱা পুখুৰী ঃ**

শ্ৰী শ্ৰী বদলা পদ্মআতা সত্ৰৰ সমীপত খোলচোৱা পুখুৰী অৱস্থিত। আতাই সত্ৰৰ বিভিন্ন উপলক্ষত খোল বাদ্য চুৱোৱাৰ বাবেই এই পুখুৰীৰ পাৰতে এজন লোকক বসতি কৰিবলৈ দিছিল। পিছত এই পুখুৰীয়েই খোলচোৱা পুখুৰী নামেৰে জনাজাত হয়।

**আতা পুখুৰী ঃ**

বদুলা পদ্ম আতা সত্ৰৰ কাষতে আতা পুখুৰী অৱস্থিত। বৰ্তমান মাধৱদেৱ কলাক্ষেত্ৰৰ লগতে সৌন্দৰ্য্যবৰ্ধন কৰি তোলা আতা পুখৰীতো এসময়ত কাছৰ বাবে বিখ্যাত আছিল। এই পুখুৰীক অতি পৱিত্ৰ জ্ঞান কৰা হয়।

**হৰি পুখুৰী ঃ**

মহাপুৰুষ হৰিদেৱৰ জন্মস্থান সক্ৰাহী গাঁৱৰ সক্ৰাহী সত্ৰ চৌহদত এই পুখুৰী অৱস্থিত। হৰিদেৱৰ নামেৰেই এই পুখুৰী হৰিপুখুৰী নামেৰে পৰিচিত হয়।

**গোঁহাই পুখুৰী ঃ**

নাৰায়ণপুৰ অঞ্চলৰ বহুপথাৰ ভেলাইমৰাৰ সমীপত গোঁহাইপুখুৰী অৱস্থিত। সুন্দৰ গোঁহাই নামৰ এজন নৃপতিয়ে এই পুখুৰীটো খন্দোৱা বুলি জনশ্ৰুতি আছে। পুখুৰীটোৰ নামেৰেই অঞ্চলটোৰ নাম গোঁহাই পুখুৰী নামেৰে পৰিচিত হয়।

উল্লেখিত পুখুৰীসমূহৰ উপৰিও তাতিঙাপুখুৰী, তমাইপুখুৰী, কাটোৱাল পুখুৰী, গোসাঁনী পুখুৰী, লহকৰ পুখুৰী, ভালুচমৰা পুখুৰী, পদুমণি পুখুৰী, নাহৰ পুখুৰী, দীঘলী পুখুৰী, দড়িয়া পুখুৰী, গোসাঁই পুখুৰী আদি অসংখ্য পুৰণিকলীয়া পুখুৰীয়ে বৰনাৰায়ণপুৰৰ বৈচিত্ৰময় ঐতিহ্য বহন কৰিছে।

❒❒❒

**তথ্য সূত্ৰ ঃ**

১) আহোমৰ দিন - হিতেশ্বৰ বৰ বৰুৱা
২) ইতিহাসে সোঁৱৰা ছশটা বছৰ - সৰ্বানন্দ ৰাজকোঁৱৰ
৩) ব্ৰহ্মপুত্ৰ সভ্যতা - শিৱ শৰ্মা
৪) বৰ নাৰায়ণপুৰ - নাৰায়ণপুৰ প্ৰেছক্লাৱৰ স্মাৰক গ্ৰন্থ
৫) A History of Assam - Siv Edward Gait
৬) পৱিত্ৰ নাৰায়ণপুৰ - চন্দ্ৰ হাজৰিকা
৭) ভিন্ন গদ্য ভিন্ন সময় - কুমুদ শইকীয়া
৮) হিৰকজ্যোতি - নাৰায়ণপুৰ উঃ মাঃ বিদ্যালয়ৰ হিৰক জয়ন্তী স্মৃতি গ্ৰন্থ
৯) 'বৰনাৰায়ণপুৰৰ ৰেঙনি' স্মাৰক গ্ৰন্থ, অসম সাহিত্য সভাৰ নাৰায়ণপুৰ অধিবেশন
১০) অসমৰ নদ-নদী - যোগেন্দ্ৰ নাথ শৰ্মা।

# পাঠক সৃষ্টি কৰিব পৰা লেখকজন হিতেশ ডেকা

**ভৰত ৰাজখোৱা**

ৰত্নক সকলোৱে বিচাৰি যায়, ৰত্নই কাকো বিচাৰি নাযায়। এই কথাষাৰ এখন ভাল কিতাপৰ ক্ষেত্ৰতো প্ৰযোজ্য হয়। আমি নৱম শ্ৰেণীত অধ্যয়ন কৰি থাকোঁতে আমাৰ এজন প্ৰিয় শিক্ষক প্ৰয়াত মনেশ্বৰ চায়েঙীয়াদেৱে (তেখেতে পাছত সমবায় বিভাগৰ বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰিছিল) এদিন শ্ৰেণী কোঠাত অসমীয়া সমাজ ব্যৱস্থাৰ কথা কৈ থাকোঁতে, স্বাধীনতাৰ পাছত নতুনকৈ সৃষ্টি হোৱা এবিধ কম শিক্ষিত মহাজন শ্ৰেণীৰ মানুহে কেনেদৰে নিজৰ মানুহৰ ওপৰত শোষণ আৰম্ভ কৰিছিল; সেই বিষয়ে কৈছিল। তেখেতে হিতেশ ডেকাৰ আজিৰ মানুহ উপন্যাসৰ 'প্ৰতাপ' নামৰ বিপ্লবী চৰিত্ৰটোৰ কথা কৈছিল আৰু আমাৰ অনুৰোধত তেখেতে কিতাপখন আমাক আনি দিছিল। কোৱা বাহুল্য সেই কিতাপখনৰ বাবে আমাৰ নৱম শ্ৰেণীৰ ছাত্ৰসকলৰ মাজত টনা-আঁজোৰাৰ পৰা তৰ্ক-বিৰ্তকলৈ সকলো হৈছিল। শেষত ছাৰে লটাৰী যোগে আমাক এদিন এদিনৰ বাবে কিতাপখন নিয়াৰ ব্যৱস্থা কৰি দিছিল। আমি অনুভৱ কৰিছিলোঁ, কিতাপখনৰ কাহিনী ভাগতকৈ হিতেশ ডেকাৰ বৰ্ণনাই কিতাপখন অতি সুখপাঠ্য কৰিছিল। ইয়াৰ পাছতে আমি বিচাৰ-খোচাৰ কৰি তেখেতৰ 'নতুন পথ', 'মাটি কাৰ', 'এয়েতো জীৱন' আদি কেইবাখনো কিতাপ পঢ়ি পেলাইছিলোঁ।

আৰম্ভণিতেই উপৰোক্ত কাহিনীটো এই বাবেই উল্লেখ কৰিলোঁ যে সকলো কিতাপে পাঠক সৃষ্টি কৰিব নোৱাৰে। কাহিনীৰ গভীৰতাতকৈও লেখকৰ প্ৰাঞ্জল বৰ্ণনা, প্ৰাসংগিক শব্দৰ প্ৰয়োগ, অনুভৱস্পৰ্শী উপস্থাপন শৈলীয়ে একোখন কিতাপ সকলো শ্ৰেণীৰ পাঠকৰ বাবে মনোগ্ৰাহী কৰি তোলে। লেখকৰ বৰ্ণনাই কোনো কালে চকুৰে নেদেখা পৰিৱেশটোকো চিনাকি কৰি পাঠকক তাৰ মাজলৈ লৈ যায়। এনে একোখন কিতাপ মানুহে এবাৰ নহয়, বহুবাৰ পঢ়িব পাৰে।

সু-স্বাদু খাদ্য এবাৰ মুখত দিয়াৰ পাছত পুনৰ খাবলৈ মন যোৱাৰ দৰেই এখন ভাল কিতাপ এবাৰ পঢ়াৰ পাছত আকৌ এবাৰ পঢ়িবলৈ মন যায়। বন্ধু-বান্ধৱকো পঢ়িবলৈ কোৱা হয়। সেই কিতাপখনে দৰাচলতে পাঠক সৃষ্টি কৰিব পাৰে।

আৰু এটা কাহিনী উল্লেখ কৰিব লগা হ'ল। তেতিয়া আমি হাইস্কুল পোৱাগৈ নাই। এম.ভি. স্কুলৰ তৃতীয় কি চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ। মোৰ এগৰাকী বাইদেউ আছিল। সেই সময়ৰ জীয়াৰীসকলে চাদৰ-মেখেলা পিন্ধিছিল। ওচৰৰে নৱ-বিবাহিতা খুৰী এজনীয়ে চাদৰৰ আঁৰত লুকুৱাই আনি কিবা এটা বস্তু বাইদেউক দিছিল। তেনেকুৱাতে আই (মা) আহি ওলাল। খৰপচ কৰি লুকুৱাওঁতে বাইদেউৰ চাদৰৰ পৰা বস্তুটো সৰি পৰিল। এখন কিতাপ মই স্পষ্টকৈ দেখিলোঁ। কিতাপখনৰ নাম 'ভাৰাঘৰ'। মোৰ মনত আছে, আয়ে কৈছিল, 'মোকো দিবি অ' কিতাপখন'।

সেইজনেই লেখক হিতেশ ডেকা। 'ভাৰাঘৰ'ৰ লেখক। অসমীয়া সাহিত্য আৰু অসমীয়া পাঠক সমাজত যিজন মানুহে কেইবাযুগো ৰাজত্ব কৰি গ'ল। ১৯৫২ চনত 'আজিৰ মানুহ' উপন্যাসেৰে আৰম্ভ হোৱা হিতেশ ডেকাৰ সাহিত্য সৃষ্টিৰ এই বৰ্ণিল যাত্ৰা বিৰতিহীনভাৱে চলি আছিল ২০০০ চনৰ 'ত্যাগ' উপন্যাসলৈ। এই সুদীৰ্ঘ সময়ছোৱাত অসমৰ চুকে-কোণে তেওঁ সৃষ্টি কৰিব পাৰিছিল অজস্ৰ গুণমুগ্ধ পাঠক। ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আনকি জুপি জুপি পঢ়িব লগা হোৱা বৃদ্ধ-বৃদ্ধায়ো খেদি খেদি পঢ়িছিল হিতেশ ডেকাৰ কিতাপ। 'আচল মানুহ', 'আজিৰ মানুহ', 'ভাৰঘাৰ', 'এয়েতো জীৱন' আদি কিতাপৰ নাম মানুহৰ মুখে মুখে বাগৰিছিল। কোনোবাই যদি এই কিতাপবোৰৰ কোনো এখন পঢ়া নাছিল, তেতিয়া তেওঁ বন্ধু মহলত পুতৌৰ পাত্ৰ হৈছিল।

নিজৰ উপন্যাসৰ বাবে নিজেই পাঠক সৃষ্টি কৰিব পাৰিছিল হিতেশ ডেকাই। অৰ্থাৎ তেখেত আছিল এজন সমৰ্থ লেখক। তেওঁৰ কোনো এখন কিতাপেই পাঠকৰ বাবে অপেক্ষা কৰিব লগা হোৱা নাছিল। তেখেতৰ উপন্যাসে সকলো স্তৰৰ পাঠককে সন্তুষ্ট কৰিব পাৰিছিল। সাধাৰণ মানুহৰ জীৱনৰ লগত একাকাৰ হৈ থকা সমস্যা, আৱেগ, অনুৰাগ, ক্ৰোধ, প্ৰেম, ঘৃণা, যৌনতা, সকলোবোৰৰে সুস্থ প্ৰতিফলন ঘটিছিল হিতেশ ডেকাৰ উপন্যাসত। অতি সাবলীলভাৱে কাহিনীৰ পৰিসমাপ্তি ঘটিছিল।

নতুনকৈ পঢ়িবলৈ আৰম্ভ কৰা কিশোৰ-কিশোৰীয়ে যেনেকৈ হিতেশ ডেকাৰ উপন্যাসত মনোৰঞ্জনৰ খোৰাক বিচাৰি পাইছিল, তেনেকৈ তেখেতৰ উপন্যাসে যুৱক-যুৱতীক দিছিল ৰোমাঞ্চকৰ অনুভৱ আৰু প্ৰাপ্তবয়স্ক তথা বয়সিয়াল লোকে অতীতৰ নষ্টালজিক মুহূৰ্তবোৰ তাত বিচাৰি পাইছিল। জ্ঞান সন্ধানকাৰীসকলে অসমৰ জনজীৱনৰ সেই সময়ৰ ইতিহাস বিচাৰিবলৈকো সমল আছিল তেখেতৰ উপন্যাসসমূহত।

মৰ্টিমাৰ এডলাৰ নামৰ এজন লেখক-সমালোচকে এখন ভাল কিতাপৰ লক্ষণসমূহ এনেদৰে বিচাৰ কৰিছে — এখন ভাল কিতাপ (মহৎ গ্ৰন্থ) অতি বিস্তৃতভাৱে, বেছি পাঠকে পঢ়ে। এখন ভাল কিতাপ অতি জনপ্ৰিয় হয়। এখন ভাল কিতাপৰ পৰা বেলেগ বেলেগ পাঠকে নিজৰ ৰুচি অনুযায়ী চাহিদা আদায় কৰিব পাৰে। এখন ভাল কিতাপ অজস্ৰ শিক্ষণীয় কথাৰে ভৰি থাকে আৰু মানুহৰ জীৱনৰ সমাধান কৰিব নোৱৰা সমস্যাবোৰে এখন ভাল কিতাপত ঠাই পায়। এখন ভাল কিতাপ স্থায়ীভাবে বেছি বিক্ৰী হয়। লেখকে আকৌ কৈছে- They will not let you down if you try to read them well. They have more ideas per page than most of books have been in their en-tirety. That is why you can read a great book over and over again and never ex-haust its contents.

সেই কাৰণেই বোধকৰো হিতেশ ডেকাৰ কিতাপ মানুহে বাৰে বাৰে পঢ়িব পাৰে আৰু প্ৰত্যেকবাৰেই এক নতুনত্বৰ সোৱাদ পাবলৈ সক্ষম হয়।

মাৰ্টিমাৰ এড্‌লাৰে উল্লেখ কৰা কেউটা লক্ষণেই কম-বেছি পৰিমাণে হিতেশ ডেকাৰ উপন্যাসসমূহত দেখা যায়। কিছুমান কিতাপ এটা সময়ত খুব বিক্ৰী হয়, কিন্তু লাহে লাহে হেৰাই যায়। হিতেশ ডেকাৰ কিতাপৰ ক্ষেত্ৰত সেইটো হোৱা নাই। অসমৰ সকলোবোৰ কিতাপৰ দোকানতে হিতেশ ডেকাৰ কিতাপ কম বেছি পৰিমাণে উপলব্ধ আৰু সেইধৰণে পাঠকো আছে। তাতকৈ ভাল কথা হ'ল নৱ প্ৰজন্মৰ পঢ়ুৱৈসকলেও হিতেশ ডেকাৰ কিতাপ পঢ়িবলৈ আৰম্ভ কৰিছে।

হিতেশ ডেকাৰ নিজৰ জীৱনটোৱেই উপন্যাসৰ চৰিত্ৰৰ দৰে। তেওঁৰ জীৱন আৰু সাহিত্য কৰ্মৰ ওপৰত গৱেষণাৰ অজস্ৰ সমল আছে।

অসহযোগে আন্দোলন আৰম্ভ হোৱা বছৰেই ডেকাই মেট্ৰিক পাছ কৰিছিল। কিন্তু নিজৰ জীৱন গঢ়াৰ চিন্তাতকৈ দেশ জননীৰ আহ্বানত অসহযোগ আন্দোলনত জপিয়াই পৰিছিল। সেই সময়তে আন্দোলনকাৰীয়ে টিহু আৰু সৰ্থেবাৰীলৈ যোৱা গড়কাপ্টানী পথৰ দলং ভাঙিছিল আৰু সেই অপৰাধত অভিযুক্ত হোৱা ডেকাই তিনি বছৰ কাল পলাই থাকিব লগা হৈছিল। সেই সময়ছোৱাত তেওঁ গোলাঘাটত বাচন-বৰ্তনৰ ব্যৱসায় কৰিছিল। ডিমাপুৰতো ব্যৱসায় কৰিছিল কিন্তু আজাদ হিন্দ ফৌজৰ আগমনৰ বাবে পৰিস্থিতি উত্তপ্ত হ'লত তেওঁ প্ৰত্যাবৰ্তন কৰিছিল। বৰমাত মেলেৰিয়াৰ ঔষধ যোগান ধৰা কাম কৰিছিল, যাত্ৰা পাৰ্টিত যোগ দি নাটকৰ নাম ভূমিকাত দুৰ্দান্ত অভিনয় কৰি দৰ্শকক আপ্লুত কৰিছিল। অভিনেতা হোৱাৰ আশাৰে কলিকতা পাইছিলগৈ। কিন্তু পৰিস্থিতি অনুকূল নোহোৱাত ঘূৰি আহিছিল।

পাছত নলবাৰী মহাবিদ্যালয়ৰ পৰা বি এ পাছ কৰি কনিহা হাইস্কুলত সহঃ শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। পৰ্যায়ক্ৰমে সৰ্থেবাৰী হাইস্কুল, বনগাঁও হাইস্কুলত শিক্ষকতা কৰি ১৯৫৭ চনত জালুকবাৰী হাইস্কুলত প্ৰধান শিক্ষক হিচাপে যোগ দি ১৯৮৫ চনত অৱসৰ গ্ৰহণ কৰিছিল।

১৯৭২ চনৰ শিক্ষাৰ মাধ্যম আন্দোলনত যোগ দি তেওঁ পুলিচী আতিশয্যৰো সন্মুখীন হৈছিল। পৰিস্থিতি এনেকুৱা হৈছিল যে ডেকা নগালেণ্ডৰ মোককচাঙত পলাই আছিলগৈ। অসম আৰু অসমীয়াক ভাল পোৱা ডেকাই ১৯৭৯ চনত আৰম্ভ হোৱা অসম আন্দোলনলৈ পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। মানুহক ভালপোৱা হিতেশ ডেকাক ৰাইজেও যথেষ্ট সন্মান দিছিল। জালুকবাৰী সাহিত্য সভাৰ সভাপতি (১৯৬৬), কামৰূপ সাহিত্য সভাৰ সভাপতি (১৯৭৫), অসম সাহিত্য সভাৰ উপ-সভাপতি (১৯৭৬, ১৯৮০), অসম সাহিত্য সভাৰ সভাপতি (১৯৯৫), সদৌ অসম হাইস্কুল শিক্ষক সন্থাৰ উপ-সভাপতি (১৯৭২, ৭৩, ৭৪) সদৌ অসম সাংস্কৃতিক সন্মিলনৰ উপদেষ্টা (১৯৭৫), গুৱাহাটী মহানগৰৰ ১ নং ৱাৰ্ডৰ অসম গণ পৰিষদৰ সভাপতি (১৯৮৬), সদৌ অসম কবি সন্মিলনৰ উপদেষ্টা (১৯৯০) আদি দায়িত্ব গভীৰ আস্থাৰে সৈতে ৰাইজে তেখেতক অৰ্পণ কৰিছিল আৰু ডেকাই নিজৰ সৃষ্টিশীল কৰ্মৰাজিৰ মাজেদিয়েই সেই দায়িত্বসমূহ সুকলমে সমাধা কৰিছিল।

গোটেই জীৱনটো সমস্যাৰে পৰিপূৰ্ণ হিতেশ ডেকাৰ বাল্যকালটোও সংঘাত মুক্ত নাছিল। মাত্ৰ সাত বছৰ বয়সতে পিতৃহাৰা হোৱা হিতেশ ডেকা ককায়েকৰ তত্ত্বাৱধানতে ডাঙৰ-দীঘল হৈছিল।

হিতেশ ডেকাই জীৱনৰ প্ৰতিটো সংঘাত হেলাৰঙে অতিক্ৰম কৰিছিল। সেয়েহে হয়তো তেওঁ লিখিছিল, 'এয়েতো জীবন বন্ধু, এয়েতো জীৱন; সুখ-দুখ-হাঁহি-অশ্ৰু-বিৰহ মিলন...'।

সৰ্বজন সমাদৃত হিতেশ ডেকাৰ গ্ৰন্থসমূহৰ এটি চমু বিৱৰণ তলত দাঙি ধৰা হৈছে। লগতে উপন্যাসসমূহৰ প্ৰকাশিত সংস্কৰণৰ সংখ্যাও দিয়া হৈছে। ইয়েই প্ৰমাণ কৰিব নিজৰ লেখনিৰদ্বাৰা পাঠক সৃষ্টি কৰাত তেখেত কিমান দক্ষ আছিল।

'আজিৰ মানুহ' (১৯৫২, পোন্ধৰটা সংস্কৰণ), 'নতুন পথ' (১৯৬৪, এঘাৰটা সংস্কৰণ', 'মাটি কাৰ'

(১৯৫৬, সাতটা সংস্কৰণ), ‘ভাৰাঘৰ’ (১৯৫৭, চৌধ্যটা সংস্কৰণ), ‘এয়েতো জীৱন’ (১৯৬০, চৈধ্যটা সংস্কৰণ), ‘সীমাৰ কাজিয়া’ (১৯৬২, পাঁচটা সংস্কৰণ), ‘আচল মানুহ’ (১৯৬৩, তেৰটা সংস্কৰণ), ‘বৈৰী মানুহ’ (১৯৬৫, এঘাৰটা সংস্কৰণ), ‘জীৱন সংঘাত’ (১৯৬৯, আঠটা সংস্কৰণ), ‘ইতিহাসে সকীয়াই’ (১৯৭২, চাৰিটা সংস্কৰণ), ‘সুখৰ সংসাৰ’ (১৯৭৫, আঠটা সংস্কৰণ), ‘নিৰ্যাতিতা সতী’ (১৯৮০, চতুৰ্থ সংস্কৰণ), ‘কামপত্নী’ (১৯৮১, পাঁচটা সংস্কৰণ), ‘গাঁৱৰ মানুহ’ (১৯৯৭, ছটা সংস্কৰণ), ‘ত্যাগ’ (২০০০, পাঁচটা সংকলন)।

শিশু উপন্যাস - ‘বাৰীৰ কোঁৱৰ’ (১৯৯৫), ‘সাহসী ল’ৰা’ (২০০০)।

নাটক — ‘মন্ত্ৰীৰ হুকুম’ (১৯৭১), ‘অসমীয়াৰ প্ৰাণৰ কথা’ (১৯৭২), ‘বিহুৱান’ (১৯৭৭), ‘শীৰ্ষ সন্মিলন’ (১৯৭৭)।

গল্প কিতাপ - ‘প্ৰায়শ্চিত্ত’ (১৯৪৯), ‘গৰাখহনীয়া’ (১৯৫৪), ‘এইখন আমাৰ সমাজ’ (১৯৭৮), ‘এথুপি তৰা’ (১৯৮৭), ‘আকৌ গৰাখহনীয়া’ (১৯৯২), ‘গল্পটো লিখা নহ’ল’ (১৯৯২)।

প্ৰৱন্ধপুথি — ‘পশ্চিম বংগত মাটি কাৰ’ (১৯৬২), ‘জাতীয় চৰকাৰ’ (১৯৮০), ‘অসমীয়া জাতি টিকিবনে’ (১৯৮০)।

ইমানবোৰ সংস্কৰণ প্ৰকাশ হোৱা উপন্যাসৰ সংখ্যাই মাটিমাৰ এদলাৰৰ আৰু এযাৰ উক্তি প্ৰমাণ কৰি দেখুৱাইছে The great books are enduring best sellers! এই পৰিসংখ্যাই এইটোও প্ৰমাণ কৰিছে যে তেখেতৰ কিতাপসমূহ নিঃসন্দেহে ভাল কিতাপ। পৰিতাপৰ কথা, হিতেশ ডেকাৰ কামসমূহৰ সম্পৰ্কত যিদৰে আলোচনা-সমালোচনা হ’ব লাগিছিল, সেয়া হোৱা নাই। তৎসত্ত্বেও ... ক’ব পৰা যায়, পাঠক সৃষ্টি কৰিব পৰা অদ্ভুত দক্ষতা সম্পন্ন এই লেখকজন অসমীয়া মানুহৰ হৃদয়ে হৃদয়ে বিৰাজমান হৈ আছে, চিৰদিন থাকিব।

❐❐❐

# সহিত + য় = সাহিত্য, সাহিত্য সংগঠনসমূহৰ কৰণীয়

গিৰীন্দ্ৰ শইকীয়া

'একে ঘেতাই থাপনাৰ গুৰি' পাবগৈ নোৱাৰি। একে ঘেতাই, অৰ্থাৎ খোল বা মৃদঙৰ এটা ঘাততে থাপনাৰ ওচৰ পাবগৈ নোৱাৰি। তাৰ কাৰণে, শৃংখলাৱদ্ধভাৱে ঘাতৰ সৈতে ৰজিতা খুৱাই প্ৰৱেশ কৰিব লাগিব। ভাওনাৰ প্ৰৱেশকে ধৰি অন্যান্য আনুসংগিক কলা-কৌশল শিকিবলৈ যিদৰে আখৰা কৰাটো অনিবাৰ্য, একেদৰে সাহিত্য সৃষ্টিৰ বাবেও অনুশীলন অপৰিহাৰ্য। যিদৰে 'একে ঘেতাই থাপনাৰ গুৰি' পাবগৈ বিচৰাজন ভাল ভাৰৰীয়াৰ শাৰীত নপৰে, তেনেদৰে সাহিত্যৰ ক্ষেত্ৰখনতো অনুশীলন আৰু চৰ্চাইহে উৎকৃষ্টতাৰ দিশত লৈ যাব পাৰে। সহিত + য় = সাহিত্য। সহিতস্য ভাবঃ সাহিত্যম। অৰ্থাৎ সহভাবেই সাহিত্য। সহভাব মানে, যি ভাবত অৰ্থ সমন্বিত, অৰ্থযুক্ত ভাব। অৰ্থযুক্ত ভাব লিখিত ৰূপত প্ৰকাশ কৰিবলৈ শব্দৰ প্ৰয়োজন। সেয়ে শব্দৰ ব্যৱহাৰত যেয়ে যিমান পাৰ্গত হয়, তেওঁৰ সাহিত্য সিমান উৎকৃষ্ট আৰু গুণগত হয়। সকলো ধৰণৰ ভুল এৰাই চলি, বৈয়াকৰণ নিয়মানুযায়ী, শব্দৰ ব্যৱহাৰৰ নিত্য-নতুন সম্পৰীক্ষাই, ভাল সাহিত্যিকক অহৰহ ব্যস্ত কৰি ৰাখে। তেতিয়া প্ৰয়াসে প্ৰকাশ, প্ৰতিপত্তি আৰু প্ৰশংসাক গৌণ কৰি তোলে।

এনচাইক্লুপেডিয়া ব্ৰিটান্নিকাত উল্লেখ থকা সংজ্ঞা মতে, সাহিত্য (Literature) হৈছে "The best expression of the best thought reduced to writing, অৰ্থাৎ লেখা হিচাপে থুপাই পেলোৱা সৰ্বোত্তম ভাবনাৰ সৰ্বোত্তম প্ৰকাশ। এই দৃষ্টিভংগীৰে চালে, এজন সাহিত্যিক হ'বলৈ হ'লে (১) লিখিব পাৰিব লাগিব, (২) সৰ্বোত্তম ভাবনাৰ অধিকাৰী হ'ব লাগিব আৰু (গ) সৰ্বোত্তম প্ৰকাশৰ ক্ষমতা অৰ্জন কৰিব লাগিব। এতিয়া আমি এই তিনিটা গুণৰ বিষয়ে যৎপৰোনাস্তি আলচ কৰোঁ।

**লিখা ঃ**

যি ভাষাত লিখিব খোজা হয়, সেই ভাষাৰ ব্যাকৰণ জানিবই লাগিব। ভাষা শুদ্ধকৈ লিখিবলৈ ব্যাকৰণৰ বিকল্প নাই। আমাৰ বহুতৰে ডাঙৰ সমস্যা হৈছে ভুলটোকে শুদ্ধ বুলি ভবাটো। ভুল একোটা ভুল বুলি উপলব্ধি কৰা আৰু শুধৰাবলৈ আগ্ৰহী হোৱা লোকেহে শুধৰণি কৰিব পাৰে। ভুলটোকে শুদ্ধ বুলি আঁকোৰগোজ হৈ থকা বা ভুলটোক ভুল বুলি উপলব্ধি নকৰা লোকে শুধৰাব নোৱাৰে। একোখন ৰাজ্যত একেটা ভাষাই কথিত ৰূপত ভিন ভিন ঠাইত ভিন ভিন ধৰণেৰে উচ্চাৰিত হোৱা দেখা যায়। একেদৰে, একেটা শব্দকে ভিন ভিন জনগোষ্ঠীয়ে ভিন্ন ধৰণেৰে উচ্চাৰণ কৰে। কিন্তু শুদ্ধ লিখিত ৰূপটোহে সমগ্ৰ ৰাজ্যখনৰ মানুহৰ বা সেই ভাষা চৰ্চা কৰা সকলো লোকৰ বোধগম্য হয়।

**ভবা ঃ**

সকলো লোকেই বিভিন্ন কথা ভাবে। সাহিত্যিকেও ভাবে। আনৰ সৈতে এজন সাহিত্যিকৰ পাৰ্থক্য

এইটোৰেই যে তেওঁ ভবা বিভিন্ন কথাৰ মাজৰ পৰা সৰ্বোত্তম ভাবনাবোৰ বাছি উলিয়াব পাৰে। এই যে বিভিন্ন ভাবনাৰ মাজৰ পৰা সৰ্বোত্তম ভাবনাবোৰ বাছি উলিয়াবলগা হয়, সেইবাবে তেওঁ একোটা ভাবনাক নতুনকৈ ভাবিবলৈ, সমাজৰ সকলোৰে বাবে গ্ৰহণযোগ্য হোৱাকৈ ভাবিবলৈ, সকলোৱে ভবাতকৈ কিছু হ'লেও ব্যতিক্ৰম ধৰণেৰে ভাবিবলৈ লয়।

প্ৰকাশ ঃ

কথা ক'ব পৰা সকলো লোকেই কয়। লিখিব জনা সকলোৱে লিখিব পাৰে। সাহিত্যিকে সৰ্বোত্তম প্ৰকাশৰ বাবে লিখে। অৰ্থাৎ, সাহিত্যিকে এনেকৈ লিখে, যি তেওঁৰ সৰ্বোত্তম প্ৰকাশ। ইয়াৰ বাবে তেওঁ শব্দ চয়ন আৰু গাঁথনিৰ উৎকৃষ্টতা অৰ্জন কৰিবলৈ কলা-কৌশল অৱলম্বন কৰে। শব্দ বা পদৰ সংমিশ্ৰণ, সংযোজন, স্থানাভিষিক্তকৰণৰ উপৰিও আলংকাৰিক ব্যঞ্জনা আৰোপৰ প্ৰয়াস কৰে। ইয়াৰ বাবে যিমান বেছি পাৰে অধ্যয়ন আৰু ভাব বিনিময় কৰে।

প্ৰসিদ্ধ আমেৰিকান কবি এজৰা পাউণ্ডে কৈছে, "Great literature is simply language charged with meaning to the utmost possible degree" অৰ্থাৎ, মহান সাহিত্য, সম্ভাব্য সৰ্বোচ্চ স্তৰৰ অৰ্থৰে সজ্জিত ভাষাৰ বাদে আন একো নহয়। এতিয়া এজৰা পাউণ্ডৰ এই কথাৰ পৰাই আমি ক'ব পাৰোঁ যে এজন সাহিত্যিক কিমান দক্ষ বা একোটা সাহিত্য ৰচনা কিমান মহান, সেই জোখ নিৰূপণ কৰিবলৈ, তেওঁ সজোৱা শব্দবোৰে বহন কৰা অৰ্থৰ স্তৰ, তেওঁৰ ভাষালৈ মন কৰিলেই যথেষ্ট।

**সাহিত্য সংগঠনৰ কৰণীয়**

আমি আগতেও কৈছিলোঁ আৰু এতিয়াও কওঁ যে 'একে ঘেতাই থাপনাৰ গুৰি পাবগৈ নোৱাৰি'। অৰ্থাৎ খোল বা মৃদংগৰ এটা ঘাততে, ভাৰৰীয়া গৈ মণিকূটৰ সন্মুখত থকা থাপনাৰ ওচৰ পাবগৈ নালাগে। ঘাতৰ তাল-মান অনুসৰি প্ৰৱেশৰ প্ৰক্ৰিয়াৰে গৈ, এখোজ এখোজকৈ আগুৱাইহে ভাৰৰীয়া থাপনাৰ ওচৰ পায়গৈ। অসম সাহিত্য সভাতো তেনেকুৱা হোৱাই দৰকাৰ। এই কথা ক'বলগীয়া হ'ল এই কাৰণেই যে বৰ্তমান এই জাতীয় অনুষ্ঠানটোত সাহিত্য চৰ্চাতকৈও সস্তীয়া প্ৰদৰ্শন কামিতাৰ পয়োভৰ ঘটা দৃষ্টিকটুভাৱে পৰিলক্ষিত হৈছে। অনুষ্ঠানটোৰ বিভিন্ন শাখা সমিতি, জিলা সমিতি, আনকি কেন্দ্ৰীয় সমিতিৰো বহুসংখ্যক বিষয়ববীয়াৰ সাহিত্যৰ সৈতে কোনো সম্পৰ্ক নাই। থাকিব লাগিবই বুলি অৱশ্যে কোনো কথাও নাই। সাহিত্যিক নহ'লেও, সাহিত্যিকক সংগঠিত কৰাৰ দায়বদ্ধতা উপলব্ধি কৰা লোক বিষয়বাবত দস্তুৰমত থাকিব পাৰে। কিন্তু অধিকাংশ ক্ষেত্ৰতে দেখা যায় যে সাহিত্যৰ সৈতে কোনো কালে, কোনো ধৰণৰ সম্পৰ্ক নথকা লোক অনুষ্ঠানটোৰ বিষয়বাবত থাকি, নিজৰ অঞ্চলটোৰ, প্ৰকৃতাৰ্থত সাহিত্যৰ সেৱা কৰা, সাহিত্য ৰচনা কৰা লোকসকলক সামৰি লোৱাত আওকাণ কৰে। ইয়াৰ এটা প্ৰধান কাৰণ হৈছে— সংশ্লিষ্ট অঞ্চলত হৈ থকা বিভিন্ন সভা-সমিতি আদিত সাহিত্যিক নহৈও, কেৱল অনুষ্ঠানটোৰ বিষয়ববীয়া হোৱাৰ সুবাদতে, সেইসকল লোকে মান্যতা পায়। প্ৰকৃত সাহিত্যিকৰ হাতলৈ সেই সুযোগ গুচি যায় বুলি এইসকলে তলে তলে ভয় কৰে আৰু সেয়ে কেইজনমান নিজৰ অনুৰাগী সৃষ্টি কৰি এটা পছন্দৰ পৰিসৰৰ ভিতৰত একোখন সমিতি সীমাবদ্ধ কৰি ৰাখে, যি পৰিসৰৰ ভিতৰত, সাহিত্যৰ চৰ্চা সুদূৰপৰাহত।

এই কথাখিনি মনলৈ এনেয়ে অহা নাই। বছৰেকীয়া অধিৱেশনবোৰক মেলামুখিতাৰ বদনামৰ পৰা আঁতৰাই আনিবলৈ চেষ্টা কৰা, সাহিত্যক মেলাৰ সলনি বিজ্ঞানৰ সৈতে সাঙুৰিবলৈ বিচৰা, আদৰণীয় পদক্ষেপৰ পিছতো, এতিয়া এক লাখ আজীৱন সভ্যভৰ্তি অভিযান চলোৱাক লৈহে আমাৰ এই খু-দুৱনি। ইতিমধ্যে প্ৰতিখন জিলাৰ জিলা সমিতিসমূহৰ সভাপতি, উপ-সভাপতি, সম্পাদক, সহকাৰী সম্পাদক আৰু ধন ভঁৰালীৰ নেতৃত্বত ৫০০জনকৈ আজীৱন সভ্য ভৰ্তি কৰাৰ অভিযান চলিল। ন্যূনতম পাঁচজন স্থায়ী সদস্য থকা একোটা পৰিয়ালক 'সুহৃদ হিতৈষী পৰিয়াল' বুলি চিনাক্ত কৰা হ'ল বুলি জনা গৈছে। এয়া জাতীয় অনুষ্ঠানটোৰ নিতান্তই প্ৰশংসনীয় তৎপৰতা। একোখন সমাজৰ প্ৰতিজন মানুহেই সাহিত্যিক নহয় বা হ'ব নোৱাৰিব পাৰে, কিন্তু সংগঠক হ'ব পাৰে। এতিয়া আমাৰ প্ৰশ্ন হৈছে — সংগঠকসকলে কাক সংগঠিত কৰিব? সাহিত্যিকক? যদি সাহিত্যিকেই নাথাকে, তেতিয়া? মোৰ ঘৰত থকা ফিছাৰীটোৰ লেখীয়া হ'বচোন। বিশাল পুখুৰীটো আছে, মাছ হ'লে এটাও নাই।

সেইবাবেই, আমি কৈছোঁ যে সংগঠন বহলোৱাৰ সমান্তৰালকৈ সাহিত্য ৰচনাৰ এটা পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ প্ৰয়াস কৰক সাহিত্য সংগঠনসমূহে। সাহিত্য ৰচনাৰ বাবে মানুহক আগ্ৰহী কৰি তোলা, সাহিত্য সম্পৰ্কীয় সঠিক ধাৰণাৰ প্ৰসাৰ ঘটোৱা, সাহিত্যৰ গুণগত মান উন্নত কৰা, বিশ্বৰ বিভিন্ন ভাষাৰ সাহিত্যৰ সৈতে চিনাকি কৰাই দিয়া, সাহিত্যত নতুন পৰীক্ষা-নিৰীক্ষাৰ অৱকাশ সৃষ্টি কৰা— আদি কামবোৰ, নিৰন্তৰ, পদ্ধতিগতভাৱে কৰক।

অসমত অসম সাহিত্য সভাৰ সমান্তৰালকৈ, অসমীয়া ভাষাৰ উপৰিও, বিভিন্ন জনগোষ্ঠীয় ভাষাৰ বিভিন্ন সাহিত্য সংগঠন সৃষ্টি হৈ থকা কথাটোও অসম সাহিত্য সভাই গুৰুত্ব সহকাৰে লোৱা দৰকাৰ বুলি আমি ভাবোঁ। এনে এখন সমান্তৰাল মঞ্চতে অসমৰ এজন বয়োজ্যেষ্ঠ, জনপ্ৰিয় সাহিত্যিকে এসময়ত তাৰ সভাপতিৰ আসনৰ পৰা ভাষণ প্ৰসংগত "মাতিলে ৰণলৈও যাবা, নামাতিলে ভোজলৈও নাযাবা" বুলি কৰা আক্ষেপ আমাৰ মনত আজিও অনুৰণিত হৈ থাকে। অসমত এনে সাহিত্যিক আজিও বহু আছে, যাৰ শুভানুধ্যায়ী সভ্য, আজীৱন সভ্য হোৱাৰ জোখাৰে ধনৰ অভাৱ হোৱা নাই। কিন্তু, ধনৰ বিনিময়ত লাভ কৰা 'সন্মান' বা 'যোগ্যতা'ক লৈ এইসকল সাহিত্যিকে গৌৰৱ বোধ নকৰে। সেয়ে, বজাৰৰ পৰা কিনি অনা পণ্য একোটা আৰু অসম সাহিত্য সভাৰ মৰ্যাদা সম্পন্ন পদবী একোটাক সাহিত্যিকে কেতিয়াও একাকাৰ কৰিব নোখোজে। গায় যদি 'দেখোঁতেই ঘিনলগা, কিনো গাখীৰ খাবা' হয়, তেন্তে দোষ গৰখীয়াৰেই নহ'ব জানো?

❒❒❒

# ভূপেন হাজৰিকাৰ গীতি-সাহিত্যত নাৰী

**পল্লৱী নেওগ বৰা**

ধ্ৰুপদী সাহিত্যৰ পৰা আধুনিক মননশীল সাহিত্যলৈকে সকলো সাহিত্যত নাৰী চৰিত্ৰই এক প্ৰধান ভূমিকা গ্ৰহণ কৰি আহিছে । সকলো সৃষ্টিশীল সাহিত্যত নাৰী আৰু প্ৰেম এক অবিচ্ছেদ্য আৰু বহুল চৰ্চিত বিষয়বস্তু। সাহিত্যত নাৰী চৰিত্ৰৰ উপস্থিতিয়ে লেখনীলৈ মধুৰতা আনে, লগতে লেখকক কল্পনাৰ মনোৰম জগতত বিচৰণ কৰায়। বিভিন্ন সময়ত নাৰীক ভিন ভিন ৰূপত কল্পনা কৰি কথা সাহিত্যৰ লগতে গীতি সাহিত্যত সৃষ্টিৰ মূল কাৰক হিচাপে প্ৰতিষ্ঠা কৰা হৈছে। অতীজৰে পৰা গীতিকাৰসকলে নাৰীক কেন্দ্ৰ কৰি গীত ৰচনা কৰিছে যদিও আধুনিক গীতি-সাহিত্যত ইয়াৰ প্ৰবল প্ৰভাৱ পৰিলক্ষিত হয় ।

সাম্প্ৰতিক সময়ৰ গীতি-সাহিত্যত নাৰীক মূল বিষয় হিচাবে লৈ ৰচনা কৰা গীত সমূহত কেতিয়াবা নাৰীৰ প্ৰকাশ্য ৰূপ আৰু কেতিয়াবা এক ছায়া সদৃশ অস্পষ্ট অৱস্থিতি অনুভৱ কৰা হয়। অসমীয়া আধুনিক গীতৰ জগতত 'চিৰযুগমীয়া ঢৌ'ৰ খলকনি তুলিবলৈ সক্ষম হোৱা অসমৰ সু-সন্তান ভূপেন হাজৰিকাৰ গীতবোৰ কথা, সুৰ আৰু কণ্ঠৰ অপূৰ্ব সমাহাৰ। বৈচিত্ৰ্যময় বিষয়, বিচিত্ৰ শব্দৰ নিটোল গাথঁনি, সুললিত ছন্দ আৰু মনোমোহা সুৰৰ সহায়ত ভূপেন হাজৰিকাই গীতসমূহক এক অনন্য পৰ্যায়ৰ শিখৰত উন্নীত কৰিছে।

পৃথিৱীৰ প্ৰায়বোৰ প্ৰথিতযশা মনীষীৰ জীৱনত নাৰীৰ প্ৰভাৱ থকাৰ দৰে ভূপেন হাজৰিকায়ো জীৱনৰ বিভিন্ন সময়ত বিভিন্ন পৰিৱেশত বিভিন্ন নাৰীৰ সান্নিধ্যলৈ আহিছিল। জীৱনৰ বিভিন্ন স্তৰৰ নাৰীসকলৰ সংস্পৰ্শতেই তেওঁৰ সৃষ্টিৰাজি সুন্দৰ হৈ উঠিছিল বুলি অনুৰাগীসকলে কৈ আহিছে । সেয়েহে ভূপেন হাজৰিকাৰ নাৰী কেন্দ্ৰিক গীতবোৰত গীতিকাৰৰ স্বকীয় ব্যঞ্জনাৰে নাৰীৰ এক সামগ্ৰিক সত্তা উজ্জ্বল ৰূপত প্ৰতিফলিত হৈছে। বৈচিত্ৰ্যময় নাৰী চৰিত্ৰই এই গীতবোৰত বিভিন্ন ৰূপত ভূমুকি মাৰিছে। কেতিয়াবা যদি প্ৰকৃতিৰ বিনন্দীয়া সৌন্দৰ্যক নাৰীৰ ৰূপৰ সৈতে তুলনা কৰিছে কেতিয়াবা কপিলী নৈখনে ৰাংঢালী ছোৱালীৰ ৰূপত গীত কথাৰে ঠন ধৰি উঠিছে। তেওঁৰ এই গীতসমূহত নাৰীসকল যেন সৃষ্টিৰ প্ৰেৰণা, দুখৰ কাৰক, যাযাবৰী জীৱনৰ ক্ষণিক আশ্ৰয় স্বৰূপ, অপূৰ্ব অনুভৱৰ স্ৰষ্টা আৰু কল্পনাতীত সুখৰ মৌচাক স্বৰূপ। সেয়েহে গীতৰ মাজেৰে ভিন ভিন মানসিকতাৰ একো একোটি নাৰী চৰিত্ৰ সৃষ্টি কৰি ভূপেন হাজৰিকাই কাল্পনিক নাৰীক সাকাৰ ৰূপ দি নিজৰ ব্যতিক্ৰমী চিন্তাক ফুটাই তোলাৰ প্ৰয়াস কৰা দেখা যায় ।এনে গীতত কেতিয়াবা সহচৰী, কেতিয়াবা মমতাময়ী, কেতিয়াবা আবেগৰ পাৰ ভঙা নাৰীৰ ৰূপত আৰু কেতিয়াবা সমাজৰ শৃংখল চিঙি নিয়ম বহিৰ্ভূত সম্পৰ্ক স্থাপনত আগ্ৰহী নাৰী ৰূপত প্ৰকাশ কৰিছে ।

নাৰী তেওঁৰ বাবে সৃষ্টিৰ উৎস, কল্পনাৰ সম্ভাৱনা। বহু গীতত তেওঁ নাৰীক সময় আৰু পৰিৱেশ সাপেক্ষে ভিন ভিন ৰূপত তুলি ধৰিছে । মাতৃ, প্ৰকৃতি, প্ৰেমিকা আদি ৰূপত কল্পনা কৰি হৃদয়স্পৰ্শী কথাৰে কালজয়ী গীত ৰচি তেওঁ জনতাৰ অন্তৰ জয় কৰিবলৈ সক্ষম হৈছিল।নাৰীক মাতৃ হিচাপে লৈ ভূপেন হাজৰিকাই নিজস্ব শৈলীৰে কেইবাটাও গীত ৰচনা কৰিছে। তেওঁৰ গীতত মাতৃৰূপী নাৰীয়ে এক বিশেষ স্থান অধিকাৰ কৰি আছে। তেওঁৰ মতে নাৰী কেৱল এগৰাকী সংগী বা প্ৰেমিকা নহয়, বৰঞ্চ তেওঁ এগৰাকী মাতৃ, এগৰাকী

পালনকৰ্তা, আৰু সমাজৰ এক গুৰুত্বপূৰ্ণ স্তম্ভ। তেওঁৰ গীতবোৰে মাতৃৰ ত্যাগ, মৰম, আৰু শক্তিশালী চৰিত্ৰক উদ্‌যাপন কৰে।

তেওঁৰ বাবে অসমখন ৰূপে গুণে অতুলনীয় মাতৃতুল্য। এই মাতৃৰ অপৰূপ সৌন্দৰ্যত মোহিত হোৱাৰ লগতে দেশমাতৃৰ অৱদানৰ প্ৰতি শিৰনত কৰি তেওঁৰ শক্তিশালী কলম আৰু কণ্ঠৰে প্ৰৱল অনুভূতি সম্পন্ন গীতৰ সৃষ্টি কৰিছে — "অসমী আই ৰূপহী গুণৰো নাই শেষ/ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ/ গোটেই জীৱন বিচাৰিলেও, অলেখ দিৱস ৰাতি/অসম দেশৰ দৰে নাপাওঁ ইমান ৰসাল মাটি।"

ভূপেন হাজৰিকাই জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সমগ্ৰ মানৱ জাতিৰ হৃদয়ৰ অনুভূতিৰ সৈতে একাত্ম হৈ মাতৃকেন্দ্ৰিক গীতসমূহ ৰচনা কৰিছে। তেওঁৰ বাবে দেশ মাতৃৰ প্ৰতি প্ৰেম যেন জন্মদাত্ৰী মাতৃতকৈও অধিক। তেওঁৰ দৃষ্টিত দেশ মাতৃৰ সিৰাই সিৰাই অসম আৰু অসমীয়াৰ সুখ-দুখৰ কণিকাবোৰ অহোৰাত্ৰি চেঁকুৰে। এই মাতৃৰ বাবে তেওঁৰ বুকুখন দহি পুৰি মৰে। মাতৃৰ ৰক্ষাৰ বাবে তেওঁৰ সন্তানে বুকুত গুলি পাতি লৈ জননী জন্মভূমিৰ বাবে প্ৰাণ ত্যাগ কৰিবলৈও কুণ্ঠাবোধ নকৰে। তেওঁৰ মতে জন্মদাত্ৰী মাতৃৰ প্ৰতি সন্তানৰ যি কৰ্তব্য থাকে ঠিক তেনেদৰে দেশ মাতৃৰ প্ৰতিও আমাৰ কৰ্তব্য অপৰিসীম। প্ৰয়োজনত দেশৰ হকে তেজ দিবলৈ প্ৰস্তুত অসমী আইৰ হেজাৰজন সন্তানৰ কণ্ঠ হৈ তেওঁ লিখিছে— "বুকু হম্ হম্ কৰে মোৰ আই/ কোনে নিদ্ৰা হৰে মোৰ আই/পুত্ৰ হৈ মই কি মতে তৰোঁ/আই তোৰে হৈ মই মৰোঁ।।"

নাৰী মমতাৰ সাগৰ। মাতৃৰ আঁচলতকৈ সুৰক্ষিত স্থান সন্তানৰ বাবে আৰু নাই। মাতৃয়েই জনম দিওঁতা মাতৃয়ে পালনকৰ্তা। ত্ৰিভুৱনত মাতৃৰ তুল্য গুৰু নাই। চেনেহৰ জন্মদাত্ৰী মাতৃ শান্তিপ্ৰিয়া দুৰাৰোগ্যত পৰি মৃত্যুলৈ ক্ষণ গণি থকা দেখি শোকত বিহ্বল হৈ ভূপেন হাজৰিকাই লিখিছিল—"গৰ্ভদায়িনী জন্ম দায়িনী মা মোৰ মৰমৰ/তথাপি একোকে কৰিব নোৱাৰোঁ, আমি অসহায় বৰ।"

ড° ভূপেন হাজৰিকাৰ গীতত গাঁৱলীয়া নাৰীৰ চিত্ৰণ এক বিশেষ স্থান লাভ কৰে। তেওঁৰ গীতসমূহত গাঁৱলীয়া নাৰীৰ সাহস, সংগ্ৰাম, প্ৰেম আৰু দেশপ্ৰেমৰ ছবি প্ৰতিফলিত হৈছে। তেওঁ নাৰীক কেৱল এগৰাকী সংগী বা প্ৰেমিকা হিচাপেই নহয়, বৰং এগৰাকী দেশপ্ৰেমী, শক্তিশালী নাৰী হিচাপেও উপস্থাপন কৰিছে। তেওঁৰ গীতত গাঁৱলীয়া নাৰীৰ জীৱনৰ বিভিন্ন ৰং, যেনে- কৃষি কৰ্মত তেওঁলোকৰ অৱদান, প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হোৱা তেওঁলোকৰ সাহস, আৰু পৰিয়ালৰ প্ৰতি থকা তেওঁলোকৰ মৰম আদি বিভিন্ন দিশ দাঙি ধৰা হৈছে।

অসমৰ গ্ৰাম্য জীৱনৰ পটভূমিক কেন্দ্ৰ কৰি ভূপেন হাজৰিকাই যথেষ্ট সংখ্যক গীত ৰচনা কৰিছে। তেওঁৰ গীতবোৰে গাঁৱৰ নিভাজ ছবি এখন জনমানসত প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। গাঁৱৰ সেউজীয়া পথাৰ, ধূলিয়ৰি বাট-পথ, কপৌফুল, জেতুকা, অসমীয়া মহিলাৰ সপোনৰ বুটা বচা তাঁতশাল আদিক গীতৰ কথাৰে জীৱন্ত কৰি তুলিছে। গ্ৰামীণ নাৰীৰ কষ্ট আৰু ত্যাগৰ গুণ বখানি তেওঁলোকৰ জীৱন ৰেখাক গীতৰ মাজেৰে সুন্দৰকৈ সজাই তুলিছে। তেওঁৰ গীতত গাঁৱলীয়া নাৰীৰ প্ৰেম আৰু সাহস দুয়োটা দিশ ফুটি উঠিছে। তেওঁৰ বিভিন্ন গীতত দেশপ্ৰেমৰ লগতে এগৰাকী নাৰীৰ আত্মত্যাগৰ চিত্ৰণ আছে। নাৰীৰ সুখ-দুখ, হাঁহি-কান্দোন আদিৰ লগত একাত্ম হৈ গীতবোৰ ৰচনা কৰি তেওঁ শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰিছে। এগৰাকী গাঁৱলীয়া নাৰীৰ বাহ্যিক সৌন্দৰ্যতকৈও বোকা পানীৰে লুতুৰি পুতুৰি হৈ পথাৰত সোণগুটি গজোৱা, জাকৈ মাৰি দুপৰীয়াৰ সাঁজ যোগাৰ কৰা, ৰ'দত পুৰি চেনেহৰ বাণীৰে বিহুৱান বোৱা ৰূপটোৱেহে মুগ্ধ কৰে। সুন্দৰ মনৰ এগৰাকী নাৰীয়ে গাঁৱৰ মাটিতে সৰগ ৰচে বুলি তেওঁ লিখিছে— "গাঁৱৰে জীয়ৰী সপোন সুন্দৰী/গাঁৱতে

সৰগ ৰঁচো মই/মাটিতে সৰগ ৰঁচো মই /দেৱতাই ৰ লাগি চায়/ধুনীয়া মন মোৰ কুমলীয়া/বাহু দুটি মোৰ লহপহীয়া/কাকনো সাৱটিব খুজি/অলিয়া বলিয়া হয়।”

গাঁৱৰ জীয়ৰী ডেকাসকলৰ সপোনৰ নাৰী বুলি গীতিকাৰ ভূপেন হাজৰিকাই ব্যক্ত কৰিছে। দেৱতায়োৰ লাগি চোৱা সুন্দৰ মনৰ সেই সুন্দৰী ৰমণীসকলক আপোন কৰিবলৈ তেওঁলোক উদগ্ৰীৱ হৈ পৰিছে। গাঁৱৰ নাৰীক লৈ ভূপেন হাজৰিকাই যিবোৰ গীত ৰচনা কৰিছে তাত এক মনোমোহা গ্ৰামীণ পৰিৱেশ বৰ্ণনা কৰিছে। যদিও গাঁৱৰ নাৰীক সুন্দৰী গাভৰু বুলি অভিহিত কৰি ডেকাৰ মন বলিয়া কৰাৰ কথা কৈছে, তথাপিও কিন্তু কেৱল প্ৰেম আৰু যৌৱনৰ প্ৰতীক হিচাবে উত্থাপন কৰা নাই। সহজ সৰল গ্ৰামীণ নাৰীৰ দুখ-কষ্ট আৰু ত্যাগৰ গুণৰ কথাহে ক'ব বিচাৰিছে, তেওঁলোকৰ সৃষ্টিশীলতাৰ ছবিখন স্পষ্ট কৰি দিছে ।

ভূপেন হাজৰিকাই গীতৰ মাজেৰে চহৰ-গাঁও, পাহাৰ-ভৈয়ামৰ ভেদাভেদ আঁতৰাই সকলো নাৰীক একত্ৰিত কৰি জ্ঞানৰ পোহৰেৰে আগুৱাই নিবলৈ প্ৰয়াস কৰিছিল। নাৰীৰ বাবে ৰচিত সকলো এলান্ধুকলীয়া নিয়ম আৰু অন্ধ বিশ্বাস মষিমূৰ কৰি এখন বহল মনৰ সমাজ গঢ়াৰ হেঁপাহ কৰিছে য'ত নাৰীসকলে এজাক কপৌৰ দৰে আকাশলৈ উৰা মাৰিব পাৰে। সেয়েহে তেওঁ লিখিছে—“মকৰাৰে পুৰণি জালবোৰৰ এলান্ধু/পুচি নিবলৈ আহিলে বতাহ এছাটি/তাতে উৰে হেজাৰ কপৌৰ জাক/পৃথিৱীৰ আকাশৰে শুকুলাকৈ ডাৱৰে/উলাহেৰে সাৱটিছে তাক।”

ড° হাজৰিকাৰ গীতত গাঁৱলীয়া মহিলাসকলক কেৱল দুৰ্বল হিচাপে নহয়, বৰং তেওঁলোকৰ সাহস, শক্তি আৰু আত্মসন্মান থকা এক শক্তিশালী চৰিত্ৰ হিচাপেও উপস্থাপন কৰা হৈছে। তেওঁৰ গীতবোৰে মহিলাসকলক তেওঁলোকৰ অধিকাৰৰ বাবে থিয় দিবলৈ আৰু সমাজত এক সন্মানজনক স্থান লাভ কৰিবলৈ অনুপ্ৰাণিত কৰে। তেওঁৰ গীতসমূহত গাঁৱলীয়া মহিলাসকলৰ জীৱনশৈলী, সংগ্ৰাম, আৰু তেওঁলোকৰ প্ৰতি থকা সমাজৰ দৃষ্টিভংগী প্ৰতিফলিত হৈছে। তেওঁৰ গীতবোৰে গাঁৱৰ নাৰীৰ দুখ-কষ্ট, আশা-আকাংক্ষা, আৰু তেওঁলোকৰ সমাজেৰে সম্পৰ্কক আলোকপাত কৰে।

ড° ভূপেন হাজৰিকাৰ গীতত গাঁৱলীয়া মহিলাসকলক কেতিয়াবা এগৰাকী সহজ-সৰল, মৰমিয়াল মাতৃ হিচাপে, কেতিয়াবা এগৰাকী কষ্টসহিষ্ণু পত্নী হিচাপে, আৰু কেতিয়াবা এগৰাকী সাহসী সংগ্ৰামী হিচাপে উপস্থাপন কৰা হৈছে। তেওঁৰ গীতবোৰে মহিলাসকলৰ সামাজিক, অৰ্থনৈতিক, আৰু মানসিক দিশসমূহৰ ওপৰত আলোকপাত কৰে। গাঁৱলীয়া নাৰীয়ে জীৱনত সন্মুখীন হোৱা বিভিন্ন কষ্ট যেনে দৰিদ্ৰতা, সামাজিক বৈষম্য আদিৰ কথাও তেওঁৰ গীতত স্পষ্টভাৱে চিত্ৰিত হৈছে। একে সময়তে, তেওঁলোকৰ মনোবল আৰু সাহসিকতাও প্ৰকাশ পাইছে।

তেওঁৰ গীতবোৰে কেৱল অসমীয়া সমাজতে নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ গাঁৱলীয়া মহিলাসকলৰ জীৱনৰ প্ৰতিচ্ছবি দাঙি ধৰে। এগৰাকী মাৰাঠী গ্ৰাম্য নাৰীৰ প্ৰতি সন্মান জনাই ভাৰতবৰ্ষৰ দুখন ৰাজ্যক একতাৰ এনাজৰীৰে বান্ধিবলৈ প্ৰয়াস কৰিছে। গীতটোত মাৰাঠী গ্ৰামীণ নাৰী গৰাকীয়ে অতি শ্ৰদ্ধাৰে অসমী আইলৈ প্ৰণিপাত জনাই গাইছে— “মই মাৰাঠী গাঁৱৰে জীয়ৰী/নয়নত লাজ ভৰা চাৱনি/................../................ সেইখন দেশ মোৰ দূৰণিৰ দেশ/তথাপি চিনাকি শুৱনি নাম/অসমী আইলৈ যাঁচো প্ৰণাম।”

ভূপেন হাজৰিকাৰ গীতবোৰৰ মাজৰ এটি গীত ‘হাৱা নাই বাতাস নাই’ত পৰিস্থিতিৰ দামত স্বামীৰ সংগ সুখৰ পৰা বঞ্চিত এগৰাকী চাহ জনগোষ্ঠীৰ বিৰহিণী নাৰীক শ্ৰোতাই প্ৰত্যক্ষ কৰে। এই নাৰীগৰাকী

'চামেলি মেমচাহাব' বোলছবিৰ মাজত জীৱন্ত যদিও ভূপেন হাজৰিকাৰ গীতৰ কথা আৰু সুৰৰ মাজত নাৰী গৰাকীৰ বেদনা অধিক মৰ্মস্পৰ্শী হৈ উঠিছে। স্বামীৰ সান্নিধ্য লাভ নকৰি দুখত ম্ৰিয়মান হোৱা এগৰাকী নাৰীৰ হতাশাৰ কথা গীতটোত ব্যক্ত কৰা হৈছে — "হাৱা নাই, বাতাস নাই/সৰ গেছে সুখ নাই/তোমাৰ বিনা কেমনে ৰহিবো
কেমনে সাগৰ হবো পাৰ।"

এনেদৰে ভূপেন হাজৰিকাই গীতৰ মাজেৰে বিৰহিণী নাৰীৰ উপৰিও সবল শক্তিশালী নাৰীৰ চিত্ৰণো ফুটাই তুলিছে। 'গৌৰীপুৰীয়া গাভৰু' গানটো ড° ভূপেন হাজৰিকাই ৰচনা কৰা তেনে এটি বিখ্যাত গীত। এই গীতটোত নাৰী সবলীকৰণৰ দিশটো প্ৰতিফলিত হৈছে। গীতটোত গৌৰীপুৰৰ নাৰীসকলৰ সৌন্দৰ্য, সাহস আৰু আত্মবিশ্বাসক প্ৰশংসা কৰা হৈছে। ইয়াত নাৰীৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা আৰু তেওঁলোকৰ শক্তিক স্বীকৃতি দিয়া হৈছে। তেওঁৰ দৃষ্টিত নাৰী সৌন্দৰ্য আৰু সাহসৰ প্ৰতীক। গীতটোত গৌৰীপুৰৰ গাভৰুসকলৰ শাৰীৰিক সৌন্দৰ্যৰ উপৰিও তেওঁলোকৰ চৰিত্ৰৰ বৈশিষ্ট্যও দাঙি ধৰা হৈছে। তেওঁলোক সাহসী, আত্মবিশ্বাসী আৰু নিজৰ সিদ্ধান্ত ল'ব পৰা। তাৰোপৰি গৌৰীপুৰৰ গাভৰুসকলক 'সোণৰ ভাণ্ডাৰ', 'গাভৰু গাভৰু' বুলি সম্বোধন কৰা হৈছে, যিয়ে তেওঁলোকৰ সৌন্দৰ্য আৰু আকৰ্ষণীয় ব্যক্তিত্বক বুজাইছে। একে সময়তে 'সাগৰৰ ঢৌ'ৰ সৈতে তুলনা কৰা হৈছে, যিয়ে তেওঁলোকৰ সাহস আৰু দৃঢ়তাৰ ইংগিত দিয়ে— "গৌৰীপুৰীয়া গাভৰু দেখিলো হাতী ধৰিবলৈ গৈ/হাতীও ধৰিলো তাইকো মুহিলো/সাঁতুৰি গদাধৰ নৈ হে.../গৌৰীপুৰীয়া গাভৰু দেখিলো হাতী ধৰিবলৈ গৈ/মহলৰ কাষতে নৈৰে পাৰতে/আছিলে অকলে ৰৈ হে..."

গীতটোত নাৰীসকলক নিজৰ আত্ম-সন্মান বজাই ৰাখি নিজৰ মৰ্যাদা প্ৰতিষ্ঠা কৰিবলৈ উৎসাহিত কৰা হৈছে। 'আপোনাৰ মৰ্যাদা আপুনি ৰাখিব', 'আপুনি নিজৰ পথ নিজেই বাছি ল'ব' আদি শব্দে নাৰীসকলক আত্ম-নিৰ্ভৰশীল হ'বলৈ প্ৰেৰণা যোগায়।

গীতটোৱে নাৰী সবলীকৰণৰ বাৰ্তা বহন কৰে। নাৰীসকলক নিজৰ অধিকাৰৰ বাবে থিয় দিবলৈ আৰু সমাজত নিজৰ স্থান দখল কৰিবলৈ উৎসাহিত কৰা হৈছে। নাৰীসকলক পুৰুষৰ সমানেই শক্তিশালী আৰু আত্মবিশ্বাসী হ'বলৈ শিকাইছে।

ভূপেন হাজৰিকাৰ গীতত নাৰী সন্দৰ্ভত 'ভূপেন হাজৰিকাৰ গীতত প্ৰেম আৰু নাৰী' শীৰ্ষক এটি প্ৰবন্ধত শিৱপ্ৰসাদ বৰাই লিখিছে— "ড° ভূপেন হাজৰিকাৰ গীতত যেনেকৈ প্ৰেমৰ বৈচিত্ৰ্যময় প্ৰকাশ ঘটিছে ঠিক তেনেকৈ নাৰীৰো বিভিন্ন ৰূপ অংকিত হৈছে। সহজ সৰল সৰুদৈ অথবা গোৰ্খালী গাভৰুৰ পৰা আৰম্ভ কৰি চহৰীয়া আধুনিকা গাভৰু অথবা অনামিকা গোস্বামীলৈকে বহু বিবিধ নাৰীৰ এক বৰ্ণাঢ্য মিছিল তেওঁৰ গীতত দেখা যায়। ভূপেন হাজৰিকাৰ গীতত অংকিত নাৰী চৰিত্ৰসমূহ বিশ্লেষণ কৰিলে দৃষ্টিগোচৰ হয় যে গীতিকাৰে নাৰীৰ দুটা দিশ অংকন কৰিছে। এটা শাৰীৰিক আৰু আনটো মনস্তাত্ত্বিক দিশ। নাৰীৰ শাৰীৰিক সৌন্দৰ্যৰ বৰ্ণনা যেনেকৈ পৰ্য্যাপ্ত পৰিমাণে পোৱা যায় তেনেকৈ নাৰীৰ মনোজগতৰ খবৰো পোৱা যায় বহু গীতত।"

ভূপেন হাজৰিকাৰ সৃষ্টিত নাৰীয়ে এক বিশেষ মৰ্যদা লাভ কৰিছিল। তেওঁ কেতিয়াও কোনো নাৰীৰ চৰিত্ৰ বিশ্লেষণ নকৰি সেই নাৰীৰ সত্তাক সৃষ্টিৰ উৎস হিচাপে লৈ গীত ৰচি গৈছিল। তেওঁ বিভিন্ন পৰিবেশ আৰু পৰিস্থিতিত জীৱন নিৰ্বাহ কৰা নাৰীসকলক সুন্দৰ গীতি-সাহিত্যৰ জৰিয়তে কালজয়ী গীত ৰচনা কৰি চিৰ দিনলৈ শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰি গ'ল।

❑❑❑

# মাঘ বিহু আৰু মাঘত পালিত জনগোষ্ঠীয় লোক-সংস্কৃতি

**দীপাংকৰ ভৰালী**

অসমীয়া লোক-সংস্কৃতিৰ বৰপেৰাৰ তিনিওটা বিহুৰ ভিতৰত মাঘ বিহু অন্যতম। হিন্দু শাস্ত্ৰমতে বাৰটা ৰাশি চক্ৰ আছে আৰু সূৰ্যই বাৰটা মাহত বাৰটা ৰাশি অতিক্ৰম কৰে। সূৰ্যই যেতিয়াই পৰ্যায়ক্ৰমে মকৰ ৰাশিত প্ৰৱেশ কৰে (পুহ মাহৰ শেষৰ দিনটোত তথা জানুৱাৰী মাহৰ মাজ ভাগত) তেতিয়াই অসমীয়া লোকসকলে মাঘ বিহু পালন কৰে। অসমীয়া জাতীয় জীৱনৰ সকলো উচ্ছাহ, আশা-আকাংক্ষা, ৰং-আনন্দ, আৱেগ-অনুভূতি বিহুৰ লগত ওতঃপ্ৰোতভাৱে জড়িত।

**মেজি আৰু উৰুকা শব্দৰ উৎপত্তি ঃ**

আৰ্যসকলে শীতৰ পৰা পৰিত্ৰাণ পাবলৈ মহাব্ৰত অনুষ্ঠান অনুষ্ঠিত কৰি অগ্নিপূজা কৰিছিল আৰু মাঘ বিহুৰ লগত সম্পৰ্ক থকা মেজিত তেনে এক অনুষ্ঠানৰেই অংগ। ড° লীলা গগৈদেৱৰ মতে আলপাইনসকলে পূজা কৰা অগ্নি মেজিক 'মেজাই' বুলিছিল। তাৰপৰাই মেজি শব্দটো উৎপত্তি। ড° মহেশ্বৰ নেওগদেৱে 'মেজি' শব্দটো সংস্কৃত 'মেধ্য' শব্দৰ পৰা আহিছে বুলি মত পোষণ কৰিছে। মেধ শব্দটোৱে 'যজ্ঞ'ক প্ৰতিনিধিত্ব কৰে। বিষ্ণু প্ৰসাদ ৰাভাদেৱৰ মতে বড়ো ভাষাৰ মাৰ্জি শব্দৰ পৰা 'মেজি' শব্দৰ উৎপত্তি।

আন এচামৰ মতে 'মেজি' শব্দটো বড়ো-কছাৰীমূলীয় প্ৰাচীন চুতীয়া ভাষাৰ 'মিডি-য়ে-জি' (মিডি= দেৱতা/পূৰ্বপুৰুষ, য়ে = জুই, জি= উৰি যোৱা) ৰ পৰা সৃষ্টি হৈছিল বুলি কোৱা হয়। আনহাতে 'উৰুকা' শব্দটো চুতীয়া ভাষাৰ 'উৰুকুৱা'ৰ (অৰ্থ = শেষ হোৱা) পৰা অহা বুলি জনায়। কাৰণ পুহ মাহৰ অন্তিম দিনটোতে শস্য চপাই শেষ কৰা নিয়ম।

**মাঘ মাহত পালিত জনগোষ্ঠীয় লোক-সংস্কৃতি ঃ**

প্ৰাচীন কালৰে পৰা অসমলৈ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ প্ৰব্ৰজন ঘটি আহিছে। মূলতঃ অষ্ট্ৰিক, মংগোলীয় আৰু দ্ৰাবিড় জনগোষ্ঠীৰ লোকসকলৰ ভিতৰত মংগোলীয় নৃ-গোষ্ঠীৰ সংখ্যাই অধিক আৰু এই লোকসকলে ঐতিহাসিক স্বকীয় ভাষা হেৰুৱাই অসমীয়া ভাষা হৈ পৰিছে। অৱশ্যে প্ৰতিটো জনগোষ্ঠীৰ মাজত কিছুমান সুকীয়া বৈশিষ্ট্যও দেখা যায়।

অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে মাঘ বিহুৰ লগত সংগতি ৰাখি বিভিন্ন উৎসৱ আদি পালন কৰে। সাধাৰণতে মাঘ বা ভোগালী বিহুৰ সময়ত পথাৰৰ লখিমী ঘৰ সোমোৱাৰ লগতে ৰবি শস্য তথা নৈ-বিলত মাছ যথেষ্ট পৰিমাণে পোৱা যায়। গতিকে অভাৱীসকলেও এই বিহু উলহ মালহেৰে পালন কৰিব পাৰে। ভোগালী বিহুত উৰুকাৰ দিনা ভেলাঘৰ সাজি ৰং-ৰহইছ কৰি ভোজ ভাত খায় আৰু ৰাতিপুৱাৰ আগতে জ্বলাই দিয়ে। উজনিফালে কাঠৰ আৰু নামনি ফালে বাঁহৰ কামিৰে দৌলটোৰ দৰে নৰাৰে মেজি সাজে আৰু

বিহুৰ দিনা কাউৰীয়ে কা নকওঁতেই গা ধুই কলপাতত তামোল-পাণ, অৰিহণা, পিঠা, নাৰিকল, প্ৰসাদ আগবঢ়ায় আৰু 'জয় ৰাম বোলা, জয় হৰি বোলা' হৰ্ষধ্বনি দিয়ে আৰু তলৰ মন্ত্ৰফাঁকিৰে অগ্নি দেৱতাক প্ৰণাম জনাই মেজিত অগ্নি সংযোগ কৰে—

'অগ্নি প্ৰজ্বলিতং, বন্দে চতুৰ্বেদং হুতাশনম্,
সুবৰ্ণ-বৰ্ণমমলং জ্যোতি ৰূপায়তে নমঃ।।'

তাৰ পিছতে মাহ-প্ৰসাদৰ শৰাই আগবঢ়োৱাৰ লগতে কাঠ আলু, মোৰা আলু, মিঠা আলু, পিঠা-পনা, জা-জলপান খোৱা হয়।

বড়ো জনগোষ্ঠীৰ লোকসকলে মাঘ বিহুক 'মাগৌ' বোলে। লোকবিশ্বাস অনুসৰি পুহৰ সংক্ৰান্তিৰ দিনা গধূলি কোলাৰ কেঁচুৰা বোকোচাত বান্ধি লোৱাৰ নিয়ম আছে। লোকবিশ্বাস অনুসৰি তেনে কৰিলে গছৰ ফল বেছিকৈ আৰু ডাঙৰকৈ লাগে আৰু কেঁচুৰাটো দীৰ্ঘায়ু হয়। তেওঁলোকে মাহ-কৰাই, পিঠা-পনা আদি মানুহে খোৱাৰ আগতে গোহালি ঘৰত গৰুৰ নামত উৎসৰ্গা কৰে। গৃহিনীয়ে ৰান্ধনী আৰু ভঁৰালঘৰ গোবৰ মাটিৰে লেপি লয় যাক 'বাখ্ৰি নিৰখন্নায়' অৰ্থাৎ ৰান্ধনীঘৰ আগুৱা বুলি কয়। দুয়োটা ঘৰতে যাতে লক্ষ্মী দেৱীৰ কৃপা বৰ্তি থাকে সেয়ে লেপা হয়। মৃত পূৰ্বপুৰুষৰ প্ৰতি পিঠা-পনা উৎসৰ্গা কৰাৰ লগতে 'বাগ ৰাজানো বাওনায়' (বাঘৰ জাক পূজা) কৰাৰ নিয়মো আছে। মাগৌত বড়োসকলে খেৰাই পূজা কৰে।

গোৱালপাৰাৰ কোচ ৰাজবংশী আৰু দেশী মুছলমানসকলে মাঘৰ দোমাহীক 'পুষণা' বুলি কয়। 'পুষণা' ভোগালী বিহুৰ দিনা পালন কৰা হয় যদিও মেজি জ্বলোৱা নিয়ম নাই। পুষণাৰ দিনা ৰাতিপুৱা গা ধুই ঠাণ্ডা গুচাবৰ বাবে কাঠখৰি আৰু শুকান গোবৰৰ জুইৰ (যাক 'ধুনি' বুলি জনা যায়) ব্যৱস্থা কৰে, গাঁৱৰ চাৰিওফালে নাম কীৰ্ত্তন গায়। পুৰুষসকলে গৰুৰ শিঙত তেল লগায়, ফুলৰ মালা পিন্ধায়, চাউলৰ গুড়ি পানীত মিহলাই কলপাতৰ মাজৰ সিৰাডালৰ গুৰিৰ শকত অংশ কাটি থেতেলাই গৰুৰ গাত তিনিবাৰকৈ ফোঁট দিয়ে, গৰুক পিঠা-পনা খুৱায়। ইয়াক 'গৰু চিতা' বুলি কোৱা হয়। এই সময়ত পিঠা-পনাৰ লগতে টোপোলা ভাত, কৰাই, চিৰা বা আঠবিধ বস্তুৰে বনোৱা আটকৰাই (বৰা চাউল, মাটিমাহ, মৌ, নিমখ, কলামাহ, তিল, আদা, বুট) খায়। কোনো কোনো ঠাইত খেৰৰ পুজিত পিঠা দি পূজা কৰে। এনে কৰিলে ধানৰ উৎপাদন বৃদ্ধি হয় বুলি বিশ্বাস কৰা হয়। পুষণা উপলক্ষে ডাঙৰ ডাঙৰ গৰুবোৰক মুকলি পথাৰলৈ লৈ যায় আৰু মৈ লগাই দৌৰিবলৈ দিয়া হয়। দৰঙৰ কোচ ৰাজবংশীসকলে মেজিৰ সলনি ভেলাঘৰ সাজে লগতে কণী আৰু তামোল পাণ আগবঢ়ায়। ঘৰে ঘৰে পাৰ চৰাইৰ পূজা কৰি শান্তি কামনা কৰে। ৰাতিপুৱা ৰাতিয়েই সিজাই থোৱা কণী আৰু বাহিভাত খায়।

চাহ জনগোষ্ঠী লোকসকলে মাঘী পূৰ্ণিমাত 'টুচু পৰৱ' পালন কৰে। এগৰাকী অকুমাৰী ছোৱালীক 'টুচুমা' হিচাপে সজাই শস্য দেৱী হিচাপে টুচু দেৱীক পূজা কৰে। এইবিধ পূজাত বন্দনা গীত, আদৰণি গীত, ওমলা গীত, টুচু তোলা গীত, জোৰা নাম ইত্যাদি বিভিন্ন গীত গোৱা হয়।

দেউৰীসকলে পালন কৰা মাঘ বিহুক কেমাচি বিচু উৎসৱ বোলে। মাঘ মাহৰ প্ৰথম বুধবাৰে মাঘ বিহুৰ বৰপূজা অনুষ্ঠিত কৰে। তেওঁলোকে ৰাতিয়েই খৰি যোগাৰ কৰি মেজি সাজি কাউৰীয়ে কা নকৰোতেই জ্বলায় দিয়ে। বিহুৰ সময়ত ম'হ যুঁজ, কুকুৰা যুঁজ আদি বিভিন্ন খেল-ধেমালি অনুষ্ঠিত হয়।

টাই ফাকে, টাই, খাময়াং, টাই খামতি, টাই আইতন, টাই তুৰুং, টাই বৌদ্ধধৰ্মী লোকসকলে মাঘী পূৰ্ণিমাত 'পয় মাই ক' চুম ফাই' উৎসৱ পালন কৰে। এই উৎসৱৰ বিশেষত্ব হৈছে মাই ক' অৰ্থাৎ 'মেজি'। মাইক' খৰিৰে ওখকৈ জাপি ৰঙীন কাগজৰ ফুল, পতাকা, আদিৰে সু-সজ্জিত কৰি একেবাৰে শীৰ্ষত বাঁহ আৰু ৰঙীন কাগজেৰে প্ৰস্তুত কৰা এটি কিৰিটি পিন্ধোৱা হয়। সম্পূৰ্ণ ৰীতি-নীতিৰে মাইক' ওপৰৰ পৰা বিশেষ পদ্ধতিৰে প্ৰজ্বলিত কৰে। সন্ধিয়া সময়ত কোনো কোনো অঞ্চলত টাই ফাকেসকলে পংফাই বা আকাশবন্তি জ্বলায়। সন্ধিয়া মাইক' চুম ফাই উপলক্ষে খাময়াংসকলে কা নাংফি, টাই নৃত্য, টাই আইতনসকলে কা নাংৰেন, কা মেংবি, কাফি ফাই, খামতিসকলে কা টে খেং আদি নৃত্য পৰিৱেশন কৰে। টাই ফাকেসকলৰ খাদ্যসম্ভাৰৰ অন্যতম আকৰ্ষণ খিচিৰি ভাত 'খয়াকু', খাওলাম, টংটেপ, টোপোলা ভাত আদি।

কাৰ্বিসকলে মাঘ মাহত 'বাচা কেকান' (কৃষি উৎসৱৰ নৃত্য) উৎসৱ পালন কৰে। এই নৃত্য পুৱালৈকে চলে আৰু শেষ হোৱাৰ পিছত নাচনীসকলে যোগাৰ কৰা সামগ্ৰীৰে ভোজ ভাত আৰু 'হৰলাং' নামৰ এবিধ পানীয় খায়।

চাওঁতালসকলে মাঘ বিহুক 'ছাকৰাত' বোলে। ছাকৰাতৰ লগে লগে 'ছহৰাই পৰৱ' আৰম্ভ হয়। এই উৎসৱক বিজয় উৎসৱ বা শত্ৰুজয় উৎসৱ বুলিও কোৱা হয়। মাঘ মাহত তেওঁলোকে মাঘচিম বা বাস্তুপূজা কৰে। এই মাঘচিম হৈছে নিগাজিকৈ বসবাস কৰিবলৈ হাবি-জংঘল চাফ-চিকুণ কৰি পূজাৰ ব্যৱস্থা কৰা। এই সময়ত তেওঁলেকে পুৰণি ঘৰৰ সংস্কাৰ কৰি নতুন ঘৰ নিৰ্মাণ কৰে। মহিলাসকলে বগা আলতীয়া মাটিৰে ঘৰবোৰ লেপে আৰু ঘৰৰ বেৰবোৰত গছ-লতা, ফুল, চৰাই আদিৰ ছবি আঁকে। ছহৰাই পৰৱত তেওঁলোকে দুংগেৰ গীত গাই দলবান্ধি চিকাৰ কৰে। ইয়াৰ লগতে চাওঁতাল ডেকা-গাভৰুৱে ছহৰাত, মাতবৰ আৰু গুঞ্জুৰ নৃত্য আৰু পুৰুষসকলে পুইক আৰু লুংৰীয়া নৃত্য কৰে।

মাঘৰ উৰুকাৰ পাছৰ শুকুৰবাৰে মৰিগাঁও জিলাৰ জাগীৰোডৰ ওচৰৰ জোনবিলত তিৱা সম্প্ৰদায়ৰ লোকসকলে জোনবিল মেলা পাতে। মেলা আৰম্ভ হোৱাৰ পূৰ্বে জোনবিলত ৰজাৰ পাৰিষদবৰ্গ আৰু বিভিন্ন গাঁৱৰ নিৰ্দিষ্ট ব্যক্তিবোৰে একেলগে মাছ ধৰে। ইয়াক 'ৰজা মাছ মৰা' বুলিও কয়। এই মেলাৰ প্ৰধান বিশেষত্ব হৈছে পাহাৰ-ভৈয়ামৰ লোকসকলৰ মাজত 'বিনিময় প্ৰথা'।

বিভিন্ন জাতি জনগোষ্ঠীয়ে অসমৰ লোক সংস্কৃতিৰ ভঁৰাল চহকী কৰি ৰাখিছে। তাৰে ভিতৰত মাত্ৰ কেইটিমান জনগোষ্ঠীৰ বিষয়েহে চমু আলোকপাত কৰিব পৰা হ'ল। এই জাতি-জনগোষ্ঠীসমূহৰ কলা-কৃষ্টি, পৰম্পৰা, লোক বিশ্বাস, উৎসৱ-অনুষ্ঠানৰ বিষয়ে লিখি শেষ কৰিব নোৱাৰি আৰু এইসমূহ সংৰক্ষণৰ অতি প্ৰয়োজন। বৰ্তমান আধুনিকতাৰ ধামখুমীয়া আৰু বৈজ্ঞানিক চিন্তাধাৰা আৰু নগৰীকৰণৰ বাবে লোক পৰম্পৰা তথা লোকবিশ্বাসসমূহ নোহোৱা হৈ আহিছে। লোক সংস্কৃতি এটা জাতিৰ পৰিচয় বহন কৰে, সেয়ে এইবোৰ সংৰক্ষণ কৰাতো আমাৰ সকলোৰে কৰ্তব্য।

❒❒❒

# সামাজিক মাধ্যমত দিয়া মন্তব্যই ব্যক্তিৰ মানসিকতাক উদঙাই ...

**নয়নমণি দাস**

কথাতে কয়, শব্দই ব্ৰহ্ম। কথা মানেই বতাহ। মুখৰ পৰা ওলাই যোৱা কথা আৰু ধনুৰ পৰা ওলাই যোৱা কাঁড় একেই। ই কেতিয়াও ঘূৰি নাহে। কথাক লৈ বিভিন্ন সাঁথৰ, সাধুকথা, অলেখ জনশ্ৰুতি কাহিনী পোৱা যায়। বিশেষকৈ মাকৰ এষাৰ কথাৰ বাবেই সন্তানক সাগৰত দেৱতাই গ্ৰাস কৰা, সন্তানৰ এষাৰ কথাই দেউতাকক মৃত্যুৰ দুৱাৰদলিৰ পৰা ওভতাই অনা এনে ধৰণৰ অনেক কাহিনী আছে।

কথাক লৈ অসমীয়াতো এষাৰ কথা আছে, সেইয়া হ'ল "কথাতে কটা যায়, কথাতে বঁটা পায়।" অৰ্থাৎ হুটা আৰু টান কথাই সকলাৰে মনত আঘাত কৰে। সেয়ে তেনে কথা কোৱা লোকক, কোনেও ভাল নাপায়। তেওঁ সকলাৰে অপ্ৰিয় হয়; আনকি তেনে কথাৰ বাবে তেওঁ আনৰ ওচৰত অপমানিত আৰু গৰিহণাৰ পাত্ৰ হয়। আনহাতে, মিঠা মাত মাতি সহজ-সৰলভাৱে কথা কোৱা বিনয়ী নম্ৰলোকে সকলোৰে পৰা আদৰ-সন্মান পোৱাৰ উপৰিও তেনে লোক সকলোৰে প্ৰিয়পাত্ৰ হয়।

বিজ্ঞানৰ অগ্ৰগতি লগে লগে সামাজিক মাধ্যমেই  পোনপটীয়া যোগাযোগৰ মাধ্যম হৈ পৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে বিশ্বৰ সকলো খা- খবৰ তৎমুহূৰ্তত হাতৰ মুঠিত পায়। সামাজিক মাধ্যমক প্ৰতিভা বিকাশৰ এক অত্যাধুনিক মঞ্চ বুলিও ক'ব পাৰি। সামাজিক মাধ্যমক সদ্-ব্যৱহাৰ কৰি কোনো অখ্যাত লোক নিজৰ ঐকান্তিক প্ৰচেষ্টাৰ আৰু প্ৰতিভাৰ বলত অতি কম সময়তে বিখ্যাত হৈ পৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে কোনো ঘটনা-পৰিঘটনাক প্ৰত্যক্ষভাৱে জানিব পাৰি। সমাজিক মাধ্যমৰ জৰিয়তে নজনাটো জানিবলৈ সহজ হৈ পৰে। সামাজিক মাধ্যমৰ জৰিয়তে প্ৰিয় শিল্পী, খেলুৱৈ, সাহিত্যিক আৰু সামাজিক কৰ্মত জড়িত বৌদ্ধিক লোকসকলৰ সান্নিধ্য লাভ কৰিব পাৰি।

সামাজিক মাধ্যম যিহেতু পোনপটীয়া যোগাযোগ মাধ্যম। কোনো ঘটনা-পৰিঘটনাক প্ৰত্যক্ষ কৰি তৎক্ষণাৎ নিজৰ মনৰ অনুভৱ, উপলব্ধিৰে মন্তব্য আগবঢ়াব পাৰি। আৱেগিক হৈ সামাজিক মাধ্যমত মন্তব্য আগবঢ়োৱাতকৈ বিভিন্ন দৃষ্টিকোণৰ পৰা বিচাৰ বিশ্লেষণেৰে চিন্তা কৰি ইতিবাচক মন্তব্য আগবঢ়াব লাগে। সামাজিক মাধ্যমৰ মন্তব্যত ব্যক্তিৰ মানসিকতাৰ পৰিচয় পায়। 'আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়' বোলা কথাযাৰৰ সত্যা-সত্যৰ জ্বলন্ত  প্ৰমাণ সামাজিক মাধ্যম। সামাজিক মাধ্যম এখন আলৌকিক স্বচ্ছ আৰু নিকা দাপোন। যিখন দাপোনত নিজে নিজক নেদেখে, কিন্তু আনেহে দেখে। সামাজিক মাধ্যমত কাৰোবাক তৈল মৰ্দন কৰি মিছা প্ৰশংসাৰে ওপচাই দিয়া, কাৰোবাৰ চিন্তাক লৈ ইতিকিং কৰি টুলুঙা মন্তব্য দিয়া , কাৰোবাক তুচ্ছ-তাচ্ছিল্যৰে কটু মন্তব্য কৰিলে বৌদ্ধিক সমাজৰ সন্মুখত নিজেহে নিজৰ পৰিচয় ডাঙি ধৰা হয়।

সদৌ শেষত এটা কথা ক'ব বিচাৰোঁ যে, সামাজিক মাধ্যমত অতি সাৱধান হৈ ইতিবাচক চিন্তাৰে বিচাৰ বিশ্লেষণ কৰি মন্তব্য আগবঢ়াই জীৱশ্ৰেষ্ঠ মানুহ হিচাপেহে নিজৰ পৰিচয় গঢ়িবলৈ যত্ন কৰা উচিত।❐

# বৃহত্তৰ শিমলুগুৰিত নাট্য চৰ্চাৰ এক চমু অৱলোকন

**মনোজ হাতীবৰুৱা**

নামনি লক্ষীমপুৰ জিলাৰ বৈচিত্ৰ্যময় জনগাঁথনিৰ এক সু-বৃহৎ অঞ্চল ৰাজগড়। তাহানিৰ ৰাজগড় বৰ্তমান তিনিটা পঞ্চায়তত বিভক্ত— ৰঙতি, শিমলুগুৰি আৰু ৰাজগড়। চিনাকি শিমলুগুৰি। কৃষ্টি-সংস্কৃতিৰ পথাৰখনত এই অঞ্চলটোৰ এক সুকীয়া পৰিচয় আছে। সামাজিক ঐক্য বৈচিত্ৰ্যময় সাংস্কৃতিক পৰিৱেশে শিমলুগুৰিক প্ৰদান কৰিছে এক সুকীয়া মৰ্যাদা। প্ৰতিভাৰে পৰিপূৰ্ণ এই অঞ্চলৰ সাংস্কৃতিক প্ৰৱাহ তাহানিৰ পৰা এতিয়াও প্ৰৱাহমান।

সাহিত্য চৰ্চাৰ সমান্তৰালভাৱে এই অঞ্চলত বহু আগৰে পৰাই নাট্য চৰ্চাই গুৰুত্ব লাভ কৰি আহিছে। যাৰ ফলশ্ৰুতিতেই এই অঞ্চলত বহু নাট্য প্ৰতিভাৰ প্ৰকাশ ঘটিছে। জন্ম হৈছে বহু দক্ষ অভিনেতা-অভিনেত্ৰী, নাট্যকাৰ, ৰূপসজ্জাকাৰ, সংগীত ব্যৱস্থাপক, মঞ্চ নিৰ্দেশক আৰু আলোক শিল্পীৰ। এই অঞ্চলৰ নাট্যশিল্পৰ বিষয়ে বিশদ বিৱৰণ দাঙি ধৰাটো ইমান সহজ নহয়, কিয়নো প্ৰায়বোৰ নাট্য কৰ্মৰ তথ্য অলিপিবদ্ধ। আমি মাত্ৰ আমাৰ চিন্তাৰে ঢুকি পোৱা তথ্যৰ আধাৰতহে চমু অৱলোকন কৰিবলৈ প্ৰয়াস কৰিছো।

অসমৰ গ্ৰামাঞ্চলসমূহত নাট্য চৰ্চাৰ প্ৰথম খোজ আৰম্ভ হয় নামঘৰৰ পৰা। মহাপুৰুষীয়া আদৰ্শৰে প্ৰতিষ্ঠিত গাঁৱৰ নামঘৰসমূহত বিভিন্ন উপলক্ষ্যত ভাওনাৰ নাট প্ৰদৰ্শন হৈ আহিছে। এই ভাৱৰীয়াসকলৰ মাজৰ পৰাই সময়ত বহু সুদক্ষ অভিনেতা-অভিনেত্ৰীৰ জন্ম হৈছে। অঞ্চল বিশেষে এইসকল নাট্য শিল্পীৰ নাট্যকৰ্মৰ কিছু আভাস দিবলৈ প্ৰয়াস কৰা হৈছে।

ঐতিহাসিক ৰঙতি পুখুৰীৰ পাৰত অৱস্থিত শ্ৰীশ্ৰী শংকৰ মন্দিৰ (ৰঙতি-ধেমাগড় জনকল্যাণ সমিতিৰ দ্বাৰা পৰিচালিত) আছিল ষাঠি-সত্তৰ দশকৰ নাট্য চৰ্চাৰ প্ৰাণকেন্দ্ৰ। তেতিয়াৰ অবিভক্ত ৰাজগড় অঞ্চলৰ বহু শিল্পীৰ সমাহাৰত মঞ্চস্থ কৰিছিল বহু কালজয়ী পৌৰাণিক আৰু সামাজিক নাটক। শ্ৰদ্ধেয় বদন হাতীবৰুৱা, মণি গগৈ, বিশ্বনাথ প্ৰসাদ, দয়াৰাম হাতীবৰুৱাৰ দৰে ব্যক্তি আছিল বাটকটীয়া। ‘কনৌজ কুঁৱৰী’, ‘জয়মতী’, ‘অভিশপ্ত চম্বল’, ‘কুৰঙ্গ নয়নী’ আদিৰ দৰে নাটকেৰে জিনিছিল ৰাইজৰ মন। সময়ৰ গতিত এই সংগঠনটো লুপ্ত হ’ল যদিও সেই একে স্থানতে ‘ৰঙতি সন্মিলিত যুৱ সমাজ’ নামৰ সংগঠনটোৱে পুৰণি ঐতিহ্যক ঘূৰাই অনাৰ প্ৰয়াস কৰি যথেষ্ট সফল হৈছিল। অপেছাদাৰী মঞ্চত পেছাদাৰী স্বভাৱত সামাজিক নাটক মঞ্চস্থ কৰি সৃষ্টি কৰিছিল এদল নিপুণ নাট্যযোদ্ধা। একবিংশ শতিকাৰ আৰম্ভণিতে ৰঙতিত জন্ম হৈছিল ‘গেলেক্সী নাট্যগোষ্ঠী’ৰ। স্বকীয় বৈশিষ্ট্য আৰু ব্যয়বহুল প্ৰযোজনাৰে দশক জুৰি নাটক মঞ্চস্থ কৰি ৰাইজৰ মন আকৰ্ষণ কৰিছিল। জিলাখনৰ ভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা একাংক প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি নাট্যগোষ্ঠীটোৱে ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছিল। নাট্যগোষ্ঠীটোৰ অন্যতম সদস্য মনোজ হাতীবৰুৱাই নাট্যকাৰ আৰু পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰিছে। এই নাট্য চৰ্চা বৰ্তমানেও অব্যাহত আছে।

ৰঙতিৰে দাঁতিকাষৰীয়া যোৰহটীয়া কৰ্দৈগুৰি, গোসাঁনীপুখুৰী, আমগুৰি অঞ্চলত প্ৰয়াত দিবাকৰ সন্দিকৈ, প্ৰয়াত মুহিকান্ত গগৈৰ দৰে দক্ষ অভিনেতাৰ তত্বাৱধানত চলিছিল নাট্য আন্দোলনৰ কুচ-কাৱাজ। সময়ৰ সোঁতত এই দুজন নাট্যশিল্পী হেৰাই গ'ল যদিও তেওঁলোকে সৃষ্টি কৰি থৈ যোৱা নাট্য সেনানীসকলে আজিও মঞ্চ কঁপাই আছে।

নাট্যজগতৰ আন এটি চিনাকি নাম হ'ল বৃহত্তৰ নিমুৰী। 'কল্যাণজ্যোতি যুৱ সংঘ, নিমুৰী'ৰ পৰাই নিতুল বৰুৱা, মোলান গগৈ, বিযেশ্বৰ খণ্ডীয়া আদিৰ দৰে শিল্পীয়ে ভ্ৰাম্যমান থিয়েটাৰৰ মঞ্চত খোজ পেলাবলৈ সক্ষম হৈছিল। নিমুৰী সন্মিলিত নাট্য সমাজ, বহাগী ক্লাব আৰু ৰূপজ্যোতি যুৱ সংঘই সময়ে সময়ে নাট্য চৰ্চা কৰি আহিছে। এই ক্ষেত্ৰত মণি গগৈ, হৰিনাথ শইকীয়া, ভৱ চুতীয়া, প্ৰয়াত ইন্দ্ৰ বৰাৰ দৰে সংগঠকে নৱ প্ৰজন্মক নাট্য জগতলৈ আগবঢ়াই আনিবলৈ সক্ষম হৈছিল। এওঁলোকৰ প্ৰেৰণাতে ধৰণী বৰাই এজন ভাল নাট্যকাৰ আৰু পৰিচালক হিচাপে স্বীকৃতি লাভ কৰিছে। ধৰণী বৰাৰ তত্বাৱধানতেই কেইবাবাৰো ৰাজ্যিক খ্যাতিসম্পন্ন নাট্যশিল্পীৰ দ্বাৰা শিমলুগুৰিত নাট কৰ্মশালা অনুষ্ঠিত হৈছিল।

নিমুৰীৰৰ সমান্তৰালভাৱে ৰামপুৰ, বিষ্ণুপুৰ, কমলপুৰ আদি অঞ্চলত দিলীপ ফুলগুৱাৰী, অমূল্য মুদৈৰ নেতৃত্বত আজিও নাট্যচৰ্চা অব্যাহত আছে।

অঞ্চলটোৰ প্ৰাণকেন্দ্ৰ শিমলুগুৰি নাট্য চৰ্চাৰ ক্ষেত্ৰখনত আজিও এক চিনাকি নাম। শিমলুগুৰি ৰঙ্গমঞ্চ মানেই ৰঙতি, বাতিপৰীয়া, নিমুৰী, কমলপুৰ, দাধৰা, হাবিগাঁও, কমলপুৰ, কোক্‌ছাবাৰী, অৰুণাপুৰ, নাওঁঘূলি নতুন দাধৰা আদি অঞ্চলৰ নাট্যশিল্পীসকলৰ মহামিলন ক্ষেত্ৰ। শিমলুগুৰিৰে 'বিষ্ণুৰূপা নাট্য সমাজ' এসময়ত অসমৰ একাংক প্ৰতিযোগিতাৰ এক শ্ৰেষ্ঠদল। 'খ্ৰীষ্টজ্যোতি নাট্য সমাজ শিমলুগুৰি' ৰ প্ৰয়াত নোৱেল কান্দুলানা আৰু চিত্ৰনাথ গগৈৰ প্ৰয়োজনাত গ্ৰাম্যভাৱে নাটক মঞ্চস্থ কৰি ৰাইজৰ মাজত জাগৰণ সৃষ্টি কৰিছিল। বৰ্তমান শিমলুগুৰিত 'শিমলুগুৰি ৰাস উদ্‌যাপন সমিতি', মণিকাঞ্চন সাংস্কৃতিক নাট্যগোষ্ঠী'ৰ লগতে 'শিমলুগুৰি জয়মতী সমাজে বিভিন্ন সময়ত নাটক মঞ্চস্থ কৰি আহিছে। এই শিমলুগুৰিৰে প্ৰয়াত হেম বৰবৰুৱাই ভ্ৰাম্যমান থিয়েটাৰ মঞ্চত কৰা দুৰ্দান্ত অভিনয়ে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছিল। সম্ৰাট থিয়েটাৰৰ মঞ্চত 'ড্ৰাকুলা' নাটকখনত কৰা জটিল দুৰ্দান্ত ড্ৰাকুলা চৰিত্ৰত কৰা তেখেতৰ অভিনয় কাহানিও পাহৰিব নোৱাৰি।

বাতিপৰীয়া অঞ্চলৰ 'লেংডন যুৱ সংঘ'ৰ শিল্পীসকলে তাই সাহিত্য সভাৰ উদ্যোগত আয়োজিত জয়মতী দিৱসত 'জয়মতী' নাটক মঞ্চস্থ কৰি ৰাইজৰ সমাদৰ লাভ কৰিছিল। শিমলুগুৰিৰ দাঁতিকাষৰীয়া কোকছাবাৰী অঞ্চলতো স্থানীয় ৰাইজৰ সহযোগত নাট্যশিল্পৰ চৰ্চা চলি আহিছে।

মুঠতে ক'বলৈ গ'লে শিমলুগুৰি হ'ল অঞ্চলটোৰ নাট্য চৰ্চাৰ পীঠস্থান। নৱ প্ৰজন্মক শৃংখলিত সমাজ ব্যৱস্থাত জড়িত কৰণৰ বাবে নাট্যচৰ্চা হ'ল অন্যতম হাথিয়াৰ। সমাজত সম্প্ৰীতি, ঐক্য-সংহতি অটুট ৰাখিবৰ বাবে এনেধৰণৰ সামাজিক ব্যৱস্থাৰ অতিকৈ প্ৰয়োজন। সু-সংগঠিত সাংস্কৃতিক মনোভাৱে অঞ্চলটোৰ সাংস্কৃতিক ঐতিহ্যক সদা মহীয়ান কৰি কৃষ্টিৰ পথাৰত সৃষ্টিৰ বীজ ৰোপণ কৰক— এয়াই আমাৰ কাম্য।

❐❐❐

# হেৰাই যোৱা সম্পদ কিছু সঁজুলি-কিছু শব্দ

**গোলাপ বৰুৱা**

গোলকীয় উষ্ণতা, জধে-মধে অৰণ্য ধ্বংসৰ ফলত বহুতো প্ৰজাতিৰ গছ-গছনি, পশু-পক্ষী, কীট-পতঙ্গ আমাৰ মাজৰ পৰা নোহোৱা হৈ গৈছে। আধুনিকতাৰ প্ৰভাৱত জীৱন-যাপনৰ প্ৰতিটো ক্ষেত্ৰতে পৰম্পৰাগত পুৰণি পদ্ধতিসমূহ ত্যাগ কৰাৰ ফলত সেই বিলাকক বুজাবলৈ ব্যৱহাৰ কৰা বহুতো শব্দ আজি অপ্ৰয়োজনীয় হৈ পৰিল। আমাৰ ভাষাত উপযুক্ত শব্দ থকাৰ পাছতো অন্য ভাষাৰ শব্দ ব্যৱহাৰ কৰি কিছুমান শব্দ এলাগী কৰিছোঁ। তেনে কিছু শব্দ, কিছু সঁজুলিৰ বিষয়ে আলোচনা কৰা হওক।

অতীজৰে পৰা অসমীয়া মানুহ খেতিৰ ওপৰত নিৰ্ভৰশীল। গৰু, ম'হেৰে হাল বাই খেতি কৰা হৈছিল। বৰ্তমান খেতি কৰাৰ পুৰণি পদ্ধতিসমূহ ত্যাগ কৰি সম্পূৰ্ণৰূপে যান্ত্ৰিকিকৰণ কৰা হ'ল। পুৰণি পদ্ধতিৰে খেতি কৰা সঁজুলিবোৰৰ লগতে সেইবিলাকক বুজাবলৈ ব্যৱহাৰ কৰা শব্দবোৰৰো প্ৰয়োজন নোহোৱা হৈ পৰিল। যেনে— নাঙল (কেকোৰা নাঙল কান্ধত উঠিল) ঈহ, ফাল, শ'লমাৰি (শ'ল ঠেকত পৰিল) আওঁত জৰি, জোঁট জৰি, মৈ (অকৰা মৈত উঠিল) মৈ টকা, জবকা, বিন্ধা ইত্যাদি। চহাওতে প্ৰতি চাহৰ বাবে ব্যৱহাৰ কৰা শব্দ আছিল প্ৰথম চাহ-কহোৰা, দ্বিতীয় চাহ সমাৰ, তৃতীয় চাহ খেচ মৰা। পথাৰত মাহ, সৰিয়হ মাৰিবলৈ চিকুণাই উলিওৱা জেগাকন খোলা, চাউল নথকা অপঁইতা ধানটো পতান, দাৱনীয়ে এৰি থৈ যোৱা থোকটো লেচেৰী (ধানে দায়ে গ'লি পাছলৈ নাচালি এৰিলি চেনেহী থোক)।

বাঁহ, কাঠ, খেৰেৰে সজা ঘৰৰ দিন শেষ হ'ল। ঘৰ পকী হ'ল। অতি কম সামগ্ৰীহে পকীঘৰত সোমাল। অলাগতিয়াল হোৱা সামগ্ৰীবোৰ মাৰলী, ৰুৱা, কামি, চাল, তমাল গাধৈ, ইকৰা, শৰণ খেৰ, বুঝলী খেৰ, বেচা (ঘৰ চোৱা প্ৰতি জাপ খেৰ) বেৰতা, পোলা, দুৱাৰডলি, দুৱাৰ দাং, নাওৰা, নাওৰা পতা, পিৰালি (পিৰালিত নিদিবা ঠাই) বগলী বাঁহ, বহি খোৱা, জলঙা (বেৰৰ সৰু ফুটা), জন্তুক বুজোৱা দুটা শব্দও দুপদ সামগ্ৰীত ব্যৱহাৰ হয়, সেই দুটা হ'ল কুকুৰ আৰু দমৰা।

নদী মাতৃৰ দেশ অসমত প্ৰচুৰ পৰিমাণে মাছ পোৱা যায় আৰু অসমীয়া মানুহৰ ই এবিধ উপাদেয় খাদ্য। বিভিন্ন কাৰণত বৰ্তমান মাছৰ পৰিমাণ কমিছে। কৃত্ৰিমভাৱে মাছ উৎপাদনত গুৰুত্ব দিয়া হৈছে। মাছ ধৰিবলৈ বহুতো সঁজুলি আছে যদিও এতিয়া কেবল জালেৰে মাছ ধৰিবলৈ লোৱাত পুৰণি সঁজুলিসমূহৰ লগতে ভাষাৰ পৰা কিছুমান শব্দও হেৰাই গৈছে যেনে— চেপা (আলিটো কাটিলো চেপাটি পাতিলো), ঠুহা খোকা, পাউৰী, এলেঙী, খলহা, ঘনি (ঘনি ঘনাই ঘনাই চাবি ঐ ককাইটি) হুকুমা ইত্যাদি। পুখুৰী সিঁচি মাছ ধৰিবলৈ লাহনী আৰু লেহেতীও ব্যৱহাৰ কৰা হয়।

শিপিনীয়ে তাঁতশালত সপোনাৰ ফুল বাচে। ৰাতিটোৰ ভিতৰতে সূতা কাটি কৰচ কাপোৰ বয়-মুঠতে কিমান যে কথা। তাঁত শালত বোৱা গামোছাখন অসমীয়াৰ স্বাভিমান।

'বাৰীৰ পাছে ফালে আইদেউৰ তাঁতে শালে' প্ৰতিঘৰ অসমীয়াৰ ঘৰৰ তাঁতশালখনৰ ঠাইত যান্ত্ৰিক শাল আহিল। পুৰণি কালৰে পৰা তাঁতশালক লৈ চলি অহা গল্প, কাহিনী, গীত মাতৰ লগতে হেৰাই গ'ল বহুতো সঁজুলি, বহুতো অসমীয়া শব্দ, যেনে— পুলিখুঁটা, তোলোঠা, দ্ৰোপদী, ৰাঁচ, জখলা মাৰি, চালি মাৰি, বান্দৰী, নাছনী জৰি, দোৱাৰ বন্ধা জৰি, উঘা, চেৰেকী লেটাই, চিৰি শ'লি, মাঁকো, কাহনি, বিহা, কুচি (কুচিৰে লগতে পগলাই কিলালে) ব, ব তোলা চুঙা, ফুলৰ কাঠি, ফুলৰ চানেকি, খনীয়া কাপোৰ, তলধৰা জৰি, গৰকা (গৰকা দপদপনি সোণ) ইত্যাদি। কাপোৰ ভালদৰে ব'ব পৰা, ফুল বাচিব জনা জনী কাজি (অতি কাজিৰ সুখ নাই) তাঁত ভালকৈ ব'ব নজনাজনী থুপৰী (থুপৰীলৈ দৰা নোলাই)।

'দে ঢেঁকী দে ঢেঁকী দে ঢেঁকী দে ঐ লাহৰি' অসমীয়া জন জীৱনৰ ঢেঁকী এক অতি লাগতিয়াল সম্পদ। প্ৰতিঘৰতে থকা ঢেঁকীটো কেৱল ধান খুন্দিবলৈকে নহয়। ঢেঁকীটো চিৰা, সান্দহ বিভিন্ন জলপান তৈয়াৰ কৰিবলৈও ব্যৱহাৰ কৰা হয়। কিছুদিনৰ আগলৈকে ঢেঁকীৰ লগত কাঠৰ গৰ বান্ধি সৰিয়হ পিহা হৈছিল। সৰিয়হ ভৰাই দিবলৈ প্ৰয়োজন হোৱা পাত্ৰটোক প'লা বোলে। ইয়াক বেতৰ সুঁতেৰে সজা হয়। বৰ্তমান ধান খুন্দা কল ওলাল ঢেঁকী এলাগী হ'ল। হেৰাই গ'ল বহুতো সঁজুলি, বহুতো শব্দ। যেনে— কটৰা (এলাগীয়ে ভাঙিলে কটৰা, গড়গাঁও পালেগৈ বতৰা) আসল শলা, খুবলী, থোৰা (অচিন কাঠৰ থোৰা নলগাবা) গুল, কুলা, চালনী, বঢ়নী মাৰি ইত্যাদি। এবাৰত বানিব পৰা ধান খিনি এখুবলি, চাউল খিনি এখোৰা। এবাৰত ভাজিব পৰা পিঠাগুৰি খিনিক এওনা বুলি কয়।

ওজন আৰু পৰিমাণ বুজাবলৈ নতুন শব্দ ওলাল- পুৰণিবোৰ হেৰাল। গোটা বস্তু জুখিবলৈ ছটাক, তোলা, পোৱা, সেৰ আৰু মোন। আধা সেৰ বুজাবলৈ আধেৰ, এসেৰৰ চাৰিভাগৰ তিনিভাগ বুজাবলৈ পৌনে এসেৰ। ধান, মাহ, সৰিয়হ জুখিবলৈ দোন। তিনি দোনে এপুৰা। মাটি জুখিবলৈ নল, কঠা, বিঘা আৰু পুৰা। মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা প্ৰথম আৰু ক্ষুদ্ৰ একক আছিল কড়ি। অতি কম বস্তু বুজাবলৈ একড়ি, নাওমান (নাম মাত্ৰ) শব্দ ব্যৱহাৰ হৈছিল। একড়ি মান ভাত খালো, নাওমান গাখীৰ দিয়া।

ঐতিহাসিক কালৰে পৰা অসমত কুঁহিয়াৰ খেতি কৰাৰ কথা বিভিন্ন গ্ৰন্থত উল্লেখ আছে (ছয় পো বাৰ নাতি তেহে কৰিবা কুঁহিয়াৰ খেতি) বৰ্তমান এই খেতি প্ৰায় নোহোৱাৰ নিচিনাই হৈছে। এই খেতিৰ লগত জড়িত সঁজুলি আৰু শব্দবোৰ— মলহা (কুঁহিয়াৰৰ পুলি) শাল, মুণ্ডা, কাটৰি, মতা ভীম, মাইকী ভীম, পোৱালী ভীম, দাবৰি, জালিগাত, ফেলাই, গেদেৰী, জাকি (বেছিকৈ উতলা)।

বৰ্তমান প্ৰয়োজনহীন হৈ পৰা দৈনন্দিন ব্যৱহৃত সামগ্ৰীৰ ভিতৰত পাকঘৰত বস্তু তুলি থ'বলৈ পাভতি, মাছৰ চালনি তুলি থ'বলৈ একাজি, মাছ বাছিবলৈ মৈদা, মৰণাৰ খেৰ জোকাৰিবলৈ ওখোন, কঠীয়াৰ ধান বান্ধি ৰাখিবলৈ টোম, মানিজনক সন্মান জনাবলৈ কাৰোবাক মৰমত দিবলৈ থুৰিয়া তামোল (থুৰিয়াই বান্ধিলো তামোল তিনিখনি-থুৰিয়াই বান্ধিলো পান), তামোল খুন্দিবলৈ খুন্দনা, ধান বঢ়াবলৈ (সিজাবলৈ) জঁকা, ভোজ ৰান্ধিবলৈ টৌ, মাটিৰ পাত্ৰ- চৰু, মলা চৰু, নদীয়া, বনদৰব পিহিবলৈ কিস্তি, গাখীৰ খিৰাবলৈ কঁৰীয়া ইত্যাদি।

যুগৰ পৰিৱৰ্তন হৈছে, সময় সলনি হৈছে। অৱধাৰিত ভাৱে পুৰণি সামগ্ৰীৰ লগতে বহুতো শব্দ আমি

হেৰুৱাই পেলাইছো। কিন্তু চিন্তনীয় বিষয় আমাৰ ভাষাৰ বহুতো অৰ্থবহ সুমধুৰ শব্দ ব্যৱহাৰ নকৰি এলাগী কৰি পেলাইছো। তাৰ ভিতৰত এটা শব্দ হ'ল (ৰৈ)। ইয়াৰ অৰ্থ হ'ল কাৰোবালৈ অপেক্ষা কৰি একে ঠাইতে অৱস্থান কৰা বা কিছু সময়ৰ মুৰে মুৰে একে কাৰ্য সমাপন কৰা। ৰৈ আছো অথনিৰে পৰা। ৰৈ ৰৈ কেতেকী বিনা ঐ ইত্যাদি। আজিকালি 'ৰৈ' ৰ ঠাইত 'ৰখি' ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে। যাৰ অৰ্থ দায়িত্ব সহকাৰে কিবা এটা চাই থকা। (মই গৰু ৰখি আছো)। 'হেঁতেন' শব্দটোও বৰ্তমান এৰাপলিয়া কৰি তাৰ ঠাইত বহুল ব্যৱহৃত 'হয়' ব্যৱহাৰ কৰা দেখা যায়। আজিকালি স্থানীয় গিৰিহঁতক (Local) থলগিৰী বুলি কয়। থলগিৰী মানে এবিধ কাল্পনিক ভূত বা দেৱতা। এনে উদাহৰণ বহুত আছে।

'ৰান্ধনীয়ে কুকুৰাটো বনাই ভাত বনাইছে' আমি মাংস নাকাটো, ভাত নাৰান্ধো, চুলি নাকাটো, দাড়ি নুখুড়াও, ঘৰ নাসাজো সকলো বিলাক বনাও। এই 'বনা' নামৰ অন্য ভাষাৰ শব্দটোৱে আমাৰ ভাষাৰ বহুটো সুমধুৰ শব্দ নিঃশেষ কৰি দিছে। সম্বন্ধবাচক শব্দত আমাৰ ভাষা অতি চহকী। মাকৰ বায়েক আৰু বাপেকৰ বায়েকক বুজাবলৈ 'জেঠাই' একেটা শব্দকে ব্যৱহাৰ কৰাৰ বাহিৰে প্ৰতিজন সম্বন্ধীয়ৰ লোকক বুজাবলৈ বেলেগ বেলেগ শব্দ আমাৰ ভাষাত আছে। এই শব্দবিলাকৰ পৰিৱৰ্তে বিজতৰীয়া শব্দ ব্যৱহাৰ কৰি ভাষাক দুৰ্বল কৰা নাইনে? বাপেকক দেউতা (দেৱতা) মাকক আই বা মা নুবুলি পাপা-মাম্মী বুলিবলৈ বহুতে ভাল পোৱা হৈছে। খুৰা, মোহা, পেহাৰ ঠাইত আংকুল আৰু খুৰী, মাহী আৰু পেহীৰ ঠাইত আন্টি বোলা হৈছে। এতিয়া এনে লাগে তাৰৈ-আমৈ যেন অস্পৃশ্য শব্দ।

শব্দৰ সমষ্টিয়েই ভাষা। প্ৰতিটো শব্দৰে মাধুৰ্য আছে, প্ৰতিটো শব্দৰে লালিত্য আছে, প্ৰতিটো শব্দই সুমধুৰ। এই শব্দবিলাক হেৰাই গ'লে ভাষা চহকী হ'বনে?

❑❑❑

# গীতি কবিতাৰ ইতিহাসত ভূপেন হাজৰিকাৰ গীতত প্ৰতিবাদী চিন্তন

মৰমী হাজৰিকা

আধুনিক অসমীয়া গীতি-সাহিত্যৰ স্বৰ্ণোজ্বল সৌধটো প্ৰাচীন কালৰে পৰা প্ৰৱাহিত হৈ থকা ইতিহাস সমৃদ্ধ মৌখিক সাহিত্যৰ ওপৰত প্ৰতিষ্ঠিত। জাতীয় সাহিত্যক সমৃদ্ধিশালী কৰি ৰখা মৌখিক সাহিত্যৰ আখ্যানমূলক, অনুষ্ঠানমূলক আৰু বিবিধ বিষয়ক গীত-মাতবোৰ আধুনিক অসমীয়া গীতি সাহিত্যৰ প্ৰাৰম্ভিক স্তৰ হিচাপে বিবেচনা কৰা হয়। চহাজীৱনৰ প্ৰাত্যহিক জীৱন যাপনৰ লগত সম্পৃক্ত আইনাম, ধাইনাম, বিয়ানাম, বিহুগীত, বনগীত আদিয়ে অসমীয়া গীতি সাহিত্যৰ পথ নিৰ্দেশনা কৰে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতসমূহক আলোচনাৰ মজিয়ালৈ আনিবলৈ যাওঁতে এই প্ৰাচীন গীত-মাতসমূহক আওকাণ কৰিব পৰা নাযায়। গীতি সাহিত্যৰ বৰ্ণিল পৰিক্ৰমাৰ যথোচিত আলোচনাৰ থল থকা সত্বেও অধিক বাহুল্যলৈ নগৈ ক'ব পাৰি মুকুট বিহীন সুৰৰ সম্ৰাট ভূপেন হাজৰিকাৰ গীতৰ আলোচনাত আৱহমান কালৰ পৰা চলি অহা গীত-মাতসমূহৰ গুৰুত্ব আছে।

অসমৰ কিংবদন্তি ভূপেন হাজৰিকাৰ বহুমাত্ৰিক গুণৰ সমাহাৰত জিলিকি উঠা সাহিত্যিক, গীতিকাৰ, সুৰকাৰ, বোলছবি নিৰ্মাতা, চিত্ৰশিল্পী, ৰাজনীতিবিদ, সাংবাদিক ইত্যাদি বিষয়বোৰ আওতাৰ বাহিৰত থৈ কেৱল মাত্ৰ সংগীতেৰে তেখেত স্বয়ং সম্পূৰ্ণ ব্যক্তিসত্বা। যি সংগীত আছিল সমাজ সচেতনতাৰ মূৰ্ত অভিব্যক্তি। প্ৰতিটো গীতৰ ৰচনাৰ কাল আৰু পটভূমিয়ে সোঁৰৰাই দিয়ে মানৱতাৰ জয়গান গোৱা গণশিল্পী গৰাকীৰ সৰহসংখ্যক গীততেই লক্ষ লক্ষ নিষ্পেষিত জনতাৰ মানৱতাৰ বাবে নিজকে প্ৰতিবাদী কণ্ঠ হিচাপে প্ৰক্ষেপিত কৰিছে। জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্য আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ আশিসধন্য ভূপেন হাজৰিকাই জাতিটোৰ স্বকীয় গৰিমা ৰক্ষাৰ হেতু নিজকে উচৰ্গা কৰি আসমীয়া জাতিক বিশ্বদৰবাৰলৈ আগবঢ়াই দিছে। বিশেষভাৱে বিষ্ণুৰাভাদেৱৰ দৰে বিদ্ৰোহী সত্বাৰ সংস্পৰ্শত নিজৰ মাজত শুই থকা প্ৰতিবাদী সত্বাটো সাৰপানী পাই উঠিছিল। দ্বিতীয় মহাসমৰৰ মৃত্যুৰ বিভীষিকাই ত্ৰাসিত কৰাৰ সমান্তৰালভাৱে ভাৰতৰ স্বাধীনতা সংগ্ৰামত দেশৰ নাগৰিকে শাৰীৰিক, মানসিকভাৱে যি অমানুষিক অত্যাচাৰ ভুগিব লগা হৈছিল তাৰ পৰিপ্ৰেক্ষিতত কৈশোৰ কালতে তেওঁৰ গীতত প্ৰতিবাদী চিন্তনৰ উন্মেষ ঘটিছিল এই কালজয়ী গীতটিত—
"অগ্নি যুগৰ ফিৰিঙতি মই/নতুন অসম গঢ়িম/সৰ্বহাৰাৰ সৰ্বস্ব ফিৰাই আনিম... "

এইটো গীততে সৰ্বহাৰাৰ সৰ্বস্ব ফিৰাই সাম্য সৰগ ৰচাৰ স্বাৰ্থত প্ৰকাশি উঠিছিল সৰ্বহাৰাৰ প্ৰতি থকা দায়বদ্ধতা, অস্পৃশ্যতা আৰু শোষক শ্ৰেণীক উৎখাত কৰি মানৱতা প্ৰতিষ্ঠা কৰাৰ মানসিকতা। জাতীয়তাবোধ, মানৱতা আৰু বঞ্চনাৰ বিৰুদ্ধে প্ৰৱল সংগ্ৰামী সত্বাৰে গৰজি উঠি নিজকে প্ৰতিবাদী কণ্ঠ ৰূপে প্ৰতিফলিত কৰিছিল।

অসমীয়া গীতি সাহিত্যৰ জগতলৈ যিটো সময়ত আধুনিকতাৰ জোৱাৰ বলিছিল সেই সময়তে অসমৰ

লোকগীত ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ লগত পশ্চিমীয়া সুৰৰ লগত সমন্বয় ঘটাই গণশিল্পী ভূপেন হাজৰিকাই ক্ষয়িষ্ণু সমাজখনক পৰিশোধন কৰাৰ উদ্দেশ্যে মানৱতাৰ জয়গান গোৱাৰ এটা নতুন ধাৰা সৃষ্টি কৰিছিল। গভীৰ মানৱতাবাদ, সমাজ চেতনা, বিশ্বজনীনতা আদি বহুধা বিস্তৃত বিষয়বস্তুৰ অন্তৰালত প্ৰৱাহিত হৈ আছে সমাজ পৰিৱৰ্তনৰ চেতনাস্ৰোত। সমসাময়িক সমাজ, ৰাজনীতি, অৰ্থনীতি, সংস্কৃতি, ধনিক শ্ৰেণীৰ ফোপোলা আভিজাত্য, জাত্যাভিমান, দৰিদ্ৰজনৰ আৰ্তনাদ, শোষণ-নিপীড়ন, প্ৰেম-বিৰহৰ সংঘাতে সৰ্বদা মানৱদৰদী শিল্পীজনৰ চিন্তা-ভাৱনা, অন্তদৃষ্টি আৰু জীৱনবীক্ষাই সৃজনীশীলতাক প্ৰভাৱান্বিত কৰা পৰিলক্ষিত হয়। সমাজৰ প্ৰত্যেকটো সমস্যাতে প্ৰতিবাদী সুৰ স্পষ্ট আৰু তীব্ৰভাৱে ঝংকাৰিত হোৱা গীতবোৰ জাতীয় জীৱনৰ সম্পদ।

বিশ্ববন্দিত ভূপেন হাজৰিকাৰ গীতৰ বিন্দুত সিন্ধুৰ সন্ধান কৰিবলৈ যাওঁতে সততে প্ৰতিবাদী সত্বাটোৰ মুখামুখি হ'ব লগা হয়। সেয়া লাগিলে স্বাধীনতা সংগ্ৰাম, বিদেশী বিতাড়ণৰ আন্দোলন, ভাষা আন্দোলন, কৃষক সংগ্ৰামেই হওক, স্বদেশ স্বজাতিৰ বাবেই হওক, ৰাজনীতি, সামাজিক আদিৰ ক্ষেত্ৰতে হওক সকলো পটভূমিৰ আধাৰত ৰচিত গীতত প্ৰতিবাদী চিন্তনৰ স্ফূৰণ ঘটিছিল। নজৰুল ইছলাম, ৰবীন্দ্ৰ নাথ ঠাকুৰ, পলৰবচনকে মুখ্য কৰি বিশিষ্ট ব্যক্তিৰ সান্নিধ্য আৰু জীৱনাদৰ্শই তেওঁক বিশেষভাৱে অনুপ্ৰাণিত কৰিছিল। বিশেষকৈ আমেৰিকাত লগ পোৱা পলৰবচনৰ গীতত কৃষ্ণাংগসকলৰ প্ৰতি মুক্তিকামী ভাৱাদৰ্শ শুনি নিজৰ বুকুতো সংগ্ৰামী অগনি বান্ধি দেশৰ মাটিত গীতেৰে শোষকৰ প্ৰতি তীব্ৰ হুংকাৰ ঘোষণা কৰিলে। তেওঁৰ প্ৰচণ্ড প্ৰতিবাদী কণ্ঠই ৰজাঘৰ প্ৰজাঘৰ সৰ্বত্ৰ কঁপাই তুলিলে।

স্বদেশ আৰু স্বজাতিৰ প্ৰতি অপৰিসীম শ্ৰদ্ধাশীল যাযাবৰী শিল্পী ভূপেন হাজৰিকাই জাতীয় সংকটত বহু কালজয়ী গীত ৰচনা কৰি জনগণৰ মাজত জাতীয় চেতনা জগাই তুলিছে এনেদৰে— “আমি অসমীয়া নহও দুখীয়া বুলি/সান্ত্বনা লভিলে নহ'ব/আজিৰ অসমীয়াই নিজক নিচিনিলে/অসম ৰসাতলে যাব।”

তাহানিতে বেজবৰুৱাই কৈ যোৱা অতীত গৰিমাক লৈ হাত সাৱতি থাকিলে স্বকীয় সংস্কৃতি হেৰুৱাই অসমীয়া জাতিটো কালৰ বুকুত নিচিহ্ন হৈ যোৱাৰ আশংকাত এনেদৰে অসমীয়া জাতিক বজ্ৰকণ্ঠেৰে ভূপেন হাজাৰিকাই সকীয়নি দিছে। তেওঁৰ প্ৰতিবাদী সত্বাত ভাস্বৰ হৈ উঠিছে ঐতিহ্য ৰক্ষাৰ আহ্বান।

জাতিৰ গৌৰৱময় ঐতিহ্য সোঁৱৰণ কৰি অসমীয়া মানুহক শঙ্কৰদেৱ, লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদানক আজিৰ অসমীয়াই পাহৰি যোৱাত প্ৰশ্ন কৰিছে— “শঙ্কৰে সিঁচে নামৰ কঠীয়া/অসমীয়া হ'ব বুলি দুখীয়া/পিছে দেখো শঙ্কৰৰ মহিমা/আজিৰ অসমীয়াই একো নুবুজা/কিহৰে ৰাগিনী পালা অসমীয়া/কিহৰে ৰাগিনী পালা।”

পুনৰ কৈছে মিছা আৱৰণ খুলি কমলাকান্তৰ কবিতা আওৰাই নিজক চিনি পাবলৈ উদাত্ত কণ্ঠেৰে আহ্বান জনাইছে। গভীৰ জাতীয় প্ৰেমত উদ্বুদ্ধ হৈ ৰচনা কৰা গীতত শঙ্কৰ মাধৱৰ একতাৰ জৰী, লাচিতৰ স্বদেশ প্ৰীতি, জ্যোতি বিষ্ণুৰ জাতীয়তাবাদী আদৰ্শৰে অনুপ্ৰাণিত হৈ দেশৰ ভৱিষ্যৎ ৰক্ষা কৰিবলৈ সোঁৱৰাই দিছে। সেইদৰে জাতীয় আৱেগক প্ৰকাশ কৰিবলৈ গৈ মহাবাহু ব্ৰহ্মপুত্ৰক প্ৰতিবাদৰ অন্য এক বাহক হিচাপে লৈ মনৰ ক্ষোভ প্ৰকাশ কৰিছে—“বিস্তৃৰ্ণ পাৰৰে অসংখ্য জনৰে/হাহাকাৰ শুনিও নিঃশব্দে নীৰৱে/বুঢ়া লুইত তুমি/বুঢ়া লুইত বোৱা কিয়?”

বৰ লুইতৰ দুয়োপাৰে সংঘটিত হৈ থকা অনাচাৰ, অত্যাচাৰ দেখিও নীৰৱে নিঃশব্দে বৈ থকা ব্ৰহ্মপুত্ৰক গালি পাৰি তথাকথিত নেতাসকলৰ বিৰুদ্ধে প্ৰতিবাদ মুখৰ হৈছে। জনতাক প্ৰৱল সংগ্ৰামী কৰি তুলিবলৈ প্ৰতিবাদী গীতৰ ভাষাৰে জাগৰিত কৰিবৰ সংকল্পত নিগৰাইছে— “আহ আহ ওলাই আহ সজাগ জনতা/আহ

আহ ওলাই আহ পোহৰ আনোতা/ৰামৰে দেশতে থকা ৰাৱণ বধোতে/যায় যদি যায় জীৱনটো যাক।"

আজি মৰ্মে মৰ্মে উপলব্ধ হয় ভূপেন হাজৰিকাৰ কণ্ঠত প্ৰতিবাদ আছিল বাবেই ভৱিষ্যৎ চেতনাও আছে। এনে বহু গীতৰ ভাষাৰে স্বদেশ প্ৰেমৰ বাবে প্ৰতিবাদী গায়কী শৈলীৰে দেশৰ জনগণক সময় থাকোঁতেই সচেতন হ'বলৈ উদ্‌গণি যোগাইছে, সাৱধান কৰি দিছে। শৰাইঘাটৰ ৰণ আকৌ হ'ব পাৰে। বদন, মোমাই তামুলীক চিনিবলৈ কৈ ভণ্ডামীৰ মুখাবোৰ খুলি স্বদেশ স্বজাতিক সুৰক্ষিত কৰাৰ সময় সমাগত। তেওঁৰ গীতৰ স্বদেশ প্ৰীতি চেতনা প্ৰতিবাদমুখী হোৱাৰ বাবেই আজিৰ অসমীয়া জাতি সদম্ভে মূৰ তুলিবলৈ সক্ষম হৈছে।

তদানীন্তন ৰাজনৈতিক প্ৰেক্ষাপটে বিশ্ব বৰেণ্য শিল্পী ভূপেন হাজৰিকাক হতাশগ্ৰস্ত কৰাৰ মূলতে হ'ল কলুষিত ৰাজনীতি। ৰজাঘৰ প্ৰজাঘৰৰ দুৰ্নীতিগ্ৰস্ত পৰিৱেশক সমূলঞ্চে ধ্বংস কৰিবলৈ তৎপৰ হৈ পৰিৱৰ্তনৰ দৃষ্টিভংগী আৰোপিত তেওঁৰ গীতসমূহ হৈ পৰিল জনজীৱনৰ সাহ। ৰাষ্ট্ৰযন্ত্ৰৰ শাসকৰ স্বৰূপ উদঙাই দিয়াত বিপ্লৱী সত্বাটো উন্মুখ হৈ পৰিছে— "বুদ্ধ গান্ধীক পদাঘাট কৰিলি/ পঞ্চশীলত ত্ৰাস বুলি হাঁহিলি/ ..................../ভাৰত সিংহ আজি জাগ্ৰত হ'ব।"

মানৱতাবাদী বিপ্লৱী শিল্পীগৰাকীৰ শিৰাই শিৰাই প্ৰৱাহিত সংগ্ৰামী সত্বাই তীব্ৰ হুংকাৰ জনাই বজ্ৰকণ্ঠে গাইছিল—"উদাৰ হিংসাৰে পৰিপূৰ্ণ/মানৱীৰ বেশেৰে দানৱীৰ মনেৰে/এইখন মানুহৰ মৃত মানৱতাৰ দেশ/ৰাইজৰ সেৰা চুৰ কৰি নেতাবোৰ ওলাল"

শাসনৰ চলেৰে শোষণনীতি চলোৱা মিছা গণতন্ত্ৰত দেৱতাৰ মন্দিৰত মানুহৰ তেজেৰে শতিকাৰ ইতিহাস লিখা ৰাজনৈতিক নেতাক জনগণক সজাগ কৰা চলেৰে সোঁৱৰাই দিছে— "লুইতক ভেটা দি কিমান দিন ৰাখিবা/ ভেটাকো চেৰায়ে ব'ব।

আকৌ— ৰাইজ সিংহক শৃংখল শৃগালে/সদা কৰে ভয় বুজিলানে নাই?

দেশৰ স্বাধীনতাত হস্তক্ষেপ কৰিবলৈ অহা অপশক্তিবোৰ উৎখাত কৰিবলৈ মনে প্ৰাণে বিচাৰিছিল। গীতৰ ভাষাৰে সেয়ে কৈছে— "হিন্দু মুছলমানৰ সংঘৰ্ষ এক ধৰণৰ ৰাজনৈতিক চক্ৰান্ত। ধৰ্মৰ নামত নিকৃষ্ট ৰাজনীতি কৰা অশুভ শক্তিসমূহক ধ্বংস কৰিবৰ হ'ল বুলি মানুহক আহ্বান জনাইছে। ৰাজনৈতিক সিদ্ধিৰ বাবে এচামে বিষবাষ্প বিয়পাই ৰাইজৰ বলতে ৰজা হৈ সম্পত্তিৰ পাহাৰ গঢ়ি সাধাৰণ নাগৰিকৰ জীৱন দুৰ্বিসহ কৰিছে। তাতেই ড° ভূপেন হাজৰিকাৰ বিদ্ৰোহী চেতনা উদ্‌গিৰণ হৈছে। অন্যহাতে স্বদেশ স্বজাতিৰ হকে আত্মবলিদান দিয়া শত শ্বহীদৰ আবেগক লৈ পাশাখেলৰ ৰাজনীতি কৰা সকলকো এশিকনি দিয়াৰ প্ৰয়াস ভাস্বৰ হৈ উঠিছে। সংগ্ৰামেই যাৰ জীৱন— "সবল সংগ্ৰামী অগ্ৰগামী" এয়ে মূলমন্ত্ৰ।

যুগজয়ী গীতিকবি ড° ভূপেন হাজৰিকাই সমসাময়িক সমাজত দেখা পোৱা প্ৰত্যেকটো সমস্যা নিৰ্মূল কৰিবৰ হকে মানৱতা স্থাপনৰ হকে গীতৰ সুৰেৰে জনমানসক প্ৰভাৱান্বিত কৰিছে। তেওঁৰ মন মগজুত মানুহৰ সমাজৰ মুক্তিৰ চেতনাই আলোড়ণ সৃষ্টি কৰিছিল আৰু সেইবোৰেই শব্দ, সুৰৰ ৰূপ লৈ সমাজ গঢ়াৰ সংকল্পত নতুন দিনৰ গান হৈ আত্মপ্ৰকাশ কৰিলে। চহাজীৱনৰ সমাজখনৰ পৰা আৰম্ভ কৰি বিভিন্ন জাতি ধৰ্ম, বৰ্ণ, ভাষা, পুৰুষ-নাৰী নিৰ্বিশেষে ক্ষয়িষ্ণু সমাজৰ প্ৰতি দৃষ্টি ভংগী সলনি কৰিবলৈ আৰম্ভ কৰে। বিভিন্ন জাতি ধৰ্মৰ প্ৰতি একাত্মবোধ, সহমৰ্মিতা, বৈষম্যহীনতা, সমাজ সংস্কৃতিৰ প্ৰগতি আৰু সমৃদ্ধিয়েই আছিল তেওঁৰ প্ৰতিপাদ্য উপলক্ষ্য। সংকীৰ্ণ জাতীয়তাবাদৰ পৰিৱৰ্তে বিপ্লৱী চিন্তাপ্ৰসূত দৃষ্টিভংগীত এখন সুস্থ সবল সমাজ গঢ়াৰ প্ৰতিশ্ৰুতি আছে, যিবোৰ উতলা সংগীত হৈ ধৰা দিছে— "জীয়াই থাকি এখন সমাজ গঢ়িবৰ মোৰ মন

আছে/য'ত সোণতকৈও মানুহৰ দাম/অলপ হ'লেও বেছি আছে।"

জাত্যাভিমান, মিছা দম্ভ, অহংকাৰ, উচ্চ-নীচৰ ভেদাভেদ, সমাজৰ পুৰাতন পম্প্ৰীতিৰ এনাজৰীডাল বিধিব খোজে। বাস্তৱেৰে যুঁজি যুঁজি আকাংক্ষিত সমাজ গঢ়িবৰ বাবে মুকুতিৰ গানগোৱা শিল্পীজনে কু-শক্তিবোৰ ওফৰাব খোজে— "ব্যক্তি যদি ব্যক্তিকেন্দ্ৰীক/সমষ্টি যদি ব্যক্তিত্ব ৰহিত/তেনে শিথিল সমাজক নাভাঙা কিয় ?"

যুগ যুগ ধৰি বৰ বৰ মানুহে সৰু সৰু মানুহক ব্যৱহাৰ কৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰি আহিছে। যিবিলাক সমাজৰ প্ৰগতিত অন্তৰায় হৈ থিয় দিছে। তেওঁ নিৰ্ভীক প্ৰতিবাদ কৰিছে গীতেৰে—"যুগ যুগ ধৰি এচাম লোকে/শোষণ কিমাননো কৰিব ?"

একেই সুৰত বাজি উঠিছে বৰ বৰ মানুহৰ দোলা, প্ৰতিধ্বনি শুনো মই, মানুহে মানুহৰ বাবে ইত্যাদি কালজয়ী আৰু কালোত্তীৰ্ণ গীতৰ ৰাগিনী। নতুন সমাজ গঢ়াৰ বাবে সাম্য সৰগ ৰচাৰ মন্ত্ৰণাৰে নতুন পুৰুষক আহ্বান জনাইছে—"তুমি নতুন পুৰুষ, নতুন নাৰী/অনাগত দিনৰ জাগ্ৰত প্ৰহৰী/কেঁচা জীৱন সোঁতক সিক্ত নকৰি/সমাজ সজাবা নিজ হাতেৰে"

সমাজৰ অন্য এক সমস্যা জাত পাতৰ বিচাৰ, ধনী-দুখীয়াৰ বিভেদে সৰগীয় প্ৰেমক গ্ৰহণ নকৰা, দুখন হিয়াৰ মিলনত সমাজে বান্ধি দিয়া নিয়ম ভঙাৰ সপক্ষে মূৰ্তমান হৈ পৰা গীতিকবি গৰাকীয়ে প্ৰকাশ্যে বিৰোধ কৰিছে অনামিকা গোস্বামী আৰু প্ৰশান্ত দাসক প্ৰতিনিধি ৰূপত থিয় কৰাই। তাতে ক্ষান্ত নাথাকি এঢাপ আগুৱাই গৈ —

"সমাজেও অনুমতি নিদিলে/দুয়োৰে জাতপাত নিমিলে
সৰুদৈ সৰুকনে বিজুলী পোহৰত/সৰু সৰু সমাজক এৰে।"

সামন্ত যুগীয় ধ্যান-ধাৰণাক মষিমূৰ কৰিবলৈ আহ্বান কৰি সেই পৰিধি ভাঙি তেনে সমাজক ত্যাগ কৰিব লাগে বুলি কৈছে। পুৰাতন সংস্কাৰবোৰ তচনচ কৰি নতুন সমাজ গঢ়াৰ ইংগিত বহন কৰিছে।

সমাজৰ অন্য এক বাস্তৱিক সমস্যা কৃষকৰ সমস্যা। খেতি আৰু খেতিয়কৰ যুগ যুগৰ সম্বন্ধত আউল লাগিছে। সৰু সৰু মানুহেই দেহৰ ঘাম মাটিত পেলাই কৰ্ম কৰি যোৱাৰ বিনিময়ত মধ্যভোগী আৰু শোষকে মুনাফা লাভ কৰে তাৰেই জ্বলন্ত উদাহৰণ— "অ' মোৰ ধৰিত্ৰী আই/চৰণতে দিবা ঠাই/খেতিয়কৰ নিস্তাৰ নাই /মাটি বিনে অসহায়"

বঞ্চিত, নিপীড়িত খেতিয়কক যিজনৰ গীতেৰে সাহসী কৰি তোলে সেই সাহেৰে বলীয়ান হৈ মহাজনৰ নিষ্ঠুৰ হাতোৰাৰ কবলৰ পৰা মুক্ত হ'বলৈ কাঁচিত শান দিয়ে—"ধাৰ নিদিও ঋণো নলও/সুদো নিদিও আৰু মহাজনৰ নিষ্ঠুৰ বুধি/সহো কেলেই বাৰু"

এনেকৈয়ে ড° ভূপেন হাজৰিকাৰ গীতেৰে সমাজত সমতা স্থাপন কৰিবলৈ গৈ প্ৰতিটো ক্ষেত্ৰতে প্ৰতিবাদী চিন্তনৰ বিকাশ ঘটাইছে। নাৰীৰ প্ৰতি অশেষ শ্ৰদ্ধাশীল সুধাকণ্ঠ ভূপেন হাজৰিকাই নাৰীক সন্মান কৰিব নজনা সমাজখনক তীৰ্যক ভাষাৰে থকা-সৰকা কৰিছে। নাৰীৰ স্বাধীনতা, শোষণ আৰু যন্ত্ৰণা এতিয়া ওৰ পৰাৰ সময় সমাগত। সেয়ে তেওঁ নাৰীক সাহস যোগাইছে—"তোমাৰ হাতৰ মুঠিতে আছে/তোমাৰ জীৱন ৰথ/ভাঙিব পাৰা গঢ়িব পাৰা/তোমাৰেই নিজা পথ।"

নাৰী মুক্তিৰ বাটতো তেওঁ প্ৰতিবাদী চিন্তনেৰে প্ৰশস্ত কৰিছে। চাহ বাগিছাৰ জনজীৱনৰ লাঞ্ছনাৰ

স্বৰূপ প্ৰকাশক প্ৰতিচ্ছবিয়ে মানৱদৰদী শিল্পীজনক ক্ষোভিত কৰিছে। বহুদিনে ভোগ কৰি অহা দুখ-দুৰ্দশাৰ অন্ত পেলাবলৈ তেওঁ মুক্তিৰ ভাৱ সঞ্চাৰিত কৰি প্ৰতিবাদী সত্বাটোক মোকলাই দিয়ে—“পাতা তোলা মেহনত কৰা/কলম কৰা ঝুঠা গ'/ইস্কুল পড়ি সাহস কৰি/জাতিকে জগাব গ'।”

সমাজৰ অন্য এক জলন্ত সমস্যা নিৱনুৱা সমস্যাই বিশ্ববিশ্ৰুত শিল্পীজনৰ মনোজগতত ক্ৰিয়া কৰাত জীৱিকাৰ সন্মানাৰ্থে সমাজত গীতৰ জৰিয়তে নতুন জাগৰণ অনাত তৎপৰ হৈছে। সকলো কলেজৰ প্ৰফেচাৰ বা চৰকাৰী চাকৰিয়াল নহ'ব পাৰে। কোনোবা জনে অটোৰিক্সা চলাইও জীৱন নিৰ্বাহ কৰিব পাৰে। জীৱিকাৰ কোনো সৰু বৰ থাকিব নালাগে অথবা চৰকাৰী চাকৰি এটা নোহোৱাৰ বাবেই কোনেও প্ৰেমাস্পদক হেৰুৱাবলগা নহওক। সমাজত জীৱিকাক সন্মান কৰাৰ ধ্যান ধাৰণা পোষণ কৰিবলৈ যাওঁতে কণ্ঠ নিগৰিছে— “শুন মোৰ লাহৰী গুপুতে গুপুতে ক'লো/চাকৰি নোপোৱা সমাজখন শুধৰাম/মৰণ পণকে ল'লো।”

সংস্কৃতিৰ পথাৰত বীজ সিঁচি বিশ্ববন্দিত গণশিল্পী ড° ভূপেন হাজৰিকাই আৰম্ভ কৰিছিল সংস্কৃতিৰ মহাযুগৰ। আস্থাহীনতাৰ বিপৰীতে গভীৰ আস্থাৰ গান গোৱা জনতাৰ শিল্পীগৰাকীৰ গান কেৱল গান হৈ থকা নাই। সেই গান জাতীয় জীৱনৰ এক আপুৰুগীয়া সম্পদ। অসমীয়া জাতি থাকে মানে সেই সোণালী ইতিহাস সমূজ্বল হৈ থাকিব। জ্বালাময়ী সাম্যৰ বাণীৰে সম্পৃক্ত গীতসমূহত প্ৰতিবাদী চিন্তনৰ প্ৰতিফলনে জাতীয় সাহিত্য তথা জাতীয় সত্বাক যুগমীয়া কৰি ৰাখিব।

❒❒❒

**সহায়ক গ্ৰন্থ ঃ**

১। ভূপেন হাজৰিকা অনাহূত বিতৰ্কৰ পৰা সৃষ্টিশীলতাৰ আওতালৈ— লোকনাথ গোস্বামী

২। অসমীয়া আধুনিক গীত আৰু গীতি সাহিত্য, সম্পাদনা- দীপালী দত্ত শইকীয়া

৩। বিভিন্ন আলোচনী আৰু বাতৰি কাকত।

৪। ভাৰতৰত্ন ভূপেন হাজৰিকা গীতৰ চিত্ৰকৰ সুৰৰ ভাস্কৰ— অনুৰাধা শৰ্মা পূজাৰী

# কৃত্রিম বুদ্ধিমত্তা সম্পদ নে বিপদ?

**কুমুদ বৰুৱা**

প্ৰতি ব্যক্তিয়ে জন্মগতভাৱে বুদ্ধি বা বুদ্ধিমত্তা লাভ কৰে। বুদ্ধিমত্তাই মানুহক মানুহ হিচাপে জীয়াই থাকিবলৈ প্ৰয়োজন হোৱা সামৰ্থখিনি কাৰ্যকৰী কৰে। বুদ্ধিমত্তা বয়স অনুপাতে বিকাশ হয়। আনহাতে কৃত্ৰিম বুদ্ধিমত্তা হৈছে কম্পিউটাৰ বা যন্ত্ৰক এনেধৰণে নিৰ্মাণ কৰা হৈছে যাতে ই মানুহৰ দৰে চিন্তা ভাৱনা কৰাৰ লগতে ক্ষীপ্ৰতাৰে আৰু নিখুঁটভাৱে কাম কৰিব পাৰে। এক কথাত কৃত্ৰিম বুদ্ধিমত্তা হৈছে যন্ত্ৰ অথবা কম্পিউটাৰৰ দ্বাৰা প্ৰদৰ্শিত আৰু পৰিচালিত বুদ্ধিমত্তা। কৃত্ৰিম বুদ্ধিমত্তাৰ যাত্ৰা  চল্লিশ দশকৰ পৰা আৰম্ভ হয় যদিও এই যাত্ৰা সময়ে সময়ে স্থৱিৰ হৈ পৰে। বিগত ১৯৫৬ চনত বিদেশৰ ডাথমাইথ কলেজৰ এখন গৱেষণা সন্মিলনত কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence) AI শব্দটো প্ৰথম ব্যৱহাৰ হৈছিল। কৃত্ৰিম বুদ্ধিমত্তাৰ পৰিক্ৰমাত ১৯৫১ চনত প্ৰথমবাৰৰ বাবে ডবা আৰু চেকাৰছ খেলিব পৰা প্ৰগ্ৰেম তৈয়াৰ কৰা হয়। পৰৱৰ্তী ১৯৮০ চনৰ পৰা ১৯৮৭ চনৰ ভিতৰত উত্থান হোৱা বিশেষজ্ঞ ব্যৱস্থা (Expert System) ৰে চিকিৎসা ক্ষেত্ৰত বিশেষজ্ঞ চিকিৎসকৰ দৰে ৰোগীক নিদান দিবলৈ সক্ষম হয়। দীৰ্ঘ পৰিক্ৰমাৰ অন্তত ২০১০ চনৰ পৰা আধুনিক কৃত্ৰিম বুদ্ধিমত্তাৰ যুগ আৰম্ভ হয়। সম্প্ৰতি জীৱন ধাৰণৰ বিভিন্ন ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰা হয়। ইয়াৰ সুফলো কল্পনাতীত। অন্যান্য দিশৰ কথা বাদেই আমি সকলোৱে ব্যৱহাৰ কৰা ফটোগ্ৰাফী ক্ষেত্ৰত ইয়াৰ ভূমিকা অপৰিসীম। বহুবছৰৰ পুৰণি, নষ্ট হ'বলৈ ধৰা একোখন ফটোগ্ৰাফ কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে নতুন ৰূপ দিব পাৰি। ইয়াৰোপৰি ভয়চ সহায়কাৰী Google Assistant, Siri আৰু Alexa Cortana, Youtube Netflix, Amazon আদিৰ দ্বাৰা ব্যৱহাৰকাৰী ভাবিব নোৱাৰা ধৰণে উপকৃত হৈছে। এক কথাত কৃত্ৰিম বুদ্ধিমত্তাই আমাৰ জীৱনৰ শিক্ষা, স্বাস্থ্য, ব্যৱসায়, বিনোদন, বিত্ত, পৰ্যটন, সংস্কৃতি আদি দিশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। পিছে কৃত্ৰিম বুদ্ধিমত্তাই প্ৰতি নিয়ত নিজৰ পৰিসৰ বৃদ্ধি আৰু দ্ৰুত উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি বিজ্ঞানী আৰু দাৰ্শনিকসকলে ভাবিবলৈ বাধ্য হৈছে যে এই কৃত্ৰিম বুদ্ধিমত্তাই অনাগত দিনত মানুহৰ ওপৰত শাসন চলাব নাইবা ইয়াৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাব বুলি। যাৰবাবে কৃত্ৰিম বুদ্ধিমত্তাৰ বাবেও কিছু নিয়ম বান্ধি এক নীতিশাস্ত্ৰ প্ৰস্তুতৰ কথা চিন্তা কৰা হৈছে। বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তাই বিশ্বত নিয়োগৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰিছে। বহু ব্যৱসায় প্ৰতিষ্ঠান আৰু উদ্যোগত কোটি কোটি লোকে কৰ্মসংস্থাপন হেৰুৱাইছে। আইফোন নিৰ্মাতা কোম্পানী Foxconn য়ে অলপতে ৬০ হেজাৰ শ্ৰমিক কৰ্মচাৰী কামৰ পৰা আঁতৰাই ৰবট নিয়োগ কৰিছে। আমেৰিকাৰ পেট্ৰল পাম্পসমূহত ইতিমধ্যে মানুহৰ পৰিৱৰ্তে ৰবট ব্যৱহাৰ কৰা হৈছে। তেনেদৰে বহু ৰাষ্ট্ৰত চাহ বাগিচাৰ ৰবট ব্যৱহাৰ কৰি শ্ৰমিকৰ ক্ষেত্ৰত হোৱা ব্যয় হ্ৰাস কৰিবলৈ সক্ষম হৈছে।

ইয়াৰ মাজতে অনলাইন ব্যৱসায়ত কৰ্মৰত ডেলিভাৰী বয়ৰ পৰিৱৰ্তে ড্ৰোণৰ দ্বাৰা পাৰ্চেল টেলিভাৰী কৰাৰো চিন্তা চৰ্চা কৰি থকা হৈছে। তেনেদৰে সংবাদ ক্ষেত্ৰতো কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। যুদ্ধ

ক্ষেত্ৰতো ৰবটৰ ব্যৱহাৰৰ পৰীক্ষা চলাই থকা হৈছে। গুৰুত্বপূৰ্ণ দিশটো হ'ল যে কৃত্ৰিম বুদ্ধিমত্তাৰ ধনাত্মক দিশৰ বিপৰীতে ঋণাত্মক দিশো বহু দেখা যায়।

ইপিনে কৃত্ৰিম বুদ্ধিমত্তাৰ আন এক সৃষ্টি হৈছে চাট জিপিটি অৰ্থাৎ চাট জেনেৰেটিভ প্ৰি-ট্ৰেইণ্ড ট্ৰান্সফৰ্মাৰ (GPT)। এই সঁজুলি ব্যৱহাৰ কৰি বিশেষকৈ শিক্ষাৰ্থীসকল সাংঘাতিক ধৰণে উপকৃত হৈছে। চাট জিপিটিৰ জৰিয়তে শিক্ষাৰ্থীয়ে ভাষা সুন্দৰকৈ বুজিব পাৰে আৰু উপস্থাপন কৰিব পাৰে লগতে জটিল ধাৰণাবোৰ সহজে আয়ত্ত কৰিব পাৰে। সম্প্ৰতি সাহিত্য সৃষ্টিৰ ক্ষেত্ৰতো কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগ কৰা দেখা যায়। তেনেদৰে উদ্যোগ ক্ষেত্ৰৰ উপৰি বৈদ্যুতিন মাধ্যমসমূহেও কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগ কৰি উপকৃত হৈছে। ই মানুহৰ জীৱন প্ৰণালী সহজসাধ্য কৰি তোলাৰ লগতে দ্ৰুত আৰু অধিক উৎপাদনশীলতাত অৰিহণা যোগাইছে। আমি লক্ষ্য কৰো যে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ভাল বেয়া দুয়োটা দিশেই আছে। কৃত্ৰিম বুদ্ধিমত্তাই পৃথিৱীখন অতি কম সময়ৰ ভিতৰত নতুন যুগলৈ নিয়াত বিশেষ ভূমিকা লৈছে। কৃত্ৰিম বুদ্ধিমত্তাই ভৱিষ্যতে বিশ্বত কেনে ধৰণৰ প্ৰভাৱ পেলাব সেইয়া ঠাৱৰ কৰাটো কঠিন। কিন্তু ইয়াৰ সঠিক ব্যৱহাৰ নহ'লে নাইবা ইয়াৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল হ'লে কৃত্ৰিম বুদ্ধমত্তাই যে মানৱ জাতিৰ বিপদৰ অন্যতম কাৰণ হ'ব ই নিশ্চিত। কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত মানুহ সম্পূৰ্ণ নিৰ্ভৰশীল হ'লে মানুহৰ সৃষ্টিশীলতা আৰু জ্ঞান অৰ্জনৰ স্পৃহা হ্ৰাস পোৱাটো নুই কৰিব নোৱাৰি। কৃত্ৰিম বুদ্ধিমত্তাক সঠিক দিশত প্ৰয়োগ নকৰিলে ই মানৱ জাতিৰ বাবে আশীৰ্বাদ নহৈ অভিশাপহে হ'ব।

❑❑❑



অসম সাহিত্য সভাৰ সংহতি সপ্তাহৰ সামৰণি অনুষ্ঠানত শিমলুগুৰি ৰঙ্গমঞ্চত ড° নগেন শইকীয়াদেৱৰ সৈতে শিমলুগুৰি শাখা সাহিত্য সভাৰ একাংশ বিষয়-ববীয়া। (১৯৯৭ চন)

# সংবাদ সেৱাৰ ক্ষেত্ৰত শিমলুগুৰি ঃ এক চমু আলাপ

**দেৱজ্যোতি কাকতি**

সাংবাদিক, সাংবাদিকতা বুলিলে আমি সাধাৰণ দৃষ্টিৰেই চাও যদিও সাংবাদিক অথবা সংবাদ মাধ্যমে আচলতে একোখন সমাজ গঢ় দিয়ে। ৰাজনীতিৰেই হওক অথবা বিষয়া-কৰ্মচাৰী কেন্দ্ৰিকেই হওক, সমাজখনৰ দুৰ্নীতি নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা সাংবাদিকসকলৰ থাকে। দেশৰ সংকটৰ সময়ত, মহামাৰীৰ সময়ত সাংবাদিকসকলে যিদৰে পেটৰ ভোক, ভাগৰক একাষৰীয়াকৈ ৰাখি বাতৰি সংগ্ৰহ কৰি ৰাইজৰ মাজলৈ পঠিয়াই সেয়া অতুলনীয়। সেয়ে সাংবাদিকতা এক প্ৰত্যাহ্বানমূলক বৃত্তি। এই বৃত্তিৰ বাবে সদায় প্ৰয়োজন জনসেৱামূলক মনোভাৱ।

সাহিত্যৰ সমসাময়িকভাৱে সংবাদ মাধ্যম সমাজ এখনৰ আধাৰ। যিবোৰ মাধ্যমৰ যোগেদি কোনো এক অঞ্চলত সংঘটিত হোৱা সংবাদ সমূহ পাঠকৰ মাজলৈ যায়, সেই মাধ্যমেই হৈছে সংবাদ মাধ্যম। সমাজখনৰ আঁৰত থাকি ইয়াৰ উন্নতিকৰণত সেৱা আগবঢ়াই অহা সম্ভৱতঃ অদ্বিতীয় বিভাগ এইটোৱেই। বিগত শতিকাসমূহত বাতৰি কাকত, ৰেডিঅ', দূৰদৰ্শন আদিয়েই আছিল প্ৰধান সংবাদ মাধ্যম। কিন্তু তথ্য প্ৰযুক্তি বিদ্যাৰ উত্তৰণৰ লগে লগে আজি সংবাদ মাধ্যমৰ সৈতে ফেচবুক, ৱাটছ্এপ, টুইটাৰ, পৰ্টেল মেডিয়া আদি সংবাদ মাধ্যমত নব্য সংযোজন হিচাপে পৰিগণিত হৈছে। ই সংবাদ মাধ্যমৰ ক্ৰমবিৱৰ্তন এক উৎসাহজনক পৰিৱৰ্তন বুলিব পাৰি। গণতন্ত্ৰৰ চতুৰ্থস্তম্ভৰে স্বীকৃত সংবাদ সেৱাৰ মান কোনেও অস্বীকাৰ কৰিব নোৱাৰিব। অৱশ্যে কোনো পৰিস্থিতিত সমালোচনাৰ সন্মুখীন হ'লেও প্ৰতিজন সংবাদকৰ্মীয়ে নিষ্ঠা আৰু ত্যাগেৰে কাৰ্যনিৰ্বাহিন কৰি অহাটো দেশ তথা মানৱ জাতিৰ বাবেই মংগলময়।

সাহিত্যৰ সমসাময়িকভাৱে শিমলুগুৰি অঞ্চলৰ সংবাদক্ষেত্ৰ লক্ষীমপুৰ জিলাখনৰ বাবেই উল্লেখযোগ্য। প্ৰথমাৱস্থাত নাৰায়ণপুৰ প্ৰেছ ক্লাবৰ সহযোগেৰেই বৃহত্তৰ শিমলুগুৰিৰ সংবাদকৰ্মীসকলে বাতৰি যুগুতাই আছিল। এনে সময়ত এই অঞ্চলৰ সংবাদকৰ্মী সকলৰ ত্যাগ-কষ্ট লেখত ল'বলগীয়া। কাৰণ তেতিয়াৰ দিনবোৰ আজিৰ দৰে যান্ত্ৰিক সুবিধাবোৰ সুলভ নাছিল। তদুপৰি আছিল বাট-পথ, ৰাস্তা-ঘাটৰ প্ৰাচীৰ। সেই তেতিয়াৰ পৰা বৰ্তমানলৈকে সংবাদক্ষেত্ৰত অৰিহণা যোগাই অহা ব্যক্তি সকলৰ কৰ্মৰাজী চমুকৈ যুগুত কৰাৰ প্ৰয়াস কৰা হৈছে।

অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী জীৱন সন্দিকৈদেৱক এই অঞ্চলৰ সংবাদক্ষেত্ৰৰ বাটকটীয়া বুলিব পাৰি। স্থানীয়কৈ 'ৰঙতি' গাঁৱৰ বাসিন্দা হ'লেও নাৰায়ণপুৰকে ধৰি শিমলুগুৰি ৰাজগড় অঞ্চলৰ পৰা বাতৰি পৰিৱেশন কৰাত তেও কৃপণালি কৰা নাছিল। উত্তৰ লক্ষীমপুৰৰ পৰা প্ৰকাশিত 'ন- লখিমী' কাকতত পৰিৱেশিত বাতৰিৰে তেওঁ সমাজসেৱা অব্যাহত ৰাখিছিল। লক্ষীমপুৰ মহাবিদ্যালয় (স্বায়িতঃ) ৰ অধ্যাপক শিমলুগুৰি নিমুৰীৰ দিগন্ত হাতীবৰুৱা আছিল অন্যতম। সাদিনীয়া, নতুন বাতৰি আদিত তেওঁ গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছিল।

প্ৰথম অৱস্থাৰে পৰাই সংবাদক্ষেত্ৰত অৱদান আগবঢ়াই অহা সকলোৰেই পৰিচিত এটি চিনাকি নাম চিত্ৰনাথ গগৈ। সংবাদকৰ্মীগৰাকীয়ে এই ক্ষেত্ৰখনত ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। তেওঁৰ সন্মাৰ্থে সাংবাদিক জগত গগৈৰ সম্পাদনাত প্ৰকাশ পোৱা অভিনন্দন গ্ৰন্থ 'গণ সংযোগ' আমাৰ অঞ্চলটিৰ এটি

অমূল্য সম্পদ। তেওঁ অতি নিষ্ঠাৰে লক্ষীমপুৰ জিলাৰ ‘জনজাতীয় নাৰী’, ‘সাদিনীয়া নতুন বাতৰি’, ‘দৈনিক জন্মভূমি’, ‘মহাজাতি’, ‘অগ্নিগড়’ত বাতৰি পৰিৱেশন কৰি আহি বৰ্তমানে আমাৰ অসম কাকতত বাতৰি পৰিৱেশন কৰি আছে। অসম চৰকাৰৰ তথ্য আৰু গণ্য সংযোগ বিভাগৰ পৰা তেওঁ চৰকাৰী কাৰ্ড লাভ কৰিছে। শিমলুগুৰি প্ৰেছ ক্লাবৰ সভাপতি হৈ আধুনিক গৃহ নিৰ্মাণ কৰাত তেওঁ অৰিহণা যোগাইছিল। চিত্ৰনাথ গগৈয়ে লক্ষীমপুৰ জিলা সাংবাদিক সংস্থাৰ উপ-সভাপতিৰ পদত কাৰ্যনিৰ্বাহ কৰিছিল। বৰ্তমান তেওঁ লক্ষীমপুৰ জিলা সাংবাদিক সংস্থাৰ উপদেষ্টা আৰু শিমলুগুৰি প্ৰেছ ক্লাবৰ উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

পৰৱৰ্তী সময়ত শিমলুগুৰিৰ নতুন দাধৰা গাঁৱৰ নিবাসী বিতোপন গগৈয়ে সাদিনীয়া নতুন বাতৰি, তিনি দিনীয়া অগ্ৰদূত আৰু নতুন দৈনিক কাকতত শিমলুগুৰিৰ পৰা বাতৰি পৰিৱেশন কৰিছিল। শিক্ষকতাৰ চাকৰি সূত্ৰে সংবাদক্ষেত্ৰৰ পৰা দীৰ্ঘ সময় আঁতৰি থাকি গগৈয়ে সাহিত্য চৰ্চাত মনোনিৱেশ কৰি কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰি প্ৰকাশ কৰি সাহিত্য জগত চহকী কৰিছে আৰু বৰ্তমানে শিমলুগুৰি শাখা সাহিত্য সভাৰ সভাপতিৰ পদত কাৰ্যনিৰ্বাহ কৰি আছে। শেহতীয়াকৈ, ‘অসম প্ৰবাহ’ নামেৰে এখন কাকতত বাতৰি পৰিৱেশন কৰিছে। ই সংবাদক্ষেত্ৰ খনৰ বাবে শুভ বতৰা।

শিমলুগুৰিৰ শিক্ষক অনন্ত গগৈ, মুহিত বৰবৰুৱা, ৰঙতিৰ ৰাতুল বৰপাত্ৰ গোহাঁইয়ে সংবাদ ক্ষেত্ৰলৈ আগবঢ়োৱা অৰদান নুই কৰিব নোৱাৰি। অনন্ত গগৈয়ে খবৰ, দৈনিক জনমভূমি আদি কাকতত ত্যাগ-কষ্টৰে বাতৰি পৰিৱেশন কৰাৰ লগতে শিমলুগুৰি প্ৰেছ ক্লাব গঠনত প্ৰতিষ্ঠাপক সভাপতি হিচাপে অন্যতম ভূমিকা গ্ৰহণ কৰিছিল। ভয়- ভাবুকিৰ ভয়াবহ দিনবোৰতো সাহসেৰে সাংবাদিকতা কৰি শিক্ষকতাৰ বৃত্তিত জড়িত হৈ দীৰ্ঘ সময় সংবাদ ক্ষেত্ৰ খনৰ পৰা আঁতৰি থাকি পুনৰ সংবাদ ক্ষেত্ৰখনলৈ অৰদান আগবঢ়াই আছে আৰু শিমলুগুৰি প্ৰেছ ক্লাবৰ উপদেষ্টা হিচাপে কাৰ্যনিবাৰ্হ কৰি আছে। আনহাতে, মুহিত বৰবৰুৱাই সংবাদ ক্ষেত্ৰ খনত খোজ পেলোৱাৰ পিছতেই পৰিস্থিতিগত কাৰণত সংবাদ ক্ষেত্ৰখনৰ পৰা আঁতৰি শিক্ষকতাৰ বৃত্তিত জড়িত হৈ পৰে। ৰাতুল বৰপাত্ৰ গোহাঁইয়ে নিয়মীয়া বাৰ্তা কাকতত কিছু বছৰ সংবাদ সেৱা আগবঢ়োৱাৰ পিছতে ৰাজনীতিত সক্ৰিয় হৈ পৰাত সংবাদ ক্ষেত্ৰ ত্যাগ কৰে ।

অসমীয়া প্ৰতিদিন কাকতৰে সংবাদক্ষেত্ৰত আত্মপ্ৰতিষ্ঠা লাভ কৰে শিমলুগুৰিৰ দেৱজিৎ দুৱৰাই। বৰ্তমান তেওঁ এন.কে টিভি প্লাছ চেটেলাইট চেনেলৰ প্ৰতিবেদক হিচাপেও সেৱা আগবঢ়াই আছে। সংবাদ যুগুতোৱাত কৃপনালি নকৰা দুৱৰাই বৰ্তমান শিমলুগুৰি প্ৰেছ ক্লাবৰ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰাৰ সমান্তৰালভাৱে লক্ষীমপুৰ জিলা সাংবাদিক সংস্থাৰ মাগুলিক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। আনহাতে, ‘ৰ’দালি’ শিশু আলোচনী নিজা সম্পাদনাৰে প্ৰকাশ কৰি উলিওৱাৰ পিছতেই দৈনিক অগ্ৰদূত, খবৰ কাকতত চেগা চুৰকৈ প্ৰবন্ধ প্ৰকাশ কৰি পৰৱৰ্তী সময়ত ‘নিয়মীয়া বাৰ্তা’ কাকতৰে সংবাদক্ষেত্ৰখনত প্ৰতিষ্ঠা লাভ কৰে দেৱজ্যোতি কাকতিয়ে। তেওঁ উদয়ন টাইমছ নামেৰে এটি প’ৰ্টেল চেনেলতো সেৱা আগবঢ়াই আছে। শিমলুগুৰি প্ৰেছ ক্লাবৰ সম্পাদকৰ দায়িত্বত কাৰ্যনিৰ্বাহ কৰি থকাৰ লগতে লক্ষীমপুৰ জিলা সাংবাদিক সংস্থাৰ কাৰ্যনিৰ্বাহিক সদস্য হিচাপে জড়িত হৈ আছে।

লক্ষীমপুৰ জিলাৰ পশ্চিমাঞ্চলৰ শিমলুগুৰিক সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিকভাৱে আগবঢ়াই নিয়াত আমাৰ সংবাদকৰ্মীসকলৰ ভূমিকাক আমি সদায় সন্মান কৰিম। ২০১৫ চনত প্ৰতিষ্ঠিত শিমলুগুৰি প্ৰেছ ক্লাব দীৰ্ঘজীৱি হওঁক। আগুৱাই আহক ন- ন সংবাদকৰ্মী। ভৱিষ্যতে মহিলা সংবাদকৰ্মীৰেও শিমলুগুৰি সংবাদক্ষেত্ৰৰ পৰিধি বিস্তৃত হ’ব বুলি আমি আশাবাদী।❐

# সাম্প্ৰতিক প্ৰেক্ষাপটত লক্ষীমপুৰ

**হিমাক্ষী চেতিয়া**

আমাৰ জনমভূমি 'লক্ষীমপুৰ'এই শব্দটোতে আমি বিচাৰি পাওঁ লখিমী আইৰ পৰশ। জিলা হিচাপে আমাৰ লক্ষীমপুৰখনে এক বহল পৃথিৱী সজাই লৈছে য'ত বৈচিত্ৰ্য আৰু ঐক্যই একেলগে সহবাস কৰে। লক্ষীমপুৰ জিলা অসমৰ উত্তৰ-পূব অংশত অৱস্থিত এক গুৰুত্বপূৰ্ণ জিলা। জিলাখন ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ পাৰত অৱস্থিত আৰু ভৌগোলিকভাৱে ই এক উৰ্বৰ সমতল অঞ্চলৰ লগতে পাহাৰী সীমান্ত অঞ্চলো অন্তৰ্ভুক্ত কৰে।

লক্ষীমপুৰ জিলা প্ৰায় ২৬°৪৮′ উত্তৰ অক্ষাংশৰ পৰা ২৭°৫৩′ উত্তৰ অক্ষাংশ আৰু ৯৩°৪২′ পূৱ দ্ৰাঘিমাংশৰ পৰা ৯৪°৩৫′ পূৱ দ্ৰাঘিমাংশৰ ভিতৰত অৱস্থিত। সীমান্তৰ চাৰিওফালে উত্তৰত অৰুণাচল প্ৰদেশ, দক্ষিণত ব্ৰহ্মপুত্ৰ নদী আৰু মাজুলী জিলা, পূৱত ধেমাজি জিলা, পশ্চিমত বিশ্বনাথ আৰু শোণিতপুৰ জিলা আছে।

ভূমিৰ গঠনৰ ক্ষেত্ৰত জিলাখনক প্ৰধানকৈ দুটা ভাগত বিভক্ত কৰা হৈছে— সমতল অঞ্চল ঃ ব্ৰহ্মপুত্ৰ নদীৰ পলিমাটিৰ দ্বাৰা গঠিত উৰ্বৰ সমতল ভূমি; পাহাৰী অঞ্চল ঃ উত্তৰ দিশত অৰুণাচল প্ৰদেশৰ পাহাৰৰ সৈতে সংলগ্ন অঞ্চল।

কৃষিকাৰ্য জিলাখনৰ মুখ্য জীৱিকা। প্ৰাকৃতিক সম্পদ হিচাপে বহুতো নদ-নদীয়ে জিলাখনক সজীৱ কৰি ৰাখে। ইয়াৰ ভিতৰত উল্লেখযোগ্য- ব্ৰহ্মপুত্ৰ, সোৱণশিৰী, ৰঙানদী, ডিক্ৰং, সোমদিৰি, পিছলা, দোৰপাং, দিহিৰি, চেঁচা ইত্যাদি। এই নদীসমূহে জিলাখনক উৰ্বৰ কৰি তুলিছে যদিও প্ৰায়ে বানপানীৰ সমস্যা সৃষ্টি কৰে। বৰ্তমান তুলনামূলকভাৱে চৰকাৰখনে প্ৰসংগটোত গুৰুত্ব আৰোপ কৰাৰ বাবে সমস্যাৰ পৰিমাণ কমিছে।

উৰ্বৰ ভূমি, প্ৰচুৰ নদ-নদী আৰু সেউজীয়া পৰিৱেশৰ বাবে লক্ষীমপুৰ জিলা কৃষি, পশুপালন আৰু প্ৰাকৃতিক সম্পদৰ দিশত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে। লক্ষীমপুৰ জিলাৰ ঐতিহ্য অসমীয়া সংস্কৃতি, ইতিহাস আৰু লোক জীৱনৰ এক সমৃদ্ধ সংমিশ্ৰণ। এই জিলাই প্ৰাচীন কালৰ পৰা বহু সভ্যতা, ধৰ্মীয় ধাৰণা আৰু লোক-সংস্কৃতি সংৰক্ষণ কৰি আহিছে। লক্ষীমপুৰ জিলাৰ ঐতিহাসিক পটভূমিৰ বৰ্ণন কৰিবলৈ গ'লে বহুখিনি দিশ সামৰি ল'ব পাৰি। ঐতিহাসিক লক্ষীমপুৰ জিলা প্ৰাচীন কামৰূপ ৰাজ্যৰ অন্তৰ্গত আছিল। আহোম শাসনকালত এই অঞ্চল ৰাজনৈতিক আৰু সামৰিক দিশত গুৰুত্বপূৰ্ণ আছিল। বিভিন্ন ঐতিহাসিক অৱশিষ্ট, পুখুৰী, মঠ-মন্দিৰে জিলাখনৰ প্ৰাচীন গৌৰৱৰ সাক্ষ্য বহন কৰে।

ধৰ্মীয় ঐতিহ্যৰ ক্ষেত্ৰত চাবলৈ গ'লে জিলাখন ধৰ্মীয় বৈচিত্ৰ্যৰে সমৃদ্ধ। শ্ৰীশ্ৰী মহামায়া পদুমণি আই থান, শ্ৰীশ্ৰী বাসুদেৱ থান, শ্ৰীশ্ৰী ঘাৰমৰা সত্ৰ, শ্ৰীশ্ৰী আদি এলেঙ্গী সত্ৰ, শ্ৰীশ্ৰী বদলা পদ্মআতা সত্ৰ, শ্ৰীশ্ৰী ধুৰাহাট বেলগুৰি সত্ৰ, মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ থান, শ্ৰীশ্ৰী শক্ৰাহী সত্ৰ আদি বৈষ্ণৱ সত্ৰসমূহে নামঘৰ সংস্কৃতি, ভক্তি আন্দোলন আৰু নৈতিক শিক্ষাৰ প্ৰচাৰ কৰিছে। নাৰায়ণপুৰৰ লেতেকুপুখুৰী হ'ল বঢ়াৰ-পো শ্ৰীশ্ৰী

মাধৱদেৱৰ জন্মস্থান যিয়ে আমাৰ লক্ষীমপুৰখনক মহাপুৰুষীয়া ঐতিহ্যৰে মহিমামণ্ডিত কৰে। মহাপুৰুষ শঙ্কৰ-মাধৱৰ বিৰচিত সৃষ্টিৰাজি সজীৱ কৰাৰ অৰ্থে নাৰায়ণপুৰৰ মাজমজিয়াত স্থাপিত শ্ৰীশ্ৰী মাধৱদেৱ কলাক্ষেত্ৰই জিলাখনক অন্য এক গতি প্ৰদান কৰিছে। ভাওনা সংস্কৃতি, ৰাস মহোৎসৱ, বৰগীত, খোল বাদন, সত্ৰীয়া গীত-নৃত্যৰ প্ৰশিক্ষণো জিলাখনৰ অনন্য অলংকাৰ। হিন্দু, জৈন, খ্ৰীষ্টান, মুছলমান, বৌদ্ধ আৰু জনজাতীয় বিশ্বাসৰ মিলনে এক সহনশীল ধৰ্মীয় পৰিৱেশ গঢ়ি তুলিছে।

লোক-সংস্কৃতি আৰু উৎসৱে লক্ষীমপুৰৰ সহজ-সৰল আৰু প্ৰকৃতি-কেন্দ্ৰিক জীৱনক উদ্‌যাপন কৰে। অসমৰ প্ৰত্যেক জিলাৰ লগতে লক্ষীমপুৰেও বিহু (ৰঙালী, কঙালী, ভোগালী) প্ৰধান উৎসৱ হিচাপে উদ্‌যাপন কৰে। জনজাতীয় সমাজসমূহৰ নিজা উৎসৱ, নৃত্য আৰু গীত এই জিলাৰ সাংস্কৃতিক বৈচিত্ৰ্য বৃদ্ধি কৰে। লক্ষীমপুৰ জিলাত বাস কৰা বড়ো, মিছিং, দেউৰী, সোণোৱাল কছাৰী, আহোম, হাজং গোৰ্খা, কাৰ্বি, কোচ, কলিতা, মেচ কছাৰী, কৈৱৰ্ত, আদিবাসী, চুতীয়া, ঠেঙাল কছাৰী আদি জনজাতি লোকসকলেও নিজা নিজা কৃষ্টি-সংস্কৃতিৰে জিলাখনৰ সাংস্কৃতিক দিশ টনকীয়াল কৰি ৰাখিছে।

পৰম্পৰাগত পোছাক, অলংকাৰ আৰু খাদ্যাভ্যাসে জনজাতীয় সংস্কৃতি সংৰক্ষণ কৰে। লোকসাহিত্য আৰু ভাষা লোকগাথা, বিহুগীত, বনগীত, নিচুকনি গীত আদিয়ে লক্ষীমপুৰৰ লোকসাহিত্য সমৃদ্ধ কৰিছে। অসমীয়া ভাষাৰ লগতে জনজাতীয় ভাষাসমূহেও এই অঞ্চলৰ সাংস্কৃতিক পৰিচয় বহন কৰে। শিল্প-কলা আৰু হস্তশিল্প, বাঁহ-বেতৰ শিল্প, মাটিৰ পাত্ৰ নিৰ্মাণ, কাপোৰ বোৱা আদি লক্ষীমপুৰ জিলাৰ পৰম্পৰাগত হস্তশিল্প। এইবোৰে গ্ৰাম্য জীৱনৰ সৃজনশীলতা প্ৰকাশ কৰে। প্ৰাকৃতিক ঐতিহ্যই প্ৰতি সময়তে জিলাখনৰ সৌন্দৰ্যকে ধিয়াই থাকে। সোৱনশিৰী নদী আৰু ইয়াৰ উপ-নদীসমূহ, বনাঞ্চল আৰু উৰ্বৰ ভূমিয়ে লক্ষীমপুৰ জিলাক প্ৰাকৃতিক সৌন্দৰ্য আৰু কৃষিভিত্তিক ঐতিহ্য প্ৰদান কৰিছে। এক কথাত ক'বলৈ গ'লে লক্ষীমপুৰ জিলাৰ ঐতিহ্য ইতিহাস, ধৰ্ম, লোকসংস্কৃতি, জনজাতীয় জীৱন আৰু প্ৰাকৃতিক সম্পদৰ এক সমন্বিত ৰূপ। এই ঐতিহ্যই জিলাখনৰ সামাজিক পৰিচয় গঢ়ি তোলাৰ লগতে ভৱিষ্যৎ প্ৰজন্মলৈ মূল্যবোধ আৰু সাংস্কৃতিক চেতনাৰ বাণী বহন কৰি আছে।

লক্ষীমপুৰ জিলাৰ অন্তৰ্গত আমাৰ জন্মস্থান বৃহত্তৰ শিমলুগুৰি অঞ্চলটোৰ সম্প্ৰীতিৰ কথা আহিলে ৰাজগড়, শিমলুগুৰি, ৰঙতি গাঁও পঞ্চায়তকো টানি আনিব পাৰি। অঞ্চলকেইটাৰ প্ৰত্যেক গৰাকী আৱাসীয়ে পৰস্পৰ ইজনে আনজনৰ ওপৰত নিৰ্ভৰশীল। ভিন্ন জনজাতীয় লোকৰ সহবাস তথা প্ৰত্যেকৰে নিজস্ব কৃষ্টি -সংস্কৃতিৰ নিৰৱধি উদ্‌যাপনে এই অঞ্চলটোক সামগ্ৰিকভাৱে এক শান্তিপূৰ্ণ বাতাৱৰণ ধৰি ৰখাত অহোপুৰুষাৰ্থ কৰিছে।

বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সুন্দৰ নিদৰ্শন বৃহত্তৰ শিমলুগুৰিয়ে সগৌৰৱে প্ৰদান কৰে। বড়ো, মিছিং, ৰাভা, কোচ, নেপালী (গোৰ্খা), আদিবাসী, মেছ কছাৰী, কাৰ্বি, আহোম, কলিতা, কৈৱৰ্ত, দেউৰী, সোণোৱাল কছাৰী ইত্যাদি ভিন্ন সম্প্ৰদায়ে স্বকীয়তাৰ লগতে সমন্বয় ৰক্ষা কৰি আহিছে।

শৈক্ষিক বাতাৱৰণ গঢ়াৰ ক্ষেত্ৰত নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়, শিমলুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰঙতি উচ্চতৰ মাধ্যমিক বিদ্যালয়, শিমলুগুৰি শংকৰদেৱ শিশু বিদ্যা নিকেতন, পশ্চিম শিমলুগুৰি

উচ্চ মাধ্যমিক বিদ্যালয়, উত্তৰ শিমলুগুৰি উচ্চ মাধ্যমিক বিদ্যালয়, জয়পুৰ মাধৱদেৱ উচ্চ মাধ্যমিক বিদ্যালয়, ৰাজগড় জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়, মাঘনোৱা উচ্চ মাধ্যমিক বিদ্যালয়, দাধৰা শঙ্কৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয় আদিয়ে যথেষ্ট অৰিহণা যোগাই আহিছে। মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত অঞ্চলটোৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহ বাৰুকৈয়ে সফল হৈছে।

লক্ষীমপুৰ জিলাৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। ইয়াৰ ভৱিষ্যত প্ৰজন্মক গুণগত তথা নৈতিক দায়িত্ববোধৰ ধাৰণা প্ৰদান কৰা তথা সকলোখিনি কাৰ্যত পৰিণত কৰা। জিলাখনৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক বিকাশত গভীৰ আৰু বহুমুখী প্ৰভাৱ পেলাই থকা লক্ষীমপুৰৰ শৈক্ষিক প্ৰতিষ্ঠান সমূহৰ অৱদান উল্লেখযোগ্য।

লক্ষীমপুৰত বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপন হোৱাৰ ফলত শিক্ষাৰ প্ৰৱেশাধিকাৰ বৃদ্ধি পাইছে। গাঁও-চহৰৰ সকলো স্তৰৰ ল'ৰা-ছোৱালীয়ে আনুষ্ঠানিক শিক্ষাৰ সুবিধা লাভ কৰিছে, যাৰ ফলত সাক্ষৰতা আৰু সামাজিক সচেতনতা যথেষ্ট বৃদ্ধি পাইছে।

উচ্চ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত নৰ্থ লক্ষীমপুৰ বিশ্ববিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয়, ঢকুৱাখনা মহাবিদ্যালয়, বিহপুৰীয়া মহাবিদ্যালয়, শঙ্কৰদেৱ মহাবিদ্যালয়, লক্ষীমপুৰ ছোৱালী মহাবিদ্যালয়, খেৰাজখাত মহাবিদ্যালয়, লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়খন, এল টি কে মহাবিদ্যালয় আদি উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহে জিলাখনত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষাৰ সুযোগ সৃষ্টি কৰিছে। ইয়াৰ উপৰিও শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়সমূহে শিক্ষকসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ফলত শিক্ষাৰ্থীসকল বাহিৰৰ জিলালৈ নোযোৱাকৈয়ে, স্থানীয়ভাৱে উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে । শিক্ষাই কুসংস্কাৰ, অশিক্ষা আৰু সামাজিক বৈষম্য হ্ৰাস কৰাত সহায় কৰিছে। বিশেষকৈ নাৰীসকলৰ শিক্ষা বৃদ্ধি পোৱাৰ ফলত নাৰী সৱলীকৰণ, পৰিয়াল সচেতনতা আৰু সমাজৰ মানসিকতা ইতিবাচক দিশে পৰিৱৰ্তিত হৈছে।

অৰ্থনৈতিক বিকাশ আৰু কৰ্মসংস্থানৰ দিশত শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ জৰিয়তে শিক্ষক, কৰ্মচাৰী আৰু সহায়ক কৰ্মীৰ কৰ্মসংস্থানৰ সুযোগ সৃষ্টি হৈছে। ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু কৰ্মচাৰীৰ উপস্থিতিয়ে স্থানীয় ব্যৱসায়, ভাড়া-বাসস্থান আৰু পৰিবহণ ব্যৱস্থাত যথেষ্ঠ অগ্ৰগতি আনিছে। শিক্ষানুষ্ঠানসমূহে শিক্ষাৰ্থীৰ ভিতৰত নেতৃত্ব গুণ, নাগৰিক চেতনা আৰু গণতান্ত্ৰিক মূল্যবোধ গঢ়ি তুলিছে। বহু শিক্ষিত যুৱক-যুৱতীয়ে প্ৰশাসন, শিক্ষা, সাহিত্য আৰু সমাজসেৱাৰ ক্ষেত্ৰত অৱদান আগবঢ়াইছে। অনুষ্ঠানসমূহে কেৱল জ্ঞান প্ৰদানেই নহয়, সামাজিক ৰূপান্তৰ, অৰ্থনৈতিক উন্নয়ন আৰু সাংস্কৃতিক বিকাশৰ মূল চালিকাশক্তি হিচাপে নিজা দায়িত্ব আগবঢ়াই আছে। এই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে লক্ষীমপুৰক এখন জ্ঞান ভিত্তিক, সচেতন আৰু প্ৰগতিশীল সমাজলৈ আগুৱাই লৈ যোৱাত অৰিহণা আগবঢ়াইছে।

সাম্প্ৰতিক লক্ষীমপুৰখনে বিকাশৰ ক্ষেত্ৰত বহুখিনি পদক্ষেপ লৈ আহিছে যদিও বহু যাত্ৰা এতিয়াও বাকী আছে। শিক্ষাক অস্ত্ৰ হিচাপে লৈ কৰা বিকাশে আমাৰ জিলাখনক এক জাকত জিলিকা অনুষ্ঠান হিচাপে গঢ়ি তুলিব বুলি দৃঢ় বিশ্বাস। এনে ক্ষেত্ৰত উঠি অহা যুৱপ্ৰজন্ম তথা শাসনাধিষ্ঠ চৰকাৰী কৰ্তৃপক্ষই গুৰুত্ব সহকাৰে প্ৰসংগসমূহক ধ্যান দিলে লক্ষীমপুৰৰ সাৰ্বজনীন বিকাশ আৰু খৰতকীয়া হ'ব।❐

# নীলা কফিন

(জুবিনলৈ শ্ৰদ্ধাঞ্জলি)

বংশী বৰা

এটা সোণবৰণীয়া কফিন

সোণালী ৰাজহাঁহ হেন হৈ
চৰি আছে ওমলিছে কোলাই কোলাই মানুহৰ
মানুহৰ চকুলোত ওপঙি আছে
সুৰীয়া কহিনুৰ কফিন
আধাতে ছিঙা ফুল

কফিনত বন্দী সাগৰৰ বুৰ্বুৰণি
কফিনত বন্দী আইৰ মাটিৰ সাৰুৱা গান

নীলা বাঁহীটোৰ কণ্ঠহীন কফিন
শব্দহীন
সুৰহীন
সাগৰৰ তলীৰ কেঁচা কলা কফিন
আহিনৰ শেৰালিয়ে সাৰটি ললে
সাগৰ মহাসাগৰৰ ঋতুকণ্ঠ

সুগন্ধি কফিন পূজাৰ বেদীত
জীৱনৰ জ্যামিতিক তেজ

কফিনৰ পদধ্বনিত গছবোৰ শুইছে
চৰাইবোৰে পাহৰিছে স্বৰধবনি
মানুহৰ হেঁপাহৰ কলিজাৰ ধপ্-ধপনিত
ভাঁহি আহিছে— চুই চাও, চুই চাও...

জুবিন, আমাৰ হৃদয়ৰ পেৰাত
তোমাৰ ফুলাম মৃত্যুহীন গান
অনিৰুদ্ধ সুৰ

❒❒❒

# ভাষা জননী

ঠেনুমাই গগৈ দুৰৰা

চিৰ চেনেহী মোৰ ভাষা জননী বুলি
বুকু ফিন্দাই ক'লেইতো নহ'ব
অসমীয়াৰ অন্তৰে অসমীয়া ভাষালৈ
অৱদান যদিহে নিদিব।

অসমীয়া সমাজে অৱহেলা দৃষ্টিৰে
অপভ্ৰংশ যদিহে কৰিব
পাপা-মামী বোলোতে স্বদেশী সংস্কৃতিয়ে
কিজানিবা অনুতাপ পাব।

নিজক নিচিনি আজি অনুকৰণ কৰিছেহি
পৰৰ ভাষাৰ মিঠা স্বাদ,
শিকিব লাগিছিল আমি বিজ্ঞান প্ৰযুক্তি বিদ্যা
নাহক মনলৈ অৱসাদ।

স্বদেশৰ ৰীতি-নীতি স্বভাষাৰ গুণ গান
গাওঁ আহা সবাৰে লগত
কবিয়ে কবিতা ৰচি কবি সন্মিলন পাতি
জিলিকাব জনম মৰত।

গীতিকাৰে গীত ৰচি সুৰৰ ঝংকাৰ তুলি
মুখৰিত কৰাহে আকাশ
গ্ৰন্থকাৰৰ গ্ৰন্থৰাজি সাহিত্যৰ ভঁৰাল চহকী কৰি
ৰাখা সুখ্যাতি নাহক অৱকাশ।

সজাগ হোৱা দেশৰ সুপ্ত হৈ থকা উত্তৰ পুৰুষ
কৰা সংস্কাৰ ভাষা জননীক উদ্ধাৰ,
'চিৰ চেনেহী মোৰ ভাষা জননী' বুলি
জয়গান গোৱাহে সদায়।

❒❒❒

# বৈ বৈ

**উপেন কুমাৰ বৰুৱা**

বিনাব পৰা হ'লে
পাতল হ'লহেঁতেন ডাৱৰ ভঙা শোক
সামৰিব পাৰিলোহেঁতেন
অপ্ৰত্যাশিত ক্ষোভ
বুকুৰ অতল গভীৰত ওলমি থকা বৰযুণজাক
বৈ আহিলহেঁতেন সৰৰে
পাতলিলহেঁতেন বিনিদ্ৰ বিৰোধ

এতিয়াও সাৰে আছে আকাশ
এতিয়াও সাৰে আছে কাণ-কাষৰীয়া বতাহ
কোন সময়ত বা আহিব
কেতিয়া আহিব জেৰটনা খবৰ ..

চকুৰ আগত নেজাল তৰাৰ জাল
আশে-পাশে বেসুৰীয়া গীত মাতাল
ধূৰ্তৰ কঁপালত অস্তযোৱা বেলি
আৰুনো কিমান বেলি?
পাৰ ভাঙি এই বব যেন
বব যেন আপদীয়া বান
সত্যৰ কাঠামো নিষ্কাম

বিনাব পৰা হ'লে
প্ৰশমিত হ'লহেঁতেন তেজধ্বনিৰ সোঁত
শীৰ্ষক উটাই নিয়া
বান্ধ ভঙা গড়া খহা নৱীন মহাজোঁট

বিনাব পৰা হ'লে
বৈ বৈ বৈ বৈ...

❐❐❐

# মনৰ চাকনৈয়া

**দশমী গগৈ বৰবৰুৱা**

কবিতাৰ দৰে ভংগিমা শব্দচয়ন
হৃদয় চুই যোৱা গীতৰ মালিতা
সীমাহীন ভাৱনা সাগৰৰ তলিত
মুকুতা বুটলি,
সুৰৰ বতাহ বিয়পায়
উৰি যাবৰ মন, বহু দূৰলৈ।
শৰত হেমন্ত বৰ্ষা ঋতুবোৰ
মন যায় চাবলৈ নানা ৰূপেৰে সজাই
প্ৰতি মেঘালী নিশা জোনৰ সৈতে
বসন্ত সুবাস বিলাই মনৰ পখীক
শেৱালি দলিছাত শুৱাই দিবৰ মন
ক্ষন্তেক জিৰণি লৈ দেহ মন জুৰাই
মনৰ দিগন্তত দুলি থকা আশাৰ সপোনবোৰ
চুই চাব মন যায় দুহাত মেলি।
ভটীয়া পখীৰ গীতৰ চানেকিৰে
লুইতৰ বুকু সাৰতি ধৰা ৰঙা ৰান্ধনী বেলি।
অচিন পথৰ জীৱন শৈলীৰে
কুলু কুলু শব্দই বৈ যোৱা
নিজৰ পথ নিজেই বিচাৰি লোৱা
নদীৰ বুকুত সাতুৰিব মন যায়
ঐনিতম এফাঁকি গায়।
মন যায় নাহৰ তলিত
বাগানৰ পূজা স্থলীত
বেলুন পুতলাৰে খেলা
উপচাই দিম নেকি সেই
শৈশৱৰ মধুৰ বেলা।

❐❐❐

# সোৱণশিৰি

জগত গগৈ

সৰ্পিল গতিৰে ফেনেফুটুকাৰে বৈ অহা
মোৰ চিনাকি নদীখন বৈ থাকিবলৈ দিয়া
বৈ থাকিবলৈ দিয়া অবিৰত গতিৰে
যিখন নদী আদিম উন্মাদনাৰে
বৈ আছিল অতীজৰে পৰা
মোৰ চিনাকি পাহাৰৰ পৰা ভৈয়ামলৈ
সকলো একাকাৰ কৰি মাথো বৈ আছিল

ৰাঙলি ওঁঠৰ দুপাৰত অলেখ অবুজ কঁপনি তুলি
মোৰ আপোন সোৱণশিৰি বৈ আহে
এসোঁতা স্নেহৰ এনাজৰী হৈ
এফাঁকি সম্প্ৰীতিৰ বাণী লৈ

সপোনৰ সাঁচতীয়া সোণসেৰীয়া স্মৃতিৰ সাঁকোৰেদি
কেতিয়া যে পাৰ হৈ যায় ক্ষণভঙ্গুৰ সময়ৰ তন্ময়তা
অ' মোৰ চিনাকি নদী সোৱণশিৰি,
তোৰ বুকুতে সঞ্চিত হৈ আছে কত ইতিহাস
তোৰ বুকুতে হেৰাই গ'ল কত অলিখিত ৰূপ কাহিনী
তোৰ বুকুতে নিশ্চিহ্ন হ'ল জীৱন্ত দুখৰ কাহিনী
তোৰ বুকুতে বিলীন হ'ল কত ইতিহাস কত কাহিনী

মোৰ চিনাকি নদী সোৱণশিৰিৰ পাৰতে
এনে এক জীৱন্ত প্ৰেম কাহিনীৰ আধাৰতে
ৰচিত হৈছিল জংকী-পানৈৰ দৰে
অমৰ প্ৰেম কাহিনী গাথা মিৰি জীয়ৰী
যি অমৰ প্ৰেম কাহিনী

যুগে যুগে বন্দিত হৈ থাকিব মানুহৰ সমাজত
আৰু এনে বহু অলিখিত কাহিনী
মোৰ চিনাকি নদী সোৱণশিৰিয়ে সামৰি থৈছে
বুকুৰ গভীৰত অতি সংগোপনে
যুগ যুগান্তৰ পৰা নিৰৱধিভাৱে বৈ অহা
মোৰ চিনাকি নদী সোৱণশিৰিৰ বুকুয়েদি
উটি আহে কত যে কি

সমগ্ৰ বৰ্ষাসিক্ত সময়ছোৱাত ফেনেফুটুকাৰে
উফন্দি পৰে নদীৰ বুকু
খৰাংপীড়িত সময়ছোৱাত শুকাই তেনেই হয় তৰাং

মোৰ চিনাকি নদী সোৱণশিৰি
মাথো বৈ যায় নিৰৱধি

জীৱন নিশ্চয় এনেকুৱাই
যাৰ উপমা নাই।

❒❒❒

# মৌপিয়া

**(প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হাতত)**

**সঞ্জীৱ বসুমতাৰী**

অৰণ্যৰ পৰা উৰি আহিছিল এজনী মৌপিয়া
বাঁহ সাজিছিল ইউকেলিপ্টাছৰ ওখ খোৰোঙটোত

পুৱা-গধূলি
মৌ বুটলি অন্য চৰাইবোৰক
শিকাইছিল—
উৰিবলৈ
মাতিবলৈ
চিঞৰিবলৈ
আৰু 'মানুহ'ৰ পৰা দূৰত্ব ৰাখিবলৈ...

মৌপিয়াজনীয়ে সাঁজি গৈছিল মৌচাক
সকলোকে বিলাই দিছিল মিঠা স্বাদ
যেন সেয়া মন্দিৰৰ পৱিত্ৰ প্ৰসাদ

চৰাইজাক উৰি ফুৰিছে এতিয়া
পাহৰি মৌসনা মাত
চিলনী হৈ, শালিকী হৈ
ভাটৌ হৈ কাৰোবাৰ পিঞ্জৰাত
যি জাহ যাব কেতিয়াবা নেদেখা জাতিংগাত

মৌপিয়াৰ দিন টুটিছে
পক্ষীকূলৰ বেজাৰত
দুখৰ মালিতা আওৰাইছে
ঘূৰি যাব বিচাৰিছে অৰণ্যৰ সিটোপাৰৰ নীল সাগৰলৈ
য'ত জী থাকে অনেক মৃত শৰীৰহুঁ

❒❒❒

# অনাগত কণ্ঠ

**শিৱ প্ৰসাদ বৰা**

উত্তৰণৰ সেউজী পথাৰত
অনাগত কণ্ঠই
জনতাৰ মহাকোলাহল।

ক্ষুধাৰ্ত্ত জনতাৰ কল্লোলে
উপকৰণৰ নিৰূপণ জৰীপৰ
বৈচিত্ৰ্যৰ অভ্যখনৰ মহা সাক্ষৰ।

নিৰ্দিষ্ট সূচাংকৰ সফলতাই
আনি দিয়ে অনিশ্চিত ভৱিষ্যত
দক্ষ প্ৰৱণতাৰ জাগ্ৰত প্লাবন।

সাক্ষৰ পদূলিত সচেতন মোকাবিলা
যোগাত্মক পৰিধিয়ে তৰাত্মক নিগমন
জাগ্ৰত জনতাৰ মধুৰ আৰ্তনাদ।

দুহাতেৰে অঞ্জলি বিলাই
গাঠনিত গুণগত মহাসংযোগে
তৃষ্ণাতুৰ হৈয়ো নাতিশীতোষ্ণতা।

মনোগ্ৰাহী নীতিকথাবোৰ হৈ পৌৰাণিক
শৰীৰত তেজ ৰঙা নিগৰিত ভাণ্ডাৰ
অপৈণত কদৰ্যতাই নোৱাৰে তৰিব
আন্ধাৰ ফালি পোহৰ ওলায়ে থাকিব।

❒❒❒

# প্ৰণামো তোমাক

**প্ৰফুল্ল কোঁৱৰ**

জীৱন মাথোঁ এক কচুপাতৰ পানী
কত জনমৰ ফাকে ফাকে আহি
পিতৃ-মাতৃৰ দৈৱ্যভক্তি অহেতুকে
থিতাপি ল'লাহি তুমি শ্যামলী স্থানে।
এদেউ দুদেউ কৰি হ'লা ডেউকাৰে উৰা
আঙুলিৰ বুলনিত বাজিল চেতাৰৰ তাঁৰ
অকল নহয় তুমি সুৰৰ মালিতা
ৰচিছিলা বহুগীত সুমধুৰ তান।
গভীৰ ভাৰাদৰ্শ আছিল তোমাৰ গাত
পাইছিলা তেনেদৰে বহুতৰে মান
সহজাত প্ৰবৃত্তি আছিল তোমাৰ
দিছিলা সেয়েহে বহুলোকক দান।
লক্ষ জনৰ লগত ল'লা বহু জ্ঞান
নাপালা চক্ৰবেহুৰ ওলোৱা উমান
এন্ধাৰৰ আৰে আৰে পাতিছিল জাল
নিছিল তোমাক সৰে চিংগাপুৰ স্থানে।
ৰচিছিল অভেদ্য বেহু বৰজনাই তাত
পিয়লা ভৰাই দিছিল ৰঙীন মদিৰা
আনন্দত ভাঁহি আহিল অনেক আহ্লাদ
এনেদৰে গৈ পালে সাগৰৰ পাৰ।
উঠিল য়টৰ পৃষ্ঠে অতি আমোদ
মনে আকৌ বিচাৰিলে জলক্ৰীড়া কৰো।
ব্যঙ্গ কৰি সকলোৰে পথালে পানীত
গভীৰ শীতল পানীত নাপালে ভাবি
উঠা-নমা দেহে কৰিছে যিমান
য়টত বহি লোকে হাঁহিছে সিমান।
নিজে কৰা কৰ্মফলে পালে যে গতি
সৰ্বজনে কান্দিছে আজি হিয়া শূন্য বুলি।
এই বাটেৰে যেন আহা আকৌ ঘূৰি
সহস্ৰ জনে কৰিছো কাকুতি।। ❐

# তুমি দূৰণিৰ এগছি টিপ্ চাকি

**ৰশ্মিৰেখা বৰুৱা**

তোমাৰ দেউতাৰাই কঢ়িয়াই আনিছে
মেটমৰা শব্দৰ ভাৰ।
পিঠিত তুলি লৈ এটা সোণালী শব্দ
চকুৰ সন্মুখতে ইমান অনুৰাগ...।
পৃথিৱী ঢাকি পৰিছেহি এজাক ৰ'দ
মনৰ জোখাৰে হেঁপাহ পলুৱাই
নৈৰ পাৰত কহুঁৱাৰ মাজত
বুকু ফালি দিছিল গৰখীয়া বাঁহীৰ সুৰে।
পথাৰৰ পৰা জিৰ্ জিৰ্ সপ্তসুৰ বুটলি নি
মনৰ চোতালখন ভৰাই তুলিছিল।
তোমাৰ দেউতাৰাই ছেঁই ছিগা শব্দৰ সুগন্ধি
বুকুত বান্ধি বছৰটোৰ আকাল গুচাইছিল।
চিন্তাৰ প্ৰখৰতাৰে, এজাক ৰ'দেৰে
উমাল ঘৰ সাজিছিল তোমাৰ বাবে।
কেৱল তোমাৰ বাবে
কঠোৰতাৰ নৈ সাতুৰি সাতুৰি
শংকা, সংশয়ৰ গভীৰতা ফালি
সফলতাৰ জখলা বৰাই
জীৱনৰ ছবিখন আঁকিছিল।
দূৰণিৰ টিপ্ চাকিৰ তীক্ষ্ণ পোহৰ জ্বলিছে।

❐❐❐



শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ একাংশ বিষয়-ববীয়া



স্মৃতিগ্ৰন্থৰ দাতা ঃ অনন্ত গগৈ আৰু পৰিয়ালবৰ্গ

## স্মৃতিগ্ৰন্থ উপ-সমিতিৰ বিষয়-ববীয়াসকল



সঞ্জীৱ উপাধ্যায়
উপদেষ্টা



জীৱন সন্দিকৈ
উপদেষ্টা



প্ৰবীণ হাজৰিকা
উপদেষ্টা



চিত্ৰনাথ গগৈ
সভাপতি



লিলি শইকীয়া
উপ-সভাপতি



দেৱজিৎ দুৱৰা
সম্পাদক



পবিত্ৰ বৰুৱা
সদস্য




বিপুল গোহাঁই
সদস্য



ৰেখামণি হাতীবৰুৱা
সদস্যা



মণিষা বৰা গগৈ
সদস্যা



ঐতিহাসিক মাঘনোৱা দৌল
মাঘনোৱা



ৰঙতি পুখুৰীপাৰত অৱস্থিত
স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ প্ৰতিমূৰ্ত্তি



লাচিত ক্ষেত্ৰত অৱস্থিত
মহাবীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্ত্তি, শিমলুগুৰি



ঐতিহাসিক ৰঙতি পুখুৰী
ৰঙতি




শ্ৰীশ্ৰী মাধৱদেৱ কলাক্ষেত্ৰ আৰু
শ্ৰীশ্ৰী বদলা পদ্মআতা সত্ৰ, নাৰায়ণপুৰ




মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ জন্মস্থান
লেটেকুপুখুৰী, নাৰায়ণপুৰ